# প্ৰান্তিক

৫ম বছৰ ৭ম সংখ্যা ১—১৫ মাৰ্চ '৮৬

অসমৰ প্ৰাকৃতিক গেছ



ৰাষ্ট্ৰীয় টেবল টেনিছত অসমৰ গৌৰৱজনক সাফল্য

চেলেঞ্জাৰৰ পতন

"চুলি সৰা বন্ধ কৰিবৰ কাৰণে কেতিয়াবা ডাক্তৰৰ পৰামৰ্শ লৈছে নে?

মই লৈছো।"

জানি আশ্বস্ত হব, কেইগৰাকীমান ডাক্তৰ কেয়ো-কাৰ্পিন হেয়াৰ ভাইটালাইজাৰৰ বৈজ্ঞানিক ফৰমুলাটো পৰীক্ষা কৰি সন্তুষ্ট হৈছে ।

পৰীক্ষাত প্ৰমাণিত হৈছে যে, কেয়ো-কাৰ্পিন হেয়াৰ ভাইটালাইজাৰে মূৰৰ ত্বক সুস্থ ৰখাৰ কাৰণে প্ৰয়োজনীয় সকলো প্ৰোটিন, ভিটামিন, আৰু কো-এনজাইম যোগায় ।

এইবাৰ এই ৰিছাৰ্চ ৰিপোৰ্টখন পঢ়ি চাওক:

"৬৬.৬৬% ক্ষেত্ৰত চমৎকাৰ আৰু ৩৩.৩৩% ক্ষেত্ৰত বেছ ভাল ফল পোৱা গৈছে । প্ৰতিটো ক্ষেত্ৰতে উফি হোৱা সম্পূৰ্ণ বন্ধ হৈছে আৰু প্ৰায় সকলো ক্ষেত্ৰত চুলি সৰা প্ৰায় পুৰাপুৰি ৰোধ হৈছে... সেয়ে কব পাৰি, কেয়ো-কাৰ্পিন হেয়াৰ ভাইটালাইজাৰে এই ক্ষেত্ৰৎ পুৰাপুৰি সাফল্য লাভ কৰিছে ।"
(ইণ্ডিয়ান মেডিকেল গেজেট ১১৮, ২২৩, ১৯৮৪)







কেয়ো-কাৰ্পিন
হেয়াৰ ভাইটালাইজাৰ
পৰীক্ষিত আৰু প্ৰমাণিত বৈজ্ঞানিক পদ্ধতিত চুলি সৰা বন্ধ কৰে।

ই কোনো প্ৰসাধন সামগ্ৰী নহয়

Dey's যি সকলৰ যত্নই আপোনাৰ আস্থা

CLARION C DMHV-1 R



# প্ৰান্তিক

৫ম বছৰ ৭ম সংখ্যা ১—১৫ মাৰ্চ '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

"সমাজৰ শিক্ষা প্ৰতিষ্ঠানসমূহে সমাজৰ "ভাল" মানুহক শিক্ষা প্ৰদান কৰে, কিন্তু কাৰাগাৰবোৰে 'বেয়া' বুলি সাব্যস্ত হোৱা লোকক সংশোধন কৰে। সেয়েহে কাৰাগাৰক এক পবিত্ৰ প্ৰতিষ্ঠান বুলি কব পাৰি। কাৰাগাৰৰ দায়িত্ব অন্যান্য শিক্ষানুষ্ঠানতকৈও অধিক ব্যাপক আৰু গভীৰ।"

কিন্তু আমাৰ কাৰাগাৰবোৰত এইখিনি কথাৰ সাৰ্থকতা প্ৰতিফলিত হয়নে ?

ব্যক্তিগত কাৰাগাৰৰ অভিজ্ঞতাৰ ওপৰত ভেটি কৰি

**ত্ৰিদিব শৰ্মাই লিখা প্ৰবন্ধ**
**আদৰ্শ কাৰাগাৰ**

পৃথিৱীৰ ভিতৰতে আটাইতকৈ দামী সুগন্ধি তেলৰ এবিধ হ'ল "আগৰ"। ইয়াৰ আদৰ আটাইতকৈ বেছি আৰব দেশত। ভাৰতৰ পূৰ্বাঞ্চলৰ হাবিত পোৱা সাঁচি গছৰ পৰা আগৰ তৈয়াৰ কৰা হয়। কিন্তু কোনে এই কাম কৰে ? অসমৰ পৰা "আগৰ" আৰব দেশ পায়গৈ কেনেকৈ ? ইয়াৰ কোটিটকীয়া ব্যৱসায়ৰ পৰা অসমে কিমান লাভ পায় ?

**বদন বৰুৱাৰ প্ৰবন্ধ**
**সুগন্ধি আগৰ : অৰণ্যৰ ব্যৱসায়**

এজন নোবেল বটা বিজয়ী বিজ্ঞানী আৰু এজন "দিন-মজুৰ"ৰ মস্তিষ্কত থকা কোষৰ সংখ্যা প্ৰায় সমানেই ; —পাৰ্থক্যটো আছে সক্ৰিয় আৰু নিষ্ক্ৰিয় কোষৰ অনুপাতত আৰু কোষবোৰৰ বিকাশৰ মাত্ৰাত। যথোপযুক্ত চৰ্চাৰে এই বিকাশ ঘটাব পাৰি। মানুহৰ মস্তিষ্কৰ বৃদ্ধি চল্লিছ বছৰ বয়সৰ পাছত নহয় বুলি থকা ধাৰণাটো ভুল।

**ড° অচিন্ত্য সুন্দৰ শৰ্মাৰ প্ৰবন্ধ : মগজুৰ কছৰৎ**

আঁচনি কৰা মতে ঠাই নোলোৱাত ড° শৈলেন ভৰালীৰ "উনবিংশ শতিকাৰ ভাৰতীয় নৱজাগৰণ" নামৰ প্ৰবন্ধটো এই সংখ্যাত প্ৰকাশ কৰিব পৰা নহল। প্ৰবন্ধটো অহা সংখ্যাত প্ৰকাশ কৰা হ'ব।

## এই সংখ্যাত

যোৱা ২৮ জানুৱাৰীৰ দিনা ৰাতিপুৱা আমেৰিকাৰ ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহেৰে উপভোগ কৰিছিল আমেৰিকাৰ মহাকাশ শ্বাটল চেলেঞ্জাৰৰ উৎক্ষেপণৰ দৃশ্য। কাৰণ এই শ্বাটলখনতে ছাত্ৰ-ছাত্ৰীসকলৰ অতি মৰমৰ ক্ৰিষ্টা মেকঅ'লিফ নামৰ এগৰাকী শিক্ষয়িত্ৰীয়েও মহাকাশযাত্ৰীৰূপে অংশ গ্ৰহণ কৰিছিল। কিন্তু মুহূৰ্তৰ ভিতৰতে ঘটা বিস্ফোৰণটোৱে সমগ্ৰ আমেৰিকাতে গভীৰ শোকৰ ছাঁ পেলায়।


**দেৱজ্যোতি হাজৰিকাৰ প্ৰবন্ধ : চেলেঞ্জাৰৰ পতন** ।১১।


উজনি অসমৰ শিৱসাগৰ জিলাত ভৰি দিলেই আপুনি দেখা পাব দিগন্ত উজলাই ৰখা একোকুৰা প্ৰকাণ্ড জুই। অসমৰ ভূগৰ্ভত যুগ যুগ ধৰি সঞ্চিত হৈ থকা প্ৰাকৃতিক গেছ নিৰ্মমভাৱে জ্বলাই দিয়া হৈছে—এয়া তাৰেই জুই। যি সময়ত সমগ্ৰ বিশ্বতে শক্তিৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, তেনে সময়তে আমাৰ অসমত শক্তিৰ উৎস প্ৰাকৃতিক গেছ জ্বলাই দিয়া হৈছে।


**অসমৰ প্ৰাকৃতিক গেছ : ব্যৱহাৰ আৰু অপচয় : ৰাণু বৰুৱা** ।১৫।


ভাৰতবৰ্ষৰ সংবিধানে প্ৰতিজন ভাৰতীয় নাগৰিকক ভাৰতবৰ্ষৰ সকলো ঠাইতে অবাধে বিচৰণ, সংস্থানৰ সন্ধান আৰু ব্যৱসায়-বাণিজ্যৰ অধিকাৰ দিছে ; সেই পিনৰ পৰা অনা-অসমীয়া ব্যৱসায়ীয়ে অসমত ব্যৱসায় কৰি থকা কথাটোত আমাৰ আপত্তি কৰিবলগীয়া দৰাচলতে একো থাকিব নোৱাৰে। ...কিন্তু সময়ত গৈ আজি অনা-অসমীয়াসকলৰ, বিশেষকৈ এটা সম্প্ৰদায়ৰ ব্যৱসায়ে অসমত এনে এটা ৰূপ লৈছে যে সি ব্যৱসায়ৰ পৰিবৰ্তে এটা পূৰ্ণ বিকশিত, নিৰবচ্ছিন্ন লুণ্ঠন আৰু শোষণ প্ৰক্ৰিয়াতহে পৰিণত হৈছে। এই সম্পৰ্কে **পৰাগ কুমাৰ দাসৰ প্ৰবন্ধ : অসমত এক শ্ৰেণীৰ ব্যৱসায়ীৰ লুণ্ঠন প্ৰক্ৰিয়াৰ বিচাৰ আৰু বিকল্পৰ সন্ধান** ।২৬।


পত্ৰালাপ ।৪। ধ্বনি ।৬। ঘটনা ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। চেলেঞ্জাৰৰ পতন ।১১। অসমৰ প্ৰাকৃতিক গেছ ।১৫। ৬ ডিছেম্বৰৰ তাৎপৰ্য ।১৯। আমেৰিকাৰ চিঠি ।২১। বিজ্ঞান ।২৩। এক শ্ৰেণীৰ ব্যৱসায়ীৰ লুণ্ঠন প্ৰক্ৰিয়াৰ বিচাৰ ।২৬। জীৱনৰ দীঘ আৰু বাণি ।৩৯। উপন্যাস ।৪৩। কবিতা ।৪৭। গল্প ।৪৮। দৈনন্দিন ।৫১। ক্ৰীড়াংগন ।৫৩। বিক্ৰম ।৫৪। শেষ পৃষ্ঠা ।৫৮।


বেটুপাতত **মনালিছা বৰুৱা আৰু অৰুণজ্যোতি বৰুৱা** ছবি—দীপক বেজবৰুৱা


**মুখ্য সম্পাদক : ড° ভবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * নীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক :** ইমৰান হুছেইন

**অংগসজ্জা** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা

**মুদ্ৰাংকন** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol. V. No. 7 1—15 March '86

Prantik
The Assamese Fortnightly,



P.O. Silpukhuri, Guwahati—781003 Phone : 28751

## পত্ৰালাপ

### অপৈণত লেখকৰ যৌনগন্ধী ৰচনা

এবছৰ মানৰ পৰা প্ৰায়বোৰ কিতাপৰ দোকান আৰু বাটে-ঘাটে কিছুমান উৎকট যৌনগন্ধী সস্তা-সস্তা কিতাপ-আলোচনী আদিৰ পয়োভৰ দেখিবলৈ পোৱা গৈছে। কেতিয়াবা উৎকট বা মুক্ত যৌন বৰ্ণনাই সাহিত্য-ৰূপে স্বীকৃতি পাব পাৰে, যদিহে তাৰ বৈজ্ঞানিক আৰু কলাত্মক দিশ থাকে। এই ক্ষেত্ৰত শংকৰদেৱৰ 'ৰাসলীলা' (দশম স্কন্ধ), বাৎস্যায়নৰ 'কাম সূত্ৰ' আদি উল্লেখযোগ্য। কিন্তু উল্লিখিত সস্তীয়া যৌনবৰ্ণনামূলক আলোচনীবোৰৰ পৰা যে সমাজ উপকৃত হ'ব, সেইটো ভাবিবই নোৱাৰি। সাধাৰণতে কিশোৰ কিশোৰীসকলৰ মাজত এইবোৰ কিতাপ বেছিকৈ প্ৰচলিত। এইবোৰ কিতাপ-আলোচনীয়ে তেওঁলোকৰ মানসিক যন্ত্ৰণা বৃদ্ধি কৰে আৰু কুকাৰ্যবোৰ বাস্তৱত ঘটাবলৈ তেওঁলোকক উদ্বুদ্ধ কৰে।

বেজবৰুৱাৰ ভাষাত কবলৈ গলে— "দেহ আৰু আত্মাৰ অনিষ্টজনক যি, সিয়েই পাপ, সিয়েই নিন্দনীয়।" সেয়ে পাঠকসকলে যেন এই ধৰণৰ অপৈণত লেখকৰ ৰচনা থকা কিতাপ-আলোচনী আদি পঢ়াৰ পৰা বিৰত থাকি এইবোৰক ঘৃণাৰ চকুৰে চায়। লগতে প্ৰকাশকসকলো এই ক্ষেত্ৰত সংযত হ'ব বুলি আশা কৰিলো।

—হৰেন্দ্ৰ কুমাৰ বনিয়া
গুৱাহাটী বিশ্ববিদ্যালয়

#### দুই

যদি এই আলোচনীবোৰৰ লেখাবোৰ সমাজৰ উপকাৰৰ বাবেই হয়, তেনেহলে সেইবোৰৰ স্থান গাৰুৰ তলত, তুলিৰ তলত, তলাবন্ধ বাকচৰ ভিতৰত কিয়? যদি কথাবোৰ ভালেই, সমাজৰ বাবে প্ৰয়োজনীয়, তেনেহলে আমাৰ ভাল-ভাল আলোচনী কেইখনে সেইবোৰ সাদৰে গ্ৰহণ কৰি, ছপাই উলিয়াই সমাজখনক জ্ঞানী কৰিব লাগে।

—বিজন দত্ত
উত্তৰ লক্ষীমপুৰ

### শিক্ষানুষ্ঠানৰ নিৰ্বাচন দলীয় ভিত্তিত কিয়?

আজি কেইবছৰমান ধৰি শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্বাচনবোৰ বিধান সভা, লোকসভাৰ নিৰ্বাচনৰ দৰে দলীয় ভিত্তিতহে সম্পন্ন হৈছে। সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, এছ. এফ. আই. ইত্যাদি বিভিন্ন দলৰ পৰা প্ৰাৰ্থী থিয় কৰাই নিৰ্বাচন পতা হয়। কিন্তু ফলস্বৰূপে লাভতকৈ লোকচানহে বেছি হৈছে। প্ৰথমতে, এই দলীয় নিৰ্বাচনে শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী মাজত ভাতৃ-ভগ্নীৰদৰে যি একতা, মিলাপ্ৰীতি আদি থাকিব লাগিছিল তাক ধ্বংস কৰাত যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে। নিৰ্বাচনৰ সময়ত বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মাৰপিত, ভাবুকি, ইত্যাদিৰ ঘটনা ইতিমধ্যে ঘটিছে। দ্বিতীয়তে, দলবোৰৰ পঁৰা শ্ৰেষ্ঠতাৰ বিচাৰ নকৰাকৈ কিছুমান প্ৰাৰ্থী তুলি দিয়াৰ ফলত কোনো এটা দলক সমৰ্থন কৰা ছাত্ৰ-ছাত্ৰীৰ অধিক্যত আন দলৰ শ্ৰেষ্ঠ প্ৰাৰ্থীয়েও পৰাজয় বৰণ কৰিব লগাত পৰে। ফলত শিক্ষানুষ্ঠানখনে উৎকৃষ্ট সেৱক এজন হেৰুৱাই নিকৃষ্ট একোজনক লব লগা হৈছে। তৃতীয়তে, এক্কোটা দলৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰে মাত্ৰ একোজনক মনোনীত কৰিব লগাত (প্ৰতিটো পদৰ বাবে) আন কিছুমান ইচ্ছুক প্ৰাৰ্থীয়ে দলৰ টিকট নাপাই নিজৰ প্ৰাৰ্থিত্ব প্ৰতিপন্ন কৰিব নোৱাৰে (দলীয় অখণ্ডতাৰ দোহাই দি)। হয়তো কোনোবাই নিজৰ ইচ্ছাক ৰোধ কৰিব নোৱাৰি দলৰ পৰাই ফালৰি কাটি আহিব লগাত পৰে। মুঠ কথাত ক'বলৈ গ'লে ছাত্ৰ-সমাজৰ যিটো বৃহৎ ঐক্য তথা মিলাপ্ৰীতি, সেইটো ক্ৰমশঃ ধ্বংস হ'বলৈ ধৰিছে। সেয়েহে সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীকে এই বিষয়টো চিন্তা কৰিবলৈ মই অনুৰোধ কৰিছোঁ। ছাত্ৰ সমাজৰ ঐক্য, মিলাপ্ৰীতি তথা অখণ্ডতা ৰক্ষা কৰিবলৈ শিক্ষানুষ্ঠানসমূহত নিৰ্বাচন মুক্তভাৱে অৰ্থাৎ কোনো দলৰ মনোনীত প্ৰাৰ্থীৰ প্ৰশ্ন নোতোলাকৈ পাতিব লাগে। কোনোবা ছাত্ৰই কোনোবা দলক সমৰ্থন কৰে, কোনোবা দলৰ হৈ কাম কৰে, বা তেওঁ কোনোবা দলৰ সদস্য হ'ব পাৰে, সেইটো তেওঁৰ ব্যক্তিগত কথা। শিক্ষানুষ্ঠানৰ ছাত্ৰ একতা সভাৰ কোনোবা পদৰ বাবে নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব খুজিলে তেওঁ সেই শিক্ষাষ্ঠানৰ এজন ছাত্ৰ হিচাপেহে হ'ব লাগে, কোনো দলৰ সদস্য বা প্ৰাৰ্থী হিচাপে নহয়। আন ছাত্ৰ-ছাত্ৰীয়েও লক্ষ্য ৰাখক যাতে তেওঁলোকে শিক্ষানুষ্ঠানখনৰ বাবে একোজন সুস্থ, নিষ্ঠাবান, তথা কৰ্মক্ষম সেৱকহে পায়। যুগ যুগ ধৰি জীয়াই থাকক ছাত্ৰ-ছাত্ৰীৰ মাজত ভাতৃবৎ ঐক্য মিলাপ্ৰীতি তথা অখণ্ডতা।

—অঞ্জন জ্যোতি দাস, ৰঙামাটি

### আমাৰ চৰিত্ৰ

মানাহ বিখ্যাত অভয়াৰণ্য। এই সময়ত ইয়ালৈ বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভ্ৰমণকাৰীৰ দল আহে। এই ভ্ৰমণকাৰীৰ মাজত সাংবাদিক, সাহিত্যিক বহু ধৰণৰ মানুহ থাকে। আৰু আমাৰ অসমৰ বিভিন্ন প্ৰান্তৰ পৰাও ফূৰ্তি তামাচা কৰি বনভোজ খাবলৈ বহু মানুহ আহে। অভয়াৰণ্যৰ ভাল অভিজ্ঞতা লাভ কৰিবলৈ যোৱাটো সম্পূৰ্ণ পৃথক কাম, কিন্তু বনভোজ খাবলৈ গৈ ফূৰ্তি-তামাচাৰ নামত মদ-ভাং খাই অসভ্যালি কৰাটো বৰ লজ্জাজনক। বনভোজ খাবলৈ মাক-বাপেক, ভাই-ভনীৰ বয়সৰ বহুতেই যায়। তেনেস্থলত বিভিন্ন অশ্লীল চিঞৰ-বাখৰ কৰাটো অভদ্ৰতাৰ কোন স্তৰৰ কাম তাক কৰ নোৱাৰিম।

যোৱা ২৫ জানুৱাৰীত আমিও (৩০ জনীয়া ল'ৰা-ছোৱালীৰ দল এটা) অভয়াৰণ্যলৈ গৈছিলো। সিদিনা তালৈ ১৪ টা দল গৈছিল। বাকী ১২ টা দল কিছু ভাল-বেয়াৰ মাজেৰে ঘৰলৈ বুলি ঘূৰি আহিল। শেষত আমাৰ আগৰ দলটো আহি অভয়াৰণ্যৰ ডাক-বঙলাৰ আগত ৰৈ থাকিল। আমি আহি দেখোঁ মাটিত ধুলিৰ ওপৰত দুজন মহাবীৰে যুঁজ কৰি আছে। কিবা হোৱা বুলি ভাবি গাড়ী ৰাখিলো। সেই অলপমান সময়তে আমি এনে কিছুমান দৃশ্য দেখিলো, যিবোৰ নেদেখিলে বিশ্বাস কৰা কঠিন। সিহঁত দুজনে এনেয়ে মাজে মাজে ধুলিৰ ওপৰত ৫।৬ পাক বাগৰিছে। কম-বেছি পৰিমাণে গোলাপী নিচাত ডুব গৈ থকা বাকীবোৰেও সেই দুজনক চাই চাই হাঁহি-তামাচা কৰিছে আৰু আমাৰ দলত থকা ছোৱালীবোৰক বেয়া বেয়া কথাৰে চিঞৰিছে। তেনেতে বিদেশৰ ৯ জনমান ভ্ৰমণকাৰী (মহিলাও আছে) সেই ঠাইত উপস্থিত হ'ল। তেওঁলোকৰ লগত কথা পাতি গম পালো— তেওঁলোক আমেৰিকাৰ পৰা আহিছে। তেওঁলোকে আমাৰ অসমৰ উক্ত দুই মহাবীৰৰ ধুলিত বাগৰি থকা অৱস্থাৰ বহু ফটো ললে। তাকে দেখি মহাবীৰ দুজনৰ মুখত বিৰাট বিৰাট ইংৰাজী শব্দও ওলাল।

এই আমেৰিকান ভ্ৰমণকাৰী দলটোৱে যদি অসমীয়া মানুহৰ বিষয়ে তেওঁলোকৰ আলোচনী, বাতৰি কাকতবোৰত ছবি সহকাৰে লিখে, তেতিয়া বিদেশত আমাৰ মানুহৰ প্ৰতিচ্ছবি কেনে হ'ব সেইটো সহজে অনুমান কৰিব পাৰি। এইয়া অকল মানাহতেই নহয় বিভিন্ন বনভোজ খোৱা ঠাইবোৰতেই এইবোৰ অপকাণ্ড ঘটে। এইবোৰ ঠাইত মদ-ভাঙৰ ব্যৱহাৰ কঠোৰভাৱে বন্ধ কৰিবলৈ চৰকাৰে চেষ্টা কৰিব নোৱাৰে নে? তাৰ বাবে আপোনাৰ আলোচনীৰ যোগেদি জনমত গঠন কৰিব নোৱাৰে নে? যি সময়ত বিশ্বত অসমে বহুত নতুনত্ব প্ৰতিষ্ঠা কৰিছে তেনে সময়ত এইবোৰে কিন্তু বিয়োগাত্মক কাম কৰিছে।

—প্ৰবীণ বড়ো, বৰমা

### পিকনিকৰ নামত নিৰ্য্যাতন

জয়সাগৰ এখনি ঐতিহ্যমণ্ডিত ঠাই, কিন্তু ইয়াত পিকনিক পাৰ্টিবিলাকে লাউড স্পিকাৰ যোগে গান বজাই হুলস্থুল কৰিবলৈ আহেনে ঐতিহ্যমণ্ডিত সৌধবোৰ চাবলৈ আহে বুজি নাপাওঁ। অৱশ্যে প্ৰায়বিলাক পিকনিক পাৰ্টিৰ বাছৰ আগফালে 'শিক্ষামূলক ভ্ৰমণ' বুলিহে লিখি অনা চকুত পৰে। মন্তৱ সকলোৰে জ্ঞাত যে ইয়াত এখন মহাবিদ্যালয় আছে আৰু তাৰ চাৰিওফালে থকা ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসসমূহত শ শ ছাত্ৰ-ছাত্ৰী আছেহি। তুলনামূলকভাৱে গৰম দিনবোৰতকৈ ঠাণ্ডাদিনত অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনা বেছি হয়। কিন্তু সেই ঠাণ্ডাদিনবোৰৰ প্ৰতিটো দিনেই পুৱাৰপৰা গধুলিলৈকে মাইকত কাণ তাল মৰা হিন্দী গানৰ কলিৰে জয়সাগৰ মুখৰিত। স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ কথা নকলোৱেইবা, কিন্তু আমি জানো কাণ তাল মৰা লাউড স্পিকাৰটো নহলে পিকনিক খাব নোৱাৰোঁ? তাতে আকৌ যদি আমি ঐতিহ্যমণ্ডিত সৌধ চোৱাৰ আশাত যাওঁ! —দিগন্ত বৰুৱা, প্ৰদীপ বৰুৱা,

বিপুল কুমাৰ বৰদলৈ,
শিৱসাগৰ কলেজ ছাত্ৰাবাস, জয়সাগৰ

### সংস্কাৰ

কেইদিনমানৰ আগতে আমাৰ ঘৰলৈ এজন প্ৰায় ২৮-৩০ বছৰীয়া সুস্থ যুৱক ভিক্ষা কৰিবলৈ আহিছিল। পিন্ধনত বগা চুৰিয়া পাঞ্জাবী, ডিঙিত এখন গামোচা আৰু হাতত এটা বেগ। ঘন ডাড়িসহ যুৱকজন দেখিবলৈও ধুনীয়া। এনেকুৱা এজন যুৱকে ভিক্ষা বিচাৰি ঘূৰি ফুৰা দেখি আচৰিত হ'লো। তেওঁৰ লগত অলপ কথা পাতিবলৈ বৰ ইচ্ছা হ'ল। কথা পাতি আৰু আচৰিত হ'লো।

তেওঁ মাজুলীৰ পৰা আহিছে। মাক-বাপেক সৰুতে ঢুকাল; সি অলপ খেতি-মাটি আছিল তাৰ অলপ পানীয়ে খালে, আৰু বাকীখিনি বিক্ৰি কৰি তেওঁ কমলাবাৰীতে হোটেল এখন দিছিল, কিন্তু চলাব নোৱাৰিলে। বৰ্তমানে কোনো আত্মীয়-কুটুম নাই, গতিকে ভিক্ষা কৰিব লগা হৈছে।

মই ক'লো যে আজিকালি হাজিৰা কৰিলে যোৰহাটৰ নিচিনা ঠাইত দিনে পোন্ধৰ টকা পোৱা যায়, গতিকে তেওঁ হাজিৰা কিয় নকৰে? তেওঁ ক'লে যে, তেওঁ যিহেতু উচ্চ সম্প্ৰদায়ৰ মানুহ গতিকে আনৰ ঘৰত কাম কৰিব নাপায়।

উত্তৰ শুনি বহুত সময় একো ক'ব পৰা নাছিলো। যুৱকজনৰ মুখলৈ অলপ সময় চালো আৰু ক'লো যে আমাৰ এই অঞ্চলত যাতে ভৱিষ্যতে তেওঁক দেখা নাপাওঁ। তেওঁক মই ভিক্ষা দিয়াৰ্ত নাই, যিহেতু আমি নিজকে কেৱল 'উচ্চ সম্প্ৰদায়' বা তেনে জাতীয় কথাৰ বাবে ভিক্ষা কৰিবলৈ অহা মানুহক ভিক্ষা দিয়াটো 'পাপ' বুলি ভাবোঁ। আমাৰ মানুহে কেৱল বুঢ়া অথবা শাৰিৰীকভাৱে অসুস্থ মানুহকহে ভিক্ষা দিয়াটো নিয়ম।

এনেতে ভিতৰৰ পৰা দেউতা ওলাই আহিল। তেখেতে মোক গালি পাৰিলে— ৰাতিপুৱাই অহা প্ৰথম ভিক্ষাৰীজনক এনেদৰে শুভতা-শুভতি কথা (দেউতাৰ ভাষাত) কোৱাৰ বাবে। তাৰ পাছত দেউতাই যুৱকজনক টকা এটা দি পঠাই দিলে। ৰাতিপুৱাই দেউতাৰ লগত তৰ্কা-তৰ্কি হোৱাৰ পৰা বিৰত থাকি ভোৰ-ভোৰাই ভিতৰলৈ সোমাই গ'লো।

সেইদিনাৰ ঘটনাটোৱে মাজে মাজে মনটোত বৰ দিগদাৰ দি থাকে। এখন নতুন অসম গঢ়িবলৈ ওলোৱা এচাম উৎসাহী যুৱকৰ বিপৰীতে এইজন দুফলা ডেকাৰ কামটো সঁচায়ে বৰ আচহুৱা। দেউতাৰ দৰে মানুহবোৰে প্ৰকৃততে এনেকুৱা যুৱকক সহায় কৰাতকৈ অনিষ্টহে কৰিছে,—এনেকুৱা কৰিছে। পৃথিৱীত বহুতো উদাহৰণ আছে— পিটি-পিটি এলেহুৱা মানুহক কৰ্মঠ কৰাৰ; কিন্তু এজন সুস্থ যুৱকক এলেহুৱা কৰাৰ উদাহৰণ বোধহয় একমাত্ৰ আমাৰ সমাজতহে পোৱা যায়।

—টিটু বৰদলৈ, ক্লাৱ ৰ'ড যোৰহাট

### সমালোচনা

পশ্চিমবংগৰ জনসাধাৰণে বাওঁপন্থী চৰকাৰক কিয় জীয়াই ৰাখিছে আপুনি জানেনে? বাওঁপন্থী চৰকাৰেতো পশ্চিমবংগৰ জনসাধাৰণৰ সকলো দুখ-কষ্ট, সমস্যা সমাধান কৰিব পৰা নাই! তথাপি বাঁওপন্থী চৰকাৰে জনসাধাৰণৰ সমৰ্থন দুটা কাৰণত পাইছে: (১) উক্ত চৰকাৰে নতুন দিল্লীৰ নিৰ্দেশত উঠা-বহা নকৰে (এইটো বিচ্ছিন্নতাবাদৰ লক্ষণ নহয় কিন্তু!); (২) পশ্চিমবংগৰ ৰাজ্যিক স্বাৰ্থ বা আঞ্চলিক স্বাৰ্থৰ প্ৰতি উক্ত চৰকাৰে সততে চকু ৰাখে। চমুকথাত উক্ত চৰকাৰে 'বহল দৃষ্টিভংগী (?) সময়ত আতৰাই হৈ আঞ্চলিক স্বাৰ্থক সময়মতে গুৰুত্ব দিব জানে।

উক্ত কথাখিনি মোৰ মনলৈ আহিল অসম গণ পৰিষদ চৰকাৰৰ প্ৰসংগত। বিপুল জনসমৰ্থনেৰে প্লাৱিত উক্ত চৰকাৰে মাত্ৰ দুমাহ সময়হে পাৰ কৰিলে, ৫৮ মাহ সময় বাকী আছেই; কিন্তু আমাৰ জনসাধাৰণৰ মাজৰ পৰাই গণ পৰিষদ চৰকাৰৰ ওপৰত কিছু পৰিমাণে আক্ৰমণৰ মনোভাব গঢ়ি উঠোৱাতো সামগ্ৰিকভাৱে ক্ষতিকাৰক বুলি মই ভাবোঁ। চৰকাৰী কাৰ্য-কলাপ সম্পৰ্কে নিশ্চয় সমালোচনা কৰিব লাগিব; কিন্তু অসম বিৰোধী মনোভাৱেৰে সমালোচনা আৰম্ভ কৰিলে, সেইটো সন্থাতীত হৈ উঠে। অসম গণ পৰিষদ চৰকাৰৰ সমালোচনা এতিয়াই আৰম্ভ কৰিবৰ হোৱা নাই; কিন্তু আমি বিশ্বাস কৰোঁ অসম বিৰোধী কোনো কাৰ্য উক্ত চৰকাৰে কেতিয়াও নকৰে।

—শিশিৰ কুমাৰ দাস, গুৱাহাটী

### মদ্য-ভাঙ ধ্বংস কৰিছে

গোৱালপাৰা অঞ্চলত যোৱা প্ৰায় তিনি-চাৰি বছৰমানৰ পৰা চহৰৰ মাজ ভাগতে ভাং, চুলাই মদ, আদিৰ ব্যৱসায় প্ৰায় মুকলিকৈ চলি থকা দেখা গৈছে। চহৰখনত অধিক মুকলিভাৱে চোচান ঘাট, দুই নম্বৰ কলনি ৱলদমাৰি, বৰবজাৰ আদি অঞ্চলত ভাঙৰ ব্যৱসায় চলিব ধৰিছে। ভাঙৰ প্ৰচলন হোৱাৰ পাছত ডেকা ল'ৰা চামৰ মাজত ই অমৃত-সদৃশ হৈছে। ফলত চহৰখনত মই জনাত সাতজন ল'ৰাৰ মস্তিস্কৰ বিকৃতি ঘটিছে। বলিয়াৰ চিকিৎসকে কোৱা মতে অত্যধিক ভাং সেৱনেই তেওঁলোকৰ বলিয়ালিৰ মূল কাৰণ। কোনো এজনী তিৰোতাই যি হাৰত ভূটানি আৰু কেচা মদ বিক্ৰি কৰিছে, তাক যদি এতিয়াই ৰোধ কৰা নাযায়, তেন্তে ই চহৰখনৰ পৰিবেশ আৰু বেছি দুষিত কৰিব।

গোৱালপাৰা চহৰৰ বিশেষ এখন হোটেলত খোলাকৈ, বিনা লাইচেন্সত মদ বিক্ৰি কৰা হয়। তাত আমাৰ শান্তি-ৰক্ষা বাহিনীৰ কোনোবা অফিচাৰ সকলেও মদ খায় আৰু সৰ্বসাধাৰণেও তাতে সেই সুবিধা গ্ৰহণ কৰে। চহৰখনৰ প্ৰায় ভালেকেইখন হোটেলতে মদ আৰু অন্যান্য আমোদৰ সামগ্ৰী পোৱা যায়।

আশাকৰোঁ অসমৰ নতুন চৰকাৰে এই ঘটনাবোৰৰ উচিত তদন্ত কৰি, এই ঘাটিবোৰ উঠাই দি চহৰৰ ল'ৰাবোৰক অকালতে ধ্বংস হৈ যোৱাৰ পৰা ৰক্ষা কৰিব।

—প্ৰণৱ বড়া, গোৱালপাৰা

### প্ৰবঞ্চক

আজিকালি নগৰে-চহৰে বিভিন্ন ধৰণৰ ঠগ-প্ৰবঞ্চক ঘূৰি ফুৰে। মই এনেকুৱা এজন প্ৰবঞ্চকৰ লগত বাইজক চিনাকি কৰি দিব খুজিছোঁ। এই প্ৰবঞ্চকজন হ'ল এজন পাঞ্জাবী (শিখ) লোক। তেওঁ এটা টেক্সটাইল কোম্পানিৰ এজেণ্ট বুলি নিজকে পৰিচয় দিয়ে। কোম্পানিটোৰ নাম-ঠিকনা হ'ল "SHRI DOLI TEXTILE" Manufacturers-Art Silk Carpets, Cotton Carpets & Bed-sheet: Regd. No. 177664. Pin-638301 (TAMILNADU). এই মানুহজনে দাক্ষিণাত্যত নিৰ্মিত কাৰ্পেট, বিচনা চাদৰ আদিৰ বাবে 'অৰ্ডাৰ' লৈ ফুৰে। তেওঁ প্ৰথমে আপোনাক এইবিলাকৰ ধুনীয়া-ধুনীয়া নমুনা দেখুৱাব। তাৰপাছত আপোনাৰ মনত বিশ্বাস জন্মাবৰ বাবে নিজৰ 'অৰ্ডাৰ বহী' খুলি বিভিন্ন নাম-যশ থকা লোকৰ নাম-ঠিকনা দেখুৱাব। আপুনি যদি অফিচত চাকৰি-বাকৰি কৰি থকা লোক, তেন্তে তেওঁ আপোনাৰ আচল বৰ ক'ত-সুধি লৈ সেই অঞ্চলৰ আপোনাৰ চিনাকি মানুহৰ নাম-ঠিকনাও দেখুৱাব। ইমানখিনিৰ পাছত আপুনি নিশ্চয় কিবা এটা 'অৰ্ডাৰ' দিব খুজিব। তেতিয়া তেওঁ লগে লগে আপোনাৰ অৰ্ডাৰটো লৈ শতকৰা ২৫ ভাগ আগতীয়া ধন আদায় কৰিব। তাৰ বাবে আপুনি ৰচিদ পাব। তাৰপাছত তেওঁ আপোনাক বস্তুটো ডাকযোগে লাগেনে, হাতে হাতে লাগে সুধিব। হাতে হাতে বুলি কলে আপুনি একো পোৱাৰ আশা নকৰিব আৰু ডাকযোগে বুলি যদি কয় তেন্তে এমাহমানৰ পাছত আপুনি এটা টোপোলা (পাৰ্চেল) পাব। টকা-পইচা দি টোপোলাটো খুলি দেখা পাব··· কি দেখা পাব সেইটো বুজিছেই নিশ্চয়। তাৰমানে আপুনি প্ৰবঞ্চকৰ 'পাল্লাত পৰিল। আমাৰ চাপ্পাকাটিতো ইতিমধ্যে কেইবাজনো এই প্ৰবঞ্চকৰ পাল্লাত পৰিছে। কৰবাত হয়তো দুই এজনে আচল বস্তু পাব পাৰে; কিন্তু সেইটো আশা নকৰাই ভাল। এইদৰে সেই প্ৰবঞ্চকে আপোনাৰ-মোৰ নাম-ঠিকনা লৈও বেলেগক বিশ্বাস জন্মাবহে। আমাৰ মানুহে আজিকালি ২০০-৩০০ টকাৰ লোকচানলৈ বৰ বিশেষ চিন্তা নকৰে, সেইবাবে এনেবোৰ কথা প্ৰকাশ নাপায়। নতুবা প্ৰৱঞ্চিত হোৱাৰ লাজখিনিৰ বাবেও কথাবোৰ প্ৰকাশ নকৰিব পাৰে। আৰু সেই সুবিধা লৈয়েই এই প্ৰবঞ্চকে আমামেৰে নিজৰ কাম চলাই আছে। এই প্ৰবঞ্চক এতিয়াও অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছে। গতিকে আপুনিও যাতে এইজনৰ পাল্লাত নপৰে তাৰ বাবে সচেতন হৈ থাকিব। চাই চিনিহে কোম্পানিৰ এজেণ্টক বস্তুৰ অৰ্ডাৰ দিব। পৰাপক্ষত অচিনাকি এজেণ্টক বস্তুৰ অৰ্ডাৰ নিদিয়াই ভাল। আৰু কোনোবাই যদি এই এজেণ্টজনক (প্ৰবঞ্চকক) পাইছে, তেন্তে মোৰ অনুৰোধ তেওঁ যেন লগে লগেই এচৰৰ থানাত খবৰ দিয়ে।

—কন্দৰ্প কুমাৰ গোহাঁই,
বঙাইগাঁও তাপ বিদ্যুৎ প্ৰকল্প
চাপাকাটি

### একটি সুৰতে বন্ধা

সত্যজিৎ ৰায়ে পৰিচালনা কৰা ৰবীন্দ্ৰ নাথ ঠাকুৰৰ "ঘৰে বাইৰে" ছবিখনত যি ৰবীন্দ্ৰ সংগীত ব্যৱহাৰ কৰা হৈছে সেই সংগীতত জ্যোতি প্ৰসাদৰ "জাগা শক্তিবান···" গীতটিৰ সুৰৰ প্ৰভাৱ দেখা গৈছে। আকৌ "বুঝতে নাৰি নাৰী কি চায়" গীতটিতো জ্যোতি প্ৰসাদৰ "আমাৰে সখীয়া আকুল বিয়াকুলে···" গীতটিৰ সুৰ পোৱা যায়। আকৌ জ্যোতিৰিন্দ্ৰ নাথ ঠাকুৰৰ ৰচিত "চলৰে চল সবে ভাৰত সন্তান" গীতটিতো জ্যোতি প্ৰসাদৰ "জাগা শক্তিবান···", গীতটিৰ সুৰ পোৱা যায়। প্ৰশ্ন হ'ল জ্যোতি প্ৰসাদে ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গীতৰ সুৰৰ প্ৰভাৱ স্ব-ইচ্ছাই পেলাইছিল নেকি? নে ৰবীন্দ্ৰ নাথে 'ঘৰে বাইৰে'ৰ গীত কেইটি জ্যোতি প্ৰসাদৰ জাগা শক্তি বান ইত্যাদি গীত শুনিহে ৰচনা কৰিছিল?

—জিতেন শৰ্মা ৰাজখোৱা বোকাখাত

### দুখীয়া ছাত্ৰৰ অৱস্থা

আজি আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰাইভেট টিউচনৰ ব্যৱস্থা অতি বেছিকৈ প্ৰচলিত হোৱাত আমাৰ নিচিনা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা অতি দুখজনক হোৱাটো স্বাভাৱিক। বিশেষকৈ টাউন অঞ্চলত এই কথাটোৰ প্ৰকোপ অতি বৃদ্ধি পাইছে। কলেজবিলাকতো বিভিন্ন কাৰণত বছৰটোত আঠ মাহমানেই ক্লাছ নহয়। যি চাৰি মাহমান ক্লাছ হয়, সেই কেইমাহত অধ্যাপকসকলে কৰ্ছ শেষ কৰিব কোনো পধ্যে নোৱাৰে। তদুপৰি অধ্যাপকসকলেও কলেজত ভালদৰে নপঢ়াই ঘৰুৱা টিউচন লৈ ধন ঘটাৰ ব্যৱসায় গঢ়ি তুলিছে। দুখীয়া ছাত্ৰসকলৰ এনেদৰে ঘৰুৱা ভাৱে শিকিবলৈ উপায় নাই; কলেজতো তেওঁলোকে ভালদৰে শিকিব নোৱাৰে; ফলত বহুতো মেধাবী ছাত্ৰই পৰীক্ষাত ভাল ফল দেখুৱাব নোৱাৰে।

—মৃনাল কুমাৰ শইকীয়া,
আৰ্যাবিদ্যাপীঠ কলেজ

### লেছুগাঁৱৰ চেনিকল

অসমৰ শিল্প-উদ্যোগ প্ৰতিষ্ঠান কেইটামানৰ বিষয়ে 'প্ৰান্তিক'ত পঢ়িবলৈ পাই, সেইবোৰৰ বিষয়ে ভালকৈ জানিবলৈ পাই সুখী হৈছোঁ। কিন্তু অসমৰ উত্তৰ পাৰত প্ৰতিষ্ঠিত উত্তৰ অসম সমবায় চেনিকলৰ বিষয়ে আজিকোপতি পঢ়িবলৈ নোপোৱাটো দুৰ্ভাগ্যজনক। বিশ্বনাথ চাৰিআলিৰ লেছুগাঁৱত অৱস্থিত এই চেনিকলটো আজি কেইবা বছৰো ধৰি বন্ধ হৈ আছে। অসমৰ বন্ধ হৈ থকা উদ্যোগসমূহ পুনৰ চলাবলৈ লোৱাৰ সময়ত এই উদ্যোগটোৰ কথাও ভাবিব লাগে।

—বলিন হাজৰিকা,
লেছুগাঁও—৭৮৪১৭৬





OKDISCD

# বিশ্ব বেংকে সাপৰ দৰে মেৰিয়াইছে!

"শুধু বিঘে দুই ছিল মোৰ ভুঁই, আৰ সবই গেছে ঋণে'— কবি গুৰুৰ সেই বিখ্যাত কবিতাটিৰ এই অবিস্মৰণীয় পংক্তিটিয়েই এতিয়া বাৰে বাৰে মনত পৰে। প্ৰায়েই বাতৰি-কাকতত পঢ়োঁ বিশ্ব বেংকৰ নিৰ্দেশত আমাৰ দেশৰ স্বাধীন চৰকাৰে জনসাধাৰণৰ ওপৰত অধিক পৰিমাণে অৰ্থনৈতিক দায়ভাৰ ন্যস্ত কৰিছে। কয়লাৰ দাম বাঢ়িল বিশ্ব বেংকৰ নিৰ্দেশত। কলিকতা পৌৰ সভায়ো যেনো পানীৰ কৰ বঢ়ুৱাইছে বিশ্ব বেংকৰ হেঁচাত। এবছৰমানৰ আগেয়ে কলিকতাত বাছৰ ভাৰা বঢ়োৱা হৈছিল বিশ্ব বেংকৰ আদেশানুসাৰে। কলিকতাৰ উন্নয়ন প্ৰকল্পবোৰ ৰূপায়ণৰ আঁৰতো আছে বিশ্ব বেংকৰ অবদান। সকলোবোৰ কথাতে আছেঁ বিশ্ব বেংক। যেন পৰম সমাদৰেৰে আমাক মেৰিয়াই থৈছে— যিদৰে সাপে শিকাৰ মেৰিয়াই ৰাখে। ইয়াৰ ওপৰত আছে আই. এম. এফৰ পৰা লোৱা বিদেশী ঋণ। যাৰ বাবে ইতিমধ্যেই সুদ দিয়া আৰম্ভ হৈ গৈছে। প্ৰতি গিলাছ পানী, প্ৰতিখন ৰুটি অথবা এগৰাহ ভাত খালেও বিশ্ব বেংকৰ কথা অথবা আই. এম. এফৰ কথা শ্ৰদ্ধাৱনত-চিত্তেৰে স্মৰণ কৰিব লগা হয়। কবি গুৰুৰ উপেনৰ হয়তো দুবিঘামান মাটিত বাদে আন সকলো ঋণৰ দায়ত হস্তান্তৰিত হৈ গৈছিল, কিন্তু আমাৰ বোধকৰোঁ তাকো নাই। হিচাপ কৰিলে চুলি পৰ্যন্ত বিক্ৰি হৈ যাব। স্বাধীনতাৰ ৩৮ বছৰৰ পাছত এতিয়া ধাৰণা হৈছে হিমালয় পৰ্বতৰ শিখৰত 'Hypothecated to the World Bank'— এই প্লেকাৰ্ড আঁৰি দিলে বেয়া নহ'ব। সেইটোৰেই যদি নহয় তেতিয়াহ'লে বিশ্ব বেংকে কেনেকৈ খবৰদাৰী কৰে এই দেশৰ শাসক বৰ্গৰ ওপৰত? কেনেকৈ আদেশ দিয়ে ভোগ্য পণ্যৰ মূল্যমান বঢ়াবলৈ? আৰু এই সকলো আদেশ যিহেতু দেশৰ শাসক বৰ্গই বিগলিত চিত্তেৰে শ্ৰবণ কৰিছে; পালনো কৰিছে নিৰ্বিকাৰ চিত্তেৰে, 'জনসাধাৰণৰ শত সমালোচনা সত্ত্বেও, সেয়ে কওঁ,— সকলো গ'ল আমাৰ আছে কেৱল দুবিঘা মাটি। হয়তো উপেনৰূপী এই দেশৰ শাসকসকলক বিশ্ব বেংকৰূপী বাবুৱে এদিন ক'ব 'বুঝেছ উপেন, এ জমি লইব কিনে।' এয়ে হৈছে আমাৰ স্বাধীনতাৰ মৰ্মভেদী চিত্ৰৰূপ! কংগ্ৰেছে অৰ্থনৈতিক স্বাধীনতাও আনিব নোৱাৰিলে ৩৮টা বছৰ পাৰ কৰিও। 'স্বাধীনতা' নামৰ স্তোকবাক্যত আমি আৰু কিমান দিন ভোল গৈ থাকিম? গণতন্ত্ৰৰ বৰাই কৰিয়ে বা লাভ কি? কেৱল ভোটদানৰ স্বাধীনতাৰ বাহিৰে আৰু জনসাধাৰণক কিয়েই বা দিয়া হৈছে।

প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে এবাৰ কৈ বিশ্ব বেংকৰ এজন গোমস্তাক নিৰ্বাচন কৰোঁ আমি,— যি বাবুৰপৰা ধাৰ-ধুৰ কৰি আমাক খুৱায়-পিন্ধায়। তাৰ বাহিৰে কি?

['আজকাল'ত সুবিমল মিত্ৰৰ চিঠি]

## সংগীত আৰু সংহতি: উত্তৰ ভাৰত আকৌ কাঠগড়াত

'...বোধকৰোঁ দক্ষিণৰ প্ৰতি কাণ দিবলৈ উত্তৰ বৰ উদগ্ৰীৱ নহয়। উত্তৰাঞ্চলৰ মনোভাব সম্পৰ্কে বহুবছৰীয়া অভিজ্ঞতাৰ পাছত মই এই মন্তব্য কৰিছোঁ। মোৰ জীৱনৰ দুই-তৃতীয়াংশৰো অধিক কাল মই দ্ৰাবিড়ীয় দক্ষিণৰ বাহিৰত অতিবাহিত কৰিছোঁ। মই কিশোৰ অৱস্থাতে প্ৰথম দিল্লীত ডি. ভি. পালুস্কৰৰ গান শুনো আৰু তেতিয়াৰ পৰা ৪০ বছৰৰো অধিক কাল ধৰি হিন্দুস্থানী সংগীত শুনি আহিছোঁ। মোৰ ওপৰত তাৰ প্ৰভাৱ গভীৰ, আত্যন্তিক। মোৰ দুখ লাগে যে দক্ষিণ ভাৰতৰ সংগীতৰ প্ৰতি উত্তৰ ভাৰতীয়সকল (মহাৰাষ্ট্ৰীয়সকলকো ধৰি) বধিৰ: আওকণীয়া। তেওঁলোকৰ বহুতে আনকি কৰ্ণাটকী সংগীতক লৈ ঠাট্টা-বিদ্ৰূপো কৰে।

'...যোৱা ২০ বছৰ ধৰি মাজে-সময়ে মই কৰ্ণাটকী সংগীতৰ প্ৰতি উত্তৰ ভাৰতৰ উপেক্ষা, আচলতে অসহিষ্ণুতাৰ বিষয়ে লিখি আহিছোঁ। একেটা আমনিলগা প্ৰশ্নকে এতিয়া আকৌ সুধিব লগা হৈছে। কৰ্ণাটকী সংগীত অধ্যয়ন কৰা আৰু গাব পৰা এজন উত্তৰ ভাৰতীয়ৰ নাম উদাহৰণ হিচাপে দেখুৱাব পাৰিবনে? তাৰ বিপৰীতে বোধকৰোঁ এক ডজনৰো অধিক হিন্দুস্থানী সংগীতত নিপুন দক্ষিণ ভাৰতীয় আছে, তাৰ ব্যাখ্যা কি দিব?

'...আমাৰ ৰাজনীতিকসকলে আমাৰ সাংস্কৃতিক ঐতিহ্যক খেলিমেলি কৰি পেলাবলৈ আৰম্ভ কৰাৰ বহু আগেয়েই দক্ষিণে হিন্দুস্থানী সংগীত বুজিবলৈ চেষ্টা কৰাত আগভাগ লৈছিল।

'...মহাৰাষ্ট্ৰীয়সকলকে ধৰি উত্তৰ ভাৰতীয়সকলে যেতিয়া ভাৰতীয় সংগীতৰ কথা কয় তেতিয়া তেওঁলোকে হিন্দুস্থানী সংগীতক বুজায়। তেওঁলোকে কৰ্ণাটকী সংগীতক হিচাপত নধৰেই। কিন্তু পৰিহাসৰ কথা হ'ল, তেওঁলোকৰ নিজৰ স্বীকৃতি মতেই তেওঁলোকৰ পদ্ধতিটোৰ বহু শতিকা ধৰি আৰব, পাৰ্ছিয়ান আৰু তুৰ্কী প্ৰভাৱে ৰূপান্তৰ ঘটালে। গতিকে কৰ্ণাটকী সংগীতৰ 'ভাৰতীয়' সংগীত বুলি অভিহিত হোৱাৰ হক অধিক বেছি নাইনে?

'...আকাশবাণী বা দূৰদৰ্শনত যেতিয়া এজন ঘোষকে কয়, 'আজি নিশা কণ্ঠ সংগীত পৰিৱেশন কৰিব...' তেতিয়া আপুনি শিল্পীৰ নামটো কাণত পৰাৰ আগেয়ে খাটাংভাৱে জানে যে কণ্ঠ সংগীত পৰিৱেশন কৰিব এগৰাকী হিন্দুস্থানী শিল্পীয়ে। আনহাতে কাচিৎ কেতিয়াবা এটা কৰ্ণাটকী সংগীতৰ কাৰ্যসূচী থাকিলে আমাৰ চৰকাৰী প্ৰচাৰ মাধ্যমটোৱে বৰ যত্নেৰে কৰ্ণাটকী লেবেলখন মাৰি দিয়ে ('আজি নিশা কৰ্ণাটকী কণ্ঠ সংগীত হ'ব...').'

['দি উইক'ত আৰ. জি. কে গণৰাজ্য দিৱসৰ আগদিনা দূৰদৰ্শনে প্ৰচাৰ কৰা 'সংগীতৰ যোগেদি ৰাষ্ট্ৰীয় সংহতি' শীৰ্ষক কাৰ্যসূচীৰ বিষয়ে আলোচনা প্ৰসংগত।]





# অসম সাহিত্যসভাৰ অধিৱেশনৰ বৈশিষ্ট্য

অসমৰ থলুৱা মানুহখিনিৰ সাংস্কৃতিক কৰ্মকাণ্ডৰ প্ৰতিভূ-অনুষ্ঠান অসম সাহিত্য সভাৰ কামপুৰ অধিৱেশনখন দুটা দিশৰ পৰা তাৎপৰ্যপূৰ্ণ হৈ পৰিছিল: প্ৰথম, অসমৰ থলুৱা মানুহখিনিৰ আশা-আকাংক্ষাৰ ৰাজনৈতিক উদ্যমে গণ পৰিষদ চৰকাৰৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ ঠিক দুমাহৰ পাছতে এই অধিৱেশন বহে; তদুপৰি প্ৰায় ছবছৰ অৱৰোধ হৈ থকা অৱস্থাৰ পৰা সাহিত্যসভাই এই অধিৱেশনত মুক্তি পায়। আৰু দ্বিতীয়, দেশৰ স্বাধীনতা আন্দোলনৰ সক্ৰিয় সংগ্ৰামী হিচাপে নিৰ্যাতিত হোৱা, জেলখোৱা স্বাধীনতাৰ পাছত তাম্ৰপত্ৰ লাভ কৰা আৰু অসমৰ ছবছৰীয়া আন্দোলনতো নিৰ্যাতিত হোৱা আৰু দুবাৰকৈ জেলখোৱা সাহিত্যিক-সাংবাদিক বীৰেন বৰকটকী এই অধিৱেশনৰ সভাপতি হয়। বীৰেন বৰকটকীয়ে সাম্ৰাজ্যবাদী বিদেশীৰ বিৰুদ্ধে ভাৰতৰ মুক্তি সংগ্ৰামৰ যোদ্ধা হিচাপে লাভ কৰা তাম্ৰপত্ৰ, অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যোগ দি সেই সন্মানৰ সাৰ্থকতা নেদেখি ওভতাই দিছিল আৰু অসমত গণ পৰিষদ চৰকাৰ প্ৰতিষ্ঠা কৰি সেই তাম্ৰপত্ৰৰ গৰাকী হোৱাৰ প্ৰকৃত গৌৰৱ ঘূৰাই আনে: ভাৰত-ৰাষ্ট্ৰৰ বুকুত অসমীয়াৰ 'আঞ্চলিক' চিন্তাধাৰাৰ ব্যাখ্যা বোধকৰোঁ তেওঁক এইবাৰ সভাপতি হিচাপে বাছনি কৰাতে প্ৰকাশ পাইছে।

এই দিশৰ পৰা বিচাৰ কৰি ক'ব পাৰি: অসমীয়া মানুহখিনিৰ চিন্তাধাৰা কেনেকৈ সৰ্বভাৰতীয় হৈয়ো আঞ্চলিক হৈ পৰিল আৰু কেনেকৈ আঞ্চলিক হৈ পৰিও সৰ্বভাৰতীয় হৈ থাকিল, তাৰ নিৰ্ভৰযোগ্য প্ৰমাণ বহন কৰিছে অসম সাহিত্য সভাৰ কামপুৰ অধিৱেশনে।

অধিৱেশনে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৰযোগে অসমীয়া ভাষা গোটেই ৰাজ্যতে ব্যৱহাৰ কৰিব পৰাকৈ চৰকাৰী ভাষা আইনখন উপযুক্তভাৱে সংশোধন কৰিবলৈ ৰাজ্য চৰকাৰৰ প্ৰতি আহ্বান জনায়; আইনখনৰ ৫ নম্বৰ দফাটোৱে বৰাক উপত্যকাৰ জিলা কেইখনত অসমীয়া ভাষা ব্যৱহাৰ কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে বুলি প্ৰস্তাৱটোত কোৱা হয়।

আন এটা প্ৰস্তাৱযোগে উত্তৰ-পূৰ্বাঞ্চলৰ কেইখন ৰাজ্যৰ সাংস্কৃতিক জীৱন তথা সম্পদসমূহৰ চৰ্চা আৰু অধ্যয়নৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ সুবিধাজনক ঠাইত এটি কেন্দ্ৰীয় সাংস্কৃতিক কেন্দ্ৰ স্থাপন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি দাবী জনোৱা হয়। এই প্ৰসংগত পশ্চিম বংগত স্থাপন কৰিবলৈ লোৱা কেন্দ্ৰটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰিব বুলি কোৱা হয়।

অসমত কেন্দ্ৰীয় বিশ্ববিদ্যালয়খন অসমৰ জাতীয় জীৱন স্পৰ্শ কৰিব পৰা স্থানত স্থাপন কৰিবলৈ আন এটা প্ৰস্তাৱযোগে আহ্বান জনোৱা হয়।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ বৈচিত্ৰময় সাংস্কৃতিক জীৱনৰ পৰম্পৰাগত আৰু ঐতিহ্যগত সকলো দিশ বিজ্ঞান-সন্মতভাৱে অধ্যয়ন আৰু সংৰক্ষণ কৰাৰ উপযুক্ত আঁচনি গ্ৰহণ কৰিবলৈ আহ্বান জনাই আন এটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।



কামপুৰ অধিৱেশনত হোৱা জনসমাবেশে আগৰবোৰ অধিৱেশনৰ বৈশিষ্ট্যসমূহ অটুট ৰাখিছিল; তথাপি আগৰ তুলনাত তৰুণ চামৰ উপস্থিতি অধিক বুলি ঠাৱৰ কৰা হৈছে। অসমীয়া মানুহৰ নৱলব্ধ চেতনা প্ৰতিধ্বনিত হয় প্ৰায় আটাইবে ভাষণত। তাৰ মাজতো ৰেখাপাত কৰি যোৱা কথা কয়—

প্ৰবীণ শিল্পী প্ৰদীপ চলিহাই: '...অসমৰ লোক-সংস্কৃতিয়েই অসমীয়া সংস্কৃতি। ইয়েই অসমীয়া জাতিৰ জীয়ন্তৰী মণি। অসমীয়া সংস্কৃতি সুস্থ অৱস্থাত থকাৰ ওপৰতেই অসমীয়া জাতিৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। ...আজি পৃথিৱীখন সৰু হৈ পৰিছে। অৰ্থাৎ এটা জাতি আনএখন দেশৰ এটা জাতিৰ নিচেই ওচৰ চাপি আহিছে। সেই কাৰণেই এটা প্ৰবল সংস্কৃতিৰ প্ৰভাৱ আন দুৰ্বল সংস্কৃতিৰ ওপৰত পৰাটো স্বাভাৱিক কথা। ...পূৰ্বতে কাহানিও অসমীয়া সংস্কৃতি এনে বিপদৰ সন্মুখীন হোৱা নাছিল। এনে সন্ধিক্ষণত আজি অসমীয়া সংস্কৃতিসেৱীসকলে অতন্দ্ৰ প্ৰহৰীৰ ৰূপ ল'ব লাগিব।

...এখন ছবছৰীয়া ৰাজনৈতিক ৰণত আমি জয়লাভ কৰিলো অশেষ কষ্টৰ মাজেৰে। সাংস্কৃতিক ৰণত এতিয়াও আমি জিকা নাই। এইবাৰ সাংস্কৃতিক ৰণৰ পাল। এইখন ৰণ আগৰখন ৰণতকৈ বেছি জটিল, বেছি কঠিন। আগৰ ৰণ



OKDISCD

কৰিছিলো প্ৰত্যক্ষ সমুখ শত্ৰুৰ সৈতে, কিন্তু এইখন সাংস্কৃতিক ৰণ কৰিব লাগিব মনে মনে গা ঢাকি লুকাই লুকাই অহা শত্ৰুৰ বিপক্ষে। ...'

বিদায়ী সভাপতি যোগেশ দাসে: '...পুৰণি অসমেই আজিৰ অসম নহয়। আগৰ অসমৰ মানুহতকৈ আজিৰ অসমৰ মানুহ বহুত বেছি আৰু বহুত বেলেগ হ'ল। নানান ন ন ধাৰণাই মানুহৰ মন সলাই পেলাইছে। কেৱল পুৰণা ধাৰণাকে লৈ থাকিলে আমাৰ নচলিব। সময়ৰ সলনিৰ সৈতে আমিও উজাব জানিব লাগিব। সাহিত্য সভা ইয়াৰ কাৰণে প্ৰস্তুত হয়নে নহয় তাক চাব লাগিব। যদি নহয় তেন্তে ইয়াক প্ৰস্তুত কৰিব লাগিব। ...'

প্ৰাক্তন সভাপতি মহেশ্বৰ নেওগে: '... অসমীয়া জাতিৰ সাংস্কৃতিক, সামাজিক, ভাষাগত অস্তিত্ব আৰু ঐতিহ্য ৰক্ষা কৰিবলৈ হ'লে বৰ্তমান ভাৰতীয় সংবিধানৰ বিধি-ব্যৱস্থাবোৰেই যথেষ্ট নহ'ব। তাৰ বাবে নতুন সাংবিধানিক ব্যৱস্থা লাগিবই! ভাবিব পৰা এই ব্যৱস্থাবোৰৰ ভিতৰত দুতৰপীয়া নাগৰিকত্ব (ডুৱেল ছিটিজেনশ্বিপ) প্ৰায় অৱশ্যম্ভাৱী হৈ পৰে। অসমৰ তথা (সম্ভৱতঃ) ভাৰতৰ অন্য ৰাজ্যৰ ক্ষেত্ৰতো একে বিধান দেশৰ কল্যাণৰ হকে প্ৰৱৰ্তিত হ'ব পাৰে। সেয়ে একমাত্ৰ উপায়, যাৰদ্বাৰা অসমীয়া জাতি আৰু সংস্কৃতিক বৰ্তমান সংকট মুহূৰ্তত ৰক্ষা কৰিব পৰা যাব। ...'

বৰ্তমান সভাপতি বীৰেন বৰকটকীয়ে: '... যিসকলে ইতিমধ্যে অসম চুক্তি মতে থকাৰ অধিকাৰ পাইছে বা পাব, সেইসকলে কিন্তু সমন্বয়ৰ ক্ষেত্ৰ অসমত অসমৰ জাতি গঠনৰ ঘাই সুঁতিত মিলি গৈহে ভাৰতীয় হ'ব পাৰিব। তেওঁলোকে নিজে লৈ অহা ভাষা-সংস্কৃতি আদৰ কৰিলে অসমৰ খিলঞ্জীয়া ৰাইজ উচপ খাই উঠে, কিন্তু সেইবুলি অসমীয়া ভাষা সাহিত্য সংস্কৃতিক নেওচি কোনোবাই যদি তেনে আদৰ কৰিবলৈ বিচাৰে তাৰ অহিংস প্ৰতিবাদ কৰিব অসমৰ মানুহে জানে। ... আমাৰ চিৰদিনীয়া ভাষা-সাহিত্য-সংস্কৃতিক আলহী কৰি তেওঁলোৰ ভাষা-সংস্কৃতিক সমন্বয়ৰ চোতাল নগচোৰাকৈ বৰঘৰত বৰপীৰা পাৰি বহুৱাত আমিও নাই—আমাৰ দৰে অসমক মনে-প্ৰাণে ভালপোৱা অসমবাসীও নাই। সেয়েহে ক'ব খুজিছো, ভৱিষ্যত অসমৰ ভাষা সংস্কৃতি, আৰ্থ-সামাজিক ব্যৱস্থা সুদৃঢ় কৰি ৰখাৰ কাৰণে অসমক সাংবিধানিক ৰক্ষণাবেক্ষণ দিয়া নিতান্ত উচিত। অসম-চুক্তি ৰূপায়ণ কৰি যাওঁতে অসম গণ পৰিষদ চৰকাৰে নিজৰ বাস্তৱ শিকলিৰ মাজেদিয়েই এই কথাত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো। নহ'লে ৰাজনৈতিক স্বাৰ্থৰ কাৰণে অসমৰ বৃহৎ স্বাৰ্থৰ বিপক্ষে মূৰ দাঙি উঠা অপদুতা অসুৰসকলৰ পৰা অসমবাসীয়ে কোনোদিন শান্তি নাপাব। ...'

কবি হীৰেন ভট্টাচাৰ্যই: '...কবি দেশ-কাল-মানুহৰ ইতিহাস চেতনাই সৃষ্টি কৰা এক বিশিষ্ট কণ্ঠ। সমাজ আশ্ৰয় কৰিয়েই গঢ়ি উঠে শিল্প-সাহিত্য। সমাজ কবিৰ পাঠশালা—জীৱন যাৰ প্ৰধান শিক্ষক। ...'

নতুন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই: '...যোৱা চৰছৰে যিদৰে এই অনুষ্ঠানে ৰাজনৈতিক হেঁচাৰ ওচৰত নতি স্বীকাৰ নকৰি উচ্চশিৰে থিয় দি থাকিল এতিয়াও আৰু ভৱিষ্যতলৈও তেনেদৰে থিয় দি থাকিব। চৰকাৰ আহিব আৰু যাব, কিন্তু আমাৰ বিচিত্ৰ আৰু বৃহত্তৰ ঐক্যবদ্ধ জাতীয় সংস্কৃতিৰ ধ্বজা উৰাই থাকিবলৈ সাহিত্য সভা সদায় থাকিব লাগিব। ...'

* ই-কংগ্ৰেছ দলে দেশৰ ৰাজনৈতিক ব্যৱস্থাটোৰ সাল-সলনি কৰাৰ বিষয়ে পুনৰ গুণাগঠা কৰিবলৈ লৈছে। ৰাজনৈতিক দুৰ্নীতিৰ অন্যতম উৎস বুলি ভবা বৰ্তমানৰ নিৰ্বাচনী ব্যৱস্থাটোৰ কিছু সলনি কৰাৰ কথাই এই ক্ষেত্ৰত বেছিকৈ ভবা হৈছে বুলি নিৰ্ভৰযোগ্য সূত্ৰে জানিব পৰা গৈছে। অৱশ্যে পৰিবৰ্তনৰ স্বৰূপটো কেনে ধৰণৰ হয়গৈ সেই বিষয়ে এতিয়াই সঠিককৈ কোৱা টান, কিয়নো শাসনাধিষ্ঠ দলে এইবিষয়ে বিৰোধী দলৰ সৈতে আলোচনা আৰু এক ৰাজহুৱা বিতৰ্ক হোৱাটো কামনা কৰে।


* পঞ্জাবৰ মুখ্যমন্ত্ৰী সুৰজিত সিং বাৰনালাই ৰাজ্যখনত উগ্ৰপন্থী কাৰ্যকলাপ একেবাৰে চলি থাকিলে 'সামৰিক শাসন' বলবৎ কৰা হ'ব বুলি সতৰ্ক কৰি দিছে। যোৱা কিছুদিন ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত হিংসাত্মক কাৰ্য-কলাপে পুনৰ মূৰ দাঙি উঠাত শ্ৰীবাৰনালাই এই সতৰ্কবাণী শুনায়।

* গিনিজ বুক অৱ ৱৰ্ল্ড ৰেৰ্কডছৰ মতে পৃথিৱীৰ আটাইতকৈ বয়সীয়াল মানুহ জাপানৰ স্বিগেছিও ইজুমিৰ যোৱা ২১ ফেব্ৰুৱাৰীৰ দিনা ১২০ বছৰ বয়সত মৃত্যু হয়। পৰিয়ালৰ লোকসকলৰ মতে অহা ২৯ জুনত ১২১ বছৰত ভৰি দিব লগীয়া ইজুমিয়ে শান্তিৰেই মৃত্যুবৰণ কৰে।

* অসম চৰকাৰে অসম চুক্তিখনৰ যথাযথ ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতা বিচাৰিছে। নতুন দিল্লীত বাণিজ্যিক সাহায্য আৰু পুনৰ সংস্থাপন মন্ত্ৰীসকলৰ এখন সন্মিলনত ভাষণ দি অসমৰ এই দপ্তৰৰ মন্ত্ৰী থানেশ্বৰ বড়োৱে চুক্তিখনৰ সফল ৰূপায়ণে ভগনীয়াসকলক নাগৰিত্ব প্ৰদানৰ দৰে ৰাজ্যখনৰ জটিল সমস্যাসমূহ সমাধানত সহায় কৰিব আশা প্ৰকাশ কৰিছে।

* সদৌ অসম ছাত্ৰ সন্থা আৰু নগা ছাত্ৰ ফেডাৰেশ্যনৰ মাজত বন্ধুত্ব পুনৰ স্থাপিত হৈছে। যোৱা বছৰ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানী অঞ্চলত হোৱা সংঘৰ্ষৰ পাছত সন্থা দুটাৰ মাজৰ বন্ধুত্ব ভাঙোনে দেখা দিছিল। অলপতে গুৱাহাটীত লগ হোৱা সংগঠন দুটাৰ প্ৰতিনিধিসকলে বন্ধুত্বৰ বান্ধোন পুনৰ কটকটীয়া কৰাৰ সপক্ষে মত পোষণ কৰে।





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

অলপ দিনৰ আগেয়ে এনে বহু ঘটনা ঘটি গৈছে যিবোৰে ৰাজীৱ গান্ধীৰ ভাবমূৰ্তি হানি কৰিছে। পেট্ৰলজাত সামগ্ৰীৰ মূল্য বৃদ্ধিৰ ক্ষেত্ৰত তেওঁ লোৱা কাৰ্যব্যৱস্থা, মন্ত্ৰীসভা আৰু পাৰ্টিত ঘটোৱা সালসলনি আৰু পঞ্জাৱ চুক্তিৰ পাছৰ পৰিণতি,—এইবোৰ ঘটনাই তেওঁক সাময়িকভাৱে চয়-নিশ্চয় নোহোৱাকৈ আৰু হেঁচাৰ ওচৰত সেও মানি কাম কৰা মানুহ বুলি দাঙি ধৰিছে। যি কোনো এটা সমস্যা তাৰ নিজৰ নিয়মমতে সমাধান কৰিবলৈ হাতত লোৱাৰ আগৰ যি এটা ভাবমূৰ্তি তেওঁৰ আছিল সেইটো কিছু পৰিমাণে ক্ষুণ্ণ হৈছে আৰু তেওঁক তেওঁৰ নেতৃত্বই তেজবল হেৰুউৱা মানুহৰ দৰে দেখা গৈছে।

পেট্ৰলজাত সামগ্ৰীবোৰৰ মূল্য বৃদ্ধি কৰি পোনতে দিয়া ঘোষণাটো আছিল আগেয়ে বিশ্ববেংকত চাকৰি কৰা আৰু এতিয়া তেওঁক উপদেষ্টা হিচাপে বেৰি থকা বেগীশিশু'ৰ দলটোৰ পৰামৰ্শৰ ফল; প্ৰধানমন্ত্ৰীৰ চিৰসম্প্ৰসাৰিত সচিবালয়ত পোনতে এই সিদ্ধান্তৰ কুচকৰাজটো কৰা হয়। এই সিদ্ধান্তৰ আঁৰত মাৰ্কিন যুক্তৰাজ্যই আধিপত্য বিস্তাৰ কৰি থকা বিশ্ববেংক আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই. এম. এফ.) আছিল নেকি সেইটো সিমান গুৰুত্বপূৰ্ণ কথা নহয়,— যিমান গুৰুত্বপূৰ্ণ কথা হৈছে এই নীতিবিষয়ক সিদ্ধান্তটো মন্ত্ৰীসভাৰ লগত পৰামৰ্শ নকৰাকৈ লোৱাটো। এই ঘটনাত নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাজৰপৰা বিত্তমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙেই একমাত্ৰ লোক আছিল আৰু বাকীসকল আমোলা-বিষয়া।

দাম বঢ়াই দিয়াৰ পাছত যি স্তব্ধ প্ৰতিক্ৰিয়া হয় সেই বিষয়ে যে ৰাজীৱ আৰু তেওঁৰ উপদেষ্টাসকলে আগতীয়াকৈ উমান কৰিব পৰা নাছিল এনে নহয়; কিন্তু তেওঁলোকে হিচাপত ধৰা নাছিল 'মাৰ্ক্সিষ্ট লবি'টোৰ হেঁচাৰ বিষয়টো। প্ৰধানমন্ত্ৰীক পৰিবেষ্টন কৰি আৰু তেওঁৰ সচিবালয়ত এই তথাকথিত মাৰ্ক্সিষ্ট লবিটোৰ মানুহ আছে। তেওঁলোক যেতিয়া কামত

### ৰাজীৱৰ ভাবমূৰ্তি কলাই-কলাই হ্ৰাস পাইছে

লাগি গ'ল (আমেৰিকাৰ অনুগামী আৰু ছোভিয়েট লবিৰ অনুগামীসকলৰ মাজত একধৰণৰ যুদ্ধ এখনেই চলি গ'ল) তেতিয়া ৰাজীৱে নেহেৰু পৰিয়ালৰ 'হনুমান' কমলাপতি ত্ৰিপাঠী আৰু ১৯৮৪ চনৰ নৱেম্বৰত দিল্লীত হোৱা সংঘৰ্ষৰ পাছৰ পৰা প্ৰধানমন্ত্ৰীয়ে বৰদাস্ত কৰি থাকিব লগা হোৱা হৰকিষণ লাল ভগতক তেওঁলোকৰ 'প্ৰতিবাদ' জনাবলৈ লগাই দিলে। মূল্যবৃদ্ধি যে সামান্য কমাই দিলে, সেইখিনি ৰেহাই জনসাধাৰণতকৈ 'মাৰ্ক্সিষ্ট লবি'টোৰ কথা বেছি ভাবিহে দিলে।

ৰজাঘৰীয়া ৰাজনীতিত যিটো হয়, অভ্যন্তৰীণ নিৰাপত্তা মন্ত্ৰী অৰুণ নেহৰুৰ চকুৰ কুটা বিশ্বনাথ প্ৰতাপ সিঙক মন্ত্ৰীসভাৰ পৰা বাহিৰ কৰি দিবলৈ হেঁচা দিয়া হয়। আনৰ জগৰত দণ্ড বিহিবলৈ বলিৰ পঠা কৰিব খোজা হয় বিশ্বনাথ প্ৰতাপ সিঙক, আৰু চোৰাং ধন উদ্ধাৰ কৰিবলৈ চলোৱা তেওঁৰ প্ৰচেষ্টাত অসন্তুষ্ট হোৱা উদ্যোগপতি আৰু ব্যৱসায়ীসকলেও এই যুদ্ধখনত যোগ দিয়ে। আনকি তেওঁৰ উত্তৰাধিকাৰী উদ্যোগমুখী নাৰায়ণ দত্ত তিৱাৰী হ'ব বুলিও প্ৰচাৰ কৰি দিয়া হয় আৰু বিশ্বনাথ প্ৰতাপ সিঙে তেওঁৰ পদত্যাগ দাখিল কৰিলেনেকি সুধি ৰাষ্ট্ৰপতি ভৱনলৈ ইটোৰ পাছত সিটোকৈ প্ৰশ্ন টেলিফোনেৰে যাবলৈ ধৰে। খন্তেকলৈ হ'লেও এইখন নাটকে ৰাজীৱৰ যশস্যা নবঢ়ালে।

যিহেতু মন্ত্ৰীসভা আৰু পাৰ্টিত উবাজুবাকৈ কৰা কেতবোৰ সালসলনিৰ ঠিক পাছতে এই ঘটনাটো ঘটে, গতিকে ৰাজীৱ সাময়িকভাৱে কাম কৰা মানুহ বুলি অধিক প্ৰতীয়মান হৈ পৰিল। তেওঁ অৰ্জুন সিঙৰ লগত কেঁচুৱা ল'ৰাই পুতলাৰ লগত ধেমালি কৰাদি কৰিলে। আগতীয়াকৈ ভাবি-চিন্তি লোৱা হ'লে তেওঁ অৰ্জুন সিঙক প্ৰথমে মন্ত্ৰী কৰি পাছত পাৰ্টিৰ বিষয়ববীয়া নকৰি পোনে পোনে পঞ্জাবৰ ৰাজ্যপালৰ পদৰ পৰা আনি ই-কংগ্ৰেছৰ উপসভাপতি পাতিলেহেঁতেন। আৰু এসময়ৰ কেন্দ্ৰীয় মন্ত্ৰী ছি. পি. সিঙক প্ৰথমেই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কিয় দিয়া নহ'ল আৰু কিয় তেওঁক মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰিবলৈ দিয়া হ'ল আৰু পাছত তেওঁৰ পত্নীৰ লোকসভা আসনখনৰ পৰা বিজয়ী হোৱাত পুনৰ মন্ত্ৰীসভাত লোৱা হ'ল, —তাৰ ব্যাখ্যা আজিও পোৱা নগ'ল। সিঙৰ পত্নীয়ে প্ৰথমেই প্ৰস্তাৱ দিছিল যে তেওঁৰ আসনখনৰ পৰাই তেওঁৰ স্বামীয়ে প্ৰতিদ্বন্দ্বিতা কৰক, কিন্তু সেইটো কৰিবলৈ দিয়া নহ'ল।

পঞ্জাবৰ কথালৈ আহোঁ। মেথিউ আয়োগৰ ৰায় ৰাজহুৱাভাৱে সদৰি কৰাৰ দুদিনৰ আগেয়েই চৰকাৰে পায়।



OKDISCD

অনানুষ্ঠানিকভাৱে বাৰনালা মন্ত্ৰীসভাই ৩০ খন গাঁও চিহ্নিত কৰি উলিয়ায়েই থৈছিল, —যাতে তেওঁৰ চৰকাৰক এটা কৃতিত্ব দিব লগা চণ্ডীগড়ৰ হস্তান্তৰ ৰাজীৱ-লংগোৱাল চুক্তিত উল্লেখ কৰা তাৰিখ ২৬ জানুৱাৰীতে কৰিব পৰা হয়। এটা সময়ত ধাৰণা হৈছিল, —ৰাজীৱে হয়তো সময়সীমাটো মানি চলিব আৰু তেওঁ আনকি এনেকুৱা ধাৰণাও দিছিল যে আনুষ্ঠানিকভাৱে হস্তান্তৰ ঘোষণা কৰিবলৈ তেওঁ হয়তো ২৬ জানুৱাৰীৰ আবেলি চণ্ডীগড়ত হ'ব লগা অনুষ্ঠানত নিজেই যোগ দিব। কিন্তু পাছত তেওঁ হেঁচাৰ ওচৰত সেও হৈ পৰিল; হাৰিয়ানাত হ'ব পৰা প্ৰক্ৰিয়া সম্পৰ্কে মন্ত্ৰীসভাৰ সদস্যসকলে তেওঁক অতি-ৰঞ্জিত কৰি বুজালে। কিন্তু জানিব পৰা মতে যিটো যুক্তিয়ে তেওঁক টলালে সেইটো হ'ল, ই-কংগ্ৰেছে কাৰ্যতঃ সকলো অহিন্দীভাষী ৰাজ্যই হেৰুৱাইছে আৰু চণ্ডীগড় পঞ্জাবলৈ হস্তান্তৰ কৰিলে আনকি হিন্দীভাষী ৰাজ্যবোৰতো বিচ্ছিন্ন হৈ পৰাৰ প্ৰক্ৰিয়া এটা আৰম্ভ হৈ যাব আৰু হাৰিয়ানাতে সেইটো প্ৰথমে হ'ব। এইকথাই হাৰিয়ানাৰ মুখ্যমন্ত্ৰী ভজন-লালক আনকি চুক্তিখনৰ মূল নীতি-সমূহকে প্ৰত্যাহ্বান জনাবলৈও উৎসাহিত কৰিলে: এই মূল নীতিসমূহ হ'ল লগালগি অঞ্চল আৰু গাঁওখনক গোট হিচাপে ধৰি হাৰিয়ানা বা পঞ্জাবলৈ ৰাজ্যাঞ্চল হস্তান্তৰ কৰাটো নিৰ্ণয় কৰা হ'ব। ইন্দিৰা গান্ধীৰ নীতিৰ পৰা আঁতৰি গৈ চলোৱা এটা সম্প-ৰীক্ষা ৰাজীৱৰ হোঁহকা-পিচলাৰ কাৰণে বদ হৈ গ'ল।

ৰাজীৱৰ ভাবমূৰ্তি এনেকুৱা এটা সময়ত টুটিছে যিটো সময়ত ভাৰতীয় অৰ্থনীতি হামখুৰি খাই তললৈ পৰিছে। প্ৰায় ৮ হাজাৰ কোটি টকাৰ বাণিজ্যিক ঘাটিয়ে বৈদেশিক মুদ্ৰাৰ ভৰাল খুলি খুলি খাইছে আৰু মন্দা অৱস্থাত পৰা পশ্চিমীয়া দেশবোৰে শেহতীয়া প্ৰযুক্তি বিদ্যাৰ নামত তেওঁলোকৰ সামগ্ৰী আৰু যন্ত্ৰপাতিবোৰ ভাৰতত দ'মাবলৈ আৰম্ভ কৰিছে। এইটো থলুৱা বিকাশ আৰু আত্মনিৰ্ভৰশীলতা দৰ্শনৰ পৰি-পন্থী কথা হৈ পৰিছে। দৰাচলতে, পৰিকল্পনা আয়োগৰ এজন সদস্যৰ ভাষাত আমাৰ বিশেষজ্ঞসকল 'বিকাশ শূন্য'। চৰকাৰী ব্যয় চলিছে জধে-মধে আৰু প্ৰবল বেগেৰে। এই ক্ষেত্ৰত কোনো অনুশাসন প্ৰবৰ্তন কৰাৰ কথা আনকি ভবাও হোৱা নাই।

খাদ্যত স্বয়ংসম্পূৰ্ণতাৰ ক্ষেত্ৰতো বিপদে দেখা দিছে, কাৰণ ৰাজীৱৰ যাদুকৰী-শিশুৰ দলটোৰ মত হ'ল ভাৰতৰ খাদ্য নিগমৰ প্ৰয়োজন উকলিছে আৰু জৰুৰীকালীন মজুত ৰখাৰ আন উপায় বিচাৰি উলিয়াব লাগে। খাদ্য নিগমৰ দুৰ্নীতি আৰু শিথিল ব্যৱস্থা প্ৰধান কথা নহয়;— সেই লৈ যিকোনো ধৰণৰ মতবিৰোধ ঘটিব পাৰে; কিন্তু খাদ্যৰ মজুত হস্তান্তৰ কৰাটো প্ৰধান কথা হ'ব পাৰে আৰু ৰাজীৱে তেওঁৰ যাদুমুগ্ধ চক্ৰটোৰ বাহিৰৰ লোকৰ লগত বিষয়টো আলোচনা কৰা ভাল হ'ব।

বৰ বেছিকৈ ওলোৱা চোৰাংচোৱা-গিৰি কেলেংকাৰীবোৰেও ৰাজীৱৰ মৰ্যাদা নষ্ট কৰিছে। প্ৰথমে ওলাল কুমাৰ নাৰায়ণ। তেওঁ সৰ্বোচ্চ পদা-ধিকাৰী বা অন্ততঃ তেওঁলোকৰ কাকত-পত্ৰবোৰৰ 'কাষ চাপিব' পৰা যেন পৰিলক্ষিত হ'ল। গোপনে চলোৱা তদন্তই এই কথাটো খাটাং কৰিছেনে নাই এতিয়াও জানিব পৰা হোৱা নাই, কিন্তু ধাৰণাটো হ'ল এয়ে যে ভাৰত চৰকাৰৰ আটাইতকৈ গোপনীয় কথাবোৰ কিনি হাত কৰিব পাৰি। যদিও ৰাজীৱে পাছত কোৱা বুলি ওলাইছে যে গোটেই ঘটনাটো কিবা 'বৌটোক ঢৌটো কৰা হ'ল', তথাপি মানুহৰ মনত এই ধাৰণা বৈ গ'ল যে শীৰ্ষ পদস্থ বিষয়াসকলে বিদেশী ৰাষ্ট্ৰৰ দূতাবাস, ডাঙৰ উদ্যোগপতি বা ব্যৱ-সায়ীৰ বেতনভুক হিচাপে কাম কৰে আৰু তেওঁলোকে কুমাৰ নাৰায়ণৰ লেখীয়া চৰৰ যোগেদি কাৰ্যনিৰ্বাহ কৰে।

দেখাত ৰামস্বৰূপৰ ঘটনাটোত কোনো প্ৰশাসনীয় বিষয়া জড়িত নাই; কিন্তু ৰাজনৈতিক নেতাসকল আছে। তেওঁলোকে অস্বীকাৰ কৰিছে যদিও তেওঁলোক 'দোষী' হয় নে নহয় সেইটো এটা প্ৰকাশ্য, স্বতন্ত্ৰীয়া তদন্তই নিৰ্ণয় কৰিব পাৰে। কিন্তু এই পৰ্যন্ত যিটো পদ্ধতি অৱলম্বন কৰা হৈছে তাৰ অৰ্থ হ'ল বিৰোধী দল-বোৰৰ বিৰুদ্ধে এটা কুৎসা ৰটনাৰ অভিযান। অভিযুক্তজনে পুলিছৰ আগত দিয়া বিবৃতি এটায়েই (যিটো কোনো আইনৰ আদালতত গ্ৰহণযোগ্য নহয়) প্ৰমাণ নকৰে যে তেওঁ নাম উল্লেখ কৰা মানুহবোৰ দোষী। চোৰং-চোৱা সংগঠনবোৰ ব্যৱহাৰ কৰাটো আৰু সেইবোৰৰ যোগেদি সংবাদ মাধ্যমবোৰ ব্যৱহাৰ কৰাটো এটা সুপৰিচিত কৌশল; ইন্দিৰা গান্ধীয়ে প্ৰায়ে এই কৌশল ব্যৱহাৰ কৰিছিল। ৰাজীৱৰ শাসনৰ আবিৰ্ভাৱ ঘটাৰ লগে লগে এই কৌশলৰ সলনি ঘটিল বুলি ধৰি লোৱা হৈছিল।

এখন বিদেশী ৰাষ্ট্ৰত বিনামূলীয়াকৈ ভ্ৰমণ কৰিবলৈ গ'লেই ভ্ৰমণকাৰীজন সেইখন দেশৰ এজন চৰ হৈ পৰেনে? এইটোৱেই যদি মাপকাঠী হয় তেতিয়া-হ'লে কমিউনিষ্টৰ উদ্যোগত পতা এখন শান্তি সন্মিলনত যোগ দিয়া প্ৰায় দুহাজাৰ লোকৰ বিষয়ে কি ক'ব? মৌলিক প্ৰশ্নটো হ'ল, এজন এম. পি বা আন যিকোনো লোকে বিদেশী ৰাষ্ট্ৰৰ আতিথ্য গ্ৰহণ কৰিলেই তেওঁ সন্দেহভাজন লোক হৈ যাবনেকি? বিদেশৰপৰা অহা এটা আমন্ত্ৰণৰ ক্ষেত্ৰত গৃহ মন্ত্ৰণালয়ৰপৰা অনুমতি লব লগা প্ৰথাটো এজন ব্যক্তিৰ চাৰিত্ৰিক সাধু-তাৰ ওপৰত এটা আঘাতৰ দৰে কথা হৈ ইতিপূৰ্বে আছেই। মূৰকত যিজনে আমন্ত্ৰণটো কাৰ্য-প্ৰণালীমতে বিচাৰ (process) কৰে, সেই বিভাগীয় বিষয়া-জন তেনেকুৱা বিচাৰৰ ক্ষেত্ৰত এজন এম. পি বা এজন সাংবাদিকতকৈ কোন গুণে অধিক অৰ্হতাসম্পন্ন? চৰ-কাৰত থকাসকল বাহিৰত থকা সক-

১4 পৃষ্ঠাত চাওক



# চেলেঞ্জাৰৰ পতন

দেৱজ্যোতি হাজৰিকা

যোৱা আঠাইছ জানুৱাৰীৰ ৰাতি-পুৱা সময়ত আমেৰিকাৰ বিভিন্ন ঠাইৰ বিভিন্নজনৰ লগতে আমেৰিকান স্কুল-বোৰত ছাত্ৰ-ছাত্ৰীসকলে প্ৰথমবাৰৰ বাবে গভীৰ আগ্ৰহ আৰু মনোযোগেৰে টেলিভিছনৰ স্ক্ৰিনত উপভোগ কৰিছিল আমেৰিকাৰ মহাকাশ শ্বাটল (space shuttle) চেলেঞ্জাৰৰ উৎক্ষেপণৰ দৃশ্য; কাৰণ এই শ্বাটলখনতে ছাত্ৰ-ছাত্ৰীসকলৰ অতি মৰমৰ, অতি শ্ৰদ্ধাৰ ক্ৰিষ্টা মেক-অলিফ নামৰ শিক্ষয়িত্ৰী গৰাকীয়েও এগৰাকী মহাকাশ যাত্ৰীৰূপে অংশ গ্ৰহণ কৰিছিল। অকল সেয়ে নহয়, এই শিক্ষয়িত্ৰী গৰাকীয়ে প্ৰথম বাৰৰ বাবে মহাকাশৰপৰা তাৰ বিভিন্ন বিষয় অধ্যয়ন কৰি সেইবোৰ তথ্য এক বিশেষ ব্যৱস্থাৰে আমেৰিকালৈ টেলিকাষ্ট কৰি পঠোৱাৰ কথা আছিল— যাতে ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীতে বহি বহি সেই-বোৰ টেলিভিছনত চাব পাৰে। এই কথাটোৱে আমেৰিকাৰ সাধাৰণ নাগ-ৰিকসকলৰ মনত বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মনত গভীৰ আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু,—

ফ্লৰিডাৰ কেপ কেনেভেৰেলৰ 39-B উৎক্ষেপণ কেন্দ্ৰৰপৰা দিনৰ ১১-৩৮ বজাত (ভাৰতীয় সময়মতে নিশা ১০-০৮ বজাত) সাতজন মহা-কাশযাত্ৰীসহ মহাকাশলৈ উৰা মৰা চেলেঞ্জাৰখন উৎক্ষেপণৰ মাত্ৰ ৭০ ছেকে-ণ্ডৰ পাছতে আটলাণ্টিক মহাসাগৰৰ ওপৰত পৰিণত হৈ পৰিল এক বৃহৎ অগ্নিপিণ্ডলৈ। শ্বাটলখনৰ উৎক্ষেপণৰ দৃশ্য উপভোগ কৰি আনন্দত আপ্লুত হৈ থকা দৰ্শকসকলে ফ্ল'ৰিডাৰ আকাশত হঠাতে এই অভাৱনীয় দৃশ্য দেখি বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ পৰিল। অতি আগ্ৰহেৰে টেলিভিছন চাই থকা স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বহুতে ঘটনাটোৰ একো গম ধৰিব নোৱাৰি শিক্ষকসকলক বিভিন্ন প্ৰশ্নৰে অতিষ্ঠ কৰি তুলিলে। এখন স্কুলত এজন শিক্ষকে তেনে কিছুমান ছাত্ৰ-ছাত্ৰীক যেতিয়া বুজাই দিলে চেলেঞ্জাৰখন আট-লাণ্টিকৰ ওপৰত ধ্বংস হোৱাৰ কথা, তেতিয়া এজন ছৰছৰীয়া ছাত্ৰই শ্বাটল-খনৰ যাত্ৰীকেইজন সম্পৰ্কে শিক্ষক-জনক প্ৰশ্ন কৰিলে, "তেওঁলোকে সাঁতু-ৰিব জানেনে নাজানে বাৰু?"


আমেৰিকাৰ National Aeronautics and Space Administration (NASA) এ ১·২ মিলিয়ন ডলাৰ ব্যয় কৰি নিৰ্মাণ কৰাই উলি-ওৱা চেলেঞ্জাৰৰ মহাকাশলৈ এইটো দশম অভিযান আছিল, 51-L নামেৰে অভিহিত কৰা এই অভিযানটো সফল হোৱা হ'লে নাছাৰ সফল মহাকাশ অভিযানৰ সংখ্যা পঁচিছটালৈ বৃদ্ধি পালেহেঁতেন।

আঠাইছ জানুৱাৰীত উৎক্ষেপণৰ নিৰ্দিষ্ট সময়ৰ লগে লগে চেলেঞ্জাৰৰ মুখ্য ইঞ্জিন তিনিটা ষ্টাৰ্ট কৰা হৈছিল। প্ৰতিটো ইঞ্জিনৰপৰা ৫০০,০০০ পাউণ্ড হেঁচাৰ (thrust) সৃষ্টি হৈছিল আৰু ১২ মহলীয়া ওখ শ্বাটলখন চকু চাট মাৰি ধৰা এটা পোহৰৰ সৃষ্টি কৰি কঁপি উঠিছিল। ইঞ্জিনৰ বাবে ইন্ধন হিচাপে জুলীয়া হাইড্ৰজেন আৰু জুলীয়া অক্সিজেন শ্বাটলখনৰ বাহিৰত থকা টেংকদুটাৰ পৰা যোগান ধৰা হৈছিল। ক্ষন্তেক পাছতে চেলেঞ্জাৰৰ কম্পিউ-টাৰত নিৰ্দেশ দেখা গৈছিল ছলিড ৰকেট বুষ্টাৰ (Solid Rocket Booster) দুটাও প্ৰজ্জ্বলিত কৰিবৰ বাবে। শ্বাটলখনৰ বাহিৰত থকা টেংকদুটাৰ দুয়োকাষে সংলগ্ন বুষ্টাৰ দুটাই ২·৯ মিলিয়ন পাউণ্ড অধিক হেঁচাৰ সৃষ্টি কৰিলে। লগে লগে শ্বাটলখন মুক্ত হৈ ফ্ল'ৰিডাৰ নীলা আকাশেৰে মহাকাশলৈ অগ্ৰসৰ হ'ল, ঘণ্টাত ২০০০ মাইল গতিত পূৱফালে গৈ থকা শ্বাটলখনে উৎক্ষেপনৰ ৩৫ ছেকেণ্ড পাছত প্ৰায় ৩৫,০০০ ফুট উচ্চতাত পূৰ্ব পৰিকল্পনা মতে পূৰ্বৰ হেঁচাৰ ৬৫ শতাংশ কমাই দিয়া হল— পৃথিৱীৰ ডাঠ বায়ুমণ্ডলত শ্বাটলখনক টুকুৰাটুকুৰকৈ ভাগি যোৱাৰ পৰা ৰক্ষা কৰিবলৈ। তাৰ ১৭ ছেকেণ্ডৰ পাছতে ৬০,০০০ ফুট উচ্চতাত চেলে-ঞ্জাৰৰ কম্পিউটাৰে ১০4 শতাংশলৈ হেঁচা বঢ়োৱাৰ নিৰ্দেশ দিলে। ১4৯ ফুট দীঘল ষ্টিলৰ দ্বাৰা নিৰ্মিত ছলিড ৰকেট বুষ্টাৰ দুটাই ইতিমধ্যে প্ৰায় এক মিলিয়ন পাউণ্ড ইন্ধন জ্বলাই শেষ কৰিছিল। এই বুষ্টাৰ দুটা অৱশ্যে উৎক্ষেপণৰ পাছত প্ৰথম দুই মিনিট সময়ৰ বাবেহে প্ৰয়োজন। সেই সময়-লৈকে কম্পিউটাৰে শ্বাটলখন সাধাৰণ অৱস্থাত আছে বুলি জনাই আছিল। কিন্তু তাৰ কেইছেকেণ্ডমান পাছতে প্ৰায় ৭২,০০০ ফুট উচ্চতাত Maximum Q নামৰ চূড়ান্ত হেঁচাৰ অৱস্থা-টোতে চেলেঞ্জাৰক এক ভয়াবহ অগ্নি-পিণ্ডই আগুৰি ধৰিলে আৰু এটা প্ৰচণ্ড বিস্ফোৰণৰ সৃষ্টি হ'ল। হ'ষ্টনৰ মিছন কণ্ট্ৰলত থকা কম্পিউটাৰৰ স্ক্ৰিন-বোৰ হঠাৎ তথ্যশূণ্য হৈ পৰিল। NASA ৰ অফিছাৰসকলৰ মাজত দৌৰাদৌৰিৰ সৃষ্টি হ'ল। কেপ কেনে-ভেৰেলৰ উৎক্ষেপণ- কেন্দ্ৰৰপৰা চেলেঞ্জাৰৰ সেই দৃশ্য চাই থকা ক্ৰিষ্টা মেকঅ'লিফৰ মাক-দেউতাকৰ ওচৰলৈ এজন অফিছাৰ আহি বাৰে বাৰে ঘোষণা কৰিলে মহাকাশ শ্বাটলখন ধ্বংস হোৱাৰ কথা, অবিশ্বাস্য এই ঘোষণা শুনি ওচৰতে বৈ থকা চেলেঞ্জাৰৰ পাইলট মাইকেল স্মিথৰ ল'ৰা-ছোৱালীকেইটাই শোকত উচুপিবলৈ ধৰিলে। সিহঁতৰ কোনোবা এটাই কান্দি কান্দি ক'বলৈ ধৰিলে, "দেউতা তুমি মোৰ ওচৰলৈ আঁহা। তুমিয়েতো আমাক সদায় কথা দিছিলা একো নহয় বুলি।"

মিছন কণ্ট্ৰলৰ মতে ধ্বংস হোৱাৰ পাছত শ্বাটলখনৰ কিছু অংশ ২৮·৬4° উত্তৰ অক্ষাংশ আৰু ৮০·২৮° পশ্চিম অক্ষাংশলৈ সিঁচৰতি হৈ গৈছিল।



OKDISCD




বিস্ফোৰণৰ কেইবাঘণ্টাও পাছলৈকে চেলেঞ্জাৰৰ ধ্বংসপ্ৰাপ্ত অংশবোৰ আকাশৰপৰা আটলাণ্টিক মহাসাগৰৰ বুকুলৈ পৰি আছিল,— যিবোৰ 51·L মহাকাশ অভিযানৰ ভয়াবহ পৰিণামৰ স্মৃতি হৈ ৰ'ব! নাছাত ইতিমধ্যে সন্ত্ৰাসৰ সৃষ্টি হৈছিল আৰু ইঞ্জিনিয়াৰসকলে শ্বাটলখনৰপৰা পঠিওৱা কম্পিউটাৰৰ তথ্যবোৰ লৈ অনুসন্ধান আৰম্ভ কৰিছিল— ক'ৰবাত কিবা ভুলৰ সম্ভেদ পোৱাৰ আশাৰে।

শ্বাটলখনৰ ধ্বংসস্তুপৰ অংশ বিচাৰি NASAৰ বহু দলে আটলাণ্টিক মহাসাগৰৰ ওপৰত ২০,০০০ মাইললৈকে তন্নতন্নকৈ অনুসন্ধান আৰম্ভ কৰিলে আৰু সপ্তাহটোৰ শেষৰফালে তেওঁলোকে বুষ্টাৰৰ ছুয়োটা জোড়া অংশকে ধৰি অন্য বহু অংশ উদ্ধাৰ কৰিলে।

আৰু প্ৰায় লগে লগেই বিভিন্ন ধৰণৰ আলোচনা আৰু বিভিন্ন প্ৰশ্নৰ সৃষ্টি হ'ল। সেই ছলিড ৰকেট বুষ্টাৰ দুটাৰ কোনোবা এটা কেনেবাকৈ ইয়াৰ আৱৰণৰ সৈতে জ্বলাৰ পাছত সেই জুয়েই চেলেঞ্জাৰৰ বাহিৰৰ ইন্ধন টেংক দুটাত থকা অতিশয় বিস্ফোৰক পদাৰ্থ জুলীয়া হাইড্ৰ'জেন আৰু অক্সিজেনলৈ বিয়পি পৰা নাছিলনে? নে বহুদিনৰ পৰা সমস্যাৰ সৃষ্টি কৰি অহা ইন্ধন পাম্পৰ দ্ৰুত গতিযুক্ত টাৰ্বাইন ব্লে'ডবোৰ ভাগি ছিগি ইন্ধনত পৰাৰ পাছত সেই বিস্ফোৰণৰ সৃষ্টি হ'ল? ইত্যাদি ইত্যাদি।

এইখিনিতে সাধাৰণ মহাকাশ শ্বাটল এখন মহাকাশলৈ উৎক্ষেপণ কৰাৰ পাছত শ্বাটলখনে কেনেকৈ মহাকাশত নিৰ্ধাৰিত কাৰ্য সমাপন কৰাৰ পাছত পুনৰ পৃথিৱীত অৱতৰণ কৰেহি সেই-বিষয়ে থূলমূল ধাৰণা এটা দিয়াৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। মহাকাশ শ্বাটল এখনৰ সুবিধা এইখিনিতে যে ই সাতজনলৈকে আৰোহীক মহাকাশলৈ লৈ যাব পাৰে। তদুপৰি শ্বাটলখনে ১৪ টন পৰিমাণৰ বস্তু পৃথিৱীলৈ কঢ়িয়াই আনিব পাৰে। ছবিত দেখুওৱাৰ দৰে ছলিড ৰকেট বুষ্টাৰ দুটাৰ সহায়েৰে উৎক্ষেপণৰ এক নিৰ্দিষ্ট সময়ৰ পাছত শ্বাটলখনৰ পৰা বুষ্টাৰ দুটা বিচ্ছিন্ন কৰি দিয়া হয় আৰু এই দুটা পেৰাচুটৰ সহায়েৰে তলৰ সাগৰত পৰাৰ পাছত জাহাজেৰে সংগ্ৰহ কৰা হয়। এই দুটা পাছত আকৌ ব্যৱহাৰ কৰিব পাৰি। আমেৰিকাৰপৰা উৎক্ষেপণ কৰা মহাকাশ শ্বাটলৰ বুষ্টাৰ দুটা আটলাণ্টিক মহাসাগৰৰ ওপৰত বিচ্ছিন্ন কৰা হয়। তাৰ পাছতে জুলীয়া ইন্ধনৰ সহায়ত শ্বাটলখন নিৰ্দিষ্ট কক্ষপথত উপস্থিত হয় আৰু বৃহৎ আকাৰৰ জুলীয়া ইন্ধন ৰখা বাহিৰৰ টেংকটোও বিচ্ছিন্ন কৰি দিয়া হয়। এইটো টেংক কিন্তু পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি। এই টেংকটো সাধাৰণতে ভাৰত মহাসাগৰত পৰাকৈ বিচ্ছিন্ন কৰা হয়। কক্ষপথত নিৰ্দিষ্ট কাৰ্য সমাপন কৰাৰ পাছত (এই কাৰ্যৰ ভিতৰত কৃত্ৰিম উপগ্ৰহক কক্ষপথত অৱস্থান কৰোৱা, নাইবা মহাকাশত বিজুতি ঘটা (আগতে পঠোৱা) কোনো কৃত্ৰিম উপগ্ৰহ মেৰামতি কৰা নাইবা সেইটোক পুনৰ পৃথিৱীলৈ ঘূৰাই লৈ অনা কাৰ্যই উল্লেখযোগ্য। শ্বাটলখনে আকৌ ইয়াৰ পিছফালে থকা ৰকেট কেইটাৰ সহায়ত পৃথিৱীৰ বায়ুমণ্ডলত প্ৰৱেশ কৰে আৰু এখন সাধাৰণ উৰাজাহাজৰ দৰে অৱতৰণ কৰে। শ্বাটলখনৰ ভিতৰত এটা মহাকাশ-গৱেষণাগাৰ থাকে। সেইটোক ইচ্ছা কৰিলে কক্ষপথত থৈ আহিবও পাৰি। শ্বাটলখনত থকা এখন বিশেষ ধৰণৰ "হাত" (arm) এই কাৰ্যবোৰ সম্পন্ন কৰাত সহায় কৰে। তদুপৰি ঐই "হাত"খনৰ শেষৰ ফালে এটা টি·ভি কেমেৰাও থাকে। তাৰ সহায়ত মহাকাশৰ ফটো লোৱা সম্ভৱ হয়। প্ৰসংগত উল্লেখযোগ্য যে ১৯৮৫ চনৰ ৬ এপ্ৰিলত ফ্ল'ৰিডাৰ কেনেডি স্পে'ছ চেণ্টাৰৰ পৰা আৰম্ভ কৰা চেলেঞ্জাৰৰ মহাকাশ অভিযান বিশেষভাৱে গুৰুত্বপূৰ্ণ আছিল। কাৰণ আমেৰিকাৰ ছ'লাৰ মেক্স নামৰ কৃত্ৰিম উপগ্ৰহটোৰ মহাকাশত এক বিজুতি ঘটিছিল; আৰু সেই অভিযানটোত চেলেঞ্জাৰৰ সহায়ত জৰ্জ নেলছন নামৰ মহাকাশচাৰীজনে ছ'লাৰ মেক্সৰ বিজুতি আঁতৰ কৰিছিল।

চেলেঞ্জাৰক যদিও মহাকাশলৈ প্ৰয়োজনীয় সামগ্ৰী কঢ়িয়াই নিয়া বিশেষ ধৰণৰ মহাকাশযান হিচাপেহে ডিজাইন কৰি নিৰ্মাণ কৰা হৈছিল, তথাপি এতিয়ালৈকে নিৰ্মিত মহাকাশযানবোৰতকৈ বিশেষকৈ চন্দ্ৰলৈ মানুহ কঢ়িয়াই নিয়া এপ'ল' ৰকেট'তকৈ এই মহাকাশ শ্বাটলখন অধিক উন্নত আৰু জটিল প্ৰক্ৰিয়াযুক্ত আছিল। পূৰ্বৰ ৰকেটবোৰ সাধাৰণ, তিনিখলপীয়া আৰু জুলীয়া ইন্ধনযুক্ত আছিল। কিন্তু এই শ্বাটলখনত পাঁচটা ৰকেট সংযুক্ত কৰা হৈছিল আৰু পাঁচোটাই একেলগে সক্ৰিয় হৈছিল। আনহাতে শ্বাটলখনৰ লগত সংলগ্ন ছলিড ৰকেট বুষ্টাৰ দুটাত গোটা পদাৰ্থ এলুমিনিয়ামক ইন্ধন হিচাপে ব্যৱহাৰ কৰা হৈছিল। এবাৰ ঐই গোটা ইন্ধনবিধ জ্বলিবলৈ আৰম্ভ কৰাৰ পাছত তাক আৰু বন্ধ কৰিব পৰা নগৈছিল। এই ছলিড বুষ্টাৰ দুটা নিয়ন্ত্ৰণ কৰাৰ উপায় মাত্ৰ এটাই,—সিহঁতৰ সমুখৰ অংশ দুটা বিচ্ছিন্ন কৰি দিয়া। এই ৰকেট বুষ্টাৰ দুটাক এক প্ৰকাৰৰ নিয়ন্ত্ৰিত বোমা বুলিয়ে অভিহিত কৰা হয়। শ্বাটলখনৰ মুখ্য ৰকেট পাঁচটাৰ বাবে অতি সোনকালে বাষ্পলৈ পৰিণত হোৱা এবিধ জুলীয়া ইন্ধনৰ মিশ্ৰণ ব্যৱহাৰ কৰা হৈছিল। এটা নিউক্লীয় শক্তিৰ প্লেণ্ট চলাব পৰা পৰিমাণৰ প্ৰায় ৩৮৩,০০০ গেলন জুলীয়া হাইড্ৰ'জেন (—৪২৩° ফাৰেনহাইটত) আৰু ১৪৩,০০০ গেলন জুলীয়া অক্সিজেন (—২৯৭° ফাৰেনহাইটত) শ্বাটলখনৰ বাহিৰত থকা বৃহৎ আকাৰৰ টেংকটোত পৃথক পৃথককৈ ৰখা হৈছিল, আৰু সেইবোৰ শ্বাটলখনৰ ইঞ্জিনবোৰলৈ এলুমিনিয়াম আৰু ষ্টিলেৰে নিৰ্মিত ১৭ ইঞ্চি ব্যাসৰ বিশেষ পাইপৰ (ফিড লাইন) দ্বাৰা নিয়াৰ ব্যৱস্থা আছিল।

নাছাৰ মহাকাশ বিশেষজ্ঞসকলৰ মতে শ্বাটলখন ধ্বংস হোৱাৰ বাবে উক্ত প্ৰক্ৰিয়াবোৰৰ যিকোনো এটাত হোৱা সাধাৰণ অস্বাভাৱিকতাই যথেষ্ট আছিল। ১৯৮৩ চনত চেলেঞ্জাৰৰ তৃতীয় মহাকাশ অভিযানৰ সময়ত ছলিড ৰকেট বুষ্টাৰ এটাৰ তলফালে সৃষ্টি হোৱা এটা সৰু বিন্ধাই যথেষ্ট সমস্যাৰ সৃষ্টি কৰিছিল আৰু সেয়েহে পাছলৈ এই বিষয়ে যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছিল। শ্বাটলখনৰ শেহতীয়া দুৰ্ভগীয়া অভিযানটোৰ আগলৈকে অভিযানবোৰত এই বুষ্টাৰ দুটা শ্বাটলখনৰ পৰা বিছিন্ন হৈ আটলাণ্টিক মহাসাগৰত পৰাৰ পাছত সেই দুটা পুনৰ নিৰ্মাণ কৰা হৈছিল আৰু পৰীক্ষা কৰিও চোৱা হৈছিল। উল্লেখ্যযোগ্য যে চেলেঞ্জাৰৰ এইবাৰৰ অভিযানটোৰ আৰম্ভণি দিন প্ৰথমতে ২২ জানুৱাৰী বুলি ঠিক কৰা হৈছিল যদিও শ্বাটলখনত হঠাতে দেখা দিয়া সমস্যা কিছুমানৰ বাবে চাৰিবাৰ উৎক্ষেপণৰ দিন পিছুৱাই দিয়া হৈছিল।

শ্বাটলখন ধ্বংস হোৱাৰ কাৰণ হিচাপে বিভিন্ন জনে বিভিন্ন কাৰণ উল্লেখ কৰিছে যদিও কোনেও এতিয়ালৈকে সঠিক কাৰণটো নিৰ্ধাৰণ কৰিব পৰা নাই। যোৱা ১ ফেব্ৰুৱাৰীত আমেৰিকাত চেলেঞ্জাৰৰ ধ্বংসৰ বিষয়ে গৱেষণা চলাই থকাসকলে কৰা এটা ঘোষণাত শ্বাটলখনৰ ছলিড ৰকেট বুষ্টাৰ দুটাকে ধ্বংসৰ কাৰণ ৰূপে অনুমান কৰা হৈছে। কাৰণ বিস্ফোৰণৰ আগমুহূৰ্তত এটা বুষ্টাৰৰ পৰা এক অস্বাভাৱিক অগ্নিস্ফুলিংগৰ সৃষ্টি হোৱাটো এখন বিশেষ ফটোত ধৰা পৰিছে। অন্য এটা সূত্ৰৰ মতে উৎক্ষেপনৰ দিনা অতিশয় ঠাণ্ডা বতৰৰ বাবে হয়তো ইন্ধন হিচাপে ব্যৱহৃত হোৱা জুলীয়া অক্সিজেন আৰু হাইড্ৰ'জেন গোট মাৰিছিল আৰু তাৰ ফলতে মাজআকাশতে শ্বাটলখন ধ্বংস হ'ল। কিন্তু এইটো ঘটনা নাছাৰ বিশেষজ্ঞসকলে অসম্ভৱ বুলি কৈছে।

এটা কথা অনস্বীকাৰ্য যে চেলেঞ্জাৰখন যি কাৰণতেই ধ্বংস নহওক, এই দুৰ্ঘটনাই মহাকাশ সম্পৰ্কীয় গৱেষণাত এক বৃহৎ ক্ষতিৰ সৃষ্টি কৰিলে। চলিত শতিকাটোৰ আৰম্ভণিৰ পৰাই মহাকাশত বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা চলাই মহাকাশ সম্পৰ্কে বহু তথ্য আহৰণ কৰিবলৈ বিজ্ঞানীসকল সক্ষম হৈছিল। ১৯৮৬ চনটোত নাছাই চাৰিখন মহাকাশ শ্বাটল চেলেঞ্জাৰ, কলম্বিয়া, আটলাণ্টিছ আৰু ডিছকভাৰিৰ দ্বাৰা পোন্ধৰটা মহাকাশ অভিযান চলোৱাৰ পৰিকল্পনা কৰিছিল। এই পৰিকল্পনাবোৰৰ ভিতৰত ৬ মাৰ্চত কলম্বিয়াৰ অভিযানেৰে হেলিৰ ধুমকেতু নিৰীক্ষণ, ২০ মে'ত আটলাণ্টিছৰ অভিযানেৰে বৃহস্পতি গ্ৰহৰ বায়ুমণ্ডলৰ অনুসন্ধান, ৩০ অক্টোবৰত আটলাণ্টিছৰ আন এটা অভিযানেৰে কক্ষপথত এক বৈপ্লৱিক মহাকাশীয় টেলিস্কোপ স্থাপন ইত্যাদি উল্লেখনীয়। চেলেঞ্জাৰৰ শেহতীয়া অভিযানটোত মহাকাশত মাধ্যাকৰ্ষণ-শূন্য অৱস্থানত ঔষধৰ উৎপাদনৰ পৰীক্ষা চলোৱাৰ কথা আছিল। তদুপৰি নাছাই ১৯৯২ চনৰ ভিতৰত এটা মহাকাশ ষ্টেছন কক্ষপথত অৱস্থান কৰোৱাৰ এটা বৃহৎ পৰিকল্পনাও হাতত লৈছিল। প্ৰায় ১২ মিলিয়ন ডলাৰৰ এই প্ৰজেক্টটোত এবাৰত ছজনৰ পৰা আঠজনলৈকে মহাকাশচাৰীক মহাকাশত কেইবামাহলৈকে থাকিব পৰাকৈ পৰিকল্পনা কৰা হৈছিল। ইয়াৰ সহায়ত বিশ্বব্ৰহ্মাণ্ডৰ গ্ৰহবোৰ সম্পৰ্কে যথেষ্ট তথ্যপাতি আহৰণ কৰাটো সম্ভৱ হৈ উঠিব বুলি আশা কৰা হৈছিল।

চেলেঞ্জাৰৰ ধ্বংসৰ লগতে মৃত্যু ঘটিল শ্বাটলখনত যোৱা সাতজন মহাকাশচাৰীৰ: ফ্লাইট কমাণ্ডাৰ ফ্ৰান্সিছ

OKDISCD

স্কবি (৪৬), চিকিৎসক ৰ'নাল্ড মেক-নেয়াৰ (৩৫), পাইলট মাইকেল স্মিথ (৪০), ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ গ্ৰেগৰি জাৰ্ভিছ (৪১), এৰ'স্পে'ছ ইঞ্জিনিয়াৰ ইলিছন আনিজুকা (৩৯), মহিলা ইলেকট্ৰিকেল ইঞ্জিনিয়াৰ জুডিথ ৰেছনিক (৩৬) আৰু শিক্ষয়িত্ৰী ক্ৰিষ্টা মেক-অ'লিফ (৩৭)।

নিউ হেম্পশ্বায়াৰৰ এখন হাইস্কুলত সমাজ-অধ্যয়নৰ শিক্ষকতা কৰা দুটা সন্তানৰ মাতৃ মেকঅ'লিফেই আছিল মহাকাশ ভ্ৰমণৰ বাবে সুযোগ পোৱা প্ৰথম সাধাৰণ আমেৰিকান নাগৰিক। এক অসাধাৰণ অভিজ্ঞতাৰ আশাৰে মহাকাশত প্ৰশিক্ষণ ল'বলৈ আগবাঢ়ি অহা এই শিক্ষয়িত্ৰীগৰাকী সম্পৰ্কে সাধাৰণ আমেৰিকানসকলে আশা কৰিছিল যে তেওঁ মহাকাশ সম্পৰ্কীয় তথ্যবোৰ তেওঁলোকে বুজি পোৱাকৈ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব, তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰক মহাকাশ সম্পৰ্কীয় বিভিন্ন নতুন বিষয়ৰ জ্ঞান দিবলৈ সক্ষম হ'ব। মেকঅ'লিফক মহাকাশত ওজনশূন্য (weight less-ness) অৱস্থাত চুম্বকীয় শক্তিয়ে কেনেকৈ কাৰ্য কৰে, কেনেকৈ উদ্ভিদৰ বৃদ্ধি হয় আৰু অন্য বস্তুবোৰে কেনে আচৰণ কৰে—সেইবোৰ বিষয়ে প্ৰশিক্ষণ দিয়াৰ কথা আছিল। মেক-অ'লিফৰ লগত অন্য ছজন মহাকাশচাৰীৰ বহুতো পাৰ্থক্য আছিলঃ তেওঁলোকে ইতিমধ্যে মহাকাশ সম্পৰ্কীয় বহু জ্ঞান অৰ্জন কৰিছিল আৰু তেওঁলোক মহাকাশ ভ্ৰমণত যথেষ্ট অভিজ্ঞ আছিল।

এই মহাকাশচাৰী কেইজনৰ মৃত্যুক বিশেষকৈ ক্ৰিষ্টা মেকঅ'লিফৰ মৃত্যুক আমেৰিকানসকলে ৰাষ্ট্ৰপতি জন কেনেডিৰ হত্যাৰ লগত তুলনা কৰিছে; হয়তো তেওঁৰ জীৱনৰ উৎসাহ হঠাৎ নিষ্ঠুৰভাৱে ধ্বংস হৈ যোৱা বাবেই!

চেলেঞ্জাৰৰ আকস্মিক ধ্বংসই ভাৰতবৰ্ষৰ বিজ্ঞানীসকলকো হতাশ কৰিলে। এই বছৰটোত চেলেঞ্জাৰক আৰু চাৰিটা মহাকাশ অভিযানৰ বাবে মহাকাশলৈ প্ৰেৰণ কৰাৰ পৰিকল্পনা আছিল আৰু সেই অভিযানকেইটাৰ ২৭ ছেপ্টেম্বৰৰ অভিযানটোত এজন ভাৰতীয় মহাকাশচাৰীয়েও অংশ গ্ৰহণ কৰিলেহেঁতেন। তদুপৰি এই অভিযানটোৰেই INSAT-1C নামৰ যোগাযোগ উপগ্ৰহটোক ভাৰতৰ বাবে মহাকাশত স্থাপন কৰিলেহেঁতেন। কিন্তু চেলেঞ্জাৰৰ পতনৰ পাছত এতিয়া এই পৰিকল্পনাক বাস্তৱ ৰূপ দিয়াটো সম্ভৱ হ'ব জানো?

১০ পৃষ্ঠাৰ পিছৰ পৰা

লতকৈ অধিক দেশপ্ৰেমিক,— এই ধৰণৰ ধাৰণাটো ইন্দিৰা গান্ধীয়ে সৃষ্টি কৰি থৈ যায় আৰু তেতিয়াৰপৰা সেইটো চলি আছে।

প্ৰকৃতপক্ষে, ৰাজীৱ চোৰাংচোৱা বুৰ'ৰ (আই· বি) ওপৰত ক্ৰমে অধিক নিৰ্ভৰশীল হৈ পৰিছে। বুৰ'ৰ আগতীয়া অনুমতি লৈ প্ৰতিটো নিযুক্তি দিয়া হয় আৰু ৫০ বছৰ বয়সত অৱসৰ দিয়া চৰকাৰী বিষয়াসকলক বুৰ'ৰ পৰামৰ্শমতে অৱসৰ দিয়া হয়। ৰাজ্য বিধানসভাসমূহ আৰু লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ বাছনি কৰা ই-কংগ্ৰেছৰ প্ৰাৰ্থীসকলৰ ক্ষেত্ৰত আগতীয়াকৈ আই· বিৰ অনুমতি লোৱাটো যথেষ্ট বেয়া কথা আছিল; কিন্তু এই প্ৰথা উপনিৰ্বাচনবোৰৰ বাবে এতিয়াও চলি আছে আৰু আই· বিয়ে পাৰ্টিৰ নিৰ্বাচিত প্ৰতিনিধিসকলৰ ওপৰত এতিয়াও চকু ৰাখে। ৰাজীৱে বিশ্বাস কৰে যে "আমাৰ ৰাষ্ট্ৰশাসন প্ৰণালীটো খুব ঢিলা আৰু বান্ধ নথকা" (ৰামস্বৰূপৰ ঘটনাত সত্য সাব্যস্ত নকৰাকৈ মানুহৰ নামবোৰ প্ৰকাশ কৰি দিয়াৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ তেওঁক লগ ধৰা এজন বিৰোধী নেতাক ৰাজীৱে কোৱা মতে)। ৰাজীৱৰ ধাৰণাটো সম্ভৱ সঁচা; কিন্তু সাম্প্ৰতিক গোচৰবোৰে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ কোনটো দিশ বিপন্ন কৰিছে আৰু অভিযুক্ত চোৰাংচোৱা আৰু তেওঁ সংযোগ ৰক্ষা কৰা মানুহবোৰৰ মাজত কেনেকৈ কি ধৰণৰ ষড়যন্ত্ৰ হৈছিল সেই বিষয়ে জানিবৰ এটা অধিকাৰ জনসাধাৰণৰ আছে।

বোধকৰোঁ ৰাজীৱে প্ৰশ্নবোৰৰ উত্তৰ কেতিয়াও নিদিয়ে। কিন্তু তেওঁ যিটো ৰাষ্ট্ৰশাসন প্ৰণালীৰ কথা কৈছে, সেইটোৰে সন্দেহ আৰু অবিশ্বাসৰ মাজৰপৰা হয়তো কেতিয়াও মুক্তি নাপাব। সাহসৰ সঁচ নথকা চৰকাৰী বিষয়াসকলে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ভয় কৰে আৰু ফাইলবোৰ হয় নহয় একো স্পষ্ট নকৰা টোকাৰে মন্ত্ৰীলৈ পোনাই সাধাৰণতে পঠিয়াই দিয়ে। আনকি সচিব সকলেও সেইটোকে কৰে। আৰু তলৰ পৰ্যায়তে নিষ্পত্তি কৰিব লগা এনেকুৱা শ শ ফাইল প্ৰধানমন্ত্ৰীৰ সচিবালয়লৈ গৈ থাকে; বহু ফাইল আনকি সংশ্লিষ্ট মন্ত্ৰনালয়বোৰলৈ ওভতাই পঠিওৱা হয়— তেওঁলোকেই নিজাববীয়াকৈ সিদ্ধান্তবোৰ ল'বৰ যোগ্য আৰু কতৃত্বসম্পন্ন বুলি মন্তব্য দি।

এজন দ্বিধাগ্ৰস্ত আৰু চয়-নিশ্চয় কৰিব নোৱৰা প্ৰধানমন্ত্ৰীয়ে কথাকাণ্ড আৰু বেয়ালৈ লৈ যাব পাৰে; সেইটো ঘটিবলৈ আৰম্ভ কৰিছেই,— 'তেওঁৰ চৰকাৰে অধিক বেগেৰে কাম কৰে' বুলি ধ্বনিটো দিয়া সত্ত্বেও। দুখদায়ক কথা হ'ল এয়ে যে ৰাজীৱৰ ভাবমূৰ্তি কলাই-কলাই হ্ৰাস পাইছে হয়, কিন্তু আন নেতাসকলৰ ভাবমূৰ্তিও বঢ়া নাই।



# অসমৰ প্ৰাকৃতিক গেছ ঃ

## ব্যৱহাৰ আৰু অপচয়

ৰাণু বৰুৱা

নামনিৰপৰা আহি উজনি অসমৰ শিৱসাগৰ জিলাত ভৰি দিলেই আপুনি দেখা পাব দিগন্ত উজ্জ্বলাই ৰখা একো একোকুৰা প্ৰকাণ্ড জুই। অসমৰ ভূগৰ্ভত যুগ যুগ ধৰি সঞ্চিত হৈ থকা প্ৰাকৃতিক গেছ নিৰ্মমভাৱে জ্বলাই দিয়া হৈছে— এয়া তাৰে জুই। যি সময়ত সমগ্ৰ বিশ্বতে শক্তিৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, তেনে সময়তে আমাৰ অসমত শক্তিৰ উৎস প্ৰাকৃতিক গেছ জ্বলাই দিয়া হৈছে। (আমাৰ অসমীয়া ৰাইজেও বুজিছে, হয়তো এইবোৰ গেছ মাটিৰ তলত থাকিলে কেতিয়াবা আগ্নেয়গিৰি আদিৰ উদ্গীৰণ হৈ মৰিব লাগিব। চৰকাৰে যি কৰিছে ভালৰ কাৰণেই কৰিছে।)

কেইবছৰমান আগতে অসম পেট্ৰো-কেমিকেলছ লিমিটেডৰ কামত আহোঁতে জাপানৰ এজন বিশেষজ্ঞই এইদৰে গেছ জ্বলাই দিয়া দেখি আচৰিত হৈ সুধিছিল, "আপোনালোকে ভগৱানৰ অমূল্যদান এনেদৰেই ব্যৱহাৰ কৰে নেকি? জ্বলাই শেষ কৰা গেছখিনিৰ যে অকণমানো ঘূৰাই নাপায় এই কথা কেতিয়াবা চিন্তা কৰিছেনে?"

বৰ্তমান খাৰুৱা তেলৰ পিছতেই প্ৰাকৃতিক গেছ শক্তি উৎপাদনৰ এটা মুখ্য উৎস আৰু বিভিন্ন উদ্যোগৰ বাবে এটা আৱশ্যকীয় কেঁচা সামগ্ৰী। অসমত এই শতিকাৰ আৰম্ভণিতেই খাৰুৱা তেল উদ্ঘাটন কৰোঁতে বহুতো খাদত তেলৰ সলনি গেছৰহে সন্ধান পোৱা গৈছিল, কিন্তু প্ৰায় ৫০ ৰ দশকলৈকে এই প্ৰাকৃতিক গেছ সম্পদক কোনো গুৰুত্ব দিয়া নহৈছিল। পাছত অইল ইণ্ডিয়া লিমিটেড আৰু তেল, প্ৰাকৃতিক গেছ আয়োগে উজনি অসমত খাৰুৱা তেলৰ লগতে এক বৃহৎ পৰিমাণৰ গেছৰ ভাণ্ডাৰৰো সন্ধান পায়। ১৯৫৯ চনমানৰ পৰাহে শক্তিৰ এই ইন্ধনটো কামত লগাবলৈ কুকং কাৰাং কৰা হয়।

প্ৰাকৃতিক গেছ দুই প্ৰকাৰে পোৱা যায়ঃ (১) যুক্ত অৱস্থাৰ প্ৰাকৃতিক গেছ আৰু (২) মুক্ত অৱস্থাৰ প্ৰাকৃতিক গেছ। প্ৰথমবিধ গেছ পোৱা হয় তেলখাদৰপৰা খাৰুৱা তেল আহৰণ কৰোঁতে, অৰ্থাৎ খাৰুৱা তেলৰ লগতে মিহলি হৈ থকা অৱস্থাত; আৰু দ্বিতীয়বিধ কিছুমান খাদৰপৰা কেৱল প্ৰাকৃতিক গেছৰ ৰূপতেই পোৱা যায়।

সংগৃহীত তথ্যানুযায়ী অইল ইণ্ডিয়াই দিনে ৩'৫৫ নিযুত ঘন মিটাৰকৈ আৰু তেল, প্ৰাকৃতিক গেছ আয়োগেও প্ৰায় সম পৰিমাণৰ প্ৰাকৃতিক গেছ আহৰণ কৰে। কিন্তু ইয়াৰে সিংহভাগ জ্বলাই নষ্ট কৰি দিয়া হৈছে। বৰ্তমানলৈকে উজনি অসমৰ তৈলক্ষেত্ৰৰ পৰা সংগৃহীত প্ৰাকৃতিক গেছৰ কিছু অংশ কেইটামান উদ্যোগ/প্ৰতিষ্ঠানে ইন্ধন বা কেঁচামালৰূপে ব্যৱহাৰ কৰি উপকৃত হৈছে। তলৰ তালিকাখনত এই উদ্যোগ/প্ৰতিষ্ঠান কেইটাৰ নাম উল্লেখ কৰা হ'ল।

(১) হিন্দুস্থান সাৰ নিগম (Hindusthan Fertilizer Corporation Limited, Namrup)

(২) অসম পেট্ৰোকেমিকেলছ লিমিটেড, নামৰূপ (Assam Petro-chemicals Limited)

(৩) নামৰূপ তাপ বিদ্যুৎ প্ৰকল্প Namrup Thermal (Station, A. S. E. B)

(৪) লাকুৱা তাপ বিদ্যুৎ প্ৰকল্প (Lakwa Theımal Power Station A. S. E. B.)

(৫) ৭ টা ভ্ৰাম্যমান গেছ টাৰ্বাইন (অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ)

(৬) কেইখনমান চাহ বাগিচা

(৭) ডুলিয়াজানৰ ৰন্ধন গেছ প্ৰকল্প (L. P. G. Plant)

(৮) তেল আৰু প্ৰাকৃতিক গেছ আয়োগ, অইল ইণ্ডিয়া আৰু ডিগবৈ শোধনাগাৰ (নিজস্ব কামত)।

উক্ত প্ৰায় আঠাইকেইটা উদ্যোগ/প্ৰতিষ্ঠানলৈ তৈলক্ষেত্ৰৰপৰা পাইপ লাইনেৰে গেছ যোগান ধৰাৰ দায়িত্বত আছে অসম চৰকাৰৰ এটি সংস্থা— অসম গেছ কোম্পানী। প্ৰাকৃতিক গেছ পৰিবহন আৰু বিতৰণৰ উদ্দেশ্যে ১৯৬২ চনৰ মাৰ্চ মাহত তিনিকোটি টকাৰ মূলধনেৰে অসম চৰকাৰে এই কোম্পানিটো গঠন কৰে। এই কোম্পানিটোৱে প্ৰতিদিনে ডুলিয়াজান নাহৰকটীয়া তৈলক্ষেত্ৰৰপৰা ১'৯৫ নিযুত ঘন মিটাৰ মৰান তৈলক্ষেত্ৰৰপৰা ০'৩৭ নিযুত ঘন মিটাৰ আৰু কুছিজান তৈলক্ষেত্ৰৰপৰা ০'১৫ নিযুত ঘন মিটাৰ গেছ গ্ৰহণ কৰে আৰু প্ৰতিদিনে মুঠ ২'৫০ নিযুত ঘন মিটাৰ পৰিমাণৰ গেছ ২৪০ কিল'মিটাৰ দৈৰ্ঘ্যৰ পাইপলাইনৰ যোগেদি প্ৰধানকৈ উজনি অসমৰ সাৰ শক্তি, পেট্ৰোকেমিকেলছ আৰু চাহ উদ্যোগ খণ্ডলৈ যোগান ধৰে। শেহতীয়াকৈ এই কোম্পানিয়ে ডুলিয়াজানৰ কাষৰ জয়ানগৰৰ বাসিন্দাসকলক পাইপলাইনেৰে ঘৰে ঘৰে গেছ যোগান ধৰিছে আৰু ভৱিষ্যতেও শিৱসাগৰ, নাজিৰা, ডিব্ৰুগড় আদি অঞ্চললৈ ঘৰুৱা ব্যৱহাৰৰ বাবে আৰু বিভিন্ন ঔদ্যোগিক প্ৰতিষ্ঠানলৈ প্ৰাকৃতিক গেছ যোগান ধৰাৰ কাম হাতত লৈছে।

প্ৰাকৃতিক গেছক কেঁচামাল হিচাপে লৈ নাইট্ৰ'জেনযুক্ত ৰাসায়নিক সাৰ উৎপাদন কৰা নামৰূপ সাৰচক্ৰই হ'ল দেশৰ ভিতৰতে সৰ্বপ্ৰথম। নাহৰকটীয়া অঞ্চলত আৱিষ্কৃত হোৱা প্ৰাকৃতিক গেছৰ পৰা বিদ্যুৎ শক্তি আৰু ৰাসা-



OKDISCD

য়নিক সাৰ প্ৰস্তুত কৰিব পৰাৰ সম্ভাৱনা দেখি ১৯৫৮ চনত কেন্দ্ৰীয় খনি আৰু ইন্ধন মন্ত্ৰণালয়ে শ্ৰী এছ· এছ· খেৰাৰ নেতৃত্বত এখন কমিটি গঠন কৰি দিয়ে। উক্ত কমিটিৰ বহল অনুমোদনৰ ভিত্তিত ড° জি· পি· কানেৰ অধ্যক্ষতাত গঠিত আন এখন কমিটিয়ে নাহৰকটীয়া তৈলক্ষেত্ৰৰ ওচৰতে এটা ৰাসায়নিক সাৰ কাৰখানা স্থাপন কৰাৰ পৰামৰ্শ আগবঢ়ায় আৰু সেই মৰ্মেই ১৯৬৯ চনৰ পৰা নামৰূপত ব্যৱসায়িক ভিত্তিত ৰাসায়নিক সাৰৰ উৎপাদন আৰম্ভ হয়। নামৰূপ সাৰকাৰখানাটোত বৰ্তমান দুটা গোটে কাম চলাই আছে আৰু তৃতীয়টো গোট নিৰ্মিয়মান অৱস্থাত আছে। বৰ্তমানে ইয়াত ইউৰিয়া আৰু এমোনিয়াম ছালফেট সাৰ উৎপাদন কৰা হয়। ইয়াৰ বাবে কেঁচামাল ৰূপে প্ৰথম গোটটোলৈ দিনে ০·২১ নিযুত ঘন মিটাৰ আৰু দ্বিতীয় গোটটোলৈ দিনে ০·৭১ নিযুত ঘন মিটাৰ গেছ পৰিবাহিত হয়।

১৯৭০ চনৰ আৰম্ভণিতেই ড° এইচ· ছি· বিক্ৰেৰাট কমিটিয়ে জ্বলাই দিয়া প্ৰাকৃতিক গেছখিনি কামত লগাবলৈ আন এটা সাৰ কাৰখানা আৰু আন ৰাসায়নিক সামগ্ৰী প্ৰস্তুত কাৰখানা স্থাপন কৰিবলৈ পৰামৰ্শ দিয়ে। এইসময়তে আৰ্থসামাজিক দিশটোৰ প্ৰতি লক্ষ্য কৰিয়েই প্ৰস্তাৱ কৰা হৈছিল যে, উক্ত প্ৰস্তাৱিত সাৰ কাৰখানাটো শিৱসাগৰ জিলাৰ কোনো এক সুবিধাজনক স্থানত (খুব সম্ভৱ মেজেঙাত) স্থাপন কৰা হওক। কিন্তু চৰকাৰে নামৰূপতেই আগৰ সাৰ কাৰখানাটোৰ সম্প্ৰসাৰণ কৰিব খুজিলে। চৰকাৰৰ যুক্তি হ'ল, —অন্য ঠাইত ইয়াক স্থাপন কৰিলে অতিৰিক্ত ১২ কোটি টকা বেছি খৰছ পৰিব, আৰু ইয়াত উৎপন্ন হোৱা ইউৰিয়াৰ মূল্য প্ৰতি টনত ৫৫ টকাকৈ বৃদ্ধি পাব। শেষত গৈ চৰকাৰৰ কথাই ৰক্ষিলগৈ। বিক্ৰেৰাটৰ প্ৰতিবেদনত উল্লেখ নাছিল যদিও সেইসময়তে লাকুৱাত এটা কম শক্তিসম্পন্ন তাপ-বিদ্যুৎ প্ৰকল্পৰ আঁচনি চৰকাৰে গ্ৰহণ কৰে।

বৰ্তমানলৈকে কেৱল অইল ইণ্ডিয়াইহে কম পৰিমাণে হলেও সাৰ্থকভাৱে প্ৰাকৃতিক গেছ ব্যৱহাৰ বা সংৰক্ষণ কৰা দেখা গৈছে। এক নম্বৰ তালিকাখনত অইল ইণ্ডিয়াই প্ৰতিদিনে গেছ যোগান ধৰা উদ্যোগ প্ৰতিষ্ঠানবোৰৰ নাম উল্লেখ কৰা হৈছে।

যদিও সকলোখিনি জমা কৰি থব নোৱাৰি আৰু মাটিৰ তলত জমা কৰি থোৱা গেছখিনি কেনেবাকৈ বাহিৰ হৈ নোহোৱাও হ'ব পাৰে। প্ৰাকৃতিক গেছ জ্বলোৱাৰ আন এটি প্ৰধান কাৰণ হ'ল নামৰূপ সাৰকাৰখানা আৰু নামৰূপ তাপ-বিদ্যুৎ কেন্দ্ৰই তেওঁলোকৰ মুঠ প্ৰয়োজনৰ শতকৰা ৬০ ভাগ গেছহে ব্যৱহাৰ কৰি আহিছে।

তালিকা-১

| | |
|---|---|
| নামৰূপ সাৰ কাৰখানালৈ | ৯৭০,০০০ ষ্টেণ্ডাৰ্ড ঘন মিটাৰ |
| অসম পেট্ৰোকেমিকেলছলৈ | ১৩৪,০০০ ,, ,, ,, |
| নামৰূপ তাপ-বিদ্যুৎ প্ৰকল্পলৈ | ৮৮৭,০০০ ,, ,, ,, |
| ভ্ৰাম্যমান গেছ টাৰবাইনলৈ | ২০০,০০০ ,, ,, ,, |
| টিংৰাই গেছ গ্ৰিডলৈ | ৫৫,০০০ ,, ,, ,, |
| ডুমডুমা গেছ গ্ৰিডলৈ | ১৩৮,০০০ ,, ,, ,, |
| চাহবাগিচা অন্যান্য ঠাইলৈ | ১৯,০০০ ,, ,, ,, |
| নিজস্ব ঔদ্যোগিক কামলৈ | ৭০০,০০০ ,, ,, ,, |

তেল আৰু প্ৰাকৃতিক গেছ আয়োগে যোগান ধৰা প্ৰতিষ্ঠান আৰু গেছৰ পৰিমাণ হ'লঃ লাকুৱা তাপ-বিদ্যুৎ প্ৰকল্প আৰু গেলেকী ভ্ৰাম্যমান গেছ টাৰবাইনলৈ প্ৰতিদিনে ২·৭৮ নিযুত ঘন মিটাৰকৈ। (চাহবাগিচালৈ পৰিবাহিত গেছৰ পৰিমাণৰ তথ্য পোৱা নগ'ল।)

প্ৰতি টন খাৰুৱা তেলৰ লগত অইল ইণ্ডিয়াৰ পথাৰত গড়ে ৪৬০ আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ পথাৰত গড়ে ১২০ নিযুত ঘন মিটাৰকৈ গেছ ওলায়। কাৰিকৰী কাৰণতে ১২% গেছ অইল ইণ্ডিয়াই তেলকূপবোৰত সুমুৱাই দিয়ে, কিন্তু দুয়োটা কোম্পানিয়ে ক্ৰমান্বয়ে ৪৩% আৰু ৯৩% গেছ নিষ্ঠুৰভাৱে জ্বলাই দিয়ে।

অইল ইণ্ডিয়াৰ মতে, তেওঁলোকে বৰ্তমান দিনে ২·২১২ নিযুত ঘন মিটাৰকৈ গেছ জ্বলাই দিবলগীয়া হৈছে। ইয়াৰ অপাৰেছন ডিৰেক্টৰ ড° প্ৰণৱ ভৰালীৰ মতে এৰাব নোৱৰা কাৰণতহে গেছখিনি জ্বলাই দিয়া হৈছে। এই গেছখিনি পুনৰ ব্যৱহাৰৰ বাবে তেলখাদত ইনজেক্ট কৰাৰ ব্যৱস্থা আছে

বৰ্তমান প্ৰতি হাজাৰ ঘন মিটাৰ প্ৰাকৃতিক গেছৰ মূল্য ২৫০ টকা। এই হিচাপত প্ৰতিখনে ৫ লাখ টকা অৰ্থাৎ মাহে প্ৰায়ে ১·৫ কোটি টকা মূল্যৰ প্ৰাকৃতিক গেছ অইল ইণ্ডিয়াই জ্বলাই আছে। দৈনিক এশটন এমোনিয়া বা এহেজাৰ টন ইউৰিয়া ৰাসায়নিক সাৰ উৎপাদন কৰিবলৈ দৈনিক ০·৭১ নিযুত ঘন মিটাৰ প্ৰাকৃতিক গেছৰ আৱশ্যক। এই হিচাপতো কেৱল অইল ইণ্ডিয়ায়েই তিনিটা সাৰ কাৰখানাৰ প্ৰয়োজনৰ জোখাৰে প্ৰাকৃতিক গেছ অহৰহ জ্বলাই আছে।

আনহাতে তেল আৰু প্ৰাকৃতিক গেছ আয়োগে জ্বলাই নিদিয়া শতকৰা ৭ ভাগৰ বৃহৎ অংশ নিজে ব্যৱহাৰ কৰাৰ পাছত বাকী থকা এক ক্ষুদ্ৰ অংশ লাকুৱা আৰু গেলেকীৰ ভ্ৰাম্যমান গেছ টাৰবাইনসমূহলৈ ২৪ মেগাৱাট বিজুলী শক্তি উৎপাদনৰ বাবে পঠোৱা হয় আৰু অতি ক্ষুদ্ৰ অংশ লাকুৱা তাপ-বিদ্যুৎ প্ৰকল্পলৈ ১৫ মেগাৱাট উৎপাদনৰ বাবে পঠোৱা হয়। দেখা যায় যে বাৰ্ষিক ৩৬৫ নিযুত ঘন মিটাৰ গেছৰপৰাই ১৫০ মেগাৱাটৰ অধিক শক্তিৰ গেছ টাৰ্বাইন, ষ্টিম টাৰ্বাইনৰ প্ৰকল্প এটা সম্ভৱ। ইয়াৰ বিপৰীতে প্ৰায় ১১০০ নিযুত ঘন মিটাৰ গেছ প্ৰতি বছৰে জ্বলাই দিয়া গৈছে। ইতিমধ্যে অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগে খাৰুৱা তেলৰ উৎপাদন বঢ়ালে আৰু ৩৫০ নিযুত ঘন মিটাৰ গেছৰ উৎপাদন বৃদ্ধি পাব।

তেল আৰু প্ৰাকৃতিক গেছ আয়োগে শিৱসাগৰ জিলাৰ কাষৰীয়া চাহবাগিচালৈ ইন্ধন হিচাপে ব্যৱহাৰ কৰিবলৈ আৰু পাত লেৰেলাবলৈ প্ৰাকৃতিক গেছৰ যোগান ধৰিছে। কিন্তু আয়োগে গেছৰ মূল্য অত্যধিক বৃদ্ধি কৰাৰ ফলত আপেক্ষিকভাৱে উক্ত বাগিচাকেইখনত চাহ উৎপাদনৰ খৰচ বৃদ্ধি পাই যোৱাত বাগিচা কৰ্তৃপক্ষই উদ্বেগ প্ৰকাশ কৰিছে। তেওঁলোকৰ যুক্তি হ'ল, যি সময়ত কোটি কোটি টকাৰ গেছ অবাবত জ্বলাই নষ্ট কৰা হৈছে তেনে ক্ষেত্ৰত এনে মূল্য বৃদ্ধি কৰাটো যুক্তি সংগত হোৱা নাই।

প্ৰাকৃতিক গেছক কেঁচামাল ৰূপে লৈ ১৯৭৬ চনৰপৰা অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধীনৰ অসম পেট্ৰোকেমিকেলছ লিমিটেডে নিজৰ উৎপাদন কাৰ্য ব্যৱসায়িকভাৱে আৰম্ভ কৰে। ইয়াত বৰ্তমানলৈকে মিথানল, ফৰ্মেলিন আৰু ইউৰিয়া ফৰ্মেল ডিহাইড এই তিনিবিধ সামগ্ৰীহে প্ৰস্তুত কৰা হয়। জানিব পৰা মতে, ইয়াত উৎপন্ন হোৱা এই তিনিবিধ পেট্ৰোৰাসায়নিক দ্ৰব্যৰপৰা অন্যান্য সামগ্ৰীসমূহৰ উৎপাদনৰ ব্যৱস্থা অসমত এতিয়াও গঢ়ি উঠা নাই। অলপ দিনৰ আগৰেপৰাহে ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগমৰ অধীনত তিনিটা সৰু সৰু বৈদ্যুতিক সা-সৰঞ্জাম আৰু দুই এটা বিলাসিতাপূৰ্ণ সামগ্ৰী প্ৰস্তুত কৰা কাৰখানা স্থাপন কৰা হৈছে।

কেইবছৰমানৰ আগতে অইল ইণ্ডিয়াই পৰিকল্পনা কৰা অনুযায়ী এটা গেছ-বিচ্ছেদক প্ৰকল্পলৈ লক্ষ্য কৰি অসম ঔদ্যোগিক উন্নয়ন নিগমে কেতবোৰ পেট্ৰোৰাসায়নিক পদাৰ্থৰ স্থানীয় বজাৰ আৰু ব্যৱহাৰ চিহ্নিত কৰিছিল, আৰু সেই মৰ্মে উক্ত উদ্যোগসমূহ প্ৰতিষ্ঠাৰ অনুমতি পত্ৰ বিচাৰি কেন্দ্ৰৰ ওচৰত আবেদন জনাইছিল। কিন্তু কেন্দ্ৰই উক্ত সামগ্ৰীসমূহৰ বজাৰ আৰু ব্যৱহাৰ অতি সীমিত বুলি যুক্তি দৰ্শাই নিগমৰ আবেদন নাকচ কৰিলে। এটা শক্তিশালী ৰাজনৈতিক শক্তি অবিহনে এনে অৱহেলা অসমে চিৰদিনেই পাই আহিছে আৰু ভৱিষ্যতেও পাব।

প্ৰাকৃতিক গেছৰ অধিকাংশই মিথেন আৰু বাকী ভাগ আন আন গধুৰ হাইড্ৰকাৰ্বনৰ অন্তৰ্ভুক্ত। ইয়াৰপৰা উচ্চতাপত পাইৰ'লাইছিছ (pyrolysis) প্ৰক্ৰিয়াৰ দ্বাৰা এছিটিলিন আৰু গধুৰ হাইড্ৰ'কাৰ্বন— যেনে প্ৰপেন, বিউটেন, ইথিলিন আৰু প্ৰপিলিন পাব পাৰি। এইবোৰৰ পৰা ১০০তকৈয়ো অধিক পেট্ৰোকেমিকেল সামগ্ৰী প্ৰস্তুত কৰিব পাৰি। এই পেট্ৰোকেমিকেল কেঁচা সামগ্ৰীৰ পৰা নানা ধৰণৰ প্লাষ্টিক, বিভিন্ন ৰকমৰ ৰবৰ, নাইলন, পলিয়েষ্টাৰ আঁহ, পেইণ্ট, সাৰ, বিস্ফোৰক সামগ্ৰী, ফিল্ম, ফেনল, ডিটাৰজেণ্ট, টিউব, টায়াৰ, কেব্‌লৰ সামগ্ৰী আদিৰ উপৰিও পলিষ্টাইৰিন, পি· ভি· ছি আৰু কাৰ্বন ব্লেক উৎপাদন কৰিব পাৰি। কিন্তু এই অমূল্য সামগ্ৰীবোৰৰ উৎপাদন অসমে হেৰুৱাইছে কিয়? কেন্দ্ৰই এইবোৰ সামগ্ৰীৰ ব্যৱহাৰ অতি সীমিত বুলি ক'ব পৰাৰ সাহস আমিয়েই দিয়া নাইনে?

এটা উদাহৰণ লক্ষ্য কৰা হওকঃ তেল-গেছবিহীন পশ্চিমবংগই ইতিমধ্যেই হালদিয়াত তেল শোধনাগাৰ স্থাপন কৰিলে আৰু এতিয়া সেই ৰাজ্যই হালদিয়া শোধনাগাৰৰ সোধনক্ষমতা ২ নিযুত টন বৃদ্ধি কৰিব খুজিছে। ইয়াকে কৰিলে তাত অতিৰিক্ত ৫ লাখ টন নেপথা উৎপন্ন হ'ব আৰু এই নেপথাৰে তাত এটা ভাল পেট্ৰো'কেমিকেল উদ্যোগ গঢ়ি উঠিব। পশ্চিম বংগৰ এইয়া সম্ভৱ হৈছে ৰাজ্যখনৰ কেৱল একমাত্ৰ ৰাজনৈতিক দিশটো আৰু নেতৃত্ব শক্তিশালী হোৱা বাবে।

বিভিন্ন সময়ত হোৱা বহুতো ছেমিনাৰ, আলোচনা চক্ৰৰ যোগেদি চৰকাৰক কোৱা হৈছিল যে, বৰ্তমানৰ নামৰূপৰ অসম পেট্ৰোকেমিকেলক কেন্দ্ৰৰূপে লৈ অসমত এটা পেট্ৰোকেমিকেল নিগম গঠন কৰা হওক। ইয়াৰ বাবে চৰকাৰক প্ৰযুক্তিবিদ্যাকে ধৰি সকলো দিশৰে তথ্যই যোগান ধৰা হ'ল; কিন্তু এনেকুৱা ক্ষেত্ৰত প্ৰযুক্তিবিদ্যাৰ জ্ঞানতকৈ ৰাজনৈতিক দিশতহে অধিক গুৰুত্ব দিয়া হয় আৰু দুৰ্ভাগ্যজনকভাৱে আমি এই দিশত অতি দুৰ্বল।

যোৱা ১৫ আগষ্ট তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ লগত বিদেশী বহিষ্কৰণ সম্পৰ্কে সদৌ অসম ছাত্ৰ সন্থাৰ এখন চুক্তি সম্পাদিত হয়। এই চুক্তিৰ লগতেই সামঞ্জস্য ৰাখি এই অঞ্চলটোৰ দ্ৰুত অৰ্থনৈতিক বিকাশৰ কাৰণে ছাত্ৰসন্থাই কেন্দ্ৰৰ ওচৰত এখন অৰ্থনৈতিক কাৰ্য্যসূচীও স্মাৰক পত্ৰৰ আকাৰত দিয়ে। ইয়াতো প্ৰাকৃতিক গেছৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ছাত্ৰসন্থাই অভিযোগ কৰা মতে, দিনে ৪ নিযুত ঘন মিটাৰ গেছ শোধন ক্ষমতাৰে এটা গেছ-শোধনকেন্দ্ৰ স্থাপনৰ অভিপ্ৰায়-পত্ৰৰ বাবে অসম ঔদ্যোগিক উন্নয়ন নিগমে কৰা আৱেদন এখন বহুবছৰ ধৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৰি আছে। ছাত্ৰ সন্থাই অনতিপলমে কেন্দ্ৰক এই আবেদন মঞ্জুৰ কৰিবলৈ অনুৰোধ কৰিছে। উক্ত আঁচনি মতে, শোধন কেন্দ্ৰটোত এটা গেছ-বিচ্ছেদক কাৰখানা, গেছ শোধন কাৰখানা, এথিলিনঅক্সাইড আৰু এথিলিন গ্লাইকল কাৰখানা, এইচ· ডি· পি· ই (HDPE) আৰু এল· ডি·



OKDISCD

পি. ই. (LDPE), ছুটা ইথাইল হেক্সাকোল্ কাৰখানা থাকিব।

আন এখন সূচী মতে, উজনি অসমৰ তৈলক্ষেত্ৰবোৰৰ পৰা পাইপ-লাইনৰ যোগেদি ধুবুৰীলৈকে প্ৰধান প্ৰধান নগৰীয়া অঞ্চলবোৰ স্পৰ্শ কৰি যোৱাকৈ গেছ যোগান ধৰা সম্পৰ্কে পৰীক্ষা চলাবলৈ পৰামৰ্শ দিয়া হয়। লগতে প্ৰস্তাৱিত পাইপলাইনৰ কাষে কাষে সুবিধাজনক ঠাইত পেট্ৰো-ৰাসায়নিক আৰু অন্যান্য প্ৰকল্পবোৰ স্থাপন কৰিবৰ বাবেও পৰামৰ্শ দিয়া হয়।

ৰাজ্য চৰকাৰৰ মনোবল দৃঢ় নহ'লে এনেবোৰ উদ্যোগ অসমে আশা কৰাটো মিছা। এই উদ্যোগসমূহ স্থাপনৰ বাবে অৱশ্যে যথেষ্ট মূলধন আৰু সময়ৰ প্ৰয়োজন হ'ব। কিন্তু অসমৰ এই প্ৰাকৃতিক গেছৰ অপচয় ৰোধ কৰিবলৈ হ'লে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি উচ্চ প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰি অসমত দ্ৰুত উদ্যোগীকৰণৰ পৰিৱেশ গঢ়ি তোলা উচিত বুলি আমি ভাবোঁ।

# অসমৰ গেছ, জাপানৰ সাহায্য, নিপকো আৰু অসম বিদ্যুৎ পৰিষদ

প্ৰদীপ্ত ৰঞ্জন ভৰালী

অলপতে জাপানে অসমত গেছ টাৰবাইন (যিহেৰে বিদ্যুৎ শক্তি উৎপাদন কৰিব পাৰি) বহুৱাবৰ বাবে এটা সাহায্য আগবঢ়োৱাৰ কথা অসম-বাসীৰ প্ৰত্যেকে নিশ্চয় গম পাইছে। কিন্তু তাকে লৈ কেন্দ্ৰৰ এচাম বিষয়াই অসমক ঠগিবলৈ উঠি পৰি লগাটো বোধহয় বহুতৰে দৃষ্টিগোচৰ হোৱা নাই। আমাক কি লাগে, আমি কেতিয়া কি দাবী কৰিব লাগে বা আলোচনা কৰিব লাগে সেইবোৰ নজনাৰ বাবে বহুতো হেৰুৱাওঁ, শেষত অনুতাপ কৰোঁ আৰু আনক দোষ দিওঁ। আমি মনত ৰাখিব লাগিব যে অসমে সদায় যুঁজিব লাগিব,—অন্ততঃ আৰু বহু বছৰলৈ।

অসমত থকা প্ৰাকৃতিক সম্পদ-খিনিৰে অসমত উদ্যোগ স্থাপন কৰিলে অসমৰ দুখলগা অৰ্থনৈতিক তথা নিবনুৱা সমস্যা তৎকালেই দূৰ হ'ব,—এই বিষয়ত কোনো সন্দেহ নাই। কিন্তু এতিয়ালৈকে স্থাপিত হোৱা উদ্যোগসমূহ অসমৰ থলুৱা লোকৰ প্ৰতি কিমান সহানুভূতিশীল, সেইটো অলপ মন দি চালেই ওলাই পৰে।

অসমৰ তেলখাদসমূহৰপৰা ওলোৱা প্ৰাকৃতিক গেছবোৰ দিনে-নিশাই জ্বলাই দিয়া দেখি কেইজন অসমবাসীৰ বুকু কঁপে? বৰ দুৰ্ভাগ্যৰ কথা!

এই পুৰি থকা গেছবোৰ ব্যৱহাৰ কৰি শক্তি উৎপাদন কৰিবলৈ জাপান চৰকাৰে অসমৰ বাবে সহায় আগ-বঢ়াইছে—ভাৰত চৰকাৰৰ জৰিয়তে। কিন্তু নিপকো (North Eastern Electric Power Corporation বা চমুকৈ N E E P C O) নামৰ সংস্থাটোৱে (যি কপিলী জলবিদ্যুত প্ৰকল্পৰ কাম হাতত লৈছে) জাপান চৰকাৰৰ এই সহায়খিনি লৈ অসমত গেছ টাৰবাইন বহুৱাবলৈ উঠি পৰি লাগিছে। লগে লগে কেন্দ্ৰৰ এচাম বিষয়াক প্ৰভাৱান্বিত কৰিবলৈ তেওঁলোক সমৰ্থ হৈছে। তেওঁলোকে তিনিচুকীয়াৰ ওচৰৰ কঠালগুৰিত গোট কেইটা বহু-ৱাবলৈ অনুমোদন বিচাৰি কেন্দ্ৰৰ ওচৰত সকলো কাগজ-পত্ৰ দাখিল কৰিছে। আৰু কেন্দ্ৰও তেওঁলোকক অনুমতি দিয়াৰ প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছে।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ, যি অসমত শক্তি উৎপাদন, প্ৰবহন আৰু বিতৰণৰ কাম কৰি আছে, এনে এটা সংস্থা থাকোঁতে আন এটা সমান্তৰাল সংস্থা খোলাৰ কি অৰ্থ থাকিব পাৰে? অৰ্থটো তেনেই সহজ—'অসমক ঠগোৱা।'

অসমৰ বিদ্যুৎ পৰিষদৰ নামৰূপত থকা গেছ টাৰবাইন কেইটা আজিও অতি সুন্দৰভাৱে চলি আছে। মন কৰিবলগীয়া এয়ে যে এই গোট কেইটাৰ 'জীৱন কাল' (life) উকলি যোৱা প্ৰায় ৪ বছৰ হ'ল। আজি প্ৰায় ২৪ বছৰ কাল গোটকেইটাই সন্তোষ-জনক সেৱা আগবঢ়াই আছে। সাধা-ৰণতে উপযুক্তভাৱে প্ৰতিপালন (main-tain) নকৰিলে 'জীৱনকাল' পাৰ নোহোৱাৰ আগতেই যন্ত্ৰসমূহ ব্যৱহাৰৰ অনুপযোগী হৈ যায়। কিন্তু উপযুক্ত-প্ৰতিপালন কৰিলে সেইবোৰ বহু-দিনলৈ ব্যৱহাৰ কৰিব পাৰি। নামৰূপৰ গোটসমূহৰ নিৰ্মাণকাৰী গোষ্ঠী আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৱেষ্টিংহাউছৰ (Westing-house) লোকসকল আহি এবাৰ প্ৰায় আচৰিত হোৱাৰ দৰেই হৈছিল। পাছত অহা অন্য এগৰাকী ব্যক্তিয়ে কৈছিল যে তেওঁলোকে হেনো বাহিৰত কয়,—"আমাৰ যন্ত্ৰসমূহ অমুকে ইমান ধুনীয়াকৈ আজিও চলাই ৰাখিছে।" ইয়াৰ বাবে পৰিষদৰ কৰ্মীসকলেও নিশ্চয় গৌৰৱ কৰিব পাৰে।

ভাৰতৰ ভিতৰত পৰিষদ গেছ টাৰবাইনৰ ক্ষেত্ৰত আগৰণুৱা। বাহিৰত বহু লোকে পৰিষদৰ কৰ্মী-বিষয়াৰ পৰা দিহা পৰামৰ্শ লয়। আনহাতে নিপকোত গেছ টাৰবাইনৰ বিষয়ে জনা লোক নাই বুলিলেই হয়। মাত্ৰ কেই-গৰাকীমান অভিযন্তা/কৰ্মীৰে তেওঁ-লোকে কাম চলাই আছে। এনেস্থলত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক উপেক্ষা কৰি নিপকোক কামটো দিয়াৰ যুক্তিযুক্ততা কিমান সেইটো বিচাৰ্য বিষয়। নিপকোৱে এই গোটবোৰৰ পৰা উৎপাদন কৰা শক্তি পৰিষদে কিনি আমাৰ মাজতে বিতৰণ কৰিব

৫৭ পৃষ্ঠাত চাওক



# ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ তাৎপৰ্য

নাৰায়ণ বৰপুজাৰী

ড° নিৰোদ কুমাৰ বৰুৱাৰ উক্ত শিতানৰ প্ৰবন্ধটো (১।১২।৮৫) পঢ়ি উপকৃত হলোঁ। প্ৰবন্ধটোৱে আমাৰ ইতিহাসৰ প্ৰতি থকা অচেতনা আৰু অনীহাৰ ওপৰত তিৰ্যক দৃষ্টিপাত কৰি দেশৰ অতীত ইতিহাস পঢ়ি, জানি আৰু বুজি তাৰপৰা যথোচিত শিক্ষা গ্ৰহণ কৰিবলৈ আমাক সঁকিয়াই দিছে। হায়! আমাৰ অসমীয়া জাতিটো কেনে দুঃখলগাভাৱে বুৰঞ্জী-বিমুখ! আমি নিজকে জানিবলৈ ইচ্ছা নকৰোঁ। নিজকে শ্ৰদ্ধা নকৰোঁ। সঁচা কথা—"১৯৪১ চনৰ ৬ ডিচেম্বৰৰ দিনটো অসমীয়াৰ মানস-পটত জীৱন্ত হৈ থকাহলে ষাঠীৰ দশকৰ চলিহা চৰকাৰৰ পৰা আৰম্ভ কৰি কংগ্ৰেছী চৰকাৰবোৰে অসমৰ বহুতো শিক্ষানুষ্ঠানত কৰোৱা উম্ভগুালিবোৰ ঠিক তেনেভাৱে" কৰিব নোৱাৰিলেহেঁতেন। তথাকথিত ৰাজ-নৈতিক নেতাসকলে ছাত্ৰৰ দাবী, অসমৰ ভৱিষ্যত আৰু ৰাজ্যখনৰ সামূহিক উন্নতিৰ প্ৰতি পিঠি দি দলীয় ৰাজনীতিৰ ৰোলাৰ ঘৰঘৰকৈ চলাব নোৱাৰিলে-হেঁতেন।

সাম্প্ৰতিক কালত আমাৰ ছাত্ৰসকলে অসমৰপৰা বিদেশী বহিষ্কাৰ কৰিবলৈ যোৱা ছবছৰ কাল অহিংস আন্দোলন কৰি কৃতকাৰ্য (সম্পূৰ্ণভাৱে নহলেও) হ'ল। এই কথা আমাৰ দেশৰ বুৰঞ্জীত স্বৰ্ণাক্ষৰেৰে লিপিবদ্ধ হ'ব। হ'বই লাগিব—যদিহে শুদ্ধ ৰূপত বুৰঞ্জী লেখা হয়। কিন্তু আজি ৪৪ বছৰ আগতে ১৯৪১ চনত—যি সময়ত দ্বিতীয় মহাসমৰে গোটেই পৃথিৱীকে কঁপাই তুলিছিল, গোটেই অসমতে গোৰা পল্টনবোৰে পিয়াপি দি ফুৰিছিল, সেই যুদ্ধত বৃটিছক ধন, জন কোনো বস্তুৰে সহায় কৰিব নালাগে বুলি সত্যাগ্ৰহ কৰি বৃটিছক ভাৰত ত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল (বৰ্তমানৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ লগত ই তুলনীয়), ভাৰতীয় নেতাসকল কাৰাৰুদ্ধ হৈছিল—সেই সময়ত সেইকালৰ ছাত্ৰসকলে যে প্ৰৱল প্ৰতাপী বৃটিছ চৰকাৰৰ দুষ্কাৰ্যৰ বিপক্ষে তেনে ধৰণৰ আন্দোলন এটা চলাইছিল বা চলাবলৈ সাহস কৰিছিল সেইকথা আজিৰ আন্দোলনকাৰী ছাত্ৰ-সকলৰ ৯৫ শতাংশই নাজানে বুলি মোৰ বিশ্বাস। আনকি যিসকলে এই কথা জানিছিল নাইবা যিসকলে সেই আন্দোলনত সক্ৰিয় অংশ লৈছিল, সেই আজিৰ জীৱিত বৃদ্ধসকলেও (সেই সকলৰ ভিতৰত এই লেখকো এজন) এই ইতিহাস প্ৰসিদ্ধ আন্দোলনৰ কথা সম্পূৰ্ণভাৱে হজম কৰিছে আৰু সি পাহৰণিৰ অন্ধকাৰত ডুব গৈ আছে। ড° বৰুৱাদেৱে আক্ষেপ কৰি কৈছেই যে—"দুৰ্ভাগ্যবশতঃ অতুলচন্দ্ৰ হাজৰিকা ছাৰৰ তথ্য আৰু ৰসিকতাপূৰ্ণ 'জজ খেল-পথাৰৰ সাধু'ত এই মেলাৰ কথা বাদ পৰিল। অসমৰ স্বাধীনতা আন্দোলন সম্পৰ্কে নতুনকৈ প্ৰকাশিত হোৱা বুৰঞ্জীত বা আকৌ এই কথা সোমাইছে নে নাই? ড° ৰেংকটৰাওৰ লিখনিত সেই তথ্য বিকৃতভাৱে ওলালেই (ড° বৰুৱাই তেখেতৰ প্ৰবন্ধত উল্লেখ কৰা মতে)। কালক্ৰমত হয়তো ইয়েই প্ৰমাণসিদ্ধ ঐতিহাসিক তথ্যৰূপে পৰি-গণিত হ'ব।

উজনিৰ কথা নাজানো (কিয়নো সেইসময়ত অসমত আজিৰদৰে বাতৰি-কাকত, আলোচনী, ৰেডিঅ' আদিৰ ব্যাপক প্ৰচলন নাছিল। হাইস্কুলত পঢ়া কালছোৱাত ১৯৩৫-৪১-লৈ মই নিজেই বাতৰি কাকত পঢ়িবলৈ পোৱা নাছিলোঁ), নামনি অসমত—বিশেষকৈ কামৰূপ জিলাত ১৯৪১ চনৰ ৬ ডিচেম্বৰৰ আন্দোলনে বেচ আলোড়ন আৰু জাগৰণ তুলিছিল। এই কথা মই বুকু ডাঠি ক'ব পাৰোঁ। মই তেতিয়া পলাশ-বাৰী আৰ. বি. (ৰিদকৰণ-বালচান্দ) হাইস্কুলৰ (পলাশবাৰী নগৰখন ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ পাছত এই স্কুলখন সম্প্ৰতি পলাশবাৰী আৰ. বি উচ্চ মাধ্যমিক স্কুলৰূপে মিৰ্জাত বৰ্তিছে) নৱমমান শ্ৰেণীৰ ছাত্ৰ আছিলোঁ। মই আছিলোঁ সেই সময়ৰ স্কুলৰ ছাত্ৰ-ইউনিয়নৰ প্ৰধান সম্পাদক। ৬ ডিচেম্বৰৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত গুৱা-হাটীৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট, শোভাযাত্ৰা, সভা আদি কৰাৰ খবৰ পায়েই আমাৰ পলাশবাৰী হাই-স্কুলৰ ছাত্ৰসকলেও ধৰ্মঘট শোভাযাত্ৰা, ৰাজহুৱা সভা আদি কৰিলে। ছাত্ৰ-ইউনিয়নৰ সাধাৰণ সম্পাদক হিচাপে মই আন্দোলনৰ সকলো কাৰ্যৰ নেতৃত্ব ল'ব লগা হ'ল। গৰম বক্তৃতাও দিলোঁ। মই হেনো ভাল বক্তৃতা দিছিলোঁ—লোকে কোৱা কথা। মোৰ কিন্তু বৰ ভয় লাগিছিল। নাজানিছিলোঁ কেনেকৈ মোৰ মুখৰপৰা সৰ্ সৰ্কৈ তপত কথাবোৰ ওলাইছিল।

মোৰ নেতৃত্বতে আমাৰ স্কুলৰ ছাত্ৰ এদলে পলাশবাৰী অঞ্চলৰ অৰ্থাৎ দক্ষিণ কামৰূপৰ হাইস্কুল, মাইনৰ স্কুল, ছাত্ৰ-বৃত্তি স্কুল আৰু নিম্ন প্ৰাইমেৰি স্কুলবোৰত ধৰ্মঘট কৰাইছিল গৈ। সেইসময়ত দক্ষিণ কামৰূপৰ মফছলীয়া নগৰ কিম্বা গাঁৱত মই জনাত পলাশবাৰী আৰ. বি. হাইস্কুলৰ বাদে মাত্ৰ ছয়গাঁও আৰু মনীয়ৰীতহে হাইস্কুল স্থাপিত হৈছিল। এই দুখন হাইস্কুলৰ ছাত্ৰসভাতো মই বক্তৃতা দিছিলোঁগৈ। তাত গাঁৱৰ অছাত্ৰ ৰাইজো সমবেত হৈছিল। মাত্ৰ ৩/৪ দিনৰ ভিতৰতে গুৱাহাটীত ঘটনাটোৰ কিবা এটা নিষ্পত্তি হোৱাত আমাৰ ধৰ্মঘটৰো অৱসান হৈছিল। আচলতে মহাযুদ্ধখন চলি থকাবাবে চৰকাৰে ছাত্ৰসকলক অধিক জোকাই লৈ অধিক জেঙা এটা লগাই লবলৈ নিবিচাৰিছিল। আমাৰ ছাৰসকলৰ মুখৰপৰা শুনিবলৈ পাইছিলোঁ বোলে—গোপীনাথ বৰদলৈ প্ৰমুখ্যে নেতাসকলৰ সু-মধ্যস্থতাত চৰকাৰে ঘটনাটোৰ নিষ্পত্তি কৰিলে;—যথা—ড° জ্যোতিষ দাসে গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ৰাজহুৱাভাৱে ক্ষমা মাগিলে আৰু হামফ্ৰি ছাহাবক শিৱসাগৰ জিলালৈ বদলি কৰা হ'ল।



OKDISCD

ছয়গাঁও হাইস্কুললৈ ধৰ্মঘট কৰাবলৈ যাওঁতে হোৱা ঘটনা এটাৰ স্মৃতি সুঁৱৰি আজিও মই বৰ আনন্দ পাওঁ। তেতিয়া সেইখন হাইস্কুলৰ প্ৰধান শিক্ষক আছিল পূৰ্ণচন্দ্ৰ অধিকাৰী ডাঙৰীয়া। অধিকাৰী ছাৰে আগতে গুৱাহাটীৰ কামৰূপ একাডেমি হাইস্কুলত শিক্ষকতা কৰিছিল। কোৱা বাহুল্য যে এই স্কুলখন অসহযোগ আন্দোলনৰ সময়ত চৰকাৰী কিম্বা চৰকাৰে পৃষ্ঠ-পোষকতা কৰা হাইস্কুলত নপঢ়োঁ বুলি স্কুল ত্যাগ কৰা ছাত্ৰসকলে পঢ়া-শুনা কৰাৰ বাবে সংস্থাপিত হৈছিল। অধিকাৰী ছাৰ মই পঞ্চমমান শ্ৰেণীত পঢ়ি থকা সময়ত কামৰূপ একাডেমিৰ-পৰা বদলি হৈ পলাশবাৰী আৰ. বি.লৈ আহিছিল আৰু অষ্টমমান শ্ৰেণীত পঢ়ি থকা সময়ত প্ৰধান শিক্ষকৰূপে ছয়-গাঁও হাইস্কুললৈ গুচি গৈছিল। তেখেত ইতিহাস আৰু ইংৰাজীৰ সুদক্ষ আৰু জনপ্ৰিয় শিক্ষক আছিল। ছাত্ৰক তেখেতে বৰ মৰম কৰিছিল। ছাত্ৰ-সকলেও তেখেতক যথেষ্ট ভয় আৰু ভক্তি কৰিছিল।

সেইদিনা তেখেতৰ স্কুলৰপৰা ছাত্ৰ-সকল ওলাই অহাৰ পাছত স্কুলৰ খেল-মাটিত দীঘলীয়া সভা বহিল। মই তাত গৰম বক্তৃতা দিলোঁ। সভাৰ অন্তত স্কুলৰ চকীদাৰজনে কলেহি বোলে মোক অধিকাৰী হে'ডছাৰে লগ পাবলৈ বিচাৰিছে। মই প্ৰমাদ গণিলোঁ। ভাবিলোঁ যে ছাৰে মোক আজি ভালকৈ এশিকনি দিব। আমাৰ স্কুলত থাকোঁতে তেখেতে ছাত্ৰসকলক মৰা ডাবি-ধমকিবোৰৰ কথা মনলৈ আহিল। অধিকাৰী ছাৰ তেতিয়া তেখেতৰ অফিছত অকলে অকলে বহি আছিল। চুচুকচামাককৈ সোমাই গৈ মই তেখেতক প্ৰণাম জনালোঁ। ভৰিত ধৰিব খুজিছিলোঁ, কিন্তু তেখেতে মোৰ হাতত ধৰি মোক সেই কৰ্মৰপৰা নিৰস্ত কৰিলে। সন্মুখত থকা চকী-খনলৈ আঙুলিয়াই তেখেতে মোক বহিবলৈ নিৰ্দেশ দিলে। মই নবহি থিয় হৈ ৰলোঁ। ছাৰৰ সন্মুখত মই চকীত বহিম নে? ছাৰে তেতিয়া তেখেতৰ সেই পুৰণি কলীয়া ডাবি এটা দি কলে, "নবহা কিয়? বুজিছোঁ— তুমি মোৰ পুৰণি ছাত্ৰ বাবে মোৰ সন্মুখত চকীত বহিব খোজা নাই। পিছে সেই বাবে মই তোমালৈ চকী আগবঢ়োৱা নাই মনত ৰাখিবা। তুমি অসমৰ এখন পুৰণি, নামী হাইস্কুলৰ ইউনিয়ন ছেক্ৰেটেৰি হিচাপে আমাৰ ইয়ালৈ আহিছা। গতিকে এই সন্মান তোমাৰ প্ৰাপ্য। বহা।" মোৰ চকু তেতিয়া জলকতবক। আনন্দ নে কৃতজ্ঞতাৰ প্ৰকাশৰূপে মোৰ চকুহাল লোতকে ছাটি ধৰিছিল বুজিব পৰা নাছিলোঁ।

মই বহিলোঁ। অধিকাৰী ছাৰে মোৰ ব্যক্তিগত কথা, আমাৰ স্কুলৰ কথা, আমাৰ শিক্ষকসকলৰ কথা (বিশেষকৈ আমাৰ তেতিয়াৰ প্ৰধান শিক্ষক মাননীয় অবলাকান্ত গোস্বামী ছাৰৰ কথা) — বহুতো কথা সুধিলে। আন্দোলনৰ বিষয়ে তেখেতে ইমানকে কলে বোলে— ছাত্ৰসকলৰ এই প্ৰতি-বন্ধক (তেখেতে আন্দোলন শুবুলি প্ৰতিবন্ধক বুলি কৈছিল) বেয়া বুলি কব নোৱাৰি। ইয়াৰ সাম্প্ৰতিক আৱশ্যকতা আছে। পাছলৈ ইয়াৰ আৱশ্যকতা আৰু আদৰ আৰু বাঢ়িব। পিছে ই বেছি দিনলৈ নিটিকে। সোনকালে ইয়াৰ নিষ্পত্তি হ'ব। বিদায় লবৰ সময়ত মই চাহ খালোঁ নে নাই সুধি তেখেতে কলে, "বুজিছা নাৰায়ণ, মই ল'ৰাহঁতক পলাশবাৰীৰ-পৰা অহা ল'ৰা কেইটাক ভালকৈ চাহ-জলপান খুৱাই পঠাবলৈ কৈছোঁ। তোমাক পিছে মই ইয়াত চাহ এপিয়লা দিব নোৱাৰি বেয়া পাইছোঁ। জানিছাই নহয়— মই এই স্কুলৰ হে'ডমাষ্টৰ, তুমি ছাত্ৰ ইউনিয়নৰ ছেক্ৰেটেৰি, আহিছা— আমাৰ স্কুলত ধৰ্মঘট কৰাবলৈ,— হাঃ হাঃ হাঃ (ছাৰৰ হাঁহিটো পলাশবাৰীত থাকোঁতেও বৰ গলগলীয়া হৈ ওলাইছিল।) বাৰু যোৱাগৈ।" মোৰ পিঠিত হাত বুলাই তেখেতে মোক তেখেতৰ কোঠাৰপৰা উলিয়াই আনিলে।

১৯৪১ চনৰ ৬ ডিছেম্বৰৰ ছাত্ৰ আন্দোলনৰ কাহিনী অৱলম্বন কৰি মই এখনি সৰু নাটিকাও ৰচনা কৰি-ছিলোঁ। নাম দিছিলোঁ— 'আন্দোলন'। নাটিকাখন কৰবাত হেৰাই থাকিল,— মোৰ স্কুল-কলেজীয়া পুথি-ৰচনাবোৰো হেৰোৱাৰ দৰে।


**হেমবৰুৱাৰ কবিতা**

( বালিচন্দা, মনময়ূৰী আৰু অ-প্ৰকাশিত কবিতাৰ সংকলন )

মূল্য—৩৫ টকা

**ৰঙা কৰবীৰ ফুল**

মূল্য—১২ টকা

**ক্ৰিকেটৰ সাঁথৰ**

মূল্য—১০ টকা

পুলক লাহিড়ীৰ

(অসমীয়া ভাষাত ক্ৰিকেট-কুইজৰ একমাত্ৰ কিতাপ)

*এলবিএছ পাব্লিকেশ্যন*

জি, এন, বৰদলৈ ৰ'ড

আমবাৰী ঃ গুবাহাটী-১




# উনৈছ শতিকাৰ অসমত কৰা সেৱাৰ কাৰণে উলিয়ামছৰ গ্ৰেজুৱেট সন্মানিত

জুলি চেল

**অনুবাদক ঃ ড° দিলীপ কুমাৰ দত্ত**

(পিট চফিল্ড, মাছাচুছেটচ, আমেৰিকাৰ-পৰা প্ৰকাশিত ৩০ ছেপ্টেম্বৰ (১৯৮৫) তাৰিখৰ 'বাৰ্কছায়াৰ ঈগল' নামৰ দৈনিক বাতৰি-কাকতত ওলোৱা প্ৰবন্ধৰ মুকলি অনুবাদ)



আলোচনা চক্ৰৰ সদস্যসকল (বাওঁ ফালৰ পৰা) অধ্যাপক ড° হেৰম্ব বৰপূজাৰী; ৰেভাঃ জৰ্জ গিলেস্পি, অধ্যাপক জন হাইড, ৰেভাঃ জৰ্জ পেক।

**উইলিয়ামছটাউন ঃ** ধৰ্মযাজক আৰু ভাৰতবৰ্ষৰ অসম ৰাজ্যত এক পূজ্য পুৰুষ হোৱা ভাৰ্মণ্টৰ (আমেৰিকাৰ এখন ৰাজ্য) খেতিয়ক লৰা আৰু উইলিয়ামছৰ এজন গ্ৰেজুৱেটৰ জীৱনটো যোৱা সপ্তাহৰ শেষৰ পিনে এলানি কাৰ্যৰে সোঁৱৰা হয়।

উৎসৱটো আছিল নেথ'ন ব্ৰাওনৰ মৃত্যু শতবাৰ্ষিকী। উত্তৰ-পূবৰপৰা প্ৰায় দুকুৰি অসমীয়া মানুহ এই পুৰুষজনৰ প্ৰতি সন্মান প্ৰদৰ্শাবলৈ আৰু উনৈছ শতিকাৰ অসমীয়া জাতীয় জীৱনলৈ তেওঁৰ বৰঙনি সুঁৱৰিবলৈ আহে, কেইজনমান একেবাৰে অসমৰপৰা আহিছিল। উৎসৱটোলৈ আৰু বেছি লোক আহিব বুলি আশা কৰা হৈছিল কিন্তু শুকুৰবাৰৰ লেতেৰা বতৰে বহুতৰে যাত্ৰা বন্ধ কৰিলে।

সেই সোঁৱৰণী উৎসৱটো আছাম এছোছিয়েছন অৱ নৰ্থ এমেৰিকা আৰু অসম সাহিত্য সভাৰ আমেৰিকা শাখাই উইলিয়ামছ কলেজৰ সহযোগিতাৰে আয়োজন কৰিছিল।

এছোছিয়েছনৰ প্ৰাক্তন সভাপতি ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ বৰ অধ্যাপক দিলীপ দত্তই কয় তেওঁ এই সমাবেশৰ কথা ভাবে "যেতিয়া মোৰ মনত খেলায় যে আমি বহুতেই এই দেশত ১৫ বা ২০ বছৰ থকা হ'ল যেতিয়া আমি এই দেশৰ লগত থকা আমাৰ ঐতিহাসিক সংযোগ বিচাৰি উলিওৱা উচিত"।

দত্তই কয়— কেৱল ধৰ্মযাজক বুলিয়েই নহয়, উনৈছ শতিকাৰ প্ৰথম ভাগত প্ৰায় মৃতপ্ৰায় হোৱা অসমীয়া ভাষাক সংৰক্ষণ কৰিবলৈ কৰা প্ৰচেষ্টাৰ কাৰণেও ব্ৰাওন অসমত খ্যাত। সমাজক নৈতিক নেতৃত্ব দিয়াৰ প্ৰসংগত অধ্যাপক গৰাকীয়ে ব্ৰাওনক এই দেশৰ ডেভিড থুৰ'ৰ লগত তুলনা কৰে।

ভাৰতবৰ্ষৰ উত্তৰপূবত ভূটান আৰু বাংলাদেশৰ গাত লাগি থকা ৪৭০০ বৰ্গমাইলৰ অসম ৰাজ্যখন ভাৰতৰ প্ৰধান অঞ্চলৰ লগত এক ঠেক স্থল-ভাগেৰেহে সংযোজিত।

থম্পছন মেম'ৰিয়েল চেপলত অনুষ্ঠিত এক আলোচনা-চক্ৰই যোগদান কৰা ৰাইজক ব্ৰাওনৰ জীৱন আৰু তেওঁ কৰি থৈ যোৱা কামবিলাকৰ বিষয়ে জানিবলৈ সুবিধা দিয়ে।

## আলোচনা-চক্ৰৰ সভ্যসকললৈ আদৰণি

সমজুৱাসকলৰ মাজত ককালৰপৰা ভৰিৰ তললৈকে বৈ পৰা মেখেলা আৰু চাদৰ পিন্ধা কেইবাগৰাকীও মহিলা আছিল। এই মেখেলা-চাদৰ অসমীয়া মহিলাৰ জাতীয় পোছাক। অসমীয়া নিয়ম অনুসৰি এই মহিলা কেইগৰা-কীয়ে আলোচনা-চক্ৰৰ প্ৰত্যেক গৰাকী সভ্যক প্ৰীতি আৰু শ্ৰদ্ধাৰ চিন স্বৰূপে একোখন ৰঙা আৰু ব'গা ফুলবচা গামোচা উপহাৰ দিয়ে।

উইলিয়ামছ কলেজৰ বুৰঞ্জী বিভাগৰ অধ্যাপক জ'ন-এম-হাইডে ব্ৰাওনৰ লৰাকাল আৰু কলেজীয়া জীৱনৰ বিশদ বিৱৰণ দিয়ে। তেওঁ অতি ক'ম বয়সতে তীক্ষ্ণ আৰু পৰিপক্ক বুদ্ধি প্ৰদৰ্শন কৰা এনে এজন যুৱকৰ ছবি আঁকে— যিজনে ১৮০৭ চনত জন্ম গ্ৰহণ কৰি ভাৰ্মণ্টৰ হুইটিংহাম চহৰত ডাঙৰ হয় আৰু ১৮১৫ চনতে শিক্ষকতা আৰম্ভ কৰে। সেই সময়ত তেওঁ নিজৰ বহু ছাত্ৰতকৈ বয়সত সৰু আছিল। ১৮২৪ চনত ১৭ বছৰ বয়সতে ব্ৰাওনক উইলিয়ামছৰ দ্বিতীয় বাৰ্ষিকী ছাত্ৰৰূপে লোৱা হয়।

হাইডে গৱেষণা কৰি পায় যে ধৰ্মপ্ৰচাৰ আন্দোলনত বিশেষ বিশ্বাস থকা সেই সময়ৰ উইলিয়ামছ কলেজৰ



OKDISCP

অধ্যক্ষ ৰেভাৰেণ্ড এডৱাৰ্ড-ডি-গ্ৰিফিনৰ দ্বাৰা বিশেষ ভাৱে প্ৰভাৱান্বিত হৈছিল। ব্ৰাওনে ১৮২৭-শ্ৰেণীৰ (অৰ্থাৎ ১৮২৭ চনত পাছ কৰিম বুলি ভৰ্তি হোৱা) অধ্যয়নত আটাইতকৈ আগৰণুৱা ছাত্ৰৰূপে জাকত জিলিকা হয়। তেওঁ গণিত আৰু সৌৰজগত অধ্যয়নত বিশেষ ৰাপ দেখুৱাইছিল আৰু বিদ্যা-বুদ্ধিত শ্ৰেষ্ঠ ছাত্ৰৰ সন্মানেৰে গ্ৰেজুৱেট হৈছিল।

### সমাজৰ লগত লীন

অসমীয়া ভাষাৰ পণ্ডিত আৰু আগেয়ে অসমলৈ যোৱা ধৰ্মযাজক ৰেভাৰেণ্ড জৰ্জ গিলেস্পিয়ে কয় যে ধৰ্মযাজকৰ কামৰ বিষয়ে আমেৰিকানসকলতকৈ অসমীয়াসকলৰ বেছি ভাল আৰু শুদ্ধ ধাৰণা আছে। তেওঁৰ বক্তব্যৰ মূল বিষয়-বস্তু আছিল— প্ৰথমতে, ১৮৩৫ চনৰপৰা ১৮৫৫ চনলৈকে অসমত থকা ব্ৰাওন কেনেকৈ তেওঁ সহায় কৰিবলৈ যোৱা অসমীয়া সমাজখনত লীণ গৈছিল আৰু দ্বিতীয়তে, ধৰ্মযাজকজনৰ (ব্ৰাওনৰ) বহুমুখী প্ৰতিভা।



প্ৰাৰ্থনা সভাত ব্ৰাওনে অসমীয়াত লিখা বাইবেলৰ পৰা এক অংশ পাঠ কৰিছে ৰেভাৰেণ্ড জৰ্জ গিলেস্পিয়ে।

প্ৰথম অসমীয়া আলোচনী অৰুণোদইৰ সম্পাদক ৰূপে ব্ৰাওনে খৃষ্টিয়ান চিন্তাৰ উপৰিও স্থানীয় আৰু বিদেশৰ বাতৰি, জনজাতীয় জীৱনৰ কথা, বিজ্ঞান, পৌৰাণিক কাহিনী, বুৰঞ্জী, আৰু সামাজিক বিষয় সাঙুৰিছিল। তেওঁ (ব্ৰাওনে) সাঁচিপতীয়া অসমীয়া পুথি সংগ্ৰহ কৰিছিল আৰু ভাষাৰ তালিকা, অভিধান, আখৰ নিৰ্ণয় আদিৰ যোগেদি আষাতত্ত্বত বিশেষ বৰঙণি যোগাইছিল।

লেখক আৰু অসমত বুৰঞ্জীৰ এজন প্ৰাক্তন শিক্ষক অধ্যাপক এইচ্‌ বৰপুজাৰীয়ে ব্ৰাওনক 'অসমীয়া ভাষাৰ ৰক্ষক' বুলি অভিহিত কৰিবলৈও আগবাঢ়ে।

অসমত পাশ্চাত্যৰ ধৰ্মযাজকসকলৰ ইতিহাস বৰ্ণনা কৰি (ব্ৰাওন অসমলৈ যোৱা প্ৰথম আমেৰিকান) বৰপুজাৰীয়ে সমজুৱাসকলক ব্ৰাওনে পতা ফলি-লোৱা ঘৰ আৰু ল'ৰা-ছোৱালীবিলাকে নিজৰ নিজৰ ভাষা আৰু ইংৰাজী শিকাৰ ওপৰত তেওঁ কেনেকৈ জোৰ দিছিল তাক বহলাই কয়। সেই সময়ত, সেই অঞ্চলত বঙালী ভাষাই বিশেষ গা কৰিছিল।

ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন ব্ৰাওনৰ গুণমুগ্ধ আছিল আৰু এই দেশত প্ৰচলিত দাসত্ব প্ৰথাৰ বিপক্ষে ব্ৰাওনৰ লৈতে একে বলিষ্ঠ চিন্তাধাৰা বহন কৰিছিল। ব্ৰাওন 'এমেৰিকান বেপটিষ্ট'ৰ সম্পাদক আছিল আৰু তেওঁ ব্ৰহ্মদেশ তথা জাপানত ধৰ্ম প্ৰচাৰ কৰিছিল।

শেষ হোৱা সপ্তাহটোৰ আন আন কাৰ্যাৱলীৰ ভিতৰত আছিল কলেজৰ পুথিভঁৰালত নেথ'ন ব্ৰাওন সোঁৱৰণী পুথিসমূহৰ উদ্বোধনী, প্ৰাৰ্থনা আৰু ঈষ্ট চাৰ্লমণ্টত থকা ব্ৰাওনৰ কবৰত ফুল মালা তৰ্পণ।



ঈষ্ট চাৰ্লমণ্টত থকা ব্ৰাওনৰ স্মৃতি সৌধত অসমীয়া বাইজে ফুল মালা দি শ্ৰদ্ধাঞ্জলি জনাই যোৱাৰ পাছত উইলিয়ামছ কলেজৰ এজন ছাত্ৰ আৰু এগৰাকী ছাত্ৰীয়ে প্ৰায় ডেৰ শ বছৰৰ আগেয়ে তেওঁলোকৰ কলেজৰপৰা পাছ কৰা সেই মহান ব্যক্তিজনৰ গৌৰৱপূৰ্ণ কাৰ্যবিলাক আলোচনা কৰিছে।



# গিগো

ড° কুলেন্দু পাঠক

শিৰোনামাটো অলপ আচহুৱা; কিন্তু এই শব্দটোৰ ভয়াবহতাৰ লগত আমাৰ বহুতৰে পৰিচয় হৈছে। শব্দটো কম্পিউটাৰ বিজ্ঞানত ব্যৱহৃত হয় আৰু ই এটা খণ্ডবাক্যৰ সংক্ষিপ্তকৰণ। বাক্যটো হ'ল Garbage In Garbage Out (GIGO)। অৰ্থাৎ জঞ্জাল সুমুৱালে জঞ্জালেই ওলাব।

### সংশ্লিষ্ট ভাষা সমস্যাত এভুমুকি:

গিগোৰ প্ৰতিশব্দ জুমুঙো কৰিব পাৰি নেকি? বা সংস্কৃতৰ পৰা প্ৰতিশব্দ এটা বিচাৰি আনিব নোৱাৰিনে? পৰিভাষা আৰু প্ৰতিশব্দৰ মেনিয়াত আমি ইমান ভুগিলো যে কেতিয়াবা সুধিবৰ মন যায় যে আমি অসমীয়া ভাষাৰে বিজ্ঞান চৰ্চা কৰিম নে পৰিভাষাৰে চৰ্চা কৰিম? পৰিভাষা আৰু পাঠ্যপুথি (এতিয়া নিগম বা সমন্বয় সমিতিৰ ছাপ মৰাও হ'ব লাগিব) পাঠ্যপুথি আৰু পৰিভাষাৰ চক্ৰবেহুত আমি বেয়াকৈ সোমাই পৰিছো যেন লাগে। বহুত পাৰিভাষিক শব্দ যে গিগোত পৰিণত হৈ বিজ্ঞান বুজাত বাধাৰ সৃষ্টি কৰিছে সেই বিষয়ে সন্দেহ নাই।

একবিংশ শতিকাৰ দুৱাৰডলিত থিয় হোৱা মানব সভ্যতাৰ ভৱিষ্যত যে বিজ্ঞানভিত্তিক প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰিছে সেই বিষয়ে প্ৰায়বোৰ পণ্ডিতেই একমত। বিজ্ঞান আৰু প্ৰযুক্তিৰ পৰা সেয়েহে নতুন নতুন শব্দ দ্ৰুতবেগেৰে ভাষালৈ সোমাই আহিব লাগিছে। কম্পিউটাৰ প্ৰযুক্তিৰ কথাই উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি। এই নতুন আৰু দ্ৰুত বিকাশশীল প্ৰযুক্তিত সংক্ষিপ্তকৰণৰ প্ৰভাৱ বৰ বেছি। দুটামান বহুলভাৱে ব্যৱহৃত শব্দৰ উদাহৰণেই যথেষ্ট হ'ব:

(ক) BIT—Binary in Teger দ্বিত অখণ্ড সংখ্যা

(খ) RAM-Random Access Memory—যেনিতেনি সোমাব পৰা স্মৃতিভঁৰাল

(গ) ROM— Read Only Memory—অকল পঢ়িবপৰা স্মৃতি-ভঁৰাল

(ঘ) FORTRAN— FORmula TRANslation—সূত্ৰ অনুবাদ

এই শব্দবোৰ আমি দ্বিঅসং, যেনোস্মৃতি, অপস্মৃতি, সূবাদ বুলি অসমীয়া ভাষালৈ আনিম নে পোনে পোনে বিট, ৰেম, ৰ'ম, ফ'ৰট্ৰান বুলি গ্ৰহণ কৰিম? এই ক্ষেত্ৰত কেইটামান কথা আমি মনত ৰাখিব লাগিব:

(ক) এনে শব্দবোৰ ইংৰাজী-ভাষাত বছৰি এটা দুটাকৈ যোগ হোৱা নাই; বৰং বিজ্ঞান আৰু প্ৰযুক্তিৰ বিভিন্ন শাখাৰ পৰা শ শ শব্দ ইংৰাজী ভাষালৈ আহি আছে। এনে শব্দবোৰৰ মূলগত অৰ্থ উলিয়াই সংস্কৃতলৈ অনুবাদ কৰি অসমীয়া বা যিকোনো ভাৰতীয় ভাষাত গ্ৰহণ কৰাৰ চেষ্টা অপচেষ্টাত পৰিণত হোৱাৰ সম্ভাৱনা যথেষ্ট বেছি।

(খ) পাশ্চাত্যৰ দেশবোৰে ভাষাৰ বিভিন্নতা (আৰু অহংকাৰ) থকা সত্ত্বেও এনেবোৰ শব্দ পোনে পোনে গ্ৰহণ কৰিছে। বহুতেই ভৱিষ্যদ্বাণীও কৰিছে যে বিজ্ঞানৰ Lingua Franca হ'ব ইংৰাজী ভাষা। বৰ্তমানে ইংৰাজী ভাষাত নতুন পৰিঘটনা আৰু আবিষ্কাৰসমূহৰ নামকৰণত সহজ আৰু মনোগ্ৰাহী শব্দ ইংৰাজী ভাষাৰপৰা (লেটিন বা গ্ৰীক ভাষাৰপৰা নহয়) বেছিকৈ গ্ৰহণ কৰা হৈছে। উদাহৰণস্বৰূপে বিজ্ঞানৰ ধ্ৰুপদী, বুনিয়াদী আৰু সন্মানীয় শাখা হিচাপে পৰিগণিত কণিকা পদাৰ্থ বিজ্ঞানত নতুনকৈ সংযোজিত চাৰ্ম, টপ, গাট আদি শব্দবোৰৰ পিনে আঙুলিয়াব পাৰি।

পৰিভাষাৰ সৃষ্টি এটা পাণ্ডিত্যপূৰ্ণ, বিতৰ্কিত বিষয়। কিন্তু আমি বাস্তৱ পৰিস্থিতিলৈ আঙুলিয়াব খুজিছোঁ: (ক) অসমীয়া (শতকৰা নৱৈভাগ শব্দ সংস্কৃত) বিজ্ঞান-পৰিভাষাৰ ব্যৱহাৰ বৰ্তমানলৈকে পাঠ্যপুথিতে আবদ্ধ হৈ আছে বুলি কব পাৰি। সংস্কৃত ভাষাৰ জ্ঞান দুৰ্বল হলে পাৰিভাষিক শব্দবোৰৰ অৰ্থ ইংৰাজীৰ দৰেই (যদিহে বেছি নহয়) দুৰ্বোধ্য হয়। (খ) যিবোৰ পাৰিভাষিক শব্দ সহজবোধ্য, সেইবোৰহে ছাত্ৰই সহজে গ্ৰহণ কৰে। (গ) পাৰিভাষিক অসমীয়া দুৰ্বোধ্য শব্দ আৰু ইংৰাজী শব্দৰ কোনটো ছাত্ৰই মনত ৰাখিব, এই কথাই সাধাৰণ ছাত্ৰৰ মনত খেলিমেলিৰ সৃষ্টি কৰে। অৱশ্যে ভাল ছাত্ৰসকলে ভৱিষ্যতৰ কথা সুঁৱৰি ইংৰাজী শব্দবোৰকে গ্ৰহণ কৰিবলৈ যত্ন কৰে। (ঘ) Interference, random, polarisation co-incidence আদি শব্দ ইংৰাজী ভাষাত, বাতৰিকাকতত বহুলভাৱে ব্যৱহৃত হয়। এই শব্দকেইটাৰ পাৰিভাষিক অৰ্থবোধক শব্দবোৰ হ'ল— সমাৰোপন, যাদৃচ্ছিক, সমবৰ্তন আৰু সংপাত। এতিয়া পাঠ্যপুথিৰ বাহিৰে অসমীয়া ভাষাত এই শব্দকেইটাৰ ব্যৱহাৰ কিমান? (ঙ) পৰিভাষা বুজিব লাগে বুলি ত্ৰিভাষা সূত্ৰ বহলাই চতুৰ্ভাষা নীতি প্ৰচলন কৰি সংস্কৃত ব্যাপক হাৰত আৰু বিস্তৃতভাৱে শিকোৱাত যথেষ্ট অসুবিধা আছে যেন লাগে।

সাধাৰণ বিদ্যা-বুদ্ধিৰে বিচাৰ কৰিলে ইংৰাজী শব্দবোৰ (অন্ততঃ সহজ শব্দবোৰ) পোনে পোনে অসমীয়া ভাষাত গ্ৰহণ কৰাৰ ব্যৱহাৰিক সুবিধা বহুত। সংস্কৃতৰ তুলনাত আজিৰ ল'ৰা-ছোৱালীৰ বাবে ইংৰাজী ভাষা আৰু শব্দবোৰ বহুত বেছি গ্ৰহণযোগ্য। চহৰৰ কথাই নকওঁ, গাঁৱৰ ল'ৰা-ছোৱালীৰ মুখতো নানা ইংৰাজী শব্দ সঘনে উচ্চাৰিত হোৱা শুনা যায়। কথাবতৰাত ফাদাৰ, মাদাৰ, ব্ৰাদাৰ, ৰাইফ আদি শব্দবোৰ (এনেবোৰ শব্দ ব্যৱহাৰ কৰাৰ পক্ষপাতী লেখক নহয়।) পিতা (দেউতা), আই (মা), ভাই, ভৈণী শব্দবোৰৰ দৰেই ব্যৱহৃত হয় তুলনামূলকভাৱে পিতৃ,



OKDISCD

মাতৃ, ভ্ৰাতৃ, জায়া আদি শব্দৰ ব্যৱহাৰ বৰ কম। ইংৰাজী ভাষাৰ শব্দ বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত গ্ৰহণ কৰাত বিশেষ অসুবিধা নাই যেন লাগে, কিন্তু এই শব্দবোৰ নো কিদৰে অসমীয়ালৈ লিপ্যন্তৰ কৰা হ'ব, সেই বিষয়ে এক নীতি-নিয়মৰ প্ৰয়োজন। দুৰ্ভাগ্যক্ৰমে সৰ্বজন গ্ৰহণযোগ্য নিয়ম এলানি এতিয়াও অসমীয়াত বিস্তৃত আৰু নিয়াৰিকৈ বান্ধি দিয়া হোৱা নাই। এনে হোৱাৰ কাৰণ কি?

আমি অভিজ্ঞতাৰে পৰা লক্ষ্য কৰিছোঁ যে সকলোৰে (আনকি বহুত সম্পাদকৰো) ধাৰণা এনেকুৱা— বছৰি দুই-চাৰিটা ইংৰাজী শব্দ অসমীয়া ভাষাত সংযোজিত হলেও হ'ব পাৰে :— ভাষাৰ স্বাভাৱিক স্বকীয়কৰণ প্ৰক্ৰিয়াই শব্দবোৰক ৰূপ দিবই গতিকে মাভৈঃ — এনে নিগনি সদৃশ সমস্যাৰ প্ৰতি আমি মনোনিবেশ নকৰিলেও চলিব।' কিন্তু অসমীয়া ভাষা সঁচাকৈয়ে 'বিজ্ঞান-যুগৰ মাধ্যম হ'ব লাগিলে এনে আওকণীয়া মনোভাব আমি পৰিত্যাগ কৰাই ভাল। সংস্কৃতৰ পৰা শব্দ আনি, ভাষাত ব্যৱহাৰযোগ্য কৰি, তাৰ জৰিয়তে বিজ্ঞান আৰু প্ৰযুক্তি চৰ্চা কৰাৰ চেষ্টা প্ৰায়বোৰ ভাৰতীয় ভাষাতে সফল হোৱা নাই। অসমীয়াৰ দৰে ভাষাসমূহৰ বাবে এই প্ৰক্ৰিয়া আৰু কঠিন হ'ব। গতিকে বিজ্ঞান আৰু প্ৰযুক্তিৰ শব্দবোৰ খৰতকীয়াকৈ গ্ৰহণ কৰাৰ প্ৰথম পদক্ষেপ হিচাপে ইংৰাজী শব্দৰ লিপ্যন্তৰৰ (আৰু প্ৰয়োজন হ'লে গ্ৰহণ কৰাৰ) এটা সুনিৰ্দিষ্ট ধাৰা ঠিক কৰিব লাগে। নহলে বিশুদ্ধবাদী অথচ অব্যৱহাৰিক চিন্তাধাৰাক সম্পূৰ্ণ আওকাণ কৰি ভাষাৰ স্বাভাৱিক শক্তিয়ে ইংৰাজী শব্দবোৰ গ্ৰহণ কৰাৰ ফলত অন্ততঃ বানানৰ ক্ষেত্ৰত এক গিগো সদৃশ পৰিস্থিতি উদ্ভৱ হ'ব পাৰে।

**কম্পিউটাৰৰ গিগো :** কম্পিউটাৰৰ কথা কবলৈ গৈ ভাষাৰ কথাত সোমাই পৰিলো। অৱশ্যে এই দুয়োৰে মাজত এটা দূৰ সম্পৰ্ক আছে; —ভাষা আৰু কম্পিউটাৰ দুয়োটায়েই মানুহৰ ভাব-চিন্তা আদি প্ৰকাশ কৰাৰ মাধ্যম। সি যি কি নহওক, কম্পিউটাৰক এটা অতি দ্ৰুত, অথচ নিৰ্বোধ গণক-যন্ত্ৰ বুলি আমাৰ ইয়াতো আজিকালি বহুতেই নাভাবে। বৰং আমাৰ সমাজতো যন্ত্ৰটোৰ বিষয়ে বিস্ময়, উৎকণ্ঠা, ভয়, শ্ৰদ্ধা, বিদ্বেষ আদিৰ সৃষ্টি হ'ব ধৰিছে। অৰ্থাৎ পাশ্চাত্য জীৱন আৰু সংস্কৃতিত ব্যাপকভাৱে সোমাইপৰা যন্ত্ৰটোৰ প্ৰতি আমিও সচেতন হ'বলৈ ধৰিছোঁ। বিশেষকৈ শ্ৰীৰাজীৱ গান্ধী প্ৰধানমন্ত্ৰী হোৱাৰ পাছত প্ৰচাৰ মাধ্যমসমূহৰো কম্পিউটাৰ সংবেদনশীলতা বাঢ়িছে।

আধুনিক বিজ্ঞান আৰু বিজ্ঞান-ভিত্তিক প্ৰযুক্তি প্ৰধানতঃ পাশ্চাত্য জগতৰ সৃষ্টি। বিজ্ঞান আৰু প্ৰযুক্তিৰ অন্যান্য অৱদানবোৰৰ দৰে কম্পিউটাৰৰ ক্ৰমবিকাশ আৰু ব্যৱহাৰ পাশ্চাত্যত এক নিৰৱিচ্ছিন্ন ধাৰাৰে আগবাঢ়ি আহিছে। এনিয়াকৰ (প্ৰথম কম্পিউটাৰবোৰৰ এটা) পৰা ৩২-বিট —মাইক্ৰোপ্ৰচেছৰৰ বিকাশ ঘটোতে মাত্ৰ চাৰি দশক লাগিছে; —এই অবিশ্বাস্য দ্ৰুততা সত্ত্বেও পাশ্চাত্য সংস্কৃতিত এই বিকাশ ধাৰাবাহিকভাৱে ঘটিছে। এনে ধাৰাবাহিকতাৰ ফলত যন্ত্ৰটোৰ সামাজিক, আৰ্থিক, সাংস্কৃতিক আৰু অন্যান্য প্ৰভাৱ সম্পৰ্কীয় বিতৰ্কত অইন নালাগে কলা বিষয়ক অতি উচ্চ স্তৰৰ আলোচনীসমূহেও অংশ-গ্ৰহণ কৰিছে (বাৰ্তালোচনীৰ কথা নকলেও হ'ব)। বিজ্ঞানৰ আলোচনীসমূহত কম্পিউটাৰ সম্পৰ্কে নিয়মিত শিতান দেখা যায়, আৰু কম্পিউটাৰৰ লগত জড়িত বিভিন্ন বিষয়ক আলোচনীৰ সংখ্যাও কম নহয়। কম্পিউটাৰক কেন্দ্ৰ কৰি ইনফৰ্মেশ্যন-বিজ্ঞান (Informatics) বুলি নতুন বিষয় এটাৰ জন্ম হৈছে। এনে নিয়ত আলোচনা-সমালোচনা চলি থকা সত্ত্বেও গিগোৰ বিপদ সম্পৰ্কে পাশ্চাত্য সমাজ, বিশ্ববিদ্যালয়, বিজ্ঞানী আৰু সাধাৰণ শিক্ষিত মানুহ যথেষ্ট সজাগ। সেই কাৰণে পৰীক্ষা, পুনঃপৰীক্ষা, পুনঃ পুনঃ পৰীক্ষা নকৰাকৈ কোনো ক্ষেত্ৰতে কম্পিউটাৰ বহুলভাৱে ব্যৱহাৰ কৰা নহয়।

প্ৰযুক্তিৰ পৰিব্যাপন এক ঐতিহাসিক ঘটনা। ষাঠিৰ দশকত পাশ্চাত্যত বহুলভাৱে বৈজ্ঞানিক আৰু বৃহৎ ব্যৱসায়িক কামত ব্যৱহৃত কম্পিউটাৰৰ ব্যৱহাৰ লাহে লাহে আমাৰ দেশতো বাঢ়ি আহে। সত্তৰ দশকতো অসমত কম্পিউটাৰৰ প্ৰচলন কম হৈ আছিল; কিন্তু চলিত দশকত চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানসমূহে বহুতো কম্পিউটাৰ কিনিছে। বিশেষকৈ **মাইক্ৰ' প্ৰচেছৰৰ ব্যৱহাৰৰ ফলত সমগ্ৰ পৃথিৱীতে কম্পিউটাৰৰ দাম অবিশ্বাস্য ধৰণে কমি গৈছে। অৱশ্যে এতিয়াও পাশ্চাত্য দেশৰ তুলনাত আমাৰ ইয়াত বিক্ৰি হোৱা ভাৰতত সংযুক্ত (যদিও Made in India বুলি কোৱা হয়) কম্পিউটাৰবোৰৰ দাম তিনিৰপৰা দহগুণ পৰ্যন্ত বেছি।** বহুতে বিদেশৰপৰা ঘূৰি আহোঁতে দুই-তিনি হাজাৰ ডলাৰ খৰচ কৰি যথেষ্ট শক্তিশালী কম্পিউটাৰ লগত লৈ আহে। বিশেষকৈ ব্যক্তিগত কম্পিউটাৰৰ (সংক্ষেপে P. C. Personal Computer) দ্বাৰা মানুহে এহাত ডবা খেলৰপৰা জটিল সমীকৰণ সমাধানৰ কাম কৰিব পাৰে। তদুপৰি শব্দ-প্ৰচেছৰ, গ্ৰাফিকছ আদিৰ সহযোগত নানা ব্যক্তিগত (চিঠি পত্ৰ টাইপ কৰা, প্ৰবন্ধৰ সম্পাদনা, হিচাপ-পত্ৰ ৰখা ইত্যাদি) আৰু ব্যৱসায়িক কাম P. C.ৰ দ্বাৰা কৰিব পাৰি।

কিন্তু এনে এটা যন্ত্ৰ থাকিলেই কম্পিউটাৰে কৰিব পৰা সকলো কাম মানুহ এজনে কৰিব পাৰিব নে? **এখন ডাঙৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ হিচাপ-পত্ৰ, এটা বিশ্ববিদ্যালয়ৰ পৰীক্ষা আদি কাম-কাজৰ পৰিমাণ, সময়সীমা আৰু অন্যান্য বহুতো কথা থাকে যিবোৰ এটা কম্পিউটাৰ থকা বা কম্পিউটাৰৰ সাধাৰণ জ্ঞান থকা মানুহ এজনে আয়ত্ত কৰিব নোৱাৰিবও পাৰে।** তদুপৰি কম্পিউটাৰ প্ৰগ্ৰেমিঙৰ সাধাৰণ জ্ঞান থকা মানুহ এজনৰ কম্পিউটাৰ ছিষ্টেমৰ জ্ঞান তেনেই চালুকীয়া হ'ব পাৰে; আকৌ কম্পিউটাৰ ছিষ্টেমৰ জ্ঞান থাকিলেও ব্যৱসায় ছিষ্টেম বা পৰীক্ষা ছিষ্টেমৰ জ্ঞান নাথাকিলেও সমস্যা হয়। গিগোৰ উপদ্ৰৱৰ পৰা হাত সাৰিবলৈ বিচাৰিলে প্ৰথমতে অনুষ্ঠান বা প্ৰতিষ্ঠানৰ কৰ্মকৰ্তাসকলৰ কম্পিউটাৰৰ ভাষা ব্যৱহাৰৰ জ্ঞানতকৈ দুই প্ৰকাৰৰ ছিষ্টেম সম্পৰ্কে সাধাৰণ জ্ঞান আৰু সমস্যাবোৰৰ প্ৰকৃতি সম্পৰ্কে ব্যাপক জ্ঞান থাকিব লাগিব।

**দুৰ্ভাগ্যক্ৰমে, আমাৰ বৰগছ নোহোৱা দেশত, বিজ্ঞানৰ বিশেষ সমস্যা সমাধানৰ বাবে শিকা বিশেষ ভাষাৰ (FORTRAN) সাধাৰণ পৰ্য্যায়ৰ জ্ঞানকে কিছুমানে (তিনিদিনৰপৰা তিনি সপ্তাহ 'কম্পিউটাৰ শিক্ষা'ৰ ছাৰ্টিফিকেটো (!) হেনো কিছুমানে যোগাৰ কৰি কম্পিউটাৰ-বিশেষ-অজ্ঞ হৈ উঠিছে) কম্পিউটাৰ বিজ্ঞানৰ জ্ঞান বুলি চলাই দিব পাৰিছে।** এনে প্ৰচেষ্টা অতিশয় হাস্যকৰ। কম্পিউটাৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰতৰ উন্নত ঠাইবোৰ পাশ্চাত্যতকৈ দহ বছৰ আৰু অসম অন্ততঃ বিছ বছৰ পিছ পৰি আছে বুলি কব পাৰি। সেয়েহে প্ৰায় সোতৰ বছৰ পূৰ্বে ইংলণ্ডত বিশ্ববিদ্যালয় এটাত (সেই সময়ৰ) শক্তিশালী IBM. 360/44 যন্ত্ৰ প্ৰতিষ্ঠাৰ অভিজ্ঞতাৰ কথা সুঁৱৰিব খুজিছোঁ। উচ্চ শক্তি নিউক্লীয় পদাৰ্থ বিজ্ঞানৰ গৱেষক ছাত্ৰ হিচাপে এই কামৰ লগত তেতিয়া এই লিখকো জড়িত আছিল।

আমাৰ দহ বাৰজনীয়া সৰু গ্ৰুপটোৰ ব্যৱহাৰৰ বাবে এটা শক্তিশালী কম্পিউটাৰ আহিব লাগিছে— এই সম্ভাৱনাই গ্ৰুপটোক এটা যুদ্ধৰ বাবে সাজু হোৱা কোম্পানিত পৰিণত কৰিছিল। আমাৰ লক্ষ্য আছিল বিভাগটোত কম্পিউটাৰ প্ৰতিষ্ঠা হোৱাৰ ছমাহৰ ভিতৰত যন্ত্ৰটোক প্ৰতি দিনে অন্ততঃ বাৰ ঘণ্টা ব্যস্ত ৰাখিব লাগিব। কেইবাটাও কম্পিউটাৰ থকা বিশ্ববিদ্যালয়ৰ এটা বিভাগৰ (পদাৰ্থ বিজ্ঞান) এটা শাখাৰ (নিউক্লীয় পদাৰ্থ বিজ্ঞান) এটা উপশাখাৰ (উচ্চ শক্তি নিউক্লীয় তথ্য-বিশ্লেষণ) দহ-বাৰজনীয়া দলে সমসাময়িক কালৰ শ্ৰেষ্ঠ কম্পিউটাৰ ছিষ্টেমৰ বাবে নিজকে যোগ্য কৰি তুলিব লাগিব—এই প্ৰত্যাহ্বানে আমাক অন্যান্য কামৰ লগতে গ্লাছগো অক্সফ'ৰ্ড, জেনিভা আদিত থকা অন্যান্য বৃহৎ কম্পিউটাৰত কাম কৰিবলৈ অনুপ্ৰেৰণা দিছিল। এনে কামৰো নমুনা এটা উল্লেখ কৰা ভাল হ'ব।

সপ্তাহত এদিন ৰাতিপুৱাৰ ভাগত বিশ্ববিদ্যালয়ত নিজৰ কাম সমাপন কৰি আৰু গ্ৰুপৰ আটাইৰে কৰিব লগীয়া কামবোৰ বুজি লৈ আবেলি উৰা মাৰিলো গ্লাছগোলৈ। ছয় বজাত গ্লাছগো পাই তাৰ কম্পিউটাৰ কেন্দ্ৰত ৰিপৰ্ট কৰাৰ পাছত দুঘণ্টা ছুটী। সেইখিনি সময়তে খাই লৈ, অসমীয়া ছাত্ৰৰ লগত (গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূবিজ্ঞান বিভাগৰ ড° পৰেশ কুমাৰ চৌধাৰী প্ৰমুখ্যে বহুতো অসমীয়া ছাত্ৰ তেতিয়া তাত আছিল।) দেখা কৰি সন্ধিয়া আঠবজাত ৰাতিৰ শ্বিফটৰ (আঠ বজাৰ পৰা পুৱা আঠ বজালৈকে) কাৰ্যক্ৰমৰ ভাৰ গ্ৰহণ কৰিছিলো। টেপৰ (সংগীতৰ টেপ নহয়) সোঁসোঁৰনি, কাৰ্ড ৰিডাৰ-পাঞ্চাৰৰ খটখটনি, ক'লা কফিৰ কাপৰ শব্দৰ মাজত বহি ইনপুট-আউটপুটৰ আঁচনি, ভুল শুধৰণি আদিত ব্যস্ত থাকোঁতে সুন্দৰী, তন্বী অপাৰেটৰ কেইজনীকো যন্ত্ৰ ছিষ্টেমৰ অংশ যেন লাগিছিল। এনেদৰে দৈত্যাকাৰ, দ্বিতীয় পুৰুষৰ বৃহৎ কম্পিউটাৰ ব্যৱহাৰ কৰি পুৱাৰ উৰাজাহাজ ধৰি পুনৰ বিশ্ববিদ্যালয়ত আবেলি কাম কৰাটো আমি কেইজন মানৰ সাপ্তাহিক কাৰ্যসূচীৰ অংশ হৈ পৰিছিল। ফলস্বৰূপে কম্পিউটাৰ প্ৰতিষ্ঠাৰ এমাহৰ ভিতৰতে দহ ঘণ্টীয়া শ্বিফট এটা সম্পূৰ্ণভাৱে ব্যৱহৃত হৈছিল। আৰু আমাৰ নিজস্ব দীঘলীয়া প্ৰগ্ৰেমসমূহ ৰাতি দহ বজাৰ পাছত নিজে কম্পিউটাৰ চলাই, উজাগৰে থাকি সম্পূৰ্ণ কৰিব লগীয়া হৈছিল। দিনৰ নিৰ্দিষ্ট শ্বিফট (পুৱা আঠ বজাৰ পৰা সন্ধিয়া ছয় বজালৈ) চাকৰিয়ালসকলে চলাইছিল কিন্তু ৰাতিৰ অনিয়মিত শ্বিফটৰ দায়িত্ব লৈছিলো আমি গৱেষক ছাত্ৰসকলে।

এইখিনিতে প্ৰশ্ন উঠে : চৰকাৰ, বিশ্ববিদ্যালয় আৰু অন্যান্য ৰাজহুৱা অনুষ্ঠানে, ৰাজহুৱা টকা (সেই অনুদান কেন্দ্ৰীয় চৰকাৰ, বিশ্ববিদ্যালয় অনুদান আয়োগ বা অসম চৰকাৰ যেয়েই নিদিয়ক কিয়!) **খৰছ কৰি যিবোৰ কম্পিউটাৰ কিনিছে, তেওঁলোকে সেইবোৰ ব্যৱহাৰৰ বাবে সুনিৰ্দিষ্ট আঁচনি লৈছে নে?** এটা কম্পিউটাৰ কিনোতে বিহ লাখ টকা খৰছ হ'লে, বছৰি শতকৰা দহ ভাগ আয় (=দুই লাখ টকা) হ'ব লাগে বুলি ধৰিব পাৰি। অৱশ্যে এই আয় অকল ধনেৰে জোখা নাযায়। জনশক্তি সৃষ্টি, গৱেষণাৰ গুণগত উন্নতি, চৰকাৰী অফিছৰ দক্ষতা বৃদ্ধি আদিৰেও এনে আয়ৰ পৰিমাণ জুখিব পাৰি। কিন্তু ব্যক্তিগত খণ্ডৰ বাহিৰে, এনে ধৰণৰ উন্নতি এতিয়ালৈকে চকুত পৰা নাই। **চৰকাৰী আৰু অৰ্ধ চৰকাৰী অনুষ্ঠানৰ বেছিভাগ কম্পিউটাৰৰ ব্যৱহাৰৰ পৰিমাণ হাস্যকৰভাৱে কম।**

গিগোৰ উপদ্ৰৱৰ অন্য এটা উদাহৰণ দিব পাৰি। গুৱাহাটী বিশ্ববিদ্যালয়ে যোৱা দুবছৰে প্ৰাক-বিশ্ববিদ্যালয় কলা বিভাগৰ পৰীক্ষা কম্পিউটাৰেৰে উলিওৱাৰ গৌৰৱৰ অধিকাৰী হ'বলৈ যত্ন কৰিছে। কিন্তু পলম, ভুল ৰিজাল্ট, ভুল মাৰ্কশ্বিট আদিৰ উপদ্ৰৱত প্ৰাৰ্থী আৰু অভিভাৱকসকলে তৰণি পোৱা নাই। যিসকলে পাৰে চিঠি লিখি, গালি পাৰি মনৰ দাহ শাঁত পেলাইছে। কিন্তু কোন দায়ী? উপাচাৰ্য, পৰীক্ষা

৫৭ পৃষ্ঠাত চাওক

OKDISCD

# অসমত এক শ্ৰেণীৰ ব্যৱসায়ীৰ লুণ্ঠন প্ৰক্ৰিয়াৰ বিচাৰ আৰু বিকল্পৰ সন্ধান

পৰাগ কুমাৰ দাস

ভাৰতবৰ্ষৰ সংবিধানে প্ৰতিজন ভাৰতীয় নাগৰিকক ভাৰতবৰ্ষৰ সকলো ঠাইতে অবাধে বিচৰণ, সংস্থানৰ সন্ধান আৰু ব্যৱসায়-বাণিজ্যৰ অধিকাৰ দিছে। সেই পিনৰ পৰা অনা-অসমীয়া ব্যৱসায়ীয়ে অসমত ব্যৱসায় কৰি থকা কথাটোত আমাৰ আপত্তি কৰিবলগীয়া দৰাচলতে একো থাকিব নোৱাৰে। তাকে আকৌ বহুক্ষেত্ৰত অসমীয়া মানুহৰ ব্যৱসায়িক মনোবৃত্তি আৰু দক্ষতাৰ অভাৱৰ নিমিত্তেই আৰম্ভণিৰ পৰ্যায়ত অসমীয়া মানুহখিনিয়ে অনা-অসমীয়া ব্যৱসায়ীসকলক আশীৰ্বাদ হিচাপেহে লৈছিল। কিন্তু সময়ত গৈ আজি অনা-অসমীয়া ব্যৱসায়ীসকলৰ, বিশেষকৈ এটা সম্প্ৰদায়ৰ ব্যৱসায়ে অসমত এনে এটা ৰূপ লৈছে যে সি ব্যৱসায়ৰ পৰিবৰ্তে এটা পূৰ্ণ বিকশিত নিৰবচ্ছিন্ন লুণ্ঠন আৰু শোষণ প্ৰক্ৰিয়াতহে পৰিগণিত হৈছেহি। অনা-অসমীয়া ব্যৱসায়ীৰ অসমত ব্যৱসায় কৰাৰ সাংবিধানিক অধিকাৰ হয়তো আছে, কিন্তু চৰকাৰী যন্ত্ৰৰ পৃষ্ঠপোষকতাত অবাধে শোষণ আৰু লুণ্ঠন প্ৰক্ৰিয়া এটা চলাই যোৱাৰ অধিকাৰ নিশ্চয় নাই। অসমত যোৱা প্ৰায় এটা শতিকা ধৰি চলা বিশেষ একশ্ৰেণীৰ ব্যৱসায়ীৰ ব্যৱসায়ৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰা জনে আজি হয়তো আনকি অসমত অনা-অসমীয়া ব্যৱসায়ীৰ ব্যৱসায় কৰাৰ সাংবিধানিক অধিকাৰৰ বিষয়েও প্ৰশ্ন তুলিব খুজিব; কাৰণ, অধিকাৰৰ অপব্যৱহাৰেই সদায় কৰ্তনৰ যুক্তিক প্ৰতিষ্ঠা কৰে। অসমৰ সাম্প্ৰতিক ব্যৱসায়িক জগতখনৰ পৰিপ্ৰেক্ষিতত আজি আমি 'ব্যৱসায়ীৰ জাত এক্টোাই' —বোলা কথাষাৰো আনকি মানি ল'বলৈ টান পাইছোঁ আৰু মাৰ্ক্সীয় ভাবপন্থাৰ বিপৰীতে গৈ অসমীয়া বুৰ্জোৱা আৰু ৰাষ্ট্ৰীয় বুৰ্জোৱাৰ মাজত সাময়িকভাৱে হ'লেও প্ৰভেদ আনিব খুজিছোঁ। একো একোটা জাতিৰ, একো একোটা অঞ্চলৰ প্ৰগতিৰ ক্ষেত্ৰত ব্যৱসায়-বাণিজ্যই এক সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব পাৰে; কিন্তু অসমৰ অনা-অসমীয়া ব্যৱসায়ীসকলৰ 'ব্যৱসায়' প্ৰক্ৰিয়াটো সম্পূৰ্ণৰূপে অসমবিমুখী আৰু আত্মকেন্দ্ৰিক হোৱাৰ নিমিত্তেই আমি সেই সুসমৃদ্ধ ব্যৱসায়-বাণিজ্যৰ গুণক বিপাকৰ (multiplier effect) পৰা বঞ্চিত হ'লো। আজি ইমান বছৰ ধৰি অৰ্থৰ প্ৰলোভনেৰে দিছপুৰৰ মুখত সোপা দি ৰাখি অসমীয়া মানুহৰ জাতিগত দুৰ্বলতা কিছুমানৰ সুযোগ লৈ ৰাষ্ট্ৰীয় বুৰ্জোৱা শ্ৰেণীটোৱে ব্যৱসায়ৰ নামত অসমত যি লুণ্ঠন প্ৰক্ৰিয়া অব্যাহত ৰাখিছে, তাক আমি আৰু কিমান দিন দেখিও নেদেখাৰ ভাও ধৰি থাকিব লাগিব? 'অসমীয়া মানুহৰ তেজত ব্যৱসায় নাই' বোলা কথাষাৰ এটা সময়লৈ আমি হয়তো স্বীকাৰ কৰি ল'ব লগীয়া হৈছিল;— কাৰণ বিপনী অৰ্থনীতিৰ (market economy) প্ৰভাৱলৈ পলমকৈ অহা সকলৰ সৈতে ফেৰ মাৰি ব্যৱসায় কৰিবলৈ আৰম্ভণিতে নিশ্চয় অসুবিধা পাইছিল, আৰু সেয়েহে এটা সময়লৈকে অনা-অসমীয়া ব্যৱসায়ীৰ স্বৰূপটো বুজি পায়ো আনকি অসমৰ অৰ্থনৈতিক প্ৰক্ৰিয়াটো বজাই ৰাখিবৰ নিমিত্তেই আমি তেওঁলোকৰ ক্ৰিয়া-কাণ্ড-অস্তিত্বক স্বীকৃতি দিব লগীয়া হৈছিল। কিন্তু এতিয়া আৰু নিশ্চয় সেই কথা কেতিয়াও প্ৰযোজ্য হ'ব নোৱাৰে। আজি ইমান দিন ধৰি এইটো আমাৰ অভিমত আছিল যে, নিৰ্বাচনী প্ৰক্ৰিয়াটোৰ পৰা আৰম্ভ কৰি প্ৰতিটো পৰ্যায়তে অৰ্থবলেৰে শাসক দলক নিজৰ হাতত ৰখা এই ব্যৱসায়ী গোষ্ঠীটোৰ আমি দৰাচলতে নোম পৰ্যন্তও লৰাব নোৱাৰোঁ। আৰু সেয়েহে, তেওঁলোকৰ গোটেই শোষণ আৰু লুণ্ঠন প্ৰক্ৰিয়াটো, ব্যৱসায়ৰ নামত চলা চোৰাং কাৰবাৰ, এই আটাইবোৰকে ভাৰতীয় গণতন্ত্ৰৰ অন্য এক অৱশ্যম্ভাৱী বিপত্তি (necessary evil) বুলি মানি লোৱাৰ বাহিৰে আমাৰ আৰু কোনো উপায় নাছিল। কিন্তু এতিয়া সময়ৰ সলনি হৈছে;— এইবাৰ যিহেতু আমি দিছপুৰত এই ব্যৱসায়ী গোষ্ঠীৰ অনুগ্ৰহ নিবিচৰাকৈয়ে কেৱল মাত্ৰ ৰাইজৰ অৰ্থবল আৰু মনোবলৰ সহায়তে নিজৰ চৰকাৰ এটাক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছোঁ, গতিকে নতুন চৰকাৰটো এতিয়া আৰু ৰাষ্ট্ৰীয় বুৰ্জোৱা গোষ্ঠীটোৰ অনুগ্ৰহত চলাৰ প্ৰশ্ন উঠিব নোৱাৰে; এইটো অসমৰ মংগলকামী প্ৰত্যেকৰে বাবে এটা যুক্তিযুক্ত বাঞ্ছা। আৰু তাৰেই পৰিপ্ৰেক্ষিতত আজি নিৰপেক্ষ দৃষ্টিৰে অসমত এই ব্যৱসায়ী গোষ্ঠীটোৰ ব্যৱসায়ৰ প্ৰকৃত স্বৰূপ বিশ্লেষণৰ সময় হৈছে। ইয়াৰ ওপৰত ভিত্তি কৰি ৰাইজৰ চৰকাৰে ইমান দিন ধৰি ৰাইজৰ ওপৰত চলি অহা শোষণ প্ৰক্ৰিয়াটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা ল'ব পাৰে। মিঠা কথাৰে গ্ৰাহকৰ মন মুহি এই ব্যৱসায়ীসকলে গোটেই শোষণ প্ৰক্ৰিয়াটো ইমান শীতল কৰি ৰাখিছে যে, শোষিত হৈ থকাৰ পাছতো যেন আমি তেওঁলোকৰ ওপৰত সন্তুষ্ট; বাহিৰত দুশ টকাত কিনি অনা কাপোৰখন আমি ইয়াত আঠশ টকাত কিনোতে 'ইমান দাম কিয় হ'ল' বুলি ওলোটাই সোধাৰ প্ৰয়োজন বোধ নকৰোঁ। চতুৰ ব্যৱসায়ী গোষ্ঠীটোৱে অসমত তেওঁলোকৰ শোষণ প্ৰক্ৰিয়াটো গজগজীয়া কৰাৰ ক্ষেত্ৰত দৰাচলতে আমাৰ কিছুমান মিছা আভিজাত্য, কায়িক শ্ৰমৰ মৰ্যাদা দিব নোখোজা মনোবৃত্তি ইত্যাদি জাতিগত দুৰ্বলতাসমূহেই সদায়ে প্ৰচুৰ অৰিহণা যোগাই আহিছে, আৰু সেয়েহে আজি এই শোষক গোষ্ঠীটোৰ শোষণৰ প্ৰকৃত স্বৰূপ উদঙাই দিয়াৰ লগতে আমাৰ আত্মবিশ্লেষণৰো প্ৰয়োজন হৈছে। দিল্লী-বোম্বাই চহৰৰ নিচিনাকৈ জকাইচুকৰ গুৱাহাটী চহৰতো আজি ক'লা ধনৰ যি পয়োভৰ ঘটিছে, দুষ্ট ব্যৱসায়ী শ্ৰেণীটোৱে যি এটা সমান্তৰাল অৰ্থনীতি (parallel economy) গঢ়ি তুলিব পাৰিছে, সেইয়া আমাৰ সহযোগিতা নহ'লে সম্ভৱপৰ হ'লহেঁতেন জানো? দলিলত দহ হাজাৰ টকা লিখি মেজৰ তলেৰে লাখ লাখ টকা লৈ গোটেই অঞ্চলটোৰ মাটিখিনি বিক্ৰি কৰি দি ক'লা টকাৰ বিনিয়োগৰ প্ৰক্ৰিয়াটো আমিয়েই সহজ কৰি দিয়া নাই নে? ডাঙৰ ডাঙৰ দোকানলৈ গৈ কেইটকা মান কমত পালো বুলিয়েই কৰ ফাঁকি দিয়া বস্তুখিনি কিনি চোৰাং ব্যৱসায়ৰ বজাৰখন আমিয়েই সুচল কৰি দিয়া নাইনে? ব্যক্তিগত ব্যৱসায়ীৰ খুচুৰা ব্যৱসায়ৰ বিকল্প হিচাপে গঢ়ি তোলা চৰকাৰী বিপণীসমূহ গ্ৰাহকৰ অৱহেলা আৰু নিৰপেক্ষ মনোবৃত্তিৰ নিমিত্তেই আজি মৃতপ্ৰায় অৱস্থাত পৰা নাই জানো? আমাৰ এই আটাইবোৰ দোষ-গুণ যুক্তি সহকাৰে বিশ্লেষণৰ প্ৰয়োজন আজি এই বাবেই হৈছে যে, উক্ত ব্যৱসায়ীসকলৰ শোষণ প্ৰক্ৰিয়াটো উদঙাই দিয়াৰ মুহূৰ্তত বিকল্প ব্যৱস্থা এটা আমিয়েই আগবঢ়াব লাগিব;— কাৰণ ৰাজ্যখনৰ অৰ্থনীতি বৰ্তি থাকিবৰ নিমিত্তে ব্যৱসায়-বাণিজ্যৰ প্ৰক্ৰিয়াটো এক মুহূৰ্তও আমি বন্ধ হৈ যাবলৈ দিব নোৱাৰোঁ। বিকল্প ব্যৱস্থাৰ আলোচনালৈ অহাৰ আগতে আমি উক্ত ব্যৱসায়ী গোষ্ঠীটোৱে গঢ়ি তোলা সমান্তৰাল অৰ্থনীতিৰ সাম্ৰাজ্যখনৰ এটা যথাসম্ভৱ পূৰ্ণ পৰ্যবেক্ষণ কৰিব খুজিছো। যদিওবা আমাৰ তথ্যভিত্তিক পৰ্যবেক্ষণখিনি অসমৰ ব্যৱসায়ৰ মূল কেন্দ্ৰ ফাঁচীবজাৰতে আবদ্ধ, কিন্তু তাৰ সিদ্ধান্তবোৰ অসমৰ যিকোনো ঠাইৰ নিমিত্তেই প্ৰযোজ্য; কাৰণ অসমৰ অইন ব্যৱসায়িক কেন্দ্ৰবোৰ দৰাচলতে হৈছে ফাঁচীবজাৰখনৰ বিকাশ প্ৰক্ৰিয়াটোৰ একো একোটা স্তৰৰ সংস্কৰণ মাত্ৰ। আমি আমাৰ আলোচনা মূলতঃ এটা বিশেষ গোষ্ঠীৰ ব্যৱসায়ীৰ ওপৰতে আৱদ্ধ ৰাখিব খুজিছোঁ। এই বাবেই যে, অসমৰ ব্যৱসায়ৰ সিংহ ভাগ এতিয়াও দৰাচলতে তেওঁলোকৰ নিয়ন্ত্ৰণাধীন।

বৃটিছসকল অসমলৈ অহাৰ পাছতে কিছুমান ব্যৱসায়ী জাহাজেৰে অসমলৈ আহে। অসমীয়া মানুহখিনিয়ে বৃটিছৰ লগে লগে অহা আৰ্থ-সামাজিক দ্বৈতবাদৰ (socio economic dualism) মাজত নিজকে হেৰুৱাই পেলোৱাৰ সুযোগতে এই ব্যৱসায়ীসকল কোনো অসুবিধা নোহোৱাকৈয়ে অসমত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল। গুৱাহাটীত এইসকল লোক প্ৰথমতে উজানবজাৰৰ এতিয়াৰ চক্ৰাকাৰ দেৱালয়ৰ ওচৰত আগতে যিটো পুৰণি জাহাজঘাট আছিল, তাৰ আশে-পাশে বহিছিল। পাছত উনবিংশ শতিকাৰ শেষ ভাগত অসমলৈ প্ৰথম ৰেল অহাৰ লগে লগে জাহাজঘাটৰ গুৰুত্ব লাহে লাহে কমি আহিল, আৰু এওঁলোক ফাঁচীবজাৰলৈ উঠি আহিল। ফাঁচীবজাৰত কিছুমান মধ্যৱৰ্তী ব্যৱসায়ী বহিল;— গুৱালকুচি আদিৰ নাৰবীয়া কিছুমানে উজনি অসমৰপৰা সৰিয়হ, মাহ আদি নাৱেৰে আনি ফাঁচীবজাৰৰ বৰগোলাত জমা দিয়ে আৰু তাৰ বিনিময়ত প্ৰথমতে কিছু খৰচ আৰু নিমখ-তেল আদি লৈ গুচি যায়। ব্যৱসায়ৰ নিয়ম আছিল এনেকুৱা: অসমীয়া নাৰবীয়াসকলে বস্তু আনি বৰগোলাত জমা দিয়াৰ পাছত তেওঁলোকক কোৱা হয় যে, তোমালোকে এতিয়া খৰচৰ বাবদ কিবা এটা লৈ যোৱা, পাছত তোমালোকৰ বস্তুৰ ভাল দাম পালে বিক্ৰি কৰি পইচাখিনি তোমালোকৰ নামত থৈ দিম; অহাবাৰ আহোঁতে লৈ যাবা। সৰল নাৰবীয়াসকলে সেই ব্যৱস্থাতেই সন্তুষ্ট;— কিমান দামত বস্তুখিনি বিক্ৰি হ'ল, কিমান বস্তু আছিল, সেইবোৰ কথা ভৰাৰ প্ৰশ্নই নুঠিল;— আৰু তেনেকৈয়ে প্ৰথম শোষণ প্ৰক্ৰিয়াটো অসমত আৰম্ভ হ'ল। লাহে লাহে এই ব্যৱসায়ীসকলে ফাঁচীবজাৰত মাটি কিনিবলৈ আৰম্ভ কৰিলে। ত্ৰিছৰ দশকত গুৱালকুছি আৰু সৰ্থেবাৰীৰ দুই-চাৰিঘৰ অসমীয়া ব্যৱসায়ীৰ বাহিৰে ফাঁচীবজাৰত অসমীয়া মানুহৰ দোকান প্ৰায় নাছিলেই। কিন্তু দ্বিতীয় মহাসমৰৰ শেষৰ পিনে (১৯৪২ চন) বহুত বাহিৰৰপৰা অহা ব্যৱসায়ী ভয়তে অসম এৰি গুচি গৈছিল আৰু তেতিয়া জিলা প্ৰশাসনে বাধ্য হৈ যুদ্ধৰ সময়ত নিত্য-ব্যৱহাৰ্য সামগ্ৰীবিলাকৰ যোগান অব্যাহত ৰাখিবৰ নিমিত্তেই বহুতো অসমীয়া মানুহক ফাঁচীবজাৰত দোকান খুলি দিলে। তেনেকৈয়ে দুই-চাৰিজন অসমীয়া ডেকা ব্যৱসায়ত নামিল; কিন্তু বেছি ভাগেই অলপ পইচা হ'লত ব্যৱসায় এৰি দি গুচি গ'ল। যুদ্ধৰ সময়ত বহা দুই-চাৰিখন অসমীয়া মানুহৰ দোকান এতিয়াও কিন্তু ফাঁচীবজাৰত সুপ্ৰতিষ্ঠিত হৈ আছে। দ্বিতীয় মহাযুদ্ধৰ সময়তে অসমত পোনপ্ৰথমবাৰৰ বাবে নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ প্ৰবৰ্তন হয় আৰু তাৰ আলমতে কেইবছৰমানলৈ 'পাৰমিটৰ যুগ' এটা চলে। বৃটিছ চৰকাৰৰ দিনতো আৰু স্বাধীনতা লাভৰ

OKDISCD

পাছত চৰকাৰে অসমীয়া মানুহখিনিক ব্যৱসায়ত উৎসাহ যোগোৱাৰ উদ্দেশ্যেৰে পাৰমিট আদি দিয়াৰ ক্ষেত্ৰত উদাৰ নীতি অৱলম্বন কৰিছিল। কিন্তু অসমীয়া মানুহৰ হাতত ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় মূলধন নথকাত বহুতে পাৰমিটবোৰ ইতিমধ্যে গজ-গজীয়া হৈ পৰা ব্যৱসায়ীক বিক্ৰি কৰি দি নিজে 'কমিশ্যন এজেণ্ট' ৰূপে বৰ্তি আছিল। উদাহৰণ স্বৰূপে, চল্লিছ আৰু পঞ্চাছৰ দশকত কাপোৰৰ ওপৰত নিয়ন্ত্ৰণ চলা সময়ত চৰকাৰে অনেক অসমীয়া মানুহক একো একোটা allotment দি দিছিল আৰু সেই অনুযায়ী তেওঁলোকে বাহিৰৰপৰা কাপোৰ আনি অসমত বিক্ৰি কৰাৰ অনুমতি পাইছিল। কিন্তু মূলধন নথকাত তেওঁলোক ধনী ব্যৱসায়ীৰ লগ লাগিবলগীয়া হ'ল। সেই সময়তে ব্যৱসায় আৰম্ভ কৰা এতিয়াৰ প্ৰখ্যাত ব্যৱসায়ী শ্ৰীদীনবন্ধু তালুকদাৰে কথাবোৰ সুঁৱৰি আমাক কৈছিল: "পাৰমিটখন আৰম্ভণিতে আমিয়েই পাইছিলো, কাৰণ চৰকাৰৰ তেতিয়া নীতিয়েই আছিল ব্যৱসায়ত অসমীয়া মানুহক উৎসাহ যোগোৱাটো। কিন্তু আমি নিজে ব্যৱসায় কৰিবলৈ আমাৰতো capacity নাছিল, গতিকে তেওঁলোকৰ লগ লাগিলো। আৰু এটা সময়ত গৈ আচল অৰ্থত আমি তেওঁলোকৰ employeeৰ দৰে খাটিবলগীয়া হৈছিল; লাভৰ দু অনা আমি পাইছিলো আৰু প্ৰায় ১৪ অনাই তেওঁলোকে লৈছিল।" তাৰ মাজতো কিন্তু দুই-এজন উদ্যোগী অসমীয়া ডেকা ব্যৱসায়ীয়ে গা কৰি উঠিছিল। কিন্তু ইতিমধ্যে বেংকবোৰ মৰিবলৈ আৰম্ভ কৰিলে; গুৱাহাটী বেংক তেতিয়া অনেক অসমীয়া ব্যৱসায়ীৰ ভাৰসাৰ থল আছিল। এই বেংকে সেই সময়ত অনেক অসমীয়া ডেকা ব্যৱসায়ীক মূলধনেৰে সহায় কৰিছিল। বেংকটো দেউলীয়া হৈ যোৱাৰ লগে লগে বহুতো অসমীয়া ব্যৱসায়ী ব্যৱসায় বন্ধ কৰিবলৈ বাধ্য হ'ল। একে সময়তে কলিকতা কৰ্মাছিয়েল বেংক, কুমিল্লা ইউনিয়ন বেংক আদি কলিকতীয়া বেংকবোৰো মৰিবলৈ আৰম্ভ কৰে আৰু সেই ঘটনাই অসমত ইতিমধ্যে মূলধন আহৰণ কৰিলোৱাসকলৰ একচেটিয়া ব্যৱসায় সাব্যস্ত কৰাত অৰিহণা যোগালে। দ্বিতীয় মহাসমৰৰ আশীৰ্বাদত ব্যৱসায় আৰম্ভ কৰা প্ৰায়ভাগ অসমীয়া ব্যৱসায়ীৰে চিন-চাব নোহোৱা হৈ গ'ল।

কিন্তু সেইখিনি প্ৰতিকূল অৱস্থাৰ মাজতো দৰাচলতে অলপ কষ্ট কৰা-হেঁতেন অসমীয়া ব্যৱসায়ীসকল তিষ্ঠি থাকিব পাৰিলেহেঁতেন। দ্বিতীয় মহাযুদ্ধৰ সময়ত কিছুমান অসমীয়া মানুহে যথেষ্ট ধন উপাৰ্জন কৰিছিল; গতিকে মূলধনৰ অভাৱ বোলা কথাষাৰ সকলোৰে ক্ষেত্ৰত আচলতে প্ৰযোজ্য নাছিল। অভাৱ আছিল অসমীয়া মানুহৰ মনোবল আৰু ধৈৰ্যৰহে; প্ৰায়বোৰেই অলপ পইচা কৰিয়েই উপভোগত ব্যস্ত হৈ পৰিল। ষাঠী আৰু সত্তৰৰ দশকত ফাঁচী বজাৰৰ প্ৰায়বোৰ অসমীয়া ব্যৱসায়ীয়েই ভাল ভাৰা পাই ব্যৱসায় এৰি দোকানবোৰ লোকক ভাৰালৈ দিলে। এতিয়াও ফাঁচীবজাৰৰ অনেক দোকান ঘৰৰ মালিক অসমীয়া মানুহ; কিন্তু গোটেই ফাঁচীবজাৰখনত এতিয়া অসমীয়া মানুহৰ দোকান আছে মাত্ৰ পয়ত্ৰিছখন মান। সচ্ছল, মাটি বিক্ৰি নকৰাকৈও চলিব পৰা মানুহবিলাকেও ভাল দাম পাই আনকি ব্যৱসায়-কেন্দ্ৰৰ মাটিবিলাকো বিক্ৰি কৰি দিলে; দিন্তু নিজে সেই মাটিখিনিত যে দহগুণ লাভৰ ব্যৱসায় কৰিব পাৰিলেহেঁতেন, সেই কথা কোনেও এবাৰো ভাবি নাচালে। অসমীয়া মানুহৰ অদূৰদৰ্শিতাৰ সুযোগ লৈ মাটি কিনা ব্যৱসায়টোৱেই আজি অনা-অসমীয়া ব্যৱসায়ী গোষ্ঠীটোৰ ক'লা ধন বিনিয়োগৰ সৰ্বোৎকৃষ্ট উপায়ত পৰিণত হৈছেগৈ। অলপ ধনৰ আশাতে আমি আজি ভেটিৰ মাটি পৰ্যন্ত যথে-মধে বিক্ৰি কৰিবলৈ আৰম্ভ কৰিছোঁ আৰু তেওঁলোকে ভৱিষ্যতে প্ৰচুৰ লাভৰ আশাত য'তেই পাইছে মাটিবোৰ কিনিবলৈ আৰম্ভ কৰিছে। ফাঁচীবজাৰৰ অসমীয়া ব্যৱসায়ী শ্ৰীনাৰায়ণ দাসে আজি কিছু বছৰ আগতে এজন মাৰোৱাৰীলোকৰপৰা জেইল ৰোডৰ ওচৰত দুকঠা মাটি কিনিছিল। মাটি হস্তান্তৰৰ পাছদিনাই সেই খবৰ পাই ফাঁচী বজাৰৰ মাৰোৱাৰী মানুহখিনিৰ সভা বহিল; মাটি-

**আজি যদি চৰকাৰে গোটেই গুৱাহাটী আৰু তাৰ আশে-পাশে পঞ্জীভুক্ত নোহোৱাকৈ থকা গুদামঘৰবোৰ 'ছিল' কৰাৰ সিদ্ধান্ত লয়, এফালৰপৰা প্ৰতিটো গুদাম খানাতালাচ কৰি হিচাপত নথকা আটাইবোৰ সামগ্ৰী বাজেয়াপ্ত কৰাৰ সিদ্ধান্ত লয়, আৰু লগতে কেইমাহমানৰ বাবে যদি যিকোনো সময়তে এনেদৰে খানাতালাচ কৰাৰ ব্যৱস্থা লয়, তেতিয়া হ'লে দৰাচলতে আমি অনায়াসে গোটেই চোৰাং কাৰবাৰৰ প্ৰক্ৰিয়াটো বন্ধ কৰিব পাৰোঁ।।**



খিনি বিক্ৰি কৰা বাবে সেই মানুহজনক তীব্ৰ গৰিহণা দিয়া হ'ল আৰু তেওঁক কোৱা হ'ল যে যি পইচা লাগে তেওঁলোকেই দিব, দুগুণ দাম দি হ'লেও মাটিখিনি পুনৰ কিনি ল'ব লাগে। নাৰায়ণ দাসে অৱশ্যে দুগুণ দাম পায়ো মাটিখিনি ঘূৰাই দিবলৈ অস্বীকাৰ কৰিলে।

এই ব্যৱসায়ী গোষ্ঠীৰ বজাৰ নিয়ন্ত্ৰণ কৰা ক্ষমতা আজি ইমান বেছি সুসংগঠিত আৰু সুদূৰপ্ৰসাৰী হৈ পৰিছে যে, ইয়াৰপৰা মুক্ত হ'বৰ নিমিত্তে ক'ৰপৰা দৰাচলতে আৰম্ভ কৰিব লাগিব তাৰ বিচাৰ কৰি উলিওৱাটোৱেই অতি দুঃসাধ্যজনক হৈ পৰিছে। তেওঁলোকৰ প্ৰতিটো বেআইনী ব্যৱসায়ৰ লগতে একো একোজন চৰকাৰী বিষয়া, একো-একোজন নেতৃস্থানীয় লোক জড়িত হৈ আছে; দুটা পইচাৰ আশাতে আমি তেওঁলোকৰ হাতত অসমখন সমূহীয়াভাৱে বিক্ৰি কৰি দিছোঁ। গুৱাহাটীৰ ওচৰে-পাজৰে নিতৌ একোটা পঞ্জীভুক্ত নোহোৱা বেআইনী গুদাম হ'ব ধৰিছে, তালৈ কোনো চৰকাৰী বিভাগৰ ভ্ৰূক্ষেপ নাই; আঠগাঁৱৰ গুদামৰ ভিতৰতে ছিমেণ্টৰ বস্তা খুলি তাত অইন পদাৰ্থ মিহলাই পুনৰ মেছিনেৰে চিলাই কৰি তাকে ফাঁচীবজাৰত বিক্ৰি কৰা হৈছে, সেইবোৰলৈ কাৰো কাণষাৰেই নাই; ক'লা বজাৰত গুৱাহাটীৰ মাটিবোৰ এক অদ্ভুত আকাশলংঘী মূল্যত বিক্ৰি হ'বলৈ ধৰিছে, তাতো বাধা দিবলৈ কোনো নাই। তাতোকৈ ডাঙৰ কথা, ব্যক্তিগত ব্যৱসায়ীৰ লুণ্ঠন প্ৰক্ৰিয়াৰ বিকল্প হিচাপে গঢ়ি তোলা চৰকাৰী প্ৰতিষ্ঠানসমূহেই আকৌ চৰকাৰৰ পৃষ্ঠপোষকতা নাপায়। গাঁৱৰপৰা গুৱাহাটীলৈ বজাৰ কৰিবলৈ অহা হেজা মানুহখিনি অসৎ ব্যৱসায়ীৰ হাতত সদায়ে ঠগ খোৱা কথাটোলৈ লক্ষ্য ৰাখি ষ্টেটফেডে মাছখোৱাত সকলো নিত্য-ব্যৱহাৰ্য সামগ্ৰী উচিত দৰত গাঁৱৰ মানুহে পাব পৰাকৈ এখন বিপণী খোলাৰ সিদ্ধান্ত লৈছিল; কিন্তু মাটি এটুকুৰাৰ বাবে গুৱাহাটী পৌৰ নিগমৰ ওচৰত আনুষ্ঠানিকভাৱে টকা-পইচা সহ আবেদন কৰা সত্ত্বেও কাৰোবাৰ প্ৰৰোচনাত পৰি পৌৰ নিগমে আজিলৈকে এনেকুৱা এক জনহিতকৰ কামৰ নিমিত্তেও ষ্টেটফেডক মাটি টুকুৰা নিদিলে। উচিত মূল্যত উচ্চ মানৰ সামগ্ৰী বিক্ৰি কৰিব পৰাৰ নিমিত্তে ষ্টেটফেডে আনকি প্ৰতিৰক্ষা বিভাগৰ পৰাও যোগানৰ ফৰমাছ লাভ কৰিবলৈ সক্ষম হৈছে। ফৰমাছৰ আকাৰো যথেষ্ট শকত; —তৃপ্তি বনস্পতি প্ৰায় ১০০০ মেট্ৰিক টন, চাহপাত ১১০০ মে. টন, ৰহৰ, বুট আৰু মগু ৫০০ মে. টনকৈ। প্ৰতিৰক্ষা বিভাগৰ ফৰমাছ যোগাবলৈ সক্ষম হোৱা ষ্টেটফেডক কিন্তু অসম পুলিছ বিভাগে যোগানৰ ফৰমাছ নিদিয়ে! ষ্টেটফেডৰপৰা কম মূল্যত যোগান দিব পাৰিম বুলি কেইবাবাৰো আবেদন জনোৱা সত্ত্বেও অসম পুলিছে সদায়ে ৰেছনৰ বাবে নিকৃষ্ট মানৰ সামগ্ৰী উচ্চদামত মুকলি বজাৰৰ পৰা কিনি আহিছে। তাৰ কাৰণ মাত্ৰ এটাই

চৰকাৰী প্ৰতিষ্ঠান ষ্টেটফেডে সংশ্লিষ্ট বিষয়াক 'সন্তুষ্ট' কৰিব নোৱাৰে। তেনেদৰে কেন্দ্ৰীয় চৰকাৰৰপৰা এখন বিশেষ জাননীযোগে (ছাকুৰ্লাৰ নম্বৰ 15013/3/82-N. T. C. তাৰিখ ২৭/১২/৮৩) প্ৰত্যেক চৰকাৰী বিভাগকে এইবুলি নিৰ্দেশ দিয়া আছে যে চৰকাৰী বিভাগসমূহে তেওঁলোকৰ বাবে প্ৰয়োজনীয় সকলো কাপোৰ প্ৰথম নিবিদাৰ ভিত্তিত (first tender basis) মুকলি বজাৰত নিবিদা আহ্বান নকৰাকৈয়ে জাতীয় বস্ত্ৰ নিগমৰ (National Textile Corporation, চমুকৈ N. T. C.) পৰা কিনিব লাগিব। এই জাননীখন বাহাল থকা সত্ত্বেও অসম পুলিছ বিভাগে প্ৰতি বছৰে বহুকোটি টকাৰ কাপোৰৰ নিবিদা মুকলি বজাৰত আহ্বান কৰি আহিছে। ১৯৮৫ চনৰ ১ ফেব্ৰুৱাৰী তাৰিখে তেনেদৰে কেইবা লাখ মিটাৰ কপাহী কাপোৰৰ নিমিত্তে অসম পুলিছে মুকলি বজাৰত নিবিদা আহ্বান কৰে। বস্ত্ৰ নিগমৰপৰা তেতিয়া উক্ত জাননীখনৰ উল্লেখ কৰি এই কাৰ্য চৰকাৰী নিৰ্দেশৰ বিপৰীতে যোৱা বুলি জনোৱা সত্ত্বেও পুলিছ বিভাগে সিদ্ধান্ত অব্যাহত ৰখাত নিগমেও নিজৰ নিবিদা আগ বঢ়ায়। ১৩ মাৰ্চ তাৰিখে নিবিদা খোলাৰ মুহূৰ্তত অন্ততঃ white dril pantingঅৰ ক্ষেত্ৰত জাতীয় বস্ত্ৰ নিগমে উদ্ধৃত কৰা মূল্য সবাতোকৈ কম (প্ৰতি মিটাৰত ১০.৬০ টকা) আছিল, কিন্তু এবিধ বস্ত্ৰৰো ফৰমাচ নিগমক দিয়া নহ'ল। তেনেদৰে, পলিয়েষ্টাৰ কটন কাপোৰৰ নিমিত্তে ১০।৮।৮৫ তাৰিখে মুকলি বজাৰত নিবিদা আহ্বান কৰা হয় আৰু Purchase Boardঅৰ সভা বহাৰ আগতে বস্ত্ৰ নিগমে আটাই কেইবিধ বস্ত্ৰ সবাতোকৈ কম মূল্যত দিব পাৰিম বুলি জনোৱা সত্ত্বেও বহু লাখ টকাৰ মূল্যৰ সেই ফৰমাছ নিগমে নাপালে। অসম পুলিছৰ দৰে চৰকাৰী প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ বাবে প্ৰয়োজনীয় কোটি কোটি টকাৰ মূল্যৰ বস্ত্ৰ দৰাচলতে বস্ত্ৰ নিগমৰ জৰিয়তে মিলৰ দামতে (ex factory price) কিনি আনিব পাৰে; কিন্তু তাকে নকৰি তেওঁলোকে আজিলৈকে সদায় কোনো অসমীয়া কমিশ্যন এজেণ্টৰ জৰিয়তে বহু কোটি টকাৰ কাপোৰ অতিৰিক্ত দামত মুকলি বজাৰৰপৰা কিনি দালালি কৰা ব্যৱসায়ীক লাভান্বিত কৰি আহিছে।

অসমত বয়-বস্তুৰ জুই ছাই দামৰ ব্যাখ্যা হিচাপে এই ব্যৱসায়ীসকলে সদায় যাতায়ত ব্যৱস্থাৰ প্ৰতিবন্ধকতাৰ কথাকে দোহাৰে যদিও দৰাচলতে লুণ্ঠন প্ৰক্ৰিয়াটো অব্যাহত ৰাখিবৰ নিমিত্তে তেওঁলোকেই স্বয়ং ওপৰ মহলাত হস্তক্ষেপ কৰি যাতায়াতৰ স্থিতাৱস্থা বাহাল ৰাখিছে। ৰেল-গাড়ীৰে অসমলৈ মাল-বস্তু ট্ৰাকতকৈও কেইবাগুণে কম খৰচত আনিব পৰা যায়; কিন্তু তথাপি ৰেলগাড়ীৰে বয়-বস্তু ননাৰ কাৰণ এইটোকে দেখুওৱা হয় যে ৰেল-গাড়ীৰে বয়-বস্তু আহি পোৱাৰ সময়ৰ কোনো নিশ্চয়তা নাথাকে। কথাটো সঁচা, কিন্তু তাৰ মাজতে বহুতো মেৰপাক আছে। ৰেল গাড়ীৰে বয়-বস্তু আনিলে সেই-

খিনি সমূহীয়াভাৱে ঘোষণা কৰি আনিব লাগে. বিভিন্ন পইণ্টত কৰ বিভাগৰ দ্বাৰা সেইবোৰ পৰীক্ষা কৰা হ'ব পাৰে ; গতিকেই তাত চোৰাং ব্যৱসায়ৰ সুবিধা সীমিত। কিন্তু ট্ৰাকেৰে বস্তু আনিলে কেনেবাকৈ অসমৰ সীমান্ত পাৰ হ'ব পাৰিলেই বয়-বস্তুৰে সৈতে ট্ৰাকখন "হেৰাই" যোৱাটো তেনেই সহজ কথা। উত্তৰ ভাৰতৰ পথ পৰিবহনৰ (Roodways Carriers) লবিটো ইমান শক্তিশালী যে ওপৰ মহলাত হস্তক্ষেপ কৰি ইচ্ছাকৃতভাৱে অসমলৈ ৰেল পৰিবহনৰ ব্যৱস্থাটো আসোঁৱাহপূৰ্ণ কৰি ৰখা হৈছে যাতে. কোটি কোটি টকা অসমৰপৰা লুণ্ঠন কৰি লৈ যোৱা এই পথ পৰিবহনৰ ব্যৱসায়ৰ ওপৰত কোনো চাপ পৰিব নোৱাৰে। ৰেল বিভাগৰ এজন উচ্চ-পদস্থ বিষয়াই এইবুলি আমাৰ আগত স্বীকাৰ কৰিছে যে, আনকি অসমলৈ ব্ৰডগেজ ৰেলপথ অহাৰ পাছতো মুঠ পৰিবহনৰ ৰেলপথেৰে অহা শতকৰা ভাগৰ কোনো বৃদ্ধি পোৱা নাই, বৰঞ্চ কোনো কোনো ক্ষেত্ৰত আগতকৈও কমিছেহে। কিছু ব্যৱসায়ীৰ ডাঙৰ ডাঙৰ ৰেলষ্টেচনত কিছুমান এজেণ্ট থাকে। এওঁলোক ইমান শক্তিশালী যে কেতিয়াবা তেওঁলোকে ইচ্ছাকৃতভাৱে অসমলৈ অহা বস্তুৰ ডবা ক'ৰবাত দুমাহ পৰ্যন্ত ৰখাই দি অসমত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰিব পাৰে। বা, তেওঁলোকৰ প্ৰতিদ্বন্দ্বী চৰকাৰী প্ৰতিষ্ঠানসমূহৰ যোগানৰ ফৰমাছ অহা ডবা বাটতে কেতিয়াবা হেৰোৱাই দি প্ৰতিষ্ঠানসমূহক বিপাঙত পেলাই গ্ৰাহকৰ আগত হেয় প্ৰতিপন্ন কৰোৱাৰ প্ৰচেষ্টাও চলে। ষ্টেটফেড কেইবাবাৰো তেনে অৱস্থাৰ সন্মুখীন হৈছে। ১৯৭৬ চনৰ আগলৈকে অসমত নিমখৰ ব্যৱসায় এক শ্ৰেণীৰ ব্যক্তিগত ব্যৱসায়ীৰ হাতত আছিল আৰু ১৯৭৬ চনত এই দায়িত্ব একচেটিয়াভাৱে ষ্টেটফেডক দিয়া হয় ; কিন্তু ষ্টেটফেডক বিপাঙত পেলাই ব্যৱসায়টো পুনৰ নিজৰ হাতলৈ আনিবৰ নিমিত্তে তেওঁলোকে বিভিন্ন উপায় অৱলম্বন কৰিছে।

***বস্ত্ৰ নিগমৰ খুচুৰা বিক্ৰি-কেন্দ্ৰত পোৱা একে কাপোৰ আমাৰ মানুহে মুকলি বজাৰত উচ্চ দামত কিনি তৃপ্তি লাভ কৰে।***

১৯৭৯ চনত অসমত ইচ্ছাকৃতভাৱে নিমখৰ কৃত্ৰিম নাটনিৰ সৃষ্টি কৰা হ'ল ; ষ্টেটফেডৰ নিমখ কঢ়িয়াই অনা ৰেলৰ ডবাবোৰ সুসংগঠিত চক্ৰান্তৰে ঠায়ে ঠায়ে ৰখাই দিয়া হ'ল ; পাছত ষ্টেটফেডৰ উচ্চ পদস্থ বিষয়াই নিজে ষ্টেছনে ষ্টেছনে বিচাৰি ৰৈ থকা ডবাবোৰ উলিয়াব লগীয়া হৈছিল। ৰেল বিভাগৰ 'Farakka Restriction বুলি এটা নিয়ম আছে ; —এই নিয়ম মতে কেতিয়াবা ফাৰাক্কাৰে অহা বয়-বস্তুৰ পৰিবহনৰ ওপৰত নিয়ন্ত্ৰণ আৰোপ কৰা হয় আৰু তেতিয়া প্ৰাধান্য অনুযায়ীহে বস্তুবোৰ আহিবলৈ দিয়া হয়। চৰকাৰী নিয়ম মতে প্ৰতিৰক্ষা বিভাগৰ নিমিত্তে অহা সামগ্ৰীবোৰক 'A' priority দিয়া হয় ; জলসিঞ্চন, বাননিয়ন্ত্ৰণ আদি বিভাগৰ বাবে অহা সামগ্ৰীবোৰক 'B' priority দিয়া হয় ; অসমৰ ষ্টেটফেডে পায় 'C' priority আৰু তাৰ পাছতহে ব্যক্তিগত ব্যৱসায়ীৰ কথা আহে। কিন্তু কোনোবা শক্তিশালী গোষ্ঠীৰ হস্তক্ষেপত প্ৰায় সঘনাই Farakka Restrictionঅৰ নামত ষ্টেটফেডৰ বস্তুবোৰ ৰখাই দি ব্যক্তিগত ব্যৱসায়ীৰ বস্তু পঠিয়াই দিয়া হয়, আৰু তেনেকৈয়ে তেওঁলোকে অসমৰ বজাৰত নিজৰ আধিপত্য সাব্যস্ত ৰাখিছে। ষ্টেটফেডৰ সামগ্ৰী ৰেলেৰে আহি গুৱাহাটী পাওঁতে কেতিয়াবা দুমাহ পৰ্যন্ত লাগে, কিন্তু এক শ্ৰেণীৰ ব্যৱসায়ীয়ে বিচাৰিলে তিনিদিনতে আহি পোৱাৰ উদাহৰণো আছে।

অসমলৈ বয়-বস্তু অনাৰ তৃতীয় বিধ মাধ্যম হৈছে অভ্যন্তৰীণ জল পৰিবহন। জল পৰিবহন ব্যৱস্থাৰ খৰচ দৰাচলতে সবাতোকৈ কম, কিন্তু তাৰ অসুবিধাটো হৈছে, কলিকতাৰ পৰা বয়-বস্তু জলপথেৰে আহোঁতে বহু সময় লাগে বাবে সকলো সামগ্ৰী জলপথেৰে আনিব নোৱাৰি। কিন্তু অসম চৰকাৰৰ গড়কাপ্তানি বিভাগকে ধৰি কিছুমান বিভাগৰ কেতবোৰ সামগ্ৰীৰ ক্ৰয়-সিদ্ধান্ত বহু আগতীয়াকৈ পোৱা হোৱাৰ নিমিত্তে সময়ৰ প্ৰশ্নটো সেইবোৰ ক্ষেত্ৰত নুঠে আৰু সেয়েহে অনায়াসে সেইবোৰ সামগ্ৰী অতি কম খৰচত জলপথেৰে আনি লাখ লাখ টকা ৰাহি কৰিব পৰা যায়। অথচ, অভ্যন্তৰীণ জলপৰিবহন বিভাগে আগৰ চৰকাৰটোক কেইবাবাৰো অনুৰোধ কৰা সত্বেও 'কাৰোবাৰ' হস্তক্ষেপত সেইবোৰ সামগ্ৰী সদায়ে অতিৰিক্ত লাখ লাখ টকা ভৰি ট্ৰাকেৰে আনি থকা হৈছে। উত্তৰ-পূব ভাৰতৰ তথাকথিত উদ্দেশ্য-প্ৰণোদিত অনুন্নত যাতায়াতৰ নামত উত্তৰ ভাৰতৰ শক্তিশালী road carriers lobbyটোৰ এক বৃহৎ কলেৰৰৰ লুণ্ঠন-প্ৰক্ৰিয়া আজি ইমান দিন ধৰি অসমত চলি আহিছে আৰু তাৰ ওপৰতে ভিত্তি কৰি অনা-অসমীয়া ব্যৱসায়ী গোষ্ঠীটোৰ সমগ্ৰ অসম জোৰা শোষণ প্ৰক্ৰিয়াটো আজি বৰ্তি আছে। অসম চৰকাৰেই যোৱা ৩৮ বছৰে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সেই প্ৰক্ৰিয়া অব্যাহত ৰখাত অৰিহণা যোগাই আহিছে।

অসমত বিভিন্ন সামগ্ৰীৰ ব্যৱসায়ৰ ক্ষেত্ৰত চৰকাৰী অনুষ্ঠান আৰু ব্যক্তিগত অনা অসমীয়া ব্যৱসায়ীৰ মাজত কিদৰে প্ৰতিযোগিতা চলে, আৰু মূৰকত গৈ দিছপুৰৰ অনুগ্ৰহত ব্যক্তিগত ব্যৱসায়ীৰহে কিদৰে লাভ হয়, তাক বিলাতী মাটিৰ ব্যৱসায়ৰ উদাহৰণৰে সুন্দৰভাৱে দেখুৱাব পাৰি। ১৯৭৮ চনৰ আগলৈকে বিলাতী মাটিৰ ব্যৱসায়টো সম্পূৰ্ণৰূপে ব্যক্তিগত ব্যৱসায়ীৰ হাতত আছিল। চৰকাৰে ধাৰ্য কৰি দিয়া নিৰ্দিষ্ট অনুপাতৰ (quota) বিপৰীতে এওঁলোকে cement controller of Indiaৰ নিৰ্দেশ অনুযায়ী বিভিন্ন কাৰখানাৰ পৰা বিলাতী মাটি আনি অসমত বিক্ৰি কৰিছিল। প্ৰচুৰ লাভজনক এই ব্যৱসায়টো ব্যক্তিগত ব্যৱসায়ীৰ হাতত থকাৰ নিমিত্তে চোৰাং বজাৰৰ পূৰ্ণ পয়োভৰ ঘটিছিল আৰু তালৈকে লক্ষ্য ৰাখি দিছপুৰত জনতা চৰকাৰ থকাৰ দিনতে (১৯৭৮ চনৰ শেষ ভাগত) বিলাতী মাটিৰ ব্যৱসায় একচেটিয়াভাৱে ষ্টেটফেডৰ হাতত অৰ্পণ কৰা হয়। প্ৰথম কেইবছৰ মান ষ্টেটফেডে এই ব্যৱসায় কোনো আসোঁৱাহ নোহোৱাকৈ অতি নিয়াৰিকৈ চলাবলৈ ধৰিলে। কিন্তু অসাধু ব্যৱসায়ী গোষ্ঠীটোৱে বিভিন্ন উপায়েৰে ষ্টেটফেডক বিপাঙত পেলাই ব্যৱসায়টো পুনৰ নিজৰ হাতলৈ আনিবলৈ প্ৰচেষ্টা চলালে। ১৯৮২ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে চৰকাৰে partial decontrol of cement policy প্ৰৱৰ্তন কৰাৰ ফলস্বৰূপে non levy বিলাতী মাটিৰ মূল্য levy থকা বিলাতী মাটিৰ মূল্যতকৈ বহু বেছি বাঢ়ি গ'ল আৰু ফলত ষ্টেটফেডৰ দৰে চৰকাৰী প্ৰতিষ্টানসমূহৰ সংগ্ৰহৰ মাত্ৰা (procurement capacity) বহু পৰিমাণে কমি গ'ল। ব্যৱসায়ীসকলে সেই সুযোগতে বিলাতী মাটিৰ ব্যৱসায়ত ষ্টেটফেড বিফল হোৱা বুলি দিছপুৰত আৰ্জি দিলে আৰু তেওঁলোকৰ হেঁচাতে চৰকাৰে ষ্টেটফেডৰ পৰা তাৰ ব্যাখ্যা বিচাৰিলে। পাছত যেনিবা ষ্টেটফেডে কথাটো বুজাই দিয়াত বিষয়টো কিছুদিনলৈ তল পৰিল। তাৰ পাছৰ বছৰ Farakka Restrictionঅৰ নামত ষ্টেটফেডৰ বিলাতী মাটি কঢ়িয়াই অনা ৰেলগাড়ীৰ ডবাবোৰৰ ওপৰত সঘনাই বাধা আৰোপ কৰা হ'লত যোগান ব্যৱস্থা একেবাৰে অনিয়মীয়া হৈ পৰিল। সেই অজুহাততে ১৯৮৪ চনৰ শেষভাগত বিলাতী মাটিৰ ব্যৱসায়টো ষ্টেটফেডৰ হাতৰ পৰা আনি তাক জিলা আৰু মহকুমা পৰ্যায়ত বিভিন্ন Handling Agentঅক দিয়া হ'ল। কিন্তু ব্যক্তিগত ব্যৱসায়ীৰ হাতত পৰাৰ লগে লগে ইমান বেছি চোৰাং বেপাৰ আৰম্ভ হ'বলৈ ধৰিলে যে এবছৰৰ ভিতৰতে গোটেই প্ৰক্ৰিয়াটোৱে ফেল মাৰিলে। কিন্তু তথাপি ব্যৱসায়টো ষ্টেটফেডক দিয়া নহ'ল। ১৯৮৫ চনৰ মাজভাগত চৰকাৰে M/s P.K. Traders নামৰ ব্যৱসায়ী এজনক অসমলৈ অহা সমগ্ৰ বিলাতী মাটিৰ centralised handling Agency দিলে। এতিয়া তেওঁলোকে কাৰখানাৰ খৰচতে বিলাতী মাটিখিনি মাত্ৰ কাৰখানাৰ পৰা যোগীঘোপা বা গুৱাহাটীলৈ অনাই দিয়াৰ বিনিময়তে প্ৰতি টনত আশী টকাকৈ কমিছন পায়। এই কঢ়িয়াই অনাৰ দায়িত্বটোকে ষ্টেটফেডৰ হাতত অৰ্পণ কৰা হেঁতেন চৰকাৰে আজি লাখ লাখ টকা ৰাহি কৰাৰ লগতে বিলাতী মাটিৰ চোৰাং ব্যৱসায়টোও কিছু পৰিমাণে ৰোধ কৰিব পাৰিলেহেঁতেন।

বহু ব্যৱসায়ীৰ মূল ব্যৱসায়টো দৰাচলতে চলে দুই নম্বৰী চোৰাং কাৰবাৰৰ জৰিয়তেহে। প্ৰায়ভাগ ব্যৱসায়ীয়েই বাহিৰত দেখুৱাই কিছু টকাৰ আইন সংগত ব্যৱসায় কৰি ভিতৰি ভিতৰি চোৰাং কাৰবাৰেৰে অজস্ৰ টকা উপাৰ্জন কৰি আছে ; আৰু অসমীয়া গ্ৰাহকৰ উদাসীন মনোবৃত্তি তথা চৰকাৰী পৃষ্ঠপোষকতাই মূলতঃ এই চোৰাং কাৰবাৰত অৰিহণা যোগাই আহিছে। আঠগাঁৱৰ গুদামত চোৰাংভাৱে নিৰ্মাণ হোৱা নিম্ন গুণ সম্পন্ন টিনপাতৰ ওপৰতে বাহিৰৰ ভাল ভাল কোম্পানিৰ ছাপ মৰাই নিতৌ বিক্ৰি কৰা হৈছে ; তালৈ গ্ৰাহকৰো ভ্ৰূক্ষেপ নাই, সংশ্লিষ্ট চৰকাৰী বিভাগৰো কাণষাৰ নাই। অসমৰ বজাৰত বিক্ৰি হৈ থকা প্ৰায় প্ৰতিবিধ হাৰ্ডৱেৰ সামগ্ৰীয়েই নিম্ন মানবিশিষ্ট ; আমি জানি-শুনিও সেইবোৰ ক্ৰয় কৰি আছোঁ, তেনে ব্যৱসায়ৰ প্ৰতি অৰিহণা যোগাই আহিছোঁ। অইন সামগ্ৰীৰ ক্ষেত্ৰতো প্ৰায় সেই একেটা খাটে। বাহিৰৰপৰা অনা সামগ্ৰীৰ ক্ষেত্ৰত কৰ ফাঁকি দি সেইবোৰ চোৰাং বজাৰত বিক্ৰি কৰাটো আজিকালি প্ৰায় এক নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে। চৰকাৰী আইন মতে বাহিৰৰপৰা অনা সামগ্ৰীৰ ক্ষেত্ৰত লেন-দেন বেংকৰ জৰিয়তে হ'ব লাগে। সংশ্লিষ্ট ব্যৱসায়ীয়ে নিৰ্দিষ্ট ফৰ্মত বিক্ৰি-কৰ ভৰি (central sales tax declaration on C-form) বেংকৰপৰা বিলখন মোকলাই সেই সামগ্ৰী গ্ৰহণ কৰাৰ নিয়ম। কিন্তু গুৱাহাটীৰ বজাৰত আজিকালি কিছুমান এজেণ্ট পোৱা যায় যিবিলাকে বাহিৰতে বস্তুবোৰ কিনি কোনো কৰ নিদিয়াকৈয়ে নিৰ্দিষ্ট ব্যৱসায়ীৰ গুদাম পোছাই দিয়ে। এবাৰ কৰ ফাঁকি দিব পাৰিলেই গোটেই প্ৰক্ৰিয়াটোৱেই দুই নম্বৰী হৈ পৰে, যাৰ ফলত চৰকাৰে বিক্ৰি-কৰৰ লগতে আয়কৰো হেৰুৱায় আৰু বজাৰৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ নাইকিয়া হৈ যায়। অসম চৰকাৰৰ কৰ বিভাগে এইবোৰ যে গম নাপায় সেইটোও কিন্তু নহয় ; ক'ত কেইটা বেআইনী গুদাম আছে, কোনে কেনে ধৰণৰ ব্যৱসায় কৰে, সেই সকলোবোৰ তেওঁলোকৰ নখৰ আগতে ;— কিন্তু কথাবোৰ গোমৰ ফাঁক কৰি দি সুন্দৰ আয়ৰ পথ এটা তেওঁলোকে বন্ধ কৰেনো কোন সতেৰে ? আজি যদি চৰকাৰে গোটেই গুৱাহাটী আৰু তাৰ আশে পাশে পঞ্জীভুক্ত নোহোৱাকৈ থকা গুদামঘৰবোৰ 'ছিল' কৰাৰ সিদ্ধান্ত লয়, এফালৰপৰা প্ৰতিটো গুদাম খানাতালাচ কৰি হিচাপত নথকা আটাইবোৰ সামগ্ৰী বাজেয়াপ্ত কৰাৰ সিদ্ধান্ত লয়, আৰু লগতে কেইমাহমানৰ বাবে যদি যিকোনো সময়তে এনেদৰে খানাতালাচ কৰাৰ ব্যৱস্থা লয়, তেতিয়া হ'লে দৰাচলতে আমি অনায়াসে গোটেই চোৰাং কাৰবাৰৰ প্ৰক্ৰিয়াটো বন্ধ কৰিব পাৰোঁ। আগৰ চৰকাৰে এইখিনি কৰাৰ বাবে সৎসাহস কণ গোটাব পৰা নাছিল এই বাবেই

যে তেওঁলোকৰ নিজৰে অৱস্থিতি বহু পৰিমাণে এই চোৰাং ব্যৱসায়ীসকলৰ অনুগ্ৰহৰ ওপৰত নিৰ্ভৰ কৰিছিল। বৰ্তমানৰ চৰকাৰৰ যিহেতু এতিয়ালৈকে এনে কোনো দুৰ্বলতা নাই, গতিকে অসমৰ মংগলৰ নিমিত্তে তেওঁলোকে সেই কাম কৰিব নোৱৰাৰ কোনো যুক্তি আমি নেদেখো।

আলোচ্য ব্যৱসায়ীসকলৰ অসমত অতিকৈ লাভজনক ব্যৱসায় হৈছে কাপোৰৰ ব্যৱসায়। কাপোৰৰ দামৰ কোনো নিৰ্দিষ্ট মূল্য নাই। গ্ৰাহক ভেদে তেওঁলোকে যি মুখত আহে, সেই দামতে কাপোৰ বিক্ৰি কৰি আছে। তৈয়াৰী পোছাকৰ ক্ষেত্ৰত কেতিয়াবা কলিকতাত এশ টকাত কিনি অনা পোছাকটো ফাঁচীবজাৰতে চাৰিশ টকাত বিক্ৰি হোৱাৰ উদাহৰণো আছে। বাহিৰৰ ব্যক্তিগত খণ্ডৰ মিলৰপৰা পাইকাৰী হাৰত কাপোৰ কিনি আনোতে ওপৰঞ্চি পইচা দি মিলতে তেওঁলোকে নিজৰ সুবিধা অনুযায়ী যথেষ্ট উচ্চ হাৰত price calendering কৰি লৈ আহে আৰু সেই মূল্য সূচীখনকে দেখুৱাই সচেতন গ্ৰাহকৰ মুখ বন্ধ কৰি ৰাখে। আমি নিজে চৰকাৰী বিভাগত কাপোৰৰ যোগান দিওঁতা এজেণ্টৰ ভাও ধৰি ফাঁচীবজাৰৰ কেইজনমান ব্যৱসায়ীৰপৰা কেইবিধমান কাপোৰৰ quotation ল'বলৈ যাওঁতে তেওঁলোকে আমাক কৈছিল যে, যি মূল্যতে দিলে আপোনাৰ লাভ হয়, সেই মূল্য সূচীয়েই আমি মিলৰপৰা আনি দিম, আপুনি মাত্ৰ আমাক অৰ্ডাৰটো দিয়ক!' আৰু চৰকাৰী বিভাগত যোগান দিয়া ব্যৱস্থাবোৰ সদায়ে তেনেকৈয়ে দৰাচলতে চলি আহিছে। নিত্য ব্যৱহাৰ্য কিছুমান কাপোৰ ষ্টেটফেডৰ খুচুৰা বিক্ৰি-কেন্দ্ৰসমূহতো বিক্ৰি কৰা হয়, কিন্তু আমাৰ গ্ৰাহকে সুলভ মূল্যত তাৰপৰা নিকিনি একে গুণ সম্পন্ন কাপোৰ উচ্চ দৰত ব্যক্তিগত ব্যৱসায়ীৰপৰা কিনে। ব্যৱসায়ীয়ে তাৰে সুবিধা লৈ ষ্টেটফেডৰ খুচুৰা বিক্ৰি-কেন্দ্ৰৰপৰা

তালিকা—১

বিভিন্ন গুণসমপন্ন পেণ্টৰ কাপোৰৰ মূল্য প্ৰতি মিটাৰত (টকাত)

| | পলিয়েষ্টাৰ ৪৮°/. ভিছকছ ৫২°/. | পলি. ৭০°/. ভিছকছ৩০°/. | পলিয়েষ্টাৰ ৬৭°/. কটন ৩৩°/. |
|---|---|---|---|
| জাতীয় বস্ত্ৰ নিগমৰ (NTC) | ৫১.৮৫ | ৮২.৫৫ | ৫৭.৯০ |
| দোকান-ক (ৰূপায়ণৰ সমুখত), ফাঁচী বজাৰ | ৬৫.৫০ | ৯৫.৫০ | ৬৯.৫০ |
| দোকান-খ ৰাধা বজাৰ, ফাঁচী বজাৰ | ৭৫.০০ | ১০৫.০০ | ৮৯.০০ |
| দোকান-গ পণ্টন বজাৰ | ৬৫.৮০ | | ৬৫.৮০ |
| দোকান-ঘ নিউ মাৰ্কেট, ফাঁচী বজাৰ | ৫৬.০০ | | ৬৫.৭০ |
| দোকান-ঙ ব্যবু বজাৰ, ফাঁচী বজাৰ | ৬০.০০ | | |

কাপোৰ কিনি আনি নিজৰ দোকানত বিক্ৰি কৰি ভাল ব্যৱসায় কৰাৰ উদাহৰণো আছে। একেটা উদাহৰণ ৰাষ্ট্ৰীয় বস্ত্ৰ নিগমৰ ক্ষেত্ৰতো দিব পাৰি। বস্ত্ৰ নিগমৰ খুচুৰা বিক্ৰি-কেন্দ্ৰত পোৱা একে কাপোৰ আমাৰ মানুহে মুকলি বজাৰত উচ্চ দামত কিনি তৃপ্তি লাভ কৰে। বস্ত্ৰ নিগমৰ বিক্ৰি-কেন্দ্ৰ আৰু মুকলি বজাৰত একে কাপোৰৰ মূল্যৰ তাৰতম্য বিচাৰ কৰি উলিয়াবৰ নিমিত্তে আমি বস্ত্ৰ নিগমৰ খুচুৰা বিক্ৰি-কেন্দ্ৰৰ পৰা তিনিবিধ বিভিন্ন গুণসম্পন্ন পেণ্টৰ কাপোৰৰ নমুনা আৰু মূল্য সংগ্ৰহ কৰিছিলোঁ: PV 70/30 (পলিয়েষ্টাৰ ৭০°/০, ভিছকছ ৩০°/০), PV 48/52 (পলিয়েষ্টাৰ ৪৮°/০, ভিছকছ ৫২°/০) আৰু PC 67/33 (পলিয়েষ্টাৰ ৬৭°/০ আৰু কটন ৩৩°/০)। এই তিনিও বিধ কাপোৰৰে আমি একে গুণসম্পন্ন কাপোৰৰ নমুনা আৰু মূল্য গুৱাহাটীৰ কেইখনমান দোকানৰপৰা সংগ্ৰহ কৰাত দেখা গ'ল যে একে কাপোৰকে বস্ত্ৰ নিগমে ব্যক্তিগত ব্যৱসায়ীতকৈ বহু কম দৰত বিক্ৰি কৰে; —অথচ, আমাৰ গ্ৰাহকে কিন্তু একে কাপোৰ বস্ত্ৰ নিগমৰপৰা সাধাৰণতেই নিকিনে (তালিকা ১ চাওক)। বস্ত্ৰ নিগমৰ ক্ষেত্ৰত গ্ৰাহকৰ সাধাৰণ অভিযোগ হ'ল যে, তাত হেনো ভেৰাইটি কাপোৰ পোৱা নাযায়। কিন্তু কথা হ'ল, গ্ৰাহকে বিচাৰিলেহে নিগমে ভেৰাইটি কাপোৰ অনাৰ কথা ভাবিব পাৰে!

এই ব্যৱসায়ী গোষ্ঠীটোৱে ইমান বছৰ ধৰি অসমত চলাই অহা লুণ্ঠন প্ৰক্ৰিয়াটোৰ বিকল্প ব্যৱস্থাৰ কথা আলোচনা কৰিবলৈ লোৱাৰ মুহূৰ্তত ব্যৱসায় সংক্ৰান্তত আমাৰ মানুহৰ অসুবিধা আৰু দোষ-ক্ৰুটিবোৰ আলোচনা কৰি থোৱাটো উচিত বুলি ভাবিছোঁ। ব্যৱসায় বুলিলে আমাৰ মানুহে এতিয়াও চৰকাৰী কাৰ্যালয়ৰ



পৰা পাৰমিট যোগানৰ ফৰমাছ উলিয়াই আনি এক অৰ্থত কিছু লাভৰ বিনিময়ত সেইবোৰ প্ৰতিষ্ঠিত ব্যৱসায়ীক বিক্ৰি কৰি দিয়া প্ৰক্ৰিয়াটোকে বুজে। মধ্যবৰ্তীৰ ভূমিকাতে সন্তুষ্ট নাথাকি আৰু অলপ কষ্ট, আৰু অলপ সম্ভাব্য বিপদৰ (risk) সম্মুখীন হ'ব পৰা মনোবল লৈ গোটেই ব্যৱসায়িক প্ৰক্ৰিয়াটো যে নিজৰ হাতলৈ আনিব পাৰি, সেইখিনি কথা আমি কেতিয়াও ভাবি নাচাওঁ। অইনৰ দেখি-শুনিও নিজৰ মাজত আজিকোপতি কায়িক শ্ৰমৰ মৰ্যাদা দিব নজনাটো অসমীয়া মানুহৰ এটা জাতিগত দুৰ্বলতা আৰু আমাৰ জীৱন-যাত্ৰাৰ প্ৰতিটো স্তৰতে অনা-অসমীয়া মানুহে সেই দুৰ্বলতাৰ সুযোগ লৈছে। এটা সৰু উদাহৰণ দিছোঁ: যোৱামাহত ফাঁচীবজাৰৰ বাচন-বৰ্তন বিক্ৰি কৰা দোকান এখনত গ্ৰাহকৰ ৰেহ-ৰূপ চাবলৈ এঘণ্টামান বহি আছিলো। কেৰাহী, বাল্টি আদি কিনিবলৈ অহা বেছিভাগ গ্ৰাহকেই বস্তুটো দোকানৰ পৰা দাঙি নি বাটত ৰিক্সা বা গাড়ীত তুলিবলৈ লাজ কৰি বিহাৰী মুটিয়া এজনৰ হতুৱাই কঢ়িওৱাইছে আৰু আমাৰ চকুৰ আগতে মুটিয়াজনে সেই এঘণ্টামান সময়ৰ ভিতৰতে তেনেদৰে বাইছ টকা উপাৰ্জন কৰিলে! মাজতে স্বাৱলম্বিতাৰ ঢৌ উঠা সময়ত ফাঁচীবজাৰৰ পৌৰ নিগমৰ বজাৰখনত দুজনমান অসমীয়া ডেকা ল'ৰা বহিল, আৰু প্ৰথম কেইদিনমান অসমীয়া গ্ৰাহকৰ সহানুভূতিতে ভাল ব্যৱসায় চলিল। লাহে লাহে আবেগৰ ঢৌ নোহোৱা হ'ল; ডেকা কেইজন যেতিয়া প্ৰকৃতাৰ্থত ব্যৱসায়িক প্ৰতিযোগিতাৰ সম্মুখীন হ'ল, তেওঁলোকে যেতিয়া ব্যৱসায়ৰ কষ্ট উপলব্ধি কৰিলে, তেতিয়াই তেওঁলোকে ব্যৱসায়ৰ আধ্যাৰ সমাপ্তি ঘোষণা কৰিলে। ব্যৱসায় বোলা বস্তুটো এতিয়াও আমাৰ সমাজে নিম্নমানৰ জীৱিকা ৰূপেই গ্ৰহণ কৰি আহিছে। শিক্ষিত ডেকা জনে প্ৰয়োজন হ'লে চৰকাৰী কাৰ্যালয়ত পিয়নৰ চাকৰিকে কৰিব, কিন্তু তেওঁ দোকান এখন খুলিবলৈ বেয়া পায়। আমাৰ মানুহে নিজেও লাজ কৰে, আৰু যি কেইজন শিক্ষিত ডেকাই শ্ৰমৰ মৰ্যাদা বুজি প্ৰকৃত ব্যৱসায়ত নামিছে, তেওঁলোককো (উৎসাহতো নিদিয়েই, বৰঞ্চ) কিছুমান আচাৰ-ব্যৱহাৰেৰে নিৰুৎসাহহে কৰে। ফাঁচীবজাৰৰ দোকান এখনত আমি সনাতন ডেকা নামৰ উদ্যোগী ডেকা এজনক পাইছিলো। তেওঁ লাইব্ৰেৰি ছায়ন্স বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ত Information Science পঢ়ি আছে; কিন্তু তেওঁ কোনো লাজ নকৰাকৈ নিতৌ গধুলি বাচন-বৰ্তনৰ দোকানখনত বহে। কেতিয়াবা দোকানলৈ সহপাঠী বা চিনাকি মানুহ আহি তেওঁক তেনেদৰে দোকানত বহা দেখিলে শ্ৰীডেকাই লাজ নাপায়, মানুহ কেইজনেহে লাজ পায়। এয়া হৈছে অসমীয়া মানুহৰ মানসিকতা। আৰু একে ফাঁচীবজাৰৰে মাৰোৱাৰী ব্যৱসায়ীজনে বাহিৰত পঢ়াই অনা পুতেকক গাদীত বহুৱাই বন্ধু-বান্ধৱৰ পৰা সন্মান লাভ কৰে!

গ্ৰাহকৰ নিৰ্বিকাৰ মনোবৃত্তি আৰু সচেতনতাবোধৰ অভাৱেও গোটেই লুণ্ঠন প্ৰক্ৰিয়াটোৰ প্ৰতি বহু পৰিমাণে অৰিহণা যোগাইছে। অসমৰ বজাৰত প্ৰতিবিধ সামগ্ৰীৰ ক্ষেত্ৰতে পাইকাৰী আৰু খুচুৰা দৰৰ মাজত এক বিৰাট প্ৰভেদ দেখিবলৈ পোৱা যায়। চেনি আদিৰ ক্ষেত্ৰত এই প্ৰভেদ কেতিয়াবা প্ৰতি কেজিতে এটকা পৰ্যন্ত হয়গৈ। একমাত্ৰ গ্ৰাহকৰ সচেতনতা বোধৰ অভাৱতে ব্যৱসায়ীসকলে এইখিনি সুবিধা ল'বলৈ সুযোগ পাইছে। বিক্ৰি-কৰৰ নামত তেওঁলোকে সদায়ে কৰ বিভাগক দিয়া ধনতকৈও অধিক ধন গ্ৰাহকৰ পৰা আদায় কৰে। আমাৰ গ্ৰাহকে দোকানত কেতিয়াও মূল দাম আৰু তাৰ ওপৰত চৰকাৰে লোৱা বিক্ৰি কৰৰ হিচাপটো কৰি নাচায়। ফলস্বৰূপে, একেবিধ টুথপেষ্টেই একে সময়তে ওচৰা-ওচৰি দুখন দোকানত দুটা সম্পূৰ্ণ বেলেগ দামত বিক্ৰি হৈ থাকে। পূজা-বিহুৰ সময়ত কোনো যুক্তি নোহোৱাকৈ কাপোৰৰ দাম বঢ়াই দিয়া হয়,—কোনো গ্ৰাহকেই কিন্তু তাৰ প্ৰতিবাদ নকৰে; কিন্তু এবাৰ পূজাত যদি গ্ৰাহকসকল সংঘবদ্ধ হৈ ইমান দামত কাপোৰ নিকিনো বুলি এসপ্তাহৰ বাবে অন্ততঃ বজাৰলৈ যোৱা বন্ধ কৰে, সিয়েই ব্যৱসায়ীসকলৰ ব্যৱসায়ত ইমান বেছি প্ৰভাৱ পেলাব যে, পাছদিনাখন সঠিক দৰত কাপোৰ বিক্ৰি কৰিবলৈ তেওঁলোক বাধ্য হ'ব। আজি অসমৰ মানুহে গ্ৰাহকৰ অধিকাৰ আৰু ক্ষমতা উপলব্ধি কৰাৰ সময় হৈছে, আৰু তাৰ বাবে সচেতন ব্যক্তিসকলে নিজ নিজ অঞ্চলত গ্ৰাহক আন্দোলন (consumer movement) গঢ়ি তুলি প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰিব লাগিব। তেনেদৰে, কেতবোৰ চৰকাৰী বিষয়াৰ আশীৰ্বাদত বজাৰত বিনা বাধাৰে নিম্নমানৰ সামগ্ৰীবোৰ যিদৰে বিক্ৰি হৈ আছে, বা লাখ লাখ টকা লাভত নিত্য-ব্যৱহাৰ্য সামগ্ৰীবোৰ নিতৌ চোৰাং বজাৰত যিদৰে বিক্ৰি হৈ আছে, সেইবোৰো গ্ৰাহকৰ সংঘবদ্ধ প্ৰচেষ্টা হ'লেহে বন্ধ কৰিব পৰা যাব। প্ৰথম অৱস্থাত গ্ৰাহকৰ কিছু অসুবিধা নিশ্চয় হ'ব, কিন্তু এবাৰ যদি প্ৰতি ঠাইতে গ্ৰাহক সকলক সংঘবদ্ধ কৰি ল'ব পৰা যায়, তেতিয়া ব্যৱসায়ীসকলে এনেদৰে শোষণ প্ৰক্ৰিয়াটো নিৰ্বিবাদে চলাই যাবলৈ সাহস নকৰিব আৰু সংশ্লিষ্ট চৰকাৰী বিষয়াসকলেও ভেটি খাই চকু মুদি থকা মনোবৃত্তি ত্যাগ কৰিবলৈ বাধ্য হ'ব। নিজ নিজ অঞ্চলৰ চোৰাং ব্যৱসায়ী কেইজনক চিনাক্তকৰণৰ ক্ষেত্ৰত গ্ৰাহকেই আগভাগ লওক, চোৰাং ব্যৱসায়ৰ সামগ্ৰী ৰখা বুলি সন্দেহযুক্ত গুদাম ঘৰকেইটা চৰকাৰক দেখুৱাই দিয়ক; ৰাইজৰ চৰকাৰে তাৰ বিহিত ব্যৱস্থা নিশ্চয় ল'ব লাগিব। আগতে যে ব্যৱসায়ী গোষ্ঠীটো চৰকাৰ বোলা যন্ত্ৰটোক কিনি লবলৈ সক্ষম



OKDISCD

হৈছিল, তাৰ মূলতে আছিল সৰ্বসাধাৰণ গ্ৰাহকৰ নিৰ্বিকাৰ মনোবৃত্তি। গ্ৰাহকসকল সচেতন হৈ থকাহেঁতেন কোনো চৰকাৰেই এমুঠিমান ব্যৱসায়ীৰ দ্বাৰা এনেদৰে ক্ৰীত হ'বলৈ সাহস নকৰিলেহেঁতেন। এই কথা আজিও সমভাৱে প্ৰযোজ্য,---সৰ্বসাধাৰণ ৰাইজে তাক উপলব্ধি কৰিবলৈ শিকক।

ব্যৱসায়ৰ ক্ষেত্ৰত মূলধনৰ অভাৱ অসমীয়া ব্যৱসায়ীৰ নিমিত্তে সদায়ে এক অন্যতম প্ৰতিবন্ধক হিচাপে পৰিগণিত হৈ আহিছে। যিখিনি অসমীয়া মানুহৰ হাতত ওপৰঞ্চি ধন আছে, তেওঁলোক ব্যৱসায়ৰ ক্ষেত্ৰত সিমান উৎসাহী নোহোৱা বাবে আৰু অসমীয়াই অসমীয়াক বিশ্বাসত ল'ব নোখোজা মনোবৃত্তি এটাৰ নিমিত্তে অসমীয়া ব্যৱসায়ীয়ে প্ৰতিপক্ষৰ প্ৰচুৰ ধনবলৰ আগত সদায় সেও মানিব লগীয়া হয়। আনহাতে, আলোচ্য ব্যৱসায়ীসকলৰ মূলধনৰ ক্ষেত্ৰত এটা সুন্দৰ network আছে, কাৰোবাৰ প্ৰয়োজনৰ সময়ত অইনে আনকি উপযাচি ধন বিনিয়োগ কৰে বা ধাৰলৈ দিয়ে, আৰু সেয়েহে অৰ্থৰ অভাৱত তেওঁলোকৰ ব্যৱসায় কেতিয়াও পৰি থাকিবলগীয়া নহয়। এখন গোশালাক বহুতেই এক শ্ৰেণীৰ ব্যৱসায়ীৰ অৰ্থৰ এক অন্যতম উৎস বুলি ক'ব খোজে আৰু গোশালাই হেনো আনকি ধনী ধনী ব্যৱসায়ীকো প্ৰচুৰ অৰ্থৰে ব্যৱসায়ত সহায় কৰে। ব্যৱসায়ীসকলে সাধাৰণতে হিচাপত দেখুৱাব নোৱৰা ধনৰ এটা অংশ গোশালাৰ দৰে অনুষ্ঠানত জমা দিয়ে আৰু ধৰ্মীয় অনুষ্ঠানৰ ধনৰ ওপৰত যিহেতু কোনো কৰ নালাগে গতিকে পাছত এই ধৰ্মীয় অনুষ্ঠানবোৰৰ পৰা মোটা অংকৰ ঋণ চৰকাৰক দেখুৱাই এক নম্বৰ ব্যৱসায়ত ব্যৱহাৰ কৰে। ৰাষ্ট্ৰীয়কৃত বেংকসমূহেও বিত্তীয় সাহায্যৰ ক্ষেত্ৰত সদায়ে এক শ্ৰেণীৰ ব্যৱসায়ীৰ বেলিকা যথেষ্ট দুৰ্বলতা অৱলম্বন কৰি আহিছে। এই ব্যৱসায়ীসকলৰ বহু ওপৰলৈকে হস্তক্ষেপ কৰিব পৰা ক্ষমতা থকাৰ নিমিত্তে বেংকৰ নীতি-নিয়ম শিথিল কৰি হলেও যেতিয়াই যি প্ৰয়োজন সেই অনুপাতে বেংকৰ পৰা বিত্তীয় সাহায্য লাভ কৰিবলৈ তেওঁলোক সক্ষম হয়; কিন্তু উপযুক্ত হস্তক্ষেপৰ অভাৱত অসমীয়া ব্যৱসায়ী সদায় প্ৰাপ্য সুবিধাখিনিৰ পৰাও বঞ্চিত হয়। তদুপৰি এক শ্ৰেণী ব্যৱসায়ীৰ সকলো ব্যৱসায়তে সমগ্ৰ দেশজোৰা যি এটা সুন্দৰ network থাকে, সিয়েই তেওঁলোকৰ ব্যৱসায় অইনতকৈ অধিক সুবিধাজনক কৰি তোলে।

এই আটাইবোৰ অসুবিধালৈ লক্ষ্য ৰাখি আমাৰ বোধেৰে একমাত্ৰ সম-

**বিক্ৰিকৰৰ নামত তেওঁলোকে সদায়ে কৰ বিভাগক দিয়া ধনতকৈও অধিক ধন গ্ৰাহকৰপৰা আদায় কৰে।**

বায় ভিত্তিক ব্যৱসায়ৰ জৰিয়তেহে অসমীয়া মানুহে অনা-অসমীয়া ব্যৱসায়ী গোষ্ঠীটোৰ শোষণ প্ৰক্ৰিয়াৰ বিকল্প ব্যৱস্থা এটা আগবঢ়োৱা সম্ভৱ হ'ব পাৰে। সাধাৰণতে সমবায়বিলাকক একচেতিয়া ব্যৱসায়ৰ অধিকাৰ দিয়াৰ নিমিত্তেই প্ৰতিযোগিতাৰ অভাৱত সেইবোৰ নিষ্ফলতাৰ (inefficiency) একো একোটা আহি হৈ পৰে; সেয়েহে প্ৰত্যেক ব্যৱসায়তে একাধিক সমবায় গঢ়ি দি পৰস্পৰৰ মাজত সুস্থ প্ৰতিযোগিতাৰ জৰিয়তে সেইবোৰ সফল কৰি তুলিব লাগিব। তেনেদৰে, ব্যক্তিগত ব্যৱসায়ৰ বিকল্প হিচাপে ষ্টেটফেডকে আদি কৰি যিবোৰ চৰকাৰী প্ৰতিষ্ঠান ইতিমধ্যে গঠন কৰা হৈছে, সেইবোৰৰ প্ৰতি চৰকাৰ আৰু গ্ৰাহক উভয়ে এলাগীসূচক মনোবৃত্তি ত্যাগ কৰি সেইবোৰ সবল কৰি তুলিব লাগিব। যিবোৰ সামগ্ৰী এই প্ৰতিষ্ঠানসমূহৰ বিক্ৰিকেন্দ্ৰত পোৱা যায়, সেইবোৰ সামগ্ৰী গ্ৰাহকে বাহিৰৰপৰা নিকিনাৰ সিদ্ধান্ত ল'ব লাগিব আৰু চৰকাৰেও ভৱিষ্যতে সকলো ব্যৱসায়ৰ দায়িত্ব চৰকাৰী প্ৰতিষ্ঠান বা সমবায়ভিত্তিক অনুষ্ঠানকহে দিয়াৰ নীতি গ্ৰহণ কৰিব লাগিব। বৰ্তমানে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত প্ৰায় সকলো ব্যৱসায়তে যি সুস্থ সমবায়ভিত্তিক আন্দোলনে গা কৰি উঠিছে, সেই অনুষ্ঠানসমূহৰ সৈতে ব্যৱসায়িক লেন-দেন স্থাপন কৰি আমি অতি সহজে সমবায় ভিত্তিত অনা-অসমীয়া ব্যৱসায়ী গোষ্ঠীটোৰ ব্যৱসায় প্ৰক্ৰিয়াৰ সুন্দৰ বিকল্প ব্যৱস্থা এটা আগবঢ়াব পাৰোঁ;— মাত্ৰ তাৰ বাবে লাগিব এটা ব্যৱসায়িক মনোবৃত্তি আৰু ব্যৱসায়ী-গ্ৰাহকৰ সংঘবদ্ধ প্ৰচেষ্টা। ষ্টেটফেড, বস্ত্ৰনিগম আদিৰ দৰে চৰকাৰী প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত গ্ৰাহকৰ সাধাৰণতে এটাই অভিযোগ যে, বিক্ৰিকেন্দ্ৰসমূহৰ বেচোঁতাসকলৰ ব্যৱহাৰ বৰ বেয়া, বা তেওঁলোকৰ ব্যৱসায়ত ব্যৱসায়িক পৰশ নাই— যি গ্ৰাহকক আকৃষ্ট কৰিব পাৰে। এইবোৰ আঁতৰ কৰিব লাগিব; কাৰণ আবেগৰ ভিত্তিত চিৰদিন ব্যৱসায় কেতিয়াও চলিব নোৱাৰে। এই প্ৰতিষ্ঠানবিলাকে প্ৰতিযোগিতাৰ মাজেৰে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিবই লাগিব। আৰু তাৰ বাবে আমি অনা-অসমীয়া ব্যৱসায়ীসকলৰ ব্যৱসায়িক গুণবোৰ আয়ত্ব কৰিব লাগিব। চৰকাৰী বিক্ৰিকেন্দ্ৰসমূহৰ ক্ষেত্ৰত আমাৰ বোধেৰে প্ৰতিষ্ঠানৰ তৰফৰপৰা উপযুক্ত উৎসাহৰ অভাৱতে বেচোঁতাৰ আচাৰ-ব্যৱহাৰৰ অৱনতি ঘটে; সেয়েহে, বাৰ্ষিক লাভৰ এটা অংশ বেচোঁতাই পোৱা ধৰণৰ নিয়ম কৰি আৰ্থিকভাৱে উৎসাহ যোগাই তেওঁলোকৰ ব্যৱহাৰতো ব্যৱসায়িক পৰশ এটাৰ সৃষ্টি কৰিব পৰা যায়।



অৰ্থপিশাচ ব্যৱসায়ী গোষ্ঠীটোৱে গঢ়ি তোলা ৰাজ্যজোৰা সমান্তৰাল অৰ্থনীতিটো ধ্বংস কৰিবলৈ নতুন চৰকাৰে অচিৰেই কিছুমান সুদৃঢ় পদক্ষেপ লোৱাটো উচিত বুলি আমি ভাবোঁ। ব্যৱসায়ীৰ চাল-চলনৰ ওপৰত চোকা দৃষ্টি ৰাখিবৰ নিমিত্তে সংশ্লিষ্ট চৰকাৰী বিভাগবোৰ যিমান শীঘ্ৰেই পাৰি সিকা কৰি তোলা উচিত। তেনেদৰে অতি চতুৰ ব্যৱসায়ী গোষ্ঠীটোৱ আচল লাভ হয় বিভিন্ন চৰকাৰী বিভাগলৈ দিয়া যোগানৰ খেলিমেলিৰ মাজেদিয়ে। নতুন চৰকাৰে সেইবোৰৰ ওপৰতো দৃষ্টি ৰাখিব লাগিব আৰু ভৱিষ্যতে সকলো চৰকাৰী বিভাগে সকলো প্ৰয়োজনীয় সামগ্ৰী প্ৰথম নিবিদাৰ ভিত্তিত চৰকাৰী প্ৰতিষ্ঠানৰ পৰাহে কিনিব পৰা নিয়ম কৰা উচিত। প্ৰয়োজন হ'লে চৰকাৰৰ উৎসাহত চৰকাৰী অনুষ্ঠানসমূহত বয়-বস্তু যোগানৰ নিমিত্তে বিভিন্ন সমবায়ভিত্তিক অনুষ্ঠান গঢ়ি তোলা হওক। চোৰাং বেপাৰীৰ ক্ষেত্ৰত চৰকাৰে আগৰ চৰকাৰৰ দৰে সোলোক-ঢোলোক নীতি ত্যাগ কৰিব লাগিব। অসমলৈ অহা ট্ৰাকৰ যাতায়াতৰ ওপৰত চোকা দৃষ্টি ৰাখিব পাৰিলেই চোৰাং ব্যৱসায় বহু পৰিমাণে ৰোধ কৰিব পৰা যাব। লগতে, স্থানীয় ৰাইজক আস্থাত লৈ কৰ বিভাগে এবাৰ আটাইবোৰ গুদামঘৰ পৰীক্ষা কৰাৰ দিহা কৰক। মাটি বিক্ৰিৰ ক্ষেত্ৰত চৰকাৰে অচিৰেই এটা সুচিন্তিত নীতি নিৰ্ধাৰণ কৰা উচিত বুলি আমি ভাবোঁ। কিন্তু অকল মাটি বিক্ৰি কৰা বন্ধ কৰিলেই নহ'ব, মাটিৰ ক্ষেত্ৰত লুণ্ঠনকাৰী মানুহক মৰ্টগেজ দিয়া বা Irrevocable power of attorney প্ৰদান কৰাটোও নিষিদ্ধ কৰিব লাগিব। নহলে মাটি বিক্ৰি বন্ধ হোৱাৰ পাছতো উক্ত দুটা উপায়েৰে মাটিৰ হস্তান্তৰ হৈয়েই থাকিব। নতুন চৰকাৰৰ যিহেতু আলোচ্য ব্যৱসায়ী গোষ্ঠীটোৰ প্ৰতি কোনো গোপন দায়বদ্ধতা নাই, গতিকে অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত এওঁলোকৰ লুণ্ঠন প্ৰক্ৰিয়াটো বন্ধ কৰিবলৈ চৰকাৰে নিশ্চয় দ্বিধাবোধ নকৰিব।

আমাৰ জাতিগত দুৰ্বলতা কিছুমানৰ সুবিধা লৈয়ে ৰঘুমলাসদৃশ ব্যৱসায়ী গোষ্ঠী এটাই অসমত নিজৰ অৱস্থান সুদৃঢ় কৰিলে আৰু শোষণ প্ৰক্ৰিয়াটোক এটা পূৰ্ণাংগ ৰূপ দিলে। এতিয়া আমাৰ বাবে যথেষ্ট পলম হৈ গ'ল সঁচা, কিন্তু সেইবুলি হাত সাৱটি বহি থাকিলেতো আৰু নহ'ব। কথাবোৰ দ কৈ উপলব্ধি কৰি লৈ সংগবদ্ধ প্ৰচেষ্টাৰে কিবা এটা বিকল্পৰ সন্ধান আমিয়েই দিব লাগিব। ব্যৱসায়ৰ ক্ষেত্ৰত অন্ততঃ নিজৰ ভৰিত থিয় দিব নোৱাৰিলে অসমীয়া জাতিয়ে কেতিয়াও শক্তিশালী দীৰ্ঘজীৱন লাভ কৰিব নোৱাৰে।

## সাক্ষাৎকাৰ



**সনাতন ডেকা**
ডেকা ষ্ট'ৰছ, ফাঁচী বজাৰ

☐ এজন উচ্চ ডিগ্ৰীধাৰী শিক্ষিত যুৱক হিচাপে আপুনি এনেকৈ সদায় দোকানত বহিবলৈ কিবা অসুবিধা পাইছিল নেকি?

* প্ৰথমতে কিছু অসুবিধা পাইছিলো। এতিয়াও কেতিয়াবা এনেকুৱা কিছুমান পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হওঁ। মোৰ চিনাকি অনেকে ভাবে যে ইমান পঢ়াশুনা কৰি মই এনেকৈ দোকানত বহাটো উচিত হোৱা নাই। অনেকে নানাধৰণৰ উপদেশো দিয়ে।

☐ আপুনি তেতিয়া কেনে অনুভৱ কৰে?

* এতিয়া মই গোটেই কথাটো এটা আদৰ্শ হিচাপেই লৈছোঁ। মানুহক মই এইটো দেখুৱাব খোজো যে আজিৰ সময়ত এনেদৰে ব্যৱসায়ত লাগি মই নিজৰ লগতে আন দহজনৰো উপকাৰ কৰিব পাৰোঁ।

☐ আগতে ফাঁচীবজাৰ অঞ্চলত বহুতো অসমীয়া মানুহৰ দোকান আছিল। লাহে লাহে সেইবোৰ এতিয়া নাইকিয়া হৈ যোৱাৰ কাৰণ কি বুলি ভাবে?

* আমাৰ অসমীয়া মানুহৰ প্ৰথম দোষ হৈছে— তেওঁলোকে কষ্ট কৰিব নোখোজে আৰামতে থাকি অৰ্জন কৰিব খোজে। ফাঁচীবজাৰত এতিয়া দোকান ভাৰালৈ দিলে তিনি-চাৰি হাজাৰ টকালৈকে ভাড়া পোৱা যায়, লগতে ডেৰ-দুই লাখ টকা আগতীয়াকৈ পোৱা যায়। গতিকে বহুতো অসমীয়া ব্যৱসায়ীয়েই কষ্ট কৰি ব্যৱসায় কৰাতকৈ এনেকৈ ভাৰালৈ দি উপাৰ্জন কৰাটো অধিক সুবিধাজনক যেন পাই ভাল ঠাইতো দোকানবোৰ এৰি দিলে।

☐ এক শ্ৰেণীৰ ব্যৱসায়ীয়ে এতিয়া প্ৰায় অসমখনেই চানি পেলাইছে। অসমীয়া মানুহে এতিয়া আৰু তাক ৰোধ কৰিব পাৰিব বুলি ভাবেনে?

* ব্যৱসায়ৰ ক্ষেত্ৰত মূল কথা হ'ল প্ৰতিযোগিতা; আৰু আন ব্যৱসায়ীৰ লগত এই প্ৰতিযোগিতাত নামিবলৈ হ'লে অসমীয়া মানুহে ব্যৱসায়িক কলা-কৌশলবোৰ আয়ত্ত কৰিব লাগিব। emotion, sentiment লৈ ব্যৱসায় কেতিয়াও নহয়। এতিয়াও উঠি অহা ডেকা চামে যদি ব্যৱসায় কৰিম বুলি সৰ্বান্ত কৰণেৰে আগ বাঢ়ে, তেন্তে মোৰ দৃঢ় বিশ্বাস যে, ব্যৱসায়ৰ বহু বিভাগ আমি আমাৰ আয়ত্তলৈ আনিব পাৰো।




OKDISCD

□ আমাৰ মানুহৰ মাজত ব্যৱসায়িক মনোবৃত্তিৰ অভাৱ বোলা কথাটো মানি লয়নে ?

* এই কথা মই আংশিকভাৱে মানি লওঁ। বহুত সময়ত দেখিছোঁ, অনেক শিক্ষিত ডেকা ল'ৰাই ব্যৱসায় কৰিবলৈ মন মেলে ; কিন্তু তেওঁলোকৰ আলোচনাবোৰ সদায় সেই চাহ দোকানৰ টেবুলতে আৱদ্ধ থাকে। ব্যৱসায়ত নামি যেতিয়াই তেওঁলোক প্ৰতিযোগিতা বা সংঘাতৰ সন্মুখীন হয়, তেতিয়াই তেওঁলোক আঁতৰি যায়। কিন্তু ব্যৱসায় অসমীয়া মানুহৰ তেজতে নাই বোলা কথাষাৰ মই মানি নলওঁ। এতিয়াও বহুত অসমীয়া মানুহে ভাল ব্যৱসায় কৰি আছে।

□ অসমীয়া হিচাপে ফাঁচীবজাৰত ব্যৱসায় চলোৱাত কিবা অসুবিধা পাইছে নেকি ?

* আমি বিশেষ একো অসুবিধা পোৱা নাই। আমাৰ দোকানখন ইয়াত প্ৰায় ত্ৰিছ-চল্লিছ বছৰ ধৰি চলি আছে; গতিকে স্থানীয় ব্যৱসায়ী পৰিয়াল হিচাপে ব্যৱসায়ৰ বহু খুটি-নাটি ঘৰতে শিকাৰ সুবিধা পাইছোঁ।



**মিন্তুল চন্দ্ৰ ভৰালী,**
কালীচৰণ বুক ছেলাৰ্ছ, ফাঁচীবজাৰ

□ আপোনালোকে নিজে ফাঁচী বজাৰৰ অইন ব্যৱসায়ীসকলৰ দৈনন্দিন কাৰ্যকলাপবোৰ দেখি আহিছে। তেওঁলোকৰ ব্যৱসায়ক আমি এটা শোষণ প্ৰক্ৰিয়াহে বুলি ক'লে ভুল কৰা হ'ব নেকি বাৰু ?

* আপুনি কথাটো ঠিকেই ধৰিছে। ইয়াত নিতৌ ব্যৱসায়ৰ নামত ব্যৱসায়ীসকলৰ মাজত বহু কিবা কিবি চলে। এইবোৰে ব্যৱসায়ৰ পৰিবেশ দূষিত কৰিছে। এতিয়া নতুন চৰকাৰে এইবোৰলৈ কিছু নজৰ দিলে পৰিবেশটো আগতকৈ সুস্থ হ'ব।

□ ফাঁচী বজাৰৰ অইন ব্যৱসায়ীসকলৰ মাজত ব্যৱসায় কৰি আপোনালোকে কেতিয়াবা কিবা অসুবিধা পাইছে নেকি ?


* আমি কিন্তু সেইপিনৰ পৰা কোনো অসুবিধা পোৱা নাই। আমাৰ দোকানখন ফাঁচীবজাৰৰ এখন অতি পুৰণা দোকান বাবেই নেকি, অইন ব্যৱসায়ীসকলে আমাক অলপ শ্ৰদ্ধা কৰে। কিন্তু সেইটো বাহিৰত দেখুৱাইহে কৰে নে, সঁচাকৈয়ে কৰে, সেইটো অৱশ্যে নাজানো।

□ ফাঁচীবজাৰত অসমীয়া ব্যৱসায়ীৰ সংখ্যা ইমান কম হোৱাৰ কাৰণ কি বুলি ভাবে ?

* আচলতে ফাঁচীবজাৰত এতিয়াও অসমীয়া মানুহৰ বহুতো দোকান আছে। কিন্তু তেওঁলোকে অলপ পইচা পালেই দোকানবোৰ মাৰোৱাৰীক ভাড়া দি দিয়ে। অন্ততঃ যিখিনি অসমীয়া মানুহৰ ফাঁচীবজাৰত নিজা দোকান ঘৰ আছে, তেওঁলোকে ভাৰাৰ পইচাতে সন্তুষ্ট নাথাকি অলপ কষ্ট কৰি ব্যৱসায়ত নামিলে যথেষ্ট প্ৰতিপত্তি লাভ কৰিব পাৰিলেহেঁতেন। কিন্তু আমাৰ মানুহবোৰ অলপতে সন্তুষ্ট হয়। আমাৰ মানুহে এতিয়া আৰু অন্ততঃ দোকানঘৰ ভাৰালৈ দিয়া ব্যৱসায়টো এৰিব লাগে।

□ মাজতে স্বাৱলম্বীৰ ঢৌ উঠাৰ সময়ত ফাঁচীবজাৰত সৰু সৰু বহুতো দোকান বহিছিল। সেই দোকানবোৰ নাইকিয়া হৈ যোৱাৰ কাৰণ কি ?

* আমি এতিয়া সেই বিষয়ে মন্তব্য দিবলৈ গ'লে বেয়া দেখি। কিন্তু যিবোৰ ডেকা ল'ৰাই আবেগৰ ভিত্তিতে ব্যৱসায়ত নামিছিল, তেওঁলোকৰ কোনো systematic approach নাছিল। নভবা নিচিন্তাকৈ, কোনো সংগঠন নোহোৱাকৈ কেৱল আবেগৰ ভিত্তিতে ব্যৱসায়ত নমা বাবেই তেওঁলোক বিফল হ'ল বুলি ভাবোঁ।



**গিৰিধাৰীলাল হৰলালকা,**
সভাপতি, কামৰূপ চেম্বাৰ্ছ অব কৰ্মাছ

□ সাধাৰণতে কোৱা হয় : যে, মাৰোৱাৰী ব্যৱসায়ীসকলে অসমক আৰু অসমীয়া মানুহক শোষণ কৰি আছে। এই বিষয়ে আপোনাৰ মত কি ?

* এই কথা মই কেতিয়াও মানি ল'ব নোৱাৰোঁ। মাৰোৱাৰী ব্যৱসায়ীয়ে অসমৰ উপকাৰহে কৰিছে। কাৰণ, আপুনি চাব যে, মাৰোৱাৰীসকল য'লৈকে গৈছে, য'তে থাকে তাতেই নানান ধৰণৰ হস্পিটেল, ধৰমশালা আদি হৈছে; —আৰু এনেকৈয়ে ৰাজ্যখন developed হৈছে। য'লৈকে মাৰোৱাৰীসকল গৈছে, ত'তে তেওঁলোকে বৰ কষ্ট কৰে, ঠাইখন develop কৰে। এইবোৰ কৰিবলৈ তেওঁলোকে সদায় সাজুও থাকে আৰু কৰিও থাকে।

□ কিন্তু এওঁলোকে ব্যৱসায়ত যি টকা উপাৰ্জন কৰি আছে, সেইবোৰ বাহিৰলৈ গুচি গৈছে; তাৰপৰা অসমীয়া মানুহৰ কিবা লাভ হৈছে জানো ?

* এইটো একদম মিছা কথা। অসমৰ পইচা অসমতে আছে, বাহিৰলৈ যোৱা নাই। এই কথা মই মনাত নাই।

□ তেন্তে, এই যে ফাঁচীবজাৰতে ব্যৱসায়ীসকলে নিতৌ লাখ লাখ টকা উপাৰ্জন কৰি আছে, সেইবোৰ পইচা ক'লৈ গৈছে ?

* সকলোৱে ভাবে যে, মাৰোৱাৰী মানুহে লাখ লাখ টকা উপাৰ্জন কৰি আছে। কিন্তু একলাখ টকাৰ ব্যৱসায় কৰিলে দহ টকা লাভ হয় নে এশ টকা লাভ হয়, সেইটো কোনেও নাজানে। আৰু ফাঁচীবজাৰত ইনকাম কৰা পইচা গুৱাহাটীতে আছে, অসমতে আছে। বিজিনেছৰ মাল পঠালে পইচা ডিব্ৰুগড়লৈ গ'ল, কেতিয়াবা অইন ঠাইলৈ গ'ল— সকলো পইচা বিজিনেছমেনৰ হাতত আছে। আৰু মাত্ৰ এটা কমিউনিটি বুলি কথা নাই —বিজিনেছমেন অসমীয়া আছে, বঙালী আছে, মাৰোৱাৰীও আছে।

□ যদিও বিজিনেছ কমিউনিটিত বিভিন্ন জাতিৰ মানুহ আছে, তথাপি ব্যৱসায়ৰ নামত চলা শোষণৰ কথা কওঁতে মাৰোৱাৰী ব্যৱসায়ীৰ কথাহে বিশেষকৈ উল্লেখ কৰা হয় কিয় ?

* মাৰোৱাৰী মানুহে অসমীয়া মানুহৰ বাবেই কাম কৰিছে। কিন্তু কওঁতে সদায় মাৰোৱাৰীৰে দোষ কিয় দেখে সেইটো আমিও বুজি নাপাওঁ।

□ ফাঁচীবজাৰৰ পৰা লাহে লাহে আগৰ অসমীয়া ব্যৱসায়ীসকল কিয় নাইকিয়া হৈ গ'ল বুলি আপুনি ভাবে ?

* অসমীয়া বুলি কোনো কথা নাই; কোনোবা পুৰণি ব্যৱসায়ীয়ে ব্যৱসায় বাদ দিছে, নতুন ব্যৱসায়ী আহিছে। এজন যাব, দুজন আহিব— এইটো ব্যৱসায়ৰে নিয়ম।

□ আমি প্ৰায়েই দেখোঁ যে আপোনালোকে কলিকতা— দিল্লীৰ পৰা বস্তু কিনি আনি বহু বেছি দামত অসমত বিক্ৰি কৰে। এইটো শোষণ হয় জানো ?

* আজিকালি কমপিটিশ্যনৰ যুগ। যিকোনো মানুহে ইচ্ছামতে দাম বঢ়াব নোৱাৰে। বস্তুৰ দাম অল ইণ্ডিয়া মাৰ্কেট মতেহে হয়। বস্তুটো বাহিৰৰ পৰা কিনি আনোতে তাত কি ৰেট আছে সেইটো চাব লাগিব। এজন ব্যৱসায়ীয়ে অকলে দাম বঢ়াই লাভ কৰিব নোৱাৰে।

□ কেতিয়াবা আপোনালোকে ইচ্ছাকৰি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি বেছি দামত বস্তু বেচা কথাটো আপুনি স্বীকাৰ কৰেনে ?

* নাই, নকৰোঁ। আজিকালি কমপিটিশ্যনৰ যুগ; —আপুনি ইচ্ছা কৰিলেই তেনেকুৱা কৰিব নোৱাৰে।

□ এতিয়া কথা ওলাইছে যে গণ পৰিষদৰ চৰকাৰ হোৱাৰ পাছত অসমৰ মাৰোৱাৰী ব্যৱসায়ী গোষ্ঠীটোৱে অলপ ভয় খাইছে। কথাটো সঁচা নেকি ?

* নাই, গণ পৰিষদৰ চৰকাৰ হোৱা নিমিত্তে আমি ভাল পাইছোঁ। এতিয়া আমাৰ নিজৰ চৰকাৰ হৈছে। আগৰ চৰকাৰৰ দিনত আমাৰ ওপৰত বহু জোৰ জুলুম হৈছিল; এতিয়া আৰু সেইবোৰ নহ'ব। নতুন চৰকাৰ হোৱা বাবে আমি ভাল পাইছোঁ।

---

**নাৰায়ণ দাস,**
দাস টি কোম্পানি, ফাঁচী বজাৰ

□ আপুনি যোৱা ৪০ বছৰে ফাঁচীবজাৰত ব্যৱসায় কৰিছে। ছল্লিছৰ দশকত আপোনালোকৰ লগতে বহু অসমীয়া মানুহ ফাঁচী বজাৰত বহিছিল। এতিয়া তেওঁলোক নাইকিয়া হৈ যোৱাৰ কাৰণ কি ?

* মূল কথা হ'ল প্ৰতিযোগিতা। আমাৰ মানুহ অন্যান্য ব্যৱসায়ীৰ ব্যৱসায়-বুদ্ধি আৰু চাতুৰীৰ আগত তিষ্ঠিব নোৱাৰিলে।

□ তাৰ মাজতে আপোনালোক কেইজনমান কেনেকৈ তিকি থাকিল ?

* ইয়াৰ বাবে আমি যথেষ্ট পৰিশ্ৰম কৰিব লগীয়া হৈছিল।

□ অসমীয়া মানুহৰ তেজত ব্যৱসায় নাই বোলা কথাষাৰ আপুনি মানি লয়নে ?

* সেইটো কিছু পৰিমাণে সঁচা। আমাৰ মানুহে বৰ বেছি মেহনত কৰিব নোখোজে। কিন্তু এতিয়া নতুন চামে কথাবোৰ বুজিছে যেন লাগে। ব্যৱসায়ৰ নিমিত্তে অকল পইচা হ'লেই নহয়, মেহনতো কৰিব লাগিব, চিন্তা কৰিব লাগিব, তাত লাগি থাকিব লাগিব।

□ এক শ্ৰেণী ব্যৱসায়ীয়ে অসমত ব্যৱসায় কৰাতকৈ লুণ্ঠন কৰি থকা বুলিহে ক'লে ভুল হ'ব নেকি বাৰু ?

* বহুতে ব্যৱসায়ৰ নামততো লুণ্ঠনেই কৰি আছে। কলিকতাত যদি কিবা বস্তু টনত ১০০০ টকা, ইয়াত সেইটো ২০০০ টকাত বিক্ৰি হৈ আছে; তাৰ কোনো যুক্তিযুক্ততা থাকিব নোৱাৰে। পৰিবহনৰ খৰচৰ নামত তেওঁলোকে যি ইচ্ছা সেই দামকে ধৰে। এইবোৰক নিশ্চয় লুণ্ঠন বুলিয়েই ক'ব লাগিব।

□ অসমীয়া মানুহৰ এতিয়াও ফাঁচী বজাৰত সোমোৱাৰ উপায় আছেনে ?

* আছে। খুব ভাবি-চিন্তি, ধীৰে সুস্থিৰে আমি বিজিনেছত নামিব লাগিব; কথাবোৰ খৰচি মাৰি বুজি ল'ব লাগিব। এতিয়া অৱশ্যে এওঁলোকৰ লগত প্ৰতিযোগিতাত নামিবলৈ হ'লে আমাৰ অধিক মূলধনৰ প্ৰয়োজন হ'ব। সমবায় ভিত্তিত আগবাঢ়ি আমি মূলধনৰ সমস্যা সমাধান কৰিব পাৰোঁ। তদুপৰি আজিকালি আৰু অসমীয়া মানুহৰ মূলধন নাই বোলা কথাষাৰ মানি লোৱাটো

---

**বাহিৰৰ মানুহে কয়, অসমত হেনো বাটে-ঘাটে সকলোতে টকা পৰি থাকে, মাত্ৰ বোটলাৰ কষ্টকণৰহে প্ৰয়োজন।**

---

OKDISCD

টান। বহুতো অসমীয়া মানুহে এতিয়া যথেষ্ট ধন কৰিছে; কিন্তু তাক ভালদৰে ব্যৱসায়ত খটুৱাবহে জনা নাই।

☐ ফঁাচী বজাৰত কিছুমান ব্যৱসায়ীয়ে ব্যৱসায়ৰ নামত যি দুই নম্বৰী কাৰবাৰ চলাই আছে, সেইবোৰ বন্ধ কৰাৰ কিবা উপায় আছেনে?

* সেইটো একমাত্ৰ সাধাৰণ ৰাইজৰ সহযোগিতা হ'লেহে কৰিব পৰা যাব। মই নিজে ইমান বছৰ দেখিছোঁ, অকল চৰকাৰৰ ওপৰত ভাৰসা কৰি থাকিলে এইবোৰ বন্ধ কৰিব পৰা নাযাব। দুই নম্বৰী ব্যৱসায়বোৰ বন্ধ কৰিবলৈ হ'লে ৰাইজে চৰকাৰৰ সৈতে সহযোগ কৰিবই লাগিব।

☐ ব্যৱসায়ৰ ক্ষেত্ৰত অসমীয়া ব্যৱসায়ীৰ ভৱিষ্যত এতিয়া আপুনি কেনে বুলি ভাবে?

* ভালদৰে আমি সুবিধাবোৰ গ্ৰহণ কৰিব জানিলে ব্যৱসায়ৰ ক্ষেত্ৰত অসমীয়া মানুহৰ খুব ভাল ভৱিষ্যত বুলিয়েই ক'ব লাগিব। এতিয়া অসমত নতুন চৰকাৰ হৈছে, তেওঁলোকেও নানা ধৰণেৰে অসমীয়া ব্যৱসায়ীক সহায় কৰিব পাৰে। কিন্তু ব্যৱসায়ত নামিব খোজাসকলে আটাইবোৰ কথা খুটি-নাটি মাৰি জানি ল'ব লাগিব। চাহৰ ব্যৱসায়ৰ কথাই কৈছোঁ; এতিয়াও কেতিয়াবা এম. এ বি. এ. পাছ কৰা ল'ৰাই ব্যৱসায়ত নমাৰ উদ্দেশ্যেৰে মোৰ ওচৰলৈ আহিলে তেওঁলোকক প্ৰথমতে এটাই উপদেশ দিওঁ যে যিহকে নকৰা ছিনছিয়েৰলি কৰিবা। আৰু ব্যৱসায়ত নামিলে উত্থান-পতনৰ বাবে সাজু থাকিব লাগিব। প্ৰথম অৱস্থাত কষ্ট কৰিবই লাগিব। বাহিৰৰ মানুহে কয়, অসমত হেনো বাটে-ঘাটে সকলোতে টকা পৰি থাকে, মাত্ৰ বোটলাৰ কষ্টকণহে প্ৰয়োজন। কথাটো একেবাৰে মিছা নহয়। আমাৰ মানুহে সেই সুবিধাবোৰ ল'ব জানিব লাগিব।



ফঁাচীবজাৰৰ অনেক দোকান ঘৰৰ মালিক অসমীয়া মানুহ; কিন্তু গোটেই ফঁাচীবজাৰখনত এতিয়া অসমীয়া মানুহৰ দোকান আছে মাত্ৰ পয়ত্ৰিছখন মান। সচ্ছল, মাটি বিক্ৰি নকৰাকৈও চলিব পৰা মানুহবিলাকেও ভাল দাম পাই আনকি ব্যৱসায়-কেন্দ্ৰৰ মাটিবিলাকো বিক্ৰি কৰি দিলে; দিন্তু নিজে সেই মাটিখিনিত যে দহগুণ লাভৰ ব্যৱসায় কৰিব পাৰিলেহেঁতেন, সেই কথা কোনেও এবাৰো ভাবি নাচালে।



ছয়চল্লিছ

# জীৱনৰ দৃশ্য আৰু বাণি

মহেশ্বৰ নেওগ



## কৈসী আৰতী হোঙ্গৈ ভৱখণ্ডন তেৰী আৰতী

প্ৰব্ৰজন হ'ল। ২৬ ফেব্ৰুৱাৰী ১৯৭৮ তাৰিখে আকাশপথে গুৱাহাটীৰ পৰা দিল্লী মহানগৰ পালোগৈ। ২৭ তাৰিখে দিল্লীখন চাই পাছদিনা দুপৰীয়া ১-৪৫ত নতুন দিল্লী ৰেল-ষ্টেশ্যনৰপৰা ফ্ৰণ্টিয়াৰ মেইল ধৰি পঞ্জাবৰ ৰাজপুৰা ষ্টেশ্যনত নামিলোগৈ। তাৰপৰা পঞ্জাবী বিশ্ববিদ্যালয়ৰ মটৰগাড়ীয়ে সেই চৈধ্য মাইল বাট আগবঢ়াই নিলে। গধূলিৰ আগে আগেই বিশ্ববিদ্যালয়ৰ চালে চকু-ৰোৱা টোল পোমালোগৈ। আমাৰ সেউজীয়া অসমৰ বিশ্ববিদ্যালয়ৰ টোল আধা-হাবি আধা-খৰাং। পটিআলাৰ শুকান মাটিত পানী দি গছ, বন, ফুল সকলো জীয়াই ৰাখিব লগীয়া হোৱাতো টোলটি জনকপুৰী কৰি ৰাখিছে। তাৰ মালী-চোৱাসকলে দিনটো দহ বজাৰপৰা পাঁচ বজালৈ ৰ'দত পৰি পৰি কোৰ মাৰে, গছ আৰু ফুল-পুলি ৰোৱে আৰু পানী দি দি জীয়াই ৰাখে; সেইহনিবোৰ বাৰেওমাহ সেউজীয়া আৰু জিলিছা যেন সমান। মই ধুনীয়া ফুলনিৰী যেন টোলত সোমোৱাৰ আগে আগে সেইদিনা চিপ্‌চিপীয়া বৰষুণ দি প্ৰকৃতিয়েও ধুলি-বালি ধুই তাক 'দিব্য উপবন' কৰি থৈছিল। টোলৰ ভিতৰৰ বাট-পথখিনিও নিকা হৈ আছে। শৃংখলা আৰু সৌন্দৰ্যৰ সমন্বয়। পচুলি বুলিবলৈ দুটা সমান সমান আহল-বহল বাট। তাৰ মাজতে বগা শিলেৰে গঢ়া বাট-চ'ৰাৰ গাত খোদিত জৱাহৰলাল নেহৰুৰ এটি বাণীয়ে সকলোকে কঠোৰ পৰিশ্ৰমলৈ উদগাই আছে। এই বাণী ভাৰতৰ ভিতৰত পঞ্জাবতেই বোধ হয় আটাইতকৈ উত্তমকৈ কাৰ্যত পৰিণত হৈছে। পঞ্জাবীসকলে কাম বাৰুকৈয়ে চিনি পায় আৰু কামেও চিনে পঞ্জাবীক। সেউজ বিপ্লৱ আৰু শুক্ল বিপ্লৱৰ দেশ পঞ্জাব।

বিশ্ববিদ্যালয়ৰ অতিথি-শালাত স্থিতি লৈ দুই-এজনক মাথোঁ লগ পাই সিদিনালৈ সোনকালে জিৰণিৰ আশ্ৰয় ল'লো। সেইদিনাহে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা মোৰ অৱসৰ হ'ল, কাৰণ ২৬, ২৭, ২৮ ফেব্ৰুৱাৰীৰ তিনিটা দিন মই অৱসৰৰ পূৰ্বৰ ছুটী (লিভ্ বিফৰ ৰিটায়াৰমেণ্ট) পাইছিলো। পাছদিনাখনেই পঞ্জাবী বিশ্ববিদ্যালয়ত যোগ দিয়াত মোৰ যেন 'ব্ৰেক অব ছাৰ্ভিছো' নহ'ল!

পাছদিনা 'গিজাৰ'ৰ তপত পানীৰে উমলগা প্ৰাতঃস্নান কৰি প্ৰাতৰাশ সমাপন কৰি মোৰ কাৰ্যস্থল পাঁচ-সিৰীয়া দ'লৰ আকাৰৰ গুৰু গোবিন্দ সিংহ (মন কৰিব, পঞ্জাবৰ শিখসকলে শব্দটো 'সিংঘ' কৰিছে লিখে— আমাৰো পুৰণি পুথিৰ লেখীয়াকৈ) ভৱনলৈ গ'লো। তেতিয়া সেই ভৱনৰ ওচৰৰ পঞ্জাবী ভৱনৰ সংলগ্ন গুম্বদ (গম্বুজ) বা উবুৰিয়াই থোৱা টৌটোৰ নিচিনা ঘৰটোৰ (ইয়াতে সুকুমাৰ কলা সংগ্ৰহালয় হ'বৰ কথা আছিল) বিশ্ববিদ্যালয়ৰ ছাত্ৰীসকলে আয়োজন কৰা কীৰ্তন চলিছে। তাত ভুমুকি মাৰি গুৰু গোবিন্দ সিংহ ভৱনত ধৰ্মতত্ত্ব বিভাগৰ উপদেষ্টা অধ্যাপক হৰবংশ সিংহ আৰু প্ৰধান ড° তাৰণ সিংহক লগ পালো। আনুষ্ঠানিকভাৱে কামত যোগ দিলো। সম্প্ৰতিকলৈ বুলি মোক ভৱনৰ এটা সিৰৰ খুপি বুলিবহে পৰা দুকু খোটালিটোত ঠাই কৰি দিলে। তাতে ইছলামৰ লেকচাৰাৰ ড° আৰ্শাদ হুছেইনো বহে। সন্ত শংকৰদেৱৰ আসন হোৱাৰ দুবছৰমান আগলৈকে গুৰুজনৰ ধৰ্মৰ বাবে লেকচাৰাৰ আৰু পাছত ৰিডাৰ হোৱা ড° কেশৱানন্দ গোস্বামীয়েও তাতে কাম কৰিছিল। মোৰ ঘৰুৱা লাইব্ৰেৰিৰ ঘাইখিনি (বিশেষকৈ অসমীয়া সাহিত্য আৰু সংস্কৃতি আৰু সাধাৰণ ধৰ্ম-বিষয়ক কিতাপৰ) পটিআলালৈ ৰোডৱেৰ গাড়ীত পঠিয়াই দিছিলো। সেইখিনি ৰেহা লগাই থ'বলৈ মোক ডাঙৰ অফিচ কোঠা আৰু থকা ঘৰ বিচাৰিলো। দুইটা বস্তুৰে কিন্তু অতি আটক! টোলত প্ৰফেছৰ-জাতীয় শিক্ষকৰ বাবে বেৰাই-বাৰীয়ে একোটাইত অট্টালিকা যেন দুমহলীয়া ঘৰ। তেনেকুৱা ঘৰকে মোক দিয়া হ'ব বুলি মহেন্দ্ৰমোহন চৌধুৰীদেৱে আদিতে জনাইছিল। তেনে ঘৰ পিছে আটাইকেইটাতে মানুহ আছে। ২ মাৰ্চত উপাচাৰ্য ড° অমৃক সিংহক লগ ধৰি মোৰ 'লাগে-'লাগে'খিনি পেছ কৰিলো। সিজনা অতি বুজুক লোক। মই নিবিচৰাকৈয়ে তেওঁ গুৱাহাটীৰপৰা পটিআলালৈ মোৰ ব্যক্তিগত গ্ৰন্থাগাৰ কঢ়িওৱাৰ বাবদ দুহেজাৰ টকা দিয়ালে আৰু গ্ৰন্থাগাৰটো সজাই থ'বলৈ বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ হিছাপৰপৰা আঠটা কাঁচ লগা লোহাৰ আলমাৰি কিনিবলৈ ছহেজাৰকৈ টকা দিলে। উপযুক্ত থকা ঘৰ নাই বাবে বহুতে মোক চাৰি মাইলমান দূৰৰ পটিআলা চহৰতে এটা ঘৰ লোৱাৰ উপদেশ দিছিল। ড° অমৃক সিংহে কিন্তু তেনে কৰিলে মোৰ বাবে চোৰ-চাৰিৰ ভয় থাকিব বুলি ডাঙৰ ঘৰ নোহোৱালৈকে ভিজিটিং প্ৰফেছৰসকলৰ বাবে আছুতীয়াকৈ থোৱা এটা দুকুঠলীয়া ফ্লেট মোক দিবৰ বাবে হুকুম দিলে। যেনে কথা তেনে কাম। লগে লগেই ডেপুটি ৰেজিষ্ট্ৰাৰ আহি মোক নি ফ্লেটটো

দেখুৱাই তাক চাফ-চিকুণ কৰাই দিলে। অতিথি-শালাত এমাহ থাকিয়ে (অতিথি-শালা যি অতিথি-শালা, মোৰপৰা ভেৰোণ বুলি একো নল'লেই!) থকা ঘৰ ল'বই পৰা হ'লো। এপ্ৰিলৰ চতুৰ্থ সপ্তাহত গম্বুজ-মূৰীয়া ঘৰটোলৈ মোৰ অফিচ তুলি আনিলো আৰু গুৱাহাটীৰপৰা কিতাপবোৰ পালতগৈ আলমাৰি কিনি আনি ভাগ ভাগকৈ সকলোবোৰ থ'লো। সেইটো লেঠা তেনেকৈয়ে মৰা বাবে নিশ্চিন্ত হৈ দুকুঠলীয়া ফ্লেটটোতকৈ আৰু ডাঙৰ ঘৰ নিবিচাৰোঁ বুলি ঠিক কৰিলো। পাঁচটা বছৰ তাতেই মোৰ ভালেৰে গ'ল। অফিচ হোৱা ঘৰটোত এখন ডাঙৰ মজিয়া পৰি বৈছিল। তাত শিখসকলৰ মাহেকীয়া কীৰ্তন হৈছিল। হিন্দুস্থানী সংগীতৰ পটিআলা ঘৰাণাৰ লগত জড়িত কীৰ্তনৰ সবদ গুৰবাণী শুনি সঁচাকৈয়ে মুগ্ধ হৈছিলো। সেই একে ঠাইতে মহাপুৰুষৰ জন্মোৎসৱো দিহা কৰিছিলো প্ৰথম বছৰ। তেওঁলোকৰ মোহনভোগৰ কড়া পৰসাদৰ ঠাইত আমাৰ মাহ-চাউল খাই ত'ৰসকলে বিশেষ সোৱাদ পাইছিল। আমাৰ গীত-পদত তেওঁলোকেও যোগ দিছিল।

নৱাগতক আদৰিবৰ কাৰণে আজি হৰবংশ সিংহ, কাইলৈ তাৰণ সিংহ, এনেকৈ ঘৰে ঘৰে নিমন্ত্ৰণৰ লানি এটা লাগিছিল। ইয়াৰ উপৰি বিশ্ববিদ্যালয়ৰ ভিতৰৰ উপাচাৰ্যৰ বাহিৰে ঐতিহাসিক ড° ফৌজা সিংহ আদি, পটিআলা নগৰৰ সাহিত্যিক অধ্যাপক হৰবচন সিংহ তালিব, আমাৰ অসমৰ ড° ভূঞাৰ দৰে পঞ্জাবৰ ইতিহাসৰ ইতিহাস-নিৰ্মাতা ড° গাণ্ডা সিংহ আদি, অন্যত্ৰ থকা সাহিত্যকাৰ ড° মোহন সিংহ উবেৰই দিৱানা, সন্ত সিংহ সেখোঁ, ড° হৰভজন সিংহ (এওঁ দিল্লী বিশ্ববিদ্যালয়ৰ) আদি বিদ্বানসকলৰ লগত পৰিচয় আৰু ঘনিষ্ঠতা অৰ্জন কৰি নিতান্তই সুখী হৈছিলো। ত্ৰিছৰ দশকৰ চিনাকি লোককাব্যৰ অনুসন্ধানী দেৱেন্দ্ৰ সত্যাৰ্থীকো পাওঁ মাজে মাজে। পিছে দেখিলো মোৰ উৰ্দু ভাষাৰ জ্ঞানৰ অভাৱে আহুকাল কৰিছিল, কাৰণ পঞ্জাবততো উৰ্দুৰ প্ৰভাৱ যথেষ্ট, তাৰউপৰি শায়েৰীবিলাকত উৰ্দুৰ ৰাজত্ব মুকলিমূৰীয়া। অমৃতা প্ৰীতমক এবাৰ মাথোন দিল্লীত সাহিত্য অকাদেমীৰ সভাত লগ পাইছিলো। এটা কথা দেখিছিলো, পঞ্জাবৰ সাহিত্যিকসকলেও তেওঁক শিখ ঐতিহ্যৰ বাজৰ মানুহ বুলি জ্ঞান কৰিছিল আৰু জ্ঞানপীঠ পুৰস্কাৰৰ বাবে তেওঁৰ নাম আগ বঢ়াই দিবলৈ টান পাইছিল, আনকি, তেওঁ পুৰস্কাৰটো পোৱাৰ পাছতো অনেক শিখে নিজকে অসুখী অনুভৱ কৰিছিল। তালিব জ্ঞানপীঠ পুৰস্কাৰ প্ৰদান সমিতিৰ সদস্য হোৱাতহে অমৃতা প্ৰীতমে সেই পুৰস্কাৰ পায়। গুৰু গ্ৰন্থ সাহিব অধ্যয়ন বিভাগৰ ড° জি. এছ. আনন্দে আৰু কৰেস্পণ্ডেন্‌ছ কোৰ্ছৰ শ্ৰীমতী সুষমা আহিৰয়ে মোক ঘৰুৱা কথাত আৰু বিশ্ববিদ্যালয় ৰাজনীতি বুজাতো বিশেষ সহায় কৰিছিল। মই থকা ব্লকটোৰ মোৰ ফ্লেটৰ ঠিক ওপৰৰ ফ্লেটত নিৱাস কৰা কৰেস্পণ্ডেন্‌ছ কোৰ্ছৰ শ্ৰীমতী ৰবীন্দৰ কৌৰ পপলি আৰু তেওঁৰ স্বামী ড° ত্ৰিলোচন সিংহ পপলি মোৰ অতি আন্তৰিকতাপূৰ্ণ প্ৰতিবেশী হৈছিল। তেওঁলোকে কোনোদিনে মোক লগা সহায় দিয়াত পৰাঙ্মুখ নহৈছিল। বিশ্ববিদ্যালয়ৰ নাটক বিভাগৰ শ্ৰীমতী কমলেশ উপ্পলে প্ৰথম দিনাখন চিনাকি হৈয়ে বৰগীত গাই শুনাইছিল— ড° কেশৱানন্দ দেৱ গোস্বামীৰপৰা শিকা "গোপালে কি গতি কৈলে।" তেওঁৰ ষ্টকত আৰু দুটিমান গীত মই যোগ দিওৱাৰ দিহা কৰিছিলো আৰু পটিআলা-চণ্ডীগড়ত হোৱা আমাৰ সভাবিলাকত তেওঁক বৰগীত আৰু সবদ গোৱা ভক্তিমতী গায়িকাৰূপে পাইছিলো। মই পটিআলাত থকাৰ দুমাহমানৰ ভিতৰতে তেওঁ মোৰ ফ্লেটলৈ আহি সুধিলে 'ডক্টৰ চাহেব (পটিয়ালাত মোৰ সম্বোধন যেন অচল), আপুনি আমাৰ পঞ্জাবী সাগ খাইছেনে?' মই ক'লো 'মইতো কিবা-কিবি শাকৰ আঞ্জা খাই পাইছো। আপুনি কোৱাটোৰা কোনটো তাকহে ক'ব নোৱাৰিলো। তেওঁ পাছদিনাখনেই বৰ এবাটি মেথি শাক মিহিকৈ বাঁটি আঞ্জা কৰি আনি মোক আগত থাকি খুৱালেহি। পঞ্জাবীসকলে সেই খন দিহ বৰ ভাল পায়, বৰ তৃপ্তিৰে খায়। এবাৰ মোৰ কেইবাদিনমানো গা বেয়া কৰাত তেওঁ গম পাই মোক চাবলৈ আহি ক'লে, 'ডক্টৰ চাহেব, আপোনাৰ কোঠাটো কেইদিনমান সৰা-পোছা নাই হবলা। বৰ ধূলি গোট খাইছে। আপোনাৰ অসুখত বেছি আহুকালহে হ'ব।' এই বুলি সোপাকাণি এটা বিচাৰি তেওঁ কোঠাটো পৰিষ্কাৰ কৰি পেলালে। ওচৰ চুবুৰীয়ালসকলেৰে এই সহজ আত্মীয়তাৰ মাজত এজন পঞ্জাবী বন্ধুৰ সাৱধানী বাণী এটা মানি লবলৈ টান পাইছিলো। তেওঁ কৈছিল, 'ডক্টৰ চাহেব, আপুনি আমাৰ মাজলৈ আহিছে, ভাল পাইছো। আপুনি পিছে সাৱধানে চলিব। আমাৰ মানুহবোৰ বৰ কূট আৰু টেটৰ।' মই ক'লো, 'তেনে মানুহটো ইয়াত নালাগে, সকলো ঠাইৰ সমাজতে পাব। সেই বুলি সকলোকে বেয়া বুলি নক'ব।' বাস্তৱিকতে পটিআলীয়াসকলৰপৰা যিমান আদৰ-যতন পাইছিলো, তাক এতিয়াও কৃতজ্ঞতাৰে সোঁৱৰোঁ। মোৰ অসুখ হ'লে অধ্যাপক হৰবংশ সিংহ আদি বয়সিয়াল লোকেও নিশা এঘাৰ-বাৰ বজালৈ কামত বহি থাকে, আৰু নিশা কিবা বিপদ হ'ব ভাবি ব্লকৰ শেথী বা পপলি মোৰ ফ্লেটতে শোৱে। পটিআলা গৈ পোৱাৰ এবছৰ কাল বৰ আৰামত কটালো। কিন্তু তাৰ পাছৰপৰাই মাজে মাজে এটা হাহাকাৰৰ সৃষ্টি হৈছিল; তাৰ জল-বায়ুৱে মুগুজা হৈছিল; গুৱাহাটীৰপৰা দুই এজন বন্ধুৱে ঘূৰি আহিবৰ পৰামৰ্শকে দিছিল কিন্তু পাঁচ বছৰৰ প্ৰতিশ্ৰুতিৰে গৈ ঘূৰি অহাও বেয়া কথা হ'লহেঁতেন বুলি টানি-মানি বছৰকেইটা পূৰাবলৈ বৈ গৈছিলো। বিশ্ববিদ্যালয়ৰ ডাক্তৰ অজিত সিংহ পুৰী আৰু ছিকিওৰিটি অফিচাৰ কৰ্ণেল যোগীন্দৰ সিংহ সিধু আদিসকলে মোক সকলো সময়তে ভাৰষা দি দি ৰাখিছিল। মই যদিও তাত ল'ৰা-ছোৱালী পঢ়ুওৱা শিক্ষক নাছিলো, গৱেষক অধ্যাপকহে আছিলো, ছাত্ৰ-ছাত্ৰীসকলৰপৰাও সহায়-সাৰথি আগ বাঢ়ি আহিছিল। অতি সাধু ব্যৱহাৰৰ সুগায়িকা দীপ কৌৰ ঈশ্বৰ আৰু গুৰনাম কৌৰে আমাৰ গুৰু-জয়ন্তী আৰু সিসকলৰ কীৰ্তনৰ উচ্চাংগৰ সংগীতৰ তৃপ্তি দিয়াৰ উপৰিও মোৰ 'দেহৰ বিলাই'ৰ খবৰ ৰাখিছিল। অধ্যাপক পৰিয়াল দুটিমানেও মোত চকু ৰাখিছিল। এতিয়াও মনীষা-(অধ্যাপক যোগীন্দৰ কৌশলৰ কন্যা) হঁতৰ চিঠি পালে সেই সুখেৰ-দুখেৰে মিহলি দিনবোৰৰ কথা মনত পৰে। সকলোৰে সহযোগ নোপোৱা হ'লে আমাৰ গুৰু-আসনৰ সেৱাৰ খুদমানো কিজানি কৰিব নোৱাৰিলোহেঁতেন।

পটিআলা গৈ পায়ে মনটো বৰ মুকলি মুকলি লাগিছিল। বিশেষকৈ পঞ্জাবৰ পণ্ডিতসকলৰ উদ্যম আৰু উচ্ছ্বাস বৰ মন-পৰশা। পোনতেই ড° হৰভজন সিংহে মোক এটি শুকুলা শিখ পাগুৰিও উপহাৰ দিছিল। কিন্তু যোদ্ধা-সাধু শিখসকলৰ দৰে মই শ্মশ্ৰু অবিহনে সেই পাগ মাৰিলে মোক বৰ বেছি হাৰিয়াম্বী হিন্দু বুলিহে মানুহে ভাবিলেহেঁতেন! তালৈও সেই হিন্দুসকলৰ টুক্ টুক্ কৰে ৰঙা গাল দুখনো মোৰ নাই! বিশ্ববিদ্যালয়ত যোগ দিয়াৰ আগতেই পটিআলাত আমাৰ গুৰু-তিথিত বক্তৃতা কৰিছিলোগৈ। এতিয়া মোৰ পৰিচয় (antecedents) পুনৰ ল'বৰ বাবেই নেকি ২২ মাৰ্চত মহীশূৰস্থ ভাৰতীয় ভাষাৰ কেন্দ্ৰীয় সংস্থানৰ (CIIL) উত্তৰাঞ্চলীয় ভাষা-কেন্দ্ৰত 'বিশিষ্ট আলহী বক্তৃতা' দিবলৈ আহ্বান আহিল। মই অসমৰ সাংস্কৃতিক বুৰঞ্জীৰ কেইআধ্যামানৰ পাত লুটিয়াই দেখুৱালো। আকৌ ২৮ মাৰ্চত পঞ্জাব বিশ্ববিদ্যালয়ৰ মধ্যযুগীয় ভাৰতীয় সাহিত্য বিভাগে পুৰণি ভাৰতীয় কবিৰ সামাজিক প্ৰত্যাহ্বান (Social protest in medieval Indian poetry) সম্পৰ্কীয় আলোচনা-সত্ৰত যোগ দিবলৈ আহ্বান কৰিলে। অধ্যাপক উমাশংকৰ জোশীয়ে সত্ৰৰ কৰাপাটৰ বাট মুকলি কৰিলে। প্ৰথম অধিৱেশনত ময়ে সভাপতি হ'ব লাগিল আৰু পুনৰ পাছবেলা জোশী চাহাবে গুজৰাটী কবিৰ সামাজিক বিপ্লৱৰ বিষয়ে স্বৰ্গত ধনীৰাম ছত্ৰিক স্মাৰক বক্তৃতা দিওঁতেও সভাপতিৰ আসনত বহিলো। আবেলি চৰকাৰী অতিথি-শালাত হ'ল চাহৰ মেল। তাতে শুদ্ধ খদ্দৰ-পৰিহিত অকালী মন্ত্ৰীসভাৰ শিক্ষামন্ত্ৰী সৰদাৰ সুখজিন্দৰ সিংহৰ লগত পৰিচয় হ'ল। তেওঁ ইমান বাৰ মোক Welcome to Punjab বুলি সাদৰ জনালে যে মই যেন অলপ আমনিয়েই পালো। পাইছিলো যদি, ঠিকেই পাইছিলো। কাৰণ, দুদিনমানৰ পাছতে খবৰ কাগজত ওলাল, পঞ্জাবৰ বিশ্ববিদ্যালয়কেইটাত প্ৰতিষ্ঠিত বহুতবোৰ বিশিষ্ট নামী চেয়াৰৰ (মিঞা কী মল্লাৰ, বিলাসখানী তোড়ী আদি সংগীতৰ 'নামী ৰাগ'ৰ দৰে বাবা ফৰিদ চেয়াৰ, গুৰু নানক চেয়াৰ, জৱাহৰলাল নেহৰু চেয়াৰ আদি) আৱশ্যকতা সম্বন্ধে বিচাৰ কৰিবলৈ পঞ্জাব আৰু পঞ্জাবী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য দুজন আৰু পঞ্জাব চৰকাৰৰ শিক্ষা সচিবক লৈ এখন সমিতি গঠিত হৈছে। ছেইণ্ট শংকৰদেৱ চেয়াৰ ডেৰমহীয়া কেঁচুৱা থকাতে এখন পৰনা আহিল চেয়াৰৰ কাম কিমান হ'ল আৰু কিমান বাকী, 'ৰেপট' বিচাৰি। ইফালে তেতিয়াও পঞ্জাবী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ চেয়াৰৰ বাবে চৰকাৰৰপৰা কোনো টকা পোৱাই নাই, নিজৰ কোষাগাৰৰপৰাই যাৱতীয় খৰচ চলাই আছে। লেঠা হ'ল, তেতিয়ালৈকে থকা সকলোবোৰ চেয়াৰৰ অৰ্থ-ব্যৱস্থা গিয়ানী জৈল সিংহ চৰকাৰৰ; তাৰ যশস্যাও তেওঁলোকৰ; আকালী চৰকাৰে সেই ব্যৱস্থাত সমৰ্থন দিব কিয়? —এনে এটা ভুল ভাব তলে তলে শিপোৱা যেন লাগিল। মোৰ পদবীটো লৈ চৰকাৰে টনা-আঁজোৰা কৰিব নোৱাৰে, কাৰণ তাৰ চুক্তি মোৰ আৰু বিশ্ববিদ্যালয়ৰ মাজত সিদ্ধ হৈ গৈছে। কিন্তু চেয়াৰৰ বাবে ইতিমধ্যে অসম আৰু পঞ্জাবৰ কাগজত বিজ্ঞাপন দিয়া বিভাৰ, ৰিছাৰ্চ ফেলো আদি পদ-পূৰণত এটা বাধা পৰিল। ইফালে সমিতিখনৰ কাম অতি শনৈঃ শনৈঃহে হৈ থাকিল। সেইফালে কাৰো দৃষ্টি নহ'ল। মই পটিআলা এৰালৈকে সমিতিৰ একো সিদ্ধান্ত হোৱা নাছিল। মোৰ কাৰ্যকাল উকলি যোৱাৰ পাছতো উপাচাৰ্য ড° সৰদাৰ সিংহ জোহলে মোক আৰু দুবছৰ বৈ যাবলৈ ধৰিছিল। তেতিয়া মোৰ নাওখনে ঘাটৰ মাটি এৰিছিলেই, মইহে এটা ভৰি মাথোঁ। তেতিয়াও পাৰৰপৰা নাৱলৈ তুলি ল'বলৈ বাকী। আনফালে, পঞ্জাবী বিশ্ববিদ্যালয়ৰ ছেইণ্ট শংকৰদেৱ চেয়াৰৰ বিনিময়তে যেন গুৱাহাটী বিশ্ববিদ্যালয়ত গুৰু নানক চেয়াৰ খুলিবৰ বাবে শৰৎচন্দ্ৰ সিংহৰ চৰকাৰে একলাখ টকা আদায় কৰি দিছিল। বিজ্ঞাপন দিও বিশ্ববিদ্যালয়ে তাৰ বাবে অধ্যাপক নাপাইছিল। প্ৰকৃততে এনে নামী চেয়াৰৰ বাবে উপযুক্ত পণ্ডিত বিচাৰি বিচাৰি খাটিৰ-খোচামতি কৰিহে আনিব লাগে। মই গুৱাহাটী এৰিবৰ সময়ত উপাচাৰ্য ড° হিতেন্দ্ৰকুমাৰ বৰুৱাই পঞ্জাবত তেনে লোকৰ অনুসন্ধান কৰাৰ ভাৰ দিছিল। মই বিচাৰি বিচাৰি দুজনৰ নাম পঠাইছিলো। তাৰে এজনে ব্যক্তিগত অসুবিধাৰ বাবে আহিব মুখুজিলে। আনজনক আকৌ আমাৰ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই সাক্ষাৎকাৰ কৰিবলৈ মাতি পঠিয়ালে! আচলতে, সাধাৰণ নিয়মৰ মেৰ-পেঁচৰ সাক্ষাৎকাৰৰপৰা নামী আসনৰ উপযোগী পণ্ডিতক অব্যাহতি দিব লাগে। তাতে আকৌ যিদিনাখন সাক্ষাৎকাৰৰ দিন ধাৰ্য কৰা হৈছিল, সেই দিনাখন আবেলিহে পণ্ডিতজনে গুৱাহাটীৰপৰা তেওঁক মাতি পঠিওৱা টেলিগ্ৰামখন পাইছিল। সময়ৰ দুৰ্বাৰ স্ৰোতত উজুৱাই দিল্লীৰপৰা গুৱাহাটীলৈ জাপ

OKDISCD

মৰা জানো অতি বৰ পণ্ডিতৰ বাবেও সম্ভৱ ? তেওঁৰ নিয়োগৰ কথাটো সেই খেলি-মেলিতে 'কেঞ্চেলি' গ'ল।। এতিয়া কোনেনো গৈ পঞ্জাবৰ চৰকাৰক ক'বগৈ পাৰে, 'তোমালোকৰ আগৰ কবুল ৰাখি শংকৰদেৱ চেয়াৰ পুৰা-পুৰি কৰা' ?

বিশ্ববিদ্যালয় কৰ্তৃপক্ষই চেয়াৰৰ কাম চলিব পৰাকৈ ইতিমধ্যে পোৱা দৰখাস্তবোৰৰপৰা ৰিছাৰ্চ স্কলাৰ পদৰ মকৰলি কৰা ঠিক কৰিলে। কিন্তু গ্ৰহণযোগ্য তেনে আবেদন এখনহে পোৱা গৈছিল। তেতিয়া অৰ্হতাৰ পৰিসৰ বঢ়াই দি আকৌ জাননী দিয়া হ'ল। এইবোৰ কৰোঁতেই ডেৰ বছৰ কাল এনেই গ'ল। শেহত ১০ জুলাই ১৯৭৯ তাৰিখলৈ প্ৰাৰ্থীসকলৰ চাৰিজনক বাছি সাক্ষাৎকাৰৰ বাবে মতা হ'ল। ডিন অব একাডেমিক এফেয়াৰ্ছ ড' এছ এছ বীৰ, বিশেষজ্ঞ অধ্যাপক তালিব আৰু মোৰে গঠিত সমিতিয়ে উপস্থিত প্ৰাৰ্থী দুয়োজনৰ নাম (সুলেখা চক্ৰৱৰ্তী, মহেশ্বৰ হাজৰিকা—দুয়ো গোলাঘাট মহকুমাৰ) গ্ৰহণ কৰিলে। কৰ্তৃপক্ষই দুইকো প্ৰোজেক্ট এছিষ্টেণ্ট পদবী দি নিযুক্তি দিলে। হাজৰিকাই লগে লগে কামত যোগ দিলে। সুলেখাই কামত যোগ দিয়াৰ সময়ৰ ম্যাদ ৰেজিষ্টাৰৰপৰা দীঘলীয়াকৈ লৈ ঘৰলৈ ঘূৰিল। ইতিমধ্যেই চেয়াৰৰ প্ৰথম প্ৰোজেক্টৰূপে গুৰুজনৰ একমাত্ৰ সংস্কৃত গ্ৰন্থ "ভক্তি-ৰত্নাকৰ"ৰ সমীক্ষিত সংস্কৰণ উলিয়াবৰ সংকল্পেৰে কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত তাৰ পুথি আৰু ছপা সংস্কৰণ মিলাই পাঠ-নিৰ্ণয়ৰ কাম ইতিমধ্যে আৰম্ভ কৰিছিলো। কিন্তু কমলাবাৰী-সত্ৰ (মহিমাবাৰী, তিতাবৰ) আৰু নগাঁৱৰ মহেশ চন্দ্ৰ দেৱ গোস্বামীৰপৰা দুখন পুথি পাই দেখিলো, সেই দুখনিৰ পাঠ স্বতন্ত্ৰ আৰু উন্নত এটা পাঠ-শাখাৰ (recension) প্ৰতিভূ। তেতিয়া আগৰ পাঠ-নিৰ্ণয়ৰ কাম এৰি দি এই পাঠ শাখামতে মোৰ সংস্কৰণ প্ৰস্তুত কৰাটি ঠিক কৰিলো। হাজৰিকাক কাম দিলো কমলাবাৰীৰ পুথিখন নকল কৰি উলিওৱা। তেওঁৰ সেই কাম হ'লত মই একেবাৰতে নগাঁৱৰ পুথি আৰু পৃথক পাঠ-শাখাৰ প্ৰতিনিধি সমিতিৰ পুথি চাই পাঠ-পাঠান্তৰ নিৰ্ণয় কৰিলো। এই দৰে সংগঠিত পাঠ (constituted text) আৰু সমীক্ষা-সামগ্ৰী (apparatus criticus) প্ৰস্তুত হোৱাত হাজৰিকাই নাগৰী হৰফেৰে তাৰ প্ৰেছ-কপি তৈয়াৰ কৰি দিলে। মোক এইখিনি লিপিকাৰৰ (mechanical) সহায় দিয়াৰ পাছত তেওঁক নিজা-ৰবীয়া পাতল গৱেষণাৰ কাম দিওঁ বোলোঁতেই প্ৰোজেক্ট এছিষ্টেণ্টৰ দৰ্মহাৰে তেওঁৰ অনাটন হয় বুলি তেওঁ ঘৰলৈ ঘূৰি অহাটোকে ঠিক কৰিলে। মোৰ পুনৰ সমস্যা হ'ল বিশেষকৈ অফিচত। ইফালে 'দেহাৰ ভাৰসা নাই' অৱস্থা। হঠাতে হুৰা-দুৰা লাগে। তেতিয়া বন্ধুসকলে এটা পৰামৰ্শ দিলে। আগতে এটা ইনজেকশ্যন লওঁতে বেজীটো সিৰত পৰাত কেইবাদিনো হোৱা মোৰ হাহাকাৰৰ সময়ত ইলেকশ্যন কমিশ্যনত গৱেষণাৰ সমল বিচাৰি থকা সুলেখাই দিল্লীৰপৰা আহি মোক 'আইৰ দৰে' সহায় কৰিছিল আৰু সিফালে প্ৰোজেক্ট এছিষ্টেণ্ট-ৰূপে নিযুক্তি পায়ো যোগ দিয়া নাছিল। এতিয়া সুলেখাক কামত যোগ দিবলৈ মাতিব লাগে। ৰেজিষ্টাৰে তেওঁক যোগ দিবলৈ দিয়া সময়ো শেষ হৈ আহিছিল; তেওঁ সেই দেখি শেষ সাৱধানী ধ্বনি দিবলৈ ক'লে। সেইমতে পঠোৱা চিঠি পায়ে লাভ-অলাভৰ কোনো হিচাপ নলৈ কামত যোগ দিবলৈ সুলেখা ওলালগৈয়ে। তেওঁ মোৰ কণাৰ লাখুটি হ'ল আৰু বেমাৰে পটিআলাৰপৰা হুৰাই গুৱাহাটীলৈ খেদাৰপৰা মোক ৰক্ষা কৰি থাকিল। মোক ৰক্তচাপ বৃদ্ধি আৰু বহুমূত্ৰই খুলি খুলি খাইছিল। ফাগুন-চ'ত মহীয়া এলাৰ্জি হৈ উশাহ-নিশাহ বন্ধ কৰি দিয়ে। ডাক্তৰে কয় যে বাহিৰৰপৰা আমদানি কৰি অনা ঘেঁহু ধানৰ খেতিৰ দোৱা-কটাৰ সময়ত কিছুমান অতি সূক্ষ্ম পদাৰ্থ আকাশত উৰিবলৈ ধৰা বাবেই পটিআলাৰ নিচিনা খেতি-পথাৰ থকা ঠাইত অজস্ৰ মানুহৰ দুৰ্দশাৰ সৃষ্টি হয়। পটিআলাৰপৰা চণ্ডীগড় নগৰলৈ গ'লে দেখিছো মোৰ অসুখ আপোনা-আপুনি কিছু পাতলি যায়। চণ্ডীগড়ত অৱশ্যে আৰু দুটা মোৰ সুবিধা—তাত পোষ্টগ্ৰেজুৱেট ইনষ্টিটিউট অব মেডিচিন এণ্ড ৰিছাৰ্চ আছে; এয়াৰ ফোৰ্চ আদিত কাম কৰা ডেৰ কুৰিমান ঘৰ অসমীয়া পৰিয়াল আছে। তাৰে কেইবাটিয়েও, বিশেষকৈ আনন্দ হাজৰিকা (ৰছা-দৈয়াঙৰ) আৰু তেওঁৰ পত্নী শ্ৰীমতী দুলুৱে, মোক বিশেষ সহায় কৰিছিল। মঙহত দিব লগীয়া বেজী সিৰত দিয়া কাৰণে মোৰ বাঁও ফালৰ হাত-ভৰি বহুত দিন (নবেম্বৰ-ডিচেম্বৰ ১৯৭৮) ঠেৰেঙা লগা অৱস্থাত আছিল আৰু সেইদৰে থকাতে দিল্লী বিশ্ববিদ্যালয়ৰ এম.লিট.ৰ মৌখিক পৰীক্ষা ল'ব লগীয়া হোৱাত তেওঁলোকৰ অতিথি-শালাৰ বিছনাত পৰি পৰিহে পৰীক্ষা লৈছিলোগৈ। "ভক্তি-ৰত্নাকৰ"ৰ ইংৰাজী ভূমিকাৰ (History of the concept of bhakti) বাবে সমল সংগ্ৰহ কৰিবলৈ পুৰণি প্ৰাচ্যতাত্ত্বিক গৱেষণা-পত্ৰিকাবোৰ একে থূপত পাব পৰা ভাৰতৰ একেটি অনুষ্ঠান কলিকতাৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰত এমাহ (ফেব্ৰুৱাৰী ১৯৮০) কাম কৰাৰ পাছত কলিকতাৰ কয়লাৰ ধোঁৱা-ভৰা আকাশৰ দূষণৰ বাবেই হ'বপায় মোৰ দুৰ্ভোগ বাঢ়ি উঠে আৰু কিছু দিনলৈ গুৱাহাটীলৈ পলায়ন কৰিব লগা হয়। তথাপি যে অসমৰ ধৰ্ম-সংস্কৃতিৰ গুৰুজনাৰ নামৰ থাপনাখনিৰ প্ৰদীপগছি নুমাবলৈ দি গুচি নাহিলো আৰু তাত পাঁচ বছৰ পূৰ কৰিলো, তাৰ বাবে নিজকে ধন্যবাদ দিওঁ। অনেকদিনা মুখৰ আগত দাঙি ধৰা খোৱা মুঠিও তেনেকৈয়ে এৰিব লগীয়া হয়। কত নিশা চকুৰ টিপ মাৰিবলৈ নাপাওঁ। এইভাৱে জীৱনটো সংকীৰ্ণ পথেদি আগ বাঢ়ে, কিন্তু ভালেই আগ বাঢ়ে।

[আগলৈ]





# এনাজৰী

যোগেশ দাস

ডাঙৰ আঘাত পাই বংশ-পৰিয়ালৰ সহায় লৈ প্ৰতিকাৰ কৰিবলৈ ওলাই নিলাম্বৰ চক্ৰৱৰ্তী ভীষণ ব্যস্ত হৈ পৰিছিল। স্বামী-স্ত্ৰী দুয়ো নগাঁৱৰ ঘৰখনত সাময়িকভাৱে থিতাপি লৈছিলগৈ। সেই কেইদিনৰ চেষ্টা-চৰ্চাৰ ফল স্বৰূপেই বুধীন বৰুৱাৰ সন্ধান ওলাইছিল। এনে অথন্তৰৰ মাজত ঈশ্বৰেই বিগতদাৰ মেজিষ্ট্ৰেটক পঠাই দিছে বুলি চক্ৰৱৰ্তী আৰু অন্যান্যই ভাবি ললে। নগাঁৱত মাকু চুভীৰ লগত শুইছিল। উদ্দেশ্য আছিল জীয়েকক বুজাই-বৰাই সকলো পাহৰি বিয়াত বহিবলৈ সন্মত কৰোৱা। কিন্তু তিৰোতা আৰু মাতৃৰ প্ৰাণ। এৰাতিৰ কাৰণেও মাকে বুজনি নিদিলে। মাত্ৰ জীয়েকক মূৰে-পিঠিয়ে হাত বুলাই একণী সৰু ছোৱালীৰ দৰে মৰম কৰি শুৱাই থবলৈ চেষ্টা কৰি গ'ল। চুভীয়ে খঙাল দেউতাকৰ শুকান, চিন্তিত চকু-মুখ দূৰৰপৰা দেখিছিল। দেখি বেয়া লাগিছিল। হাজাৰ হক পিতৃ, পালক-স্নেহশীল, কৰ্তব্য-পৰায়ণ, নিজৰ মতত দৃঢ়— ভুল কৰিলেও ঐকান্তিক— নিজৰ জীয়ৰীক ভুল পথে যাবলৈ নিদিবলৈ একান্তভাৱে ইচ্ছুক। এনে পিতৃ-মাতৃক আৰু দুখ নিদিবলৈ চুভীয়ে শেষত সিদ্ধান্ত ললে। নিজৰ যিয়েই হওক, মাক-বাপেকৰ মুখ উজ্জ্বল কৰিব। এৰাতি মাকৰ বুকুত সোমাই কান্দি কান্দি কলে, "তোমালোকে যি কৰিছা সেই মতেই হ'ব।"

কিন্তু যুগ্ম জীৱনৰ প্ৰথম নিশাই চুভীয়ে বুজিলে যে তেওঁৰ বৰ ডাঙৰ ভুল হৈ গ'ল। যি ভুলৰ শুধৰণি নাই। তেওঁ ভাবি লৈছিল যে বিয়া বস্তুটো এটা মিলাই লোৱা কথা। দুজন সম্পূৰ্ণ পৃথক, সম্পূৰ্ণ অপৰিচিত ব্যক্তিৰ মিলন এনেয়েও টান কথা। এৰা-ধৰা নকৰিলে নচলে। আমাৰ দেশত সামাজিক প্ৰথানুযায়ী এক ধৰণৰ কাম-চলি-যোৱা নিয়ম এটা চলি আহিছে। ছোৱালীজনীয়ে তাত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত। তাই মানি চলিলেই সকলো ঠিক হৈ যায়— আৰু তাই সাধাৰণতে মানি চলেই। শোভনাও তেনে নিয়মৰ জালত পৰিব লগা হ'ল। তেওঁ কিন্তু তাৰ কাৰণে তেনেকৈ প্ৰস্তুত নাছিল। ভাবিছিল কিছু পৰিমাণে এডজাষ্টমেণ্ট কৰি ললেই সুন্দৰকৈ চলি যাব। স্বামীৰ অবাধ্য নহলেই হ'ল। মনৰ গোপন মন্দিৰত যদি অন্য এটি দেৱতাও উপস্থিত থাকে তেনেহলে সেই কথা ব্যক্ত নকৰিলেই হ'ল। হয়তো কাল-ক্ৰমত সেই গোপন দেৱতা অন্তৰ্হিত হৈ যাবও পাৰে। হাজাৰ হক সংসাৰখন এখন ভাওনা মাথোন। ভাওনা কৰি কৰি অভ্যস্ত হৈ গলে ভাওকে সত্য যেন লাগি যাব পাৰে। কিন্তু সেয়ে হৈ নুঠিল। চুভীৰ আৰম্ভতেই স্বপ্ন ভংগ হৈ গ'ল।

বিয়াৰ ৰাতিটো বৈবাহিক কাম-বোৰতে পুৰাই গ'ল। দৰাৰ পাৰ্টি আহিছিল গোলাঘাটৰপৰা নগাঁৱলৈ। বিয়া কৰাই কইনা লৈ গোলাঘাট গৈ পাওঁতে শেষনিশা হৈছিল। নীলাম্বৰ চক্ৰৱৰ্তীয়ে বিধান দি পঠিয়ালে যে ইমান দূৰ বাট কাৰণে স্বামীৰ ঘৰ গচকাই আৰু কইনাক ঘূৰাই আনিব নালাগে। কইনা প্ৰথমৰপৰাই স্বামীৰ ঘৰতে থাকি যাব। খুব সম্ভৱ চক্ৰৱৰ্তীয়ে আপদ বিদায় কৰিবহে খুজিছিল। শহুৰেকৰ ঘৰত বন্দী হৈ পৰিলে অন্য চিন্তা আৰু নহা হ'ব— এনে কেলেংকাৰী কৰিব খোজা ছোৱালীক কোনে বিশ্বাস কৰে ? গতিকে কইনাক ঘৰ গচকাই আৰু নগাঁৱলৈ ঘূৰাই অনা নহ'ল। লগত যোৱা সম্বন্ধীয়া পেহীয়েক আৰু ল'ৰা দুজনে ৰাতিৰ শেষ দুঘণ্টামান দৰাঘৰতে ক'ৰবাত পৰি থাকি ৰাতিপুৱা গা-পা ধুই টেক্সিত উঠি গুচি আহিল।

দিনটো স্বাভাৱিকতে গোলাঘাটৰ চাৰিওফালৰপৰা কইনা চাবলৈ অহা আত্মীয়-কুটুম্বক মাত দিওঁতেই শোভনাৰ পাৰ হৈ গ'ল। শাহু নোহোৱা ঘৰ। শহুৰ বুঢ়া মানুহ— লাখুটি লৈ বাহিৰত বহি তেখেতেই প্ৰথমে অতিথিক আদৰে— ভিতৰলৈ নিয়ে আৰু



OKDISCD

সম্বন্ধত কি লাগে চিনাকি কৰি দিয়ে। তিৰোতা মানুহ অৱশ্যে আছিল— জীয়েক, বুধীনৰ ভায়েক সুধীৰৰ ঘৈণীয়েক— আৰু দুজনীমান বিয়ালৈ বহুত আগতে অহা তিৰোতা মানুহ। সুধীৰৰ ঘৈণীয়েকে প্ৰায় সমবয়সীয়া শোভনাক বাইদেউ— বাইদেউ কৰাত তেওঁৰ বৰ অখজা লাগিছিল। সুধীৰ-হঁতো ঘৰত নাথাকে, ডিগবৈতহে থাকে ;— বিয়াৰ সময়ত প্ৰায় উদং ঘৰখনত বুধীন আৰু বুঢ়া দেউতাকহে আছিল। গতিকে বুঢ়াহে আটাইতকৈ নিঃসংগ আছিল। বুধীনৰ গোটেই-খিনি সময় হাকিমী চাকৰি আৰু ক্লাবৰ উপস্থিতিতে পাৰ হৈছিল। আৰু এজনী বোৱাৰীৰ বিশেষ প্ৰয়োজন হৈছিল। নগঞা মানুহ কেই-যোৰাই বিদায় লোৱাৰ পাছত অন্য মানুহ-দুনুহ অহাৰ আগতেই বুঢ়াই বৰ-বোৱাৰীয়েকক মাতি নি মৃতা শাহুৱেকৰ ফটোখনৰ আগত থিয় কৰাই কৈছিল, "আই, আজি এৰেঁই তোমাক আদৰি লব লাগিছিল। কিন্তু তেওঁ বাট চাব নোৱাৰিলে। সৰু বোৱাৰীও সেঁ ডিগবৈত থাকেগৈ— ঘৰলৈ নাহে বুলিলেই হয়। তোমাক এইখন ঘৰলৈ অনাৰ বিশেষ দৰকাৰ আছিল। বুধীনৰ সকলো কথা জনাই —সি ইমান দিনে মন কৰা নাছিল —শেষত তোমাৰ ভাগ্যৰ গুণে সি মত দিলেগৈ। মাৰাক সেৱা এটা কৰা। নিতৌ গধূলি চাকি দিবৰ সময়ত এডালকৈ ধূপ জ্বলাই দিলে মই বৰ সন্তোষ পাম।"

বুঢ়াৰ মাতটো শেষলৈ থোকাথুকি হৈ গৈছিল। শোভনা বৰুৱাই শাহুৱেকৰ প্ৰতিকৃতিত দুডাল ধূপ জ্বলাই লগাই দি ভক্তিভাৱে সেৱা জনালে। মনে-প্ৰাণে কোনো দিনে নেদেখা-নজনা শাহুৱেকৰ পৰা আশীৰ্বাদ বিচাৰিলে।

শহুৰেকক তেতিয়াই চুভীৰ ভাল লাগিল। তেখেতক যিমান পাৰে সেৱা আৰু ভক্তি কৰি যাবলৈ তেওঁ তেতিয়াই স্থিৰ কৰিলে। যদিও তেখেতক বৰ বেছি দিন নাপালে— বোধহয় আৰু দুবছৰমানহে তেখেত জীৱিত আছিল— তথাপি তেখেতৰ সকলো সুখ-স্বাচ্ছন্দ্যৰ পিনে তেওঁ সদায় লক্ষ্য ৰাখিছিল। অৱশ্যে তেখেতৰ তেনেকৈ বৰ বেছি দাবী একো নাছিল। বৰং তেখেতে নিজেই মাজে মাজে আগবাঢ়ি আহি অকলশৰীয়া বৰ-বোৱাৰীয়েকৰ লগত নানান ধৰণৰ কথা পাতি মনত ৰং দিবলৈ চেষ্টা কৰিছিল। বৰ-নাতি (বিমানৰ ককায়েক বুলু) হোৱাতহে তেখেত নাতিৰ দোলনাখনৰ ওচৰত দিনৰ দিনটো বহি থকা কৰিছিল। বিয়াৰ পাছলৈকে যি কেইদিন সুধীৰৰ পৰিয়াল ইয়াত আছিল সেই কেইদিনত তেওঁলোকৰ ল'ৰা-ছোৱালী দুটাক তেখেতে ইমান মৰম কৰা চুভীয়ে দেখা নাছিল। সন্তানৰ যোগেদি শহুৰেকক এনেকৈ জয় কৰিব পৰাত চুভীৰ সন্তোষ হৈছিল।

দিনৰ ভিতৰত পায়জামা পাঞ্জাবী পিন্ধি থকা বুধীনক তেওঁ কেইবা বাৰো দেখিছিল। বুধীনে দুবাৰমান "শোভনা" বুলি মাতি কথাও কৈছিল— কেতিয়াবা তামোল আনিবলৈ কওঁতে, কেতিয়াবা কোনোবা মানুহৰ লগত পৰিচয় কৰি দিওঁতে। স্বামীক দেখি চুভী বৰ বেছি হতাশ হোৱা নাছিল। বয়স অলপ নিশ্চয় হৈছে। চুলিত কলপ দিয়া হব লাগে— বৰ বেছি ক'লা। কিন্তু সাধাৰণ স্বাস্থ্য বেয়া নহয়। নিয়মীয়াকৈ ওখ আৰু অলপ শকত। ওচৰলৈ আহিলে এটা অচিনাকি ফুৰফুৰীয়া গোন্ধ বুধীনে দি থৈ গৈছিল— সেইটোৱে চুভীৰ মনত সন্দেহ ওপজাই দিছিল যে নিশ্চয় সেয়া মদৰ গোন্ধ— সেইটোৱেহে মাত্ৰ তেওঁৰ মনত ভয় ওপজাই দিছিল, বুকু শংকাত থাকি থাকি কঁপি উঠিছিল। গধূলিৰ পাছত সেই শংকা প্ৰবল হৈ উঠিল।

গধূলি এটা বন্ধ কোঠালৈ কেইজনমান বিশিষ্ট বন্ধুৰ সৈতে পৰিচয় কৰি দিবলৈ বুধীনে শোভনাক নিজে লৈ গ'ল। বন্ধুকেইজন আছিল বৰুৱাৰ ক্লাবৰ নিয়মিত সদস্য আৰু তেওঁলোকে কইনা চাবলৈ আহি বন্ধ কোঠাটোত মদ্যপান কৰি আছিল। শোভনাই মদৰ বটল-গিলাছ আৰু চুৰুটৰ ধোঁপ মৰা ধোঁৱা দেখি দুৱাৰমুখৰপৰাই উভতি আহিব খুজিছিল। কিন্তু গিৰিয়েকে পিছফালৰপৰা পিঠিত হাত এখন দিয়ে আছিল। বেচেৰী সোমাই যাব লগা হ'ল— মছলাৰ অকমানি বটাটোৰে সৈতে প্ৰত্যেকজন বন্ধুৰ সৈতে নমস্কাৰ বিনিময় কৰিব লগা হ'ল। বিচিত্ৰ সেইবিলাক বন্ধু। অসমীয়া, বঙালী, হিন্দুস্থানী, পঞ্জাবী, দক্ষিণ ভাৰতীয় সকলো সম্প্ৰদায়ৰ। কোনোজন পদস্থ বিষয়া, কোনোজন ব্যৱসায়ী, কোনো ডাক্তৰ, কোনো মিলিটেৰি অফিচাৰ। প্ৰত্যেকৰ হাতত একোটা দামী উপহাৰ। তেতিয়ালৈ মদ্যপানৰ কোবত এজনৰো জিভা ঘূৰুৱা হৈছে। সকলোৱে অসমীয়া কব পাৰে— পৰস্পৰৰ মাজত ইংৰাজীতে কথা পাতিলেও শোভনা বৰুৱাৰ লগত প্ৰত্যেকেই অসমীয়াত কথা পাতিলে, অভিনন্দন জনালে, যুগ্ম জীৱনৰ সফলতা কামনা কৰিলে। অসহ্য লাগিছিল যদিও তেওঁ ধৈৰ্য ধৰি থাকিল। অতিথিসকলক বিতুষ্ট নকৰি হাঁহি মুখেৰেই মাত লগাই গ'ল। চাহ-মিঠাই আনি যাচিলে। অহা কাৰণে ভাল পালোঁ বুলি কলে।

তাৰপৰা যেতিয়া ৰেহাই পালে তেতিয়া চুভীয়ে পাকঘৰলৈ দৌৰ দিলে। আদবাটতে শহুৰেকে আগচি ধৰি কলে, "আই, সংসাৰত বহুত ধৰণৰ মানুহ আছে। আমাৰখন পৃথিৱী আনবিলাকৰ লগত নিমিলে। তথাপি আনবিলাক জগতৰ কথা আমি দুই কৰিব নোৱাৰোঁ। সেইবিলাকৰ লগত সম্বন্ধ ৰাখিব লগা হলে কিছু সহি-সামৰি যাবই লাগিব। ঈশ্বৰক খাটো যেন প্ৰতি দিনে সেই বিলাকৰ লগত দেখা হব লগা নহয়।"

পাকঘৰত জায়েকহঁতে তেওঁৰ চকুলৈ চোৱা নাছিল। তেওঁলোকে চুভীৰ লগত দৰকাৰতকৈ এষাৰ কথাও বেছিকৈ কোৱা নাছিল। এই পৰিস্থিতিত ঘৰখনত কাৰো একো কৰিব লগা নাছিল। চুভীয়ে বৰ অসহায় বোধ কৰিছিল।

গভীৰ নিস্তব্ধ নিশা বহু ঘণ্টাৰ ভীতিবিহ্বল প্ৰতীক্ষাৰ পাছত যেতিয়া



অৱশেষত বুধীন শোৱনীকোঠালৈ আহিল তেতিয়া শোভনা বৰুৱাৰ প্ৰাণবায়ু উৰি যোৱা যেন লাগিল। ফুলশয্যাৰ এই প্ৰথম নিশা (শয্যাত ফুল থোৱাৰ কথা সেইদিনা কোনেও ভবা নাছিল) শোভনা অগ্নিপৰীক্ষাৰ সন্মুখীন হ'ল। আত্মসমৰ্পণৰ কাৰণে তেওঁ নিজকে নগাঁৱৰ পৰাই প্ৰস্তুত কৰি আনিছিল। কিন্তু মাতাল বুধীনে কোনো পাতনি নেমেলাকৈয়ে যি পাশৱ আচৰণ আৰম্ভ কৰি দিলে— উন্মত্ত এক জন্তুৰ দৰে মুখ আৰু হাতোৰা যেনেকৈহে অশালীনভাৱে প্ৰয়োগ কৰিবলৈ গ'ল— দেখি নিতান্ত অনভ্যস্ত চুভীয়ে গাৰ বলেৰে নিজকে মুক্ত কৰি পলাবলৈকে চেষ্টা কৰিছিল। স্বামীৰ এই প্ৰথম মুখামুখি সাক্ষাতত প্ৰেমৰ কোনো নিদৰ্শন নাছিল ; আছিল কেৱল অদমিত কামনা লোলুপতা।

বন্ধ কোঠাটোৰপৰা অৱশ্যে শোভনা ওলাই নগ'ল। দুৱৰ চুক এটালৈ গৈ ফোপাবলৈ ধৰিলে মাত্ৰ। ভাগ্যে বুধীনেও চোচা নললে। তেওঁ তাৰ পৰিবৰ্তে এটা আলমাৰি খুলি আকৌ এটা বটল উলিয়ালে। টেবুল এখনত থোৱা গিলাছত মদ ঢালি, জগৰপৰা পানী লৈ মুখলৈ নিলে— বৰ নাটকীয়ভাৱে। দৃশ্যটো তেওঁৰ দ্বিতীয় পক্ষৰ পত্নীয়ে চাওঁ-নাচাওঁকৈ চাই আছিল।

"মই তোমাৰ প্ৰথম পুৰুষ হ'লেও তুমি মোৰ প্ৰথম পত্নী নহয়," বুধীন বৰুৱাই বচন মাতিবলৈ ধৰিলে। "তুমি মোৰ পূৰ্বৰ সকলো কথাই জানা। মই বিয়াত মত দিয়াৰ আগতে নিশ্চিত হৈ লৈছিলোঁ যে তোমাৰো সন্মতি আছে। নহলে এই বিয়া হ'ব নোৱাৰিলেহেঁতেন। মোৰ জীৱন যেনে-তেনে চলি গৈছিল, আগলৈকো চলি গ'লহেঁতেন। কিন্তু এইখন ঘৰৰ এটা ধাৰাবাহিকতা বন্ধ কৰাৰ প্ৰয়োজন হৈছিল —যিটো দেউতাৰ একান্ত কাম্য, যিটো মাই চাই যাব নোৱাৰিলে। সুধীৰহঁতৰ দ্বাৰা সেইটো সম্ভৱ হব নোৱাৰে বুলি দেউতাহঁতে ভাবে। কাৰণ মোৰ ভাই সুধীৰৰ বিয়াখন অসামাজিক— জাত-কুল নিমিলা কাৰণে অন্ততঃ দেউতাহঁতে তাক অসামাজিক বুলি ভাবে —সিহঁতে এনেয়েও গোলাঘাট এৰি তিনিচুকীয়াত ছেটল কৰিবলৈ ঠিক কৰিছে— মাটি কিনিছেই।"

বুধীনে ঢোক দুটা মাৰি লৈ অলপ আগবাঢ়ি আহিল। শোভনাৰ ফালেই আহিল যদিও একেবাৰে ওচৰ চাপি নাহিল। "তুমি শিক্ষিতা ছোৱালী। এইবিলাক বুজিবই লাগিছিল। মই মদ খাওঁ, ক্লাবলৈ যাওঁ— এইবিলাকো নিশ্চয় শুনিছা। সেইটোৱেই মোৰ জীৱন। মদ খোৱাৰ সমান আনন্দ আৰু একো নাই, বাধাহীনভাৱে ক্লাবঘৰত তাচপাশা খেলি সংসাৰখনক পাহৰি থকাৰ সমান সন্তোষজনক কাম আৰু একো নাই। প্ৰাচীন আৰবী কবি এজনে হেনো কৈছিল—যিখন মুখে মদ খাই পোৱা নাই সেইখন মুখে মদৰ নিন্দা কৰা উচিত নহয়। মোৰো সেয়ে বিশ্বাস। অন্ততঃ এতিয়ালৈকে তুমি যদি মোৰ মত বদলাব পৰা তেন্তে মই তাক মানি লম।"

আকৌ দুটা ঢোক মাৰি লৈ তেওঁ আৰু অলপ আগ বাঢ়ি আহিল। "শোভনা— ঘৰত চুভী বুলি মাতে নহয় ? —বহু তিৰোতা— ছোৱালী আদিৰ লগত মোৰ পৰিচয় আছে। কোনো কোনো মহিলাৰ লগত মোৰ ভাল বন্ধুত্বও আছে। কিন্তু জানি থোৱা যে কাৰো লগত মোৰ কোনো ধৰণৰ অবৈধ সম্পৰ্ক নাই। তুমি কাইলৈৰ পৰাই বাহিৰলৈ গৈ খবৰ কৰি ফুৰিব পাৰা— ক'ৰবাত যদি কাৰোবাক আৱিষ্কাৰ কৰিব পাৰা তেনেহলে তোমাৰ যি ইচ্ছা তাকে কৰিব পাৰা —আইনৰ সহায় লব খুজিলেও মই সহায় কৰি দিম।"

শেষত, বহুত সময়ৰ মূৰত, বুধীন গৈ শোভনাৰ ওচৰত এখন চকি পাৰি বহিলগৈ। চুভী আৰু নপলাল। ৰাতিও বহুত হৈছিল। গোটেই ঘৰখন শুই নিঃপালি দিছিল। গোলাঘাট চহৰখনেই গছ-গছনিৰ আঁৰে আঁৰে শুই পৰিছিল বুলিব লাগে। অৱশেষত বুধীনে লাহেকৈ শোভনাৰ এখন হাতত ধৰিলে তেতিয়া তেওঁৰ পৰা প্ৰতিৰোধ নাহিল। অকল সেয়ে নহয়, চুভী যেন কিবা অজ্ঞাত কাৰণত স্বামীৰ ওচৰত লেতুসেতু হৈ পৰিল। বুধীনে সাৱটি ধৰি থুতৰিটো তুলি মুখখন ভালদৰে ওচৰৰ পৰা চাওঁতেও তেওঁ নিজেই চকিতে এবাৰ স্বামীলৈ চাই পঠিয়ালে।

নিচেই পুৱাতে যেতিয়া চুভীয়ে সাৰ পালে তেতিয়া বুধীন একাষে লাংখাই নাক ঘোৰঘোৰাই শুই আছিল। জৈৱিক তাড়না চৰিতাৰ্থ কৰাৰ বাহিৰে তেওঁ কোনো ধৰণৰ কোমলতা প্ৰকট কৰা নাছিল। সেই তাড়নাৰ পৰিতৃপ্তি আৰু ৰাগীৰ প্ৰভাৱত অৱশ আৰু ক্লান্ত হৈ তেওঁ পাছ দিনা দিনৰ এডোখৰলৈকে শুয়েই আছিল।

বুধীন বৰুৱাৰ এই চৰিত্ৰৰ কোনো দিনেই পৰিবৰ্তন নহ'ল। শোভনায়ো তেওঁক পৰিবৰ্তন কৰাৰ কোনো সুযোগ নাপালে। দিনে-ৰাতিয়ে তেওঁ বাহিৰত কটায়। বহু ৰাতি উভতি আহিলে মাতাল আৰু ক্ৰোধত উন্মত্ত হৈ আহে। ঢকা ভাত পৰিয়ে থাকে। প্ৰায়েই কাপোৰ নসলোৱাকৈয়ে বিছনাত পৰেগৈ। ৰাতিপুৱা পলমকৈ শয্যাত্যাগ কৰি চাহ-জলপান খায়েই অফিছলৈ ওলাই যায়— দুপৰীয়া ভাত বাহিৰতে খায়। স্ত্ৰীৰ লগত কথা পাতিবৰ অৱসৰেই নাই।

শোভনা বৰুৱাই অৱস্থাক স্বীকাৰ কৰি লোৱাৰ বাহিৰে কোনো পথ নেদেখিলে। ঘৰলৈ যাবলৈ কোনেও উৎসাহ নিদিয়ে—বিশেষকৈ দেউতাকে উৎসাহ নিদিয়ে। তথাপি দুদিনমান তেওঁ নিজেই সাহ কৰি গোলাঘাট এৰি ঘৰলৈ গৈছিল। অফিছলৈ যাবলৈ ওলোৱা গিৰিয়েকৰপৰা অনুমতি লবলৈ গলে কয়, "যোৱা যাবৰ মন গৈছে। মই বাৰু গাড়ীখন পঠাই দিমগৈ।" কিন্তু নগাঁও বা গুৱাহাটীলৈ তেনেকৈ গলেই তাৰ পৰা যিমান পাৰে সোনকালে ঘূৰাই পঠাবলৈ সকলো তৎপৰ হৈ উঠে। চক্ৰৱৰ্তীয়ে যুক্তি দিয়ে, "বিয়ৈ বুঢ়া মানুহ। তেওঁ নাথাকিলে



OKDISCD

কষ্ট পাব ।" মোমায়েকেতো যোৱাৰ দিনাই সুধিব, "কেতিয়ামানে ঘূৰিম বুলি ভাবিছ ?"

নিজৰ ভাগ্যকে স্বীকাৰ কৰি লবলৈ শোভনা বাধ্য হ'ল। বিয়াত সন্মতি দি তেওঁ নিজেই ভুল কৰিলে। কল্পনা কৰা মতে স্বামীক পৰিবৰ্তন কৰিবলৈ একোকে কৰিব নোৱাৰিলে। তেওঁতকৈ শক্তিশালী চৰিত্ৰ এটা গিৰিয়েকৰ মাজত আৱিষ্কাৰ কৰিব বুলি তেওঁ ভবা নাছিল। তেওঁৰ সকলো সপোন ধূলি-স্যাৎ হৈ গ'ল। শহুৰেকৰ যিমান পাৰে সেৱা-শুশ্ৰূষা কৰি, ডাঙৰ পুৰণা ঘৰখনৰ নানান কামত নিজকে ব্যস্ত ৰাখি তেওঁ নিজৰ ভিতৰলৈকে কুকৰি কুকৰি সোমাই গ'ল।

এবছৰতকৈ কম দিনৰ ভিতৰতে বৰুৱা ডিব্ৰুগড়লৈ ট্ৰেন্সফাৰ হৈ গৈছিল। কিন্তু তেওঁ শোভনাক তালৈ লৈ যোৱা নাছিল। বেছ কিছু দিনলৈ চাকৰি হাউছতে কটাই দি তাৰ পাছ-তহে এটা ভাড়াঘৰলৈ গ'ল। তেনেকৈ গৈ প্ৰথম কিছু দিনলৈ তেওঁ ঘৰলৈ আহি আছিল। কিন্তু পাছলৈ অহাটো নিতান্ত কমি গৈছিল। দেউতাকৰ মৃত্যু বা চুভীৰ সন্তান জন্ম, এনেকুৱা ঘটনাৰ খবৰ পালেহে অহা যেন হৈছিলগৈ। চুভীয়ে কোনো দিনে স্বামীলৈ চিঠি দি মাতি পঠোৱা নাছিল। বুধীনেও স্ত্ৰীলৈ চিঠি-পত্ৰ একো নিলিখিছিল।

এটা এটাকৈ, যথেষ্ট সময়ৰ ব্যৱধানত, তিনিটা ল'ৰা-ছোৱালী হোৱাত চুভায়ে সিহঁতৰ ওপৰতে নিজৰ সমস্ত মনোনিবেশ ঢালি দিলে। বুলু হ'ল, তুলু হ'ল— এজনী ছোৱালী আহিল। সিহঁতেই মাকৰ সমস্ত মনোযোগ আকৰ্ষণ কৰিলে। দেউতাকক যে সিহঁতে মাত্ৰ নামটোৰেহে জানিছিল তাত আচৰিত হবলগীয়া একো নাছিল। বৰুৱা বহুত দিনৰ মূৰত ঘৰলৈ আহিলে ল'ৰা-ছোৱালী কেইটাই আলহীৰ দৰে তেওঁক দূৰে দূৰে ৰাখিছিল। তাত বৰুৱাই আঘাত পাইছিলনে নাই চুভায়ে কব নোৱাৰে। সেই বিষয়ে তেওঁ কোনো দিনেই সোধা নাছিল। সুধিবলৈ সুযোগো নাপাইছিল কিয়নো বুধীন বৰুৱাৰ চাল-চলনৰ কোনো পৰিবৰ্তন হোৱা নাছিল।

ল'ৰা-ছোৱালীৰ প্ৰতি বৰুৱাই পিতৃৰ কৰ্তব্য নিশ্চয় পালন কৰি গৈছিল। নিয়মীয়াকৈ টকা পঠাই আছিল। ঘৰলৈ হঠাৎ কেতিয়াবা আহিলে কথাই কথাই মাকে সিহঁতৰ পঢ়া-শুনাৰ কথা কলে তেওঁ তাত সম্পূৰ্ণ সমৰ্থন জনাইছিল। কিন্তু সিহঁতৰ প্ৰতি—বা কোনোবা এটাৰ প্ৰতি—তেওঁৰ বিশেষ টান আছিল নেকি সেইটো বুজিব পৰা নাযায়।

"পলুদা," শোভনা বৰুৱাই দত্তৰ আগত অতীত কাহিনী বৰ্ণাই গৈছিল, "সেইখন ঘৰত পঢ়া-শুনাৰ কোনো পৰিবেশেই নাছিল। তেখেতক মই ঘৰত কেতিয়াও কিতাপ পঢ়া দেখা নাছিলোঁ।—ঘৰখনত পঞ্জিকা আৰু পাঠ্য-পুথিৰ বাহিৰে অন্য কিতাপ-পত্ৰ মই দেখাও নাছিলোঁ।— আনকি শহুৰ-দেউতাকো মই বাহিৰা কিতাপ পঢ়া দেখা নাছিলোঁ— অনিয়মিত আছাম ট্ৰিবিউনখন মাত্ৰ আমি মাজে মাজে পঢ়িবলৈ পাইছিলোঁ। মোৰ নিজৰ জ্ঞান-বুদ্ধিৰে, নিজৰ ল'ৰা-ছোৱালীৰ ভালৰ কাৰণে—মযেই যি পাৰোঁ কিতাপ-পত্ৰ গোটাই গোটাই দিছিলোঁ। তাৰ ফলো নোপোৱা নহয়। বুলু-তুলুৱে কিতাপ পঢ়িবলৈ ভাল পোৱা হৈছিল—তুমিতো তুলুক কিতাপ পঢ়া দেখিছাই। বুলুও এদিন তাৰে কলেজৰ লেকচাৰাৰ হ'লগৈ। কিন্তু তেনে এটা পৰিবেশত খুৰাদেউৰ বহীকেইখন ছপোৱাৰ কথা মই কল্পনাই কৰিব নোৱাৰিলোঁ। মোৰ সংসাৰখনো বৰ সচ্ছল নাছিল পলুদা। মাটি-বাৰী যথেষ্ট যদিও মই তিৰোতা মানুহ এজনীয়ে অকলে সেইবোৰ চম্ভালিব পৰা নাছিলোঁ। তাতে মাজতে তিনিচুকীয়াত ঘৰ সাজোঁ বুলি সুধীৰে তেওঁৰ ভাগৰ ভালেখিনি মাটি বিক্ৰি কৰি দিলে। এতিয়া অৱশ্যে বুলুৱে মাটি-বাৰীৰ বহুখিনি উন্নতি কৰি আনিছে। ভায়েকক একপ্ৰকাৰ সিয়েই বাহিৰত ইঞ্জিনিয়াৰিং পঢ়ুৱাই আনিলে। তুলুৱে পঢ়ি থাকোঁতেই দেউতাকে ৰিটায়াৰ কৰিছিল। কিন্তু তেখেত ঘৰলৈ গৈয়ে বেমাৰত পৰিলগৈ। লিভাৰ ডেমেজ হৈ গৈছিল— কম দিনতে ঢুকাই থাকিল। কিতাপ ছপোৱাৰ কথা কোনো দিনে ভাবিবই নোৱাৰিলোঁ পলুদা। তুমি মোক ক্ষমা কৰা।"

শোভনা বৰুৱাই আকৌ কান্দিবলৈ ধৰিলে।

দত্তই কলে, "নাকান্দিবা চুভী। মই তোমাক দোষ দিব খোজা নাই। বহী কেইখন বাৰু মই লৈ যাওঁ। এবাৰ পঢ়ি চাওঁ চোন— দৰকাৰ যেন দেখিলে মযেই ছপাই দিম। তুমি দুখ কৰি নাথাকিবা।"

ফুগুণে কান্দোন বঢ়াই শোভনাই কলে, "দুখ নকৰিম ? মই সম্পূৰ্ণ ব্যৰ্থ পলুদা— মোৰ একো নহ'লগৈ ! বিয়াখন এটা ডাঙৰ ভুল হ'ল— নিজৰ দোষতে— মই আবিয়ৈ থকা হ'লেও নিজকে বচাই ৰাখিব পাৰিলোহেঁতেন —কিন্তু মই নিজকে হত্যা কৰিলোঁ ! মই নিজকে হেৰুৱাই পেলালোঁ। ল'ৰা-ছোৱালী কেইটাকে মানুহ কৰি তুলিব পাৰিলে সিহঁতৰ মাজত নিজক পাম বুলি ভাবিছিলোঁ।—সিহঁতক মই প্ৰাণেৰেই ভালো পাওঁ—কিন্তু মই নিজে হেৰাই যোৱা কথাটো কোনো মতেই মানি লব পৰা নাই। মোৰ জীৱনৰ ব্যৰ্থতা আৰু খুৰাদেউৰ এই বহী কেইখন প্ৰকাশ কৰিব নোৱৰাটো একেটাই কথা। নিজকে হেৰুৱাই মানুহ কেনেকৈ জীয়াই থাকে ! তুমি ইমান দিনে ক'ত আছা কি কৰিছা জানিবলৈ ইচ্ছা হৈছিল যদিও জনা সম্ভৱ হৈ উঠা নাছিল। জানিবলৈ বৰ বেছি চেষ্টা কৰিছিলোঁ বুলিও নকওঁ। মই মোৰ ভিতৰৰ মানুহজনীক অকলেই জীয়াই ৰাখিছোঁ— গোলাঘাট, নগাঁও, গুৱাহাটীৰ কোনো মানুহে সেই কথা নাজানে। তোমাক লগ নোপোৱা

৫৭ পৃষ্ঠাত চাওক





## ভূপেন দাসৰ চাৰিটা কবিতা



### তোমাৰ মুখ

এদিন
ক'ৰবাত দেখিছিলোঁ
তোমাৰ মুখ

ক'ত দেখিছিলোঁ
দেখিছিলোঁ নেকি
এদিন ছিটি বাছত

তোমাৰ মুখ

তোমাৰ মুখত
মোৰ মুখ

### মনৰ খবৰ


কথা :
সুখৰ
দুখৰ
সুখ-দুখৰ !

চকুৰ পতাত
কথাৰ ভাষা আছে
বৰষুণ যেন
দুখ

ৰ'দৰ দৰে
সুখ

খবৰ আছে
মনৰ খবৰ

এতিয়া মোৰ
(বৰষুণৰ পাছত)
সুউজ্জ্বল
মুখ



### বুকুৰ ভিতৰখন

মুকলি পথাৰৰ দৰে
আহল-বহল
বুকুৰ ভিতৰখন

দৌৰি থাকিব পাৰিবা আহা
নাচি থাকিব পাৰিবা আহা

এতিয়া
বৰষুণৰ পাছত
বুকুত ঘাঁহবোৰ গজি উঠিছে

### দুখ

ইয়ে নেকি দুখ ? দুখ কি মই জনা নাছিলোঁ।

মাজে মাজে কি হয় নাজানো মোৰ
মই বৰ অসহায় অসহায় বোধ কৰোঁ।

কিজানি সকলোৰে এদিন নহয় এদিন
এনেকুৱা অসুখ এটা হয়—যাৰ নাম দুখ



OKDISCD

# আত্মহত্যাৰ পাছত



শকুন্তলাক লৈ মই দুঃশ্চিন্তাত পৰিছোঁ। কেৱল দুঃশ্চিন্তাই নহয় এক অসহ্য প্ৰকাশ কৰিব নোৱাৰা ঘৃণনীয় মানসিক যন্ত্ৰণাতো ভুগিছোঁ। এই যন্ত্ৰণাৰ হয়তো কোনো প্ৰতিকাৰ নাই। তাইৰ বাবে মোৰ জীৱনটো অতিষ্ঠ হৈ উঠিছে। ঘৰখনৰ পৰিবেশত যেন গৰলহে বৰষি থাকে। মই যেন সেই গৰলময় পৰিবেশত ক্ৰমান্বয়ে বুৰ গৈ আছোঁ।

মই হাত-ভৰি মাৰিও এই পৰিবেশৰপৰা মুক্ত হ'ব নোৱাৰোঁ। যন্ত্ৰণাত সৃষ্টি হোৱা চিঞৰটো মোৰ বুকুৰ ভিতৰত আবদ্ধ হৈ ৰয়। সঁচাকৈয়ে মই যন্ত্ৰণাৰ কাৰাগাৰত বন্ধ হৈ থকা এজন কয়েদী। বেষ্টনী ছেদ কৰিবলৈ অক্ষম এজন কয়েদী। এটা গৰলময় পৰিবেশৰ নিৰৱ সাক্ষী। কেৱল চাই যাওঁ অপলকভাৱে ঘৃণনীয় কাহিনীৰ পৃষ্ঠাবোৰ।

পোন কথাত ক'বলৈ গ'লে— মই এজন পংগু। মোৰ ভৰি দুখন নাই। সোঁ হাতখনো ভগা। মই জন্মগত পংগু নহওঁ। দুবছৰ আগতে মই পংগু নাছিলোঁ। তেতিয়া শকুন্তলা আৰু মোৰ জীৱন বেছ সুখকৰেই আছিল। অভাৱ-অনাটনহীন। নিৰংকুশ। মুক্ত বিহংগৰ দৰে। জীৱনৰ প্ৰতি কোনো আক্ষেপ নাছিল। কিন্তু এদিন সকলো ওলট-পালট হৈ গ'ল।

মাজনিশা যোৰহাট অভিমুখে গৈ থাকোঁতে মোৰ ট্ৰাকখন খাৱৈত বাগৰি পৰিল। এই দুৰ্ঘটনা আচম্বিতে ঘটিছিল চকা ফুটাৰ ফলত। মই কোনোমতে ট্ৰাকখন চম্ভালিব পৰা নাছিলোঁ। চাউলেৰে বোজাই ট্ৰাকখন হাইৱেৰ তলত পুতলাৰ দৰে লুটি খাই বাগৰি পৰিছিল।

তাৰ পাছত কি হ'ল মোৰ মনত পৰা নাছিল। মই অচেতন হৈ গৈছিলোঁ। যেতিয়া চেতনা পালোঁ তেতিয়া মই নিজকে এক অচিন ঠাইৰ চিকিৎসালয়ৰ বিছনাত পৰি থকা অৱস্থাত আৱিষ্কাৰ কৰিছিলো। নিম্নাংগত শূন্যতাৰ অনুভৱ হোৱাত মই চিঞৰি উঠিছিলোঁ। সেই ভীষণ চিঞৰটো মনত পৰিলে আজিও মই শিয়ঁৰি উঠোঁ। মোৰ অজানিতে ভৰি দুখন কাটি পেলোৱা হৈছিল। সম্পূৰ্ণ শৰীৰ ব'গা বেণ্ডেজৰ কবলত আছিল। মই যেন চিতাত উঠাবলৈ প্ৰস্তুত কৰা এটা মৰাশহে! ট্ৰাকত থকা মোৰ লগৰীয়া তিনিজন ঘটনাথলীতে মৰা পৰিছিল। নাজানো মই কেনেকৈ বাচি গলোঁ!

যেতিয়া মোক এই অৱস্থাত শকুন্তলাই দেখিছিল তেতিয়া তাই কান্দি-কান্দি অচেতন হৈ পৰিছিল। মই শান্ত্বনাৰ এটা শব্দও ক'ব পৰা নাছিলোঁ।

ইয়াৰ পাছত আৰম্ভ হৈছিল এটা অবিৰাম যন্ত্ৰণাৰ। মই উপাৰ্জন কৰা ধন চিকিৎসাত খৰচ হৈ গৈছিল। এনেহেন পানীত হাঁহ নচৰা অৱস্থাত ঘৰ চলোৱা দায়িত্ব এজনী ফুল কুমলীয়া ছোৱালী শকুন্তলাই নিৰৱে শিৰ পাতি লৈছিল।

বিছনাত পৰি থকাৰ বাহিৰে মই একো কৰিব নোৱৰা হৈ পৰিছিলোঁ। এইদৰে আগবাঢ়িছিল জীৱন সৰ্পিল গতিৰে।

শকুন্তলা মোৰ একমাত্ৰ ভনী। মোৰ বাবে চিন্তিত হৈ পৰিছিল। হাঁহিবলৈ পাহৰি গৈছিল তাই। স্কুললৈ যোৱাটো বাদ পৰি গৈছিল। নৱম শ্ৰেণীতে তাইৰ পঢ়া-শুনা শেষ হৈছিল। ইয়াৰ পৰিবৰ্তে তাই দুবেলা দুমুঠিৰ আৱিষ্কাৰত কাম বিচাৰি ফুৰিবলগীয়া হৈছিল।

তাই বাহিৰত কি কাম কৰে মই নাজানিছিলো। সোধাৰ সাহসো নাছিল মোৰ। তাই হয়তো মানুহৰ ঘৰে-ঘৰে চুৱা পখালি, কাপোৰ ধুই ফুৰিছিল। এই ব্যস্ত মহানগৰীত তাই কিনো সন্মানজনক কাম পাব পাৰে! ৰাতিপুৱা ভাত দুটামান মোৰ মুখত দি তাই ওলাই গৈছিল আৰু আবেলি পুৰণি মোনাত দুটামান কিবা-কিবি সংগ্ৰহ কৰি লৈ আহিছিল।

মই তাইৰ মুখলৈ চাব নোৱৰা হৈ পৰি হৈ পৰিছিলোঁ। তাই আগৰ শকুন্তলাজনী হৈ থকা নাছিল। এক অসাধাৰণ পৰিবৰ্তন। চঞ্চলা ভনীজনী দায়িত্ববোধৰ গধুৰ বোজাত একেবাৰে গুৰুগম্ভীৰ হৈ পৰিছিল।

মই তাইৰ স'তে বিশেষ কথা-বতৰা নাপাতিছিলো। তাই কিবা সুধিলে চকু মুদি 'আঁ ওঁ' কৰি উত্তৰ দিছিলো মাত্ৰ। মোৰ কথাবোৰ শেষ হৈ গৈছিল।

দিনটো বিছনাত পৰি থকা— ই যেন মোৰ নিয়তি হৈ পৰিছিল। প্ৰথমে-প্ৰথমে এই অৱস্থাৰ প্ৰতি মোৰ মন বিদ্ৰোহী হৈ উঠিছিল যদিও সেই বিদ্ৰোহৰ জুই নিজে-নিজেই নুমাই গৈছিল। পৰিস্থিতিৰ দাস হ'বলৈ মই বাধ্য হৈছিলোঁ। মই উপলব্ধি কৰিছিলো যে মই এতিয়া সজীৱ মানুহ নহওঁ; মানুহৰ আকাৰত থকা এটা জীৱন্ত মৰাশহে।

বিছনাৰ কাষত থকা খিৰিকিৰে চহৰৰ ব্যস্ততা চাই– হুমুনিয়া কঢ়াৰ বাহিৰে মই একো কৰিব পৰা নাছিলোঁ। দ্ৰুত গতিৰে অহা-যোৱা কৰা মানুহবোৰ দেখি মোৰ মন ঈৰ্ষা-কাতৰ হৈ পৰিছিল। চিনাকি চহৰৰ কোলাহল শুনি, মানুহৰ ৰঙীন ভিৰ দেখি মোৰ খিৰিকিৰে জাপ মাৰি ওলাই গৈ দৌৰি ফুৰিবলৈ মন গৈছিল। কিন্তু নিম্নাংগৰ শূন্যতা উপলব্ধি কৰাৰ লগে লগে মই বালিৰ দৰে খণ্ড-বিখণ্ড হৈ পৰিছিলোঁ।

এক কঢ় বাস্তৱ! মই এটা প্ৰতিবন্ধী! মই এটা পংগু! মোৰ ভিতৰৰ শূন্যতাত এটা দীৰ্ঘ প্ৰতিধ্বনিৰ সৃষ্টি হৈছিল।

এইদৰে কুৎসিত প্ৰতিধ্বনিৰ মাজত পাৰ হৈ গৈছিল দুটা বছৰ! সাত-আঠশ দিন!

শকুন্তলাক লৈ দুঃশ্চিন্তাত পৰাৰ কাৰণ হ'ল— তাইৰ অসামান্য ৰহস্যময় আচৰণ। হঠাৎ কি হ'ল তাইৰ! মই বুজিব পৰা নাই এই ভাবনা-চিন্তাৰ ফলতেই মই মানসিকভাৱেও প্ৰায় পংগু হৈ পৰিছোঁ। আজিকোপতি সমিধান বিচাৰি পোৱা নাই। কিন্তু সন্দেহ এটাৰ সৃষ্টি হৈছে মনত। এই সাঁথৰৰ মূল কাৰণ হ'ল— মই তাইক একো সুধিব নোৱাৰোঁ। তাইৰ ওচৰত কৈফিয়ৎ বিচৰা অধিকাৰ মই হেৰুৱাই পেলাইছোঁ। মই সম্পূৰ্ণৰূপে তাইৰ আশ্ৰিত এজন পংগু। মোৰ মনত এনে এটা হীন ভাবনাই পাহাৰৰ দৰে থিয় দাণ্ডি উঠিছে যে মই এই বিশ্বৰ আটাইতকৈ দুৰ্বল, নিৰাশ্ৰয় প্ৰাণী! এইবাবেই তাইক একো ক'ব নোৱাৰোঁ। তেজ-মঙহৰ সম্বন্ধটো যেন অৰ্থহীন হৈ গৈছে। মই ইমানেই আশ্ৰিত যে তাইৰ অৱলম্বনৰ অবিহনে মল-মূত্ৰ ত্যাগ কৰাও মোৰ পক্ষে অসম্ভৱ কৰ্ম। এনেকুৱা পৰিস্থিতিত মই শিৰ তুলি কথা ক'ব পাৰোঁ নে? কিন্তু মই চকু মুদিও থাকিব নোৱাৰোঁ। মোৰ দুৰ্ভাগ্য—মোৰ চকু দুটা পংগু নহ'ল।

তাইৰ সেই ৰহস্যময়, সন্দেহজনক আচৰণ। উস! মই যেন চিন্তাশক্তি হেৰুৱাই এতিয়াই বলিয়া হৈ যাম। বিদ্ৰোহ! মন আকৌ বিদ্ৰোহী হ'ব খোজে।

কি হ'ল তাইৰ? এই ৰহস্যজনক আচৰণ কিয়? মই অধৈৰ্য হৈ পৰিছোঁ।

বেছি দিন হোৱা নাই। দুসপ্তাহমান আগৰ ঘটনা। তেতিয়া ৰাতি প্ৰায় দহমান বাজিছিল। মই চিলমিলকৈ টোপনি গৈছিলো হ'বলা। দুৱাৰ মেলা শব্দ শুনি মই সাৰ পাই গলো। ঘৰখন আন্ধাৰ আছিল যদিও ৰাজপথত প্ৰহৰীৰ দৰে জ্বলি থকা লেমৰ ঈষৎ পোহৰ কোঠালিত সোমাইছিল। সেই পোহৰতে দেখিলোঁ শকুন্তলা হাতত্সাৰে ভৰিত্সাৰে ঘৰৰ পৰা ওলাই গৈছে। মই বিস্ফাৰিত নেত্ৰেৰে কেৱল চাই ৰলোঁ। বাহিৰৰ পৰা দুৱাৰ জপোৱা শব্দও শুনিলোঁ।

তাই এই ৰাতি চোৰৰ নিচিনাকৈ গৈছে ক'লৈ? ভাবি ভাবি মই অৱশ হৈ পৰিলোঁ। সন্দেহৰ বীজাণুৱে মোক কুটি কুটি খাবলৈ ধৰিছে। ওৰে ৰাতি এইদৰে পাৰ হ'ল। তাই খল পুৱাতহে চোৰৰ দৰে ঘৰ সোমাল। মই টোপনি যোৱা ভাওজুৰি পৰি থাকিলো।

তাৰ পাছত এক নতুন মানসিক যন্ত্ৰণাৰ আৰম্ভণি। তাই মোৰ দুৰ্বল স্নায়ুবোৰৰ পতন ঘটুৱাই প্ৰত্যেক নিশা চোৰৰ দৰে ওলাই যায়। বাহিৰৰ পৰা দুৱাৰ জপাই এজন পুৰুষৰ স'তে গুচি যায়। খিৰিকিৰে জুমি চাই দেখিলোঁ—সেই মানুহজন আন কোনো নহয়; এই গলিৰে গুণ্ডা বুলি খ্যাত শংকৰহে!

জুই! নিজৰ অসমৰ্থতাৰ বিৰুদ্ধে জ্বলা এই জুই, ভনীৰ আচৰণৰ বিৰুদ্ধে জ্বলা এই জুই, মানৱতাহীন মহানগৰীৰ বিৰুদ্ধে জ্বলা এই জুই!

এতিয়া মই ভালদৰেই বুজিছো তাই চোৰৰ দৰে প্ৰত্যেক ৰাতি ক'লৈ যায়। মোৰ বুজিবলৈ অকণো বাকী থকা নাই। ইমান দিনৰ মোৰ সন্দেহ ভিত্তিহীন নহয়। তাই মোৰ ভগ্নাৱশেষ জীৱনটো ধৰি ৰাখিবলৈ নিজৰ সুন্দৰ জীৱনটোক নাৰকীয় আন্ধাৰলৈ ঠেলি দিছে। মই সকলো দেখি-বুজিও একো কৰিব নোৱাৰোঁ। আহ! মই কিমান অসহায়! কি কৰোঁ মই! কি কৰোঁ? আত্মহত্যা!

হঠাৎ যেন মোৰ দৃষ্টিৰ সমুখত পোহৰৰ দুৱাৰ মেল খাই গ'ল। কিছু পৰৰ বাবে মই স্তব্ধ হৈ ৰলোঁ। এৰা, আত্মহত্যা! এনে নাৰকীয়, অসহনীয় জীৱনক জীয়াই ৰখাৰ কোনো অৰ্থ নাই। প্ৰাণী মাত্ৰেই মৰণশীল। এদিন মৰিবই লাগিব। তেনেহলে! মৰি মৰি জীয়াই থকাতকৈ একেবাৰে মৰাই ভাল। মই মোৰ ভনী লুণ্ঠিত হোৱা নিৰৱে চাই থাকিব নোৱাৰোঁ। এৰা, এই নাৰকীয় জীৱনৰ পৰা মুক্ত হোৱাৰ পথ এটাই আছে—আত্মঘাত। ...কিন্তু মোৰ মৃত্যুৰ পাছত তাই জানো সেই নৰকৰ পৰা উভতি আহিব! অসম্ভৱ! তাই এতিয়া আহিব খুজিলেও এই পংকিল সমাজে সকলো পথ ৰুদ্ধ কৰি দিব। মোৰ মৃত্যুৰ পাছত হয়তো তাই এইখন ঘৰতেই ... ! নাই নাই, সেইটো কদাচিত হ'ব নোৱাৰে। এই বাপোতিসাহোন পঁজাটোত নৰকৰ ছাঁ পৰিবলৈ দিব নোৱাৰোঁ। তায়ো আত্মঘাতী হ'ব লাগিব মোৰ লগতেই। এৰা, এইটোৱেই উচিত পন্থা।

মোৰ মনৰ সকলো দ্বন্দ্বত যতি পৰিল। এতিয়া মই শান্ত। যন্ত্ৰণাহীন। উদ্বেগহীন। মই উচিত সিদ্ধান্ত লৈছোঁ। এই সিদ্ধান্তৰ অকণো লৰচৰ হ'ব নোৱাৰে।

মই তাই নথকাসময়ত ফেৰিৱালাৰ পৰা দুপেকেট কীটনাশক ঔষধ সংগ্ৰহ কৰি ললোঁ। ফেৰিৱালাটোৱে মোৰ মনৰ কঠোৰ সিদ্ধান্তৰ কথা নুবুজিলে। সি বুজিবৰো চেষ্টা নকৰিলে। তাক লাগে মাথোন পইচা। পইচা পাই সি আগৰ দৰে চিঞৰি চিঞৰি মোৰ খিৰিকিৰ আগৰপৰা গুচি গ'ল। ময়ো নিশ্চিন্ত হলোঁ। মোৰ হাতত নিগনি মৰাৰ ঔষধ। এৰা, নিগনিয়েই হয়!

এতিয়া মোক লাগে মাত্ৰ এটা সুযোগ; বেছি দিন প্ৰতীক্ষা কৰিব লগীয়া নহ'ল। সোনকালেই আহিল সেই আত্মঘাতী দিনটো।

তাই পাচলিৰ কেৰাহী জুহালত

তুলি পানী আনিবলৈ গ'ল। এই চেগতে মই বিছনাৰ পৰা নামি চুচুৰি বাগৰি কেৰাহীৰ ওচৰলৈ আহিলোঁ। আৰু সকলোখিনি কীটনাশক ঔষধ ঢালি দিলোঁ কেৰাহীত। তাই যাতে সন্দেহ কৰিব নোৱাৰে তাৰবাবে আঞ্জাখিনি ভালদৰে লৰাই কেৰাহীটো আগৰ দৰে ঢাকি, সাপৰ দৰে বগুৰা বাই বিছনাত উঠিলোঁ। এইখিনি কৰোঁতে মই ঘামি-জামি গৈছিলোঁ। মই যেন হাজাৰ হাজাৰ মাইল বাট দৌৰিহে আহিছোঁ।

এটা কোঠালিৰ ঘৰ। ইয়াতেই সকলো আছে। পাকঘৰ, শোৱনী ঘৰ। জুহালৰ আনপিনে তাইৰ বিছনা। এইবাবে মই কামটো সহজে সমাধা কৰি পেলাইছিলো।

কিছুপৰৰ পাছত তাই এবাল্টি পানী লৈ সোমাল। মই তাইৰ কাৰ্য-কলাপ অনুধাবন কৰি গলোঁ।

তাই আঞ্জাখিনি চামুচেৰে লৰাই এমগ পানী ঢালি দিলে। সেউজীয়া শাকৰ আঞ্জা। মই মনে-মনে আনন্দিত! তাই একো নাজানে। সেই কেৰাহীত আমাৰ মৃত্যু বন্ধন হৈ আছে!

ৰান্ধি-বাঢ়ি উঠাৰ পাছত তাই দুখন কাঁহীত ভাত-আঞ্জা বাঢ়িলে। মোৰ ওচৰলৈ আহি ক'লে, "উঠ দাদা। চাওঁ, হাত-মুখ ধোৱাই দিওঁ।"

মই নিৰ্বিকাৰভাৱে আদেশ পালন কৰিলো। তাইৰ অকণো সন্দেহ হ'ব নালাগে। তাই মোৰ কাঁহীখন বিছনাত থলে আৰু নিজেও মজিয়াত খাবলৈ বহিল।

মোৰ তীক্ষ্ণ চকু তাইৰ ওপৰত। মই কিছু উত্তেজিত হৈ পৰিছোঁ। হৃদয়ৰ স্পন্দন যেন ক্ৰমান্বয়ে তীব্ৰ হৈ আহিছে। এৰা, হোৱাৰ কথাই, একেলগে হত্যা আৰু আত্মহত্যা,— কম সাহসৰ কথা নহয়। চৰম উত্তেজনাৰ মুহূৰ্ত।

তাই ভাতৰ লগত আঞ্জা সানি লৈছে। সেই আঞ্জাসনা এগৰাহ ভাত মুখত দিলেই সকলো শেষ হৈ যাব। এটা পংকিল জীৱনত আঁৰ কাপোৰ পৰিব। এটা যন্ত্ৰণাৰ অৱসান ঘটিব।

তাই এগৰাহ ভাত তুলি মুখৰ ওচৰলৈ লৈ গ'ল। মোৰ উশাহ-নিশাহ যেন বন্ধ হৈ যাব। কিহবাই যেন মোক হেঁচি ধৰিছে।

সেই গৰাহ ভাতক তাইৰ ওঁঠে স্পৰ্শ কৰাৰ আগতে মোৰ ভিতৰৰ মানুহটোৱে বিকটভাৱে চিঞৰি উঠিল, "শকুন্তলা!"

মোৰ বিকট চিঞৰ শুনি তাই জিকাৰ খাই উঠিল। তাইৰ হাতখন তললৈ নামিল। মোলৈ ভয়াৰ্ত নেত্ৰেৰে চাই তাই চিঞৰি সুধিলে, "কি হ'ল দাদা?"

"শকুন্তলা!" মোৰ সৰ্বশৰীৰ কঁপিছে। যেন ভুইকঁপহে আহিছে মোৰ ভিতৰত।

তাই মোৰ অৱস্থা দেখি ভয় খাই গ'ল। হাতৰ ভাত কাঁহীত পেলাই থৈ তাই মোৰ কাষলৈ লৰি আহিল।

"কি হ'ল দাদা, কি হ'ল তোৰ?" তাই মোক আঁকোৱালি ধৰিলে!

মই মাথোন করুণভাৱে তাইৰ মুখলৈ চাই ৰলোঁ। তাইৰ মুখখন ভয়ত শেঁতা পৰি গৈছে।

"শকুন্তলা!" মই কঁপি-কঁপি থোকা-থুকি মাতেৰে কলোঁ, "মোক মাফ কৰি দে।"

"তোৰ কি হ'ল দাদা?" তাই স-শব্দে কান্দিবলৈ ল'লে।

মই কম্পিত হাতেৰে গাৰুৰ তলৰ পৰা কীটনাশকৰ খালী পেকেটটো উলিয়াই কলোঁ, "এয়া চা, মই আঞ্জাত এইটো ঢালি দিছিলোঁ। মই অতিষ্ঠ হৈ পৰিছিলোঁ কুন্তলা। তোৰ কষ্ট চাব নোৱৰা হৈ পৰিছিলোঁ। তোৰ বোজা হৈ জীয়াই থকাৰ অকণো ইচ্ছা নাছিল।" এই খিনি কওঁতে মোৰো চকুলো বৈ আহিল।

"দাদা!" তাই ফেকুৰি-ফেকুৰি ক'লে, "মই জানো তোৰ বৰ কষ্ট হৈছে। ময়ো জানো কম কষ্টৰ মাজত আছো? ...কিন্তু দাদা, তই মুঠেই চিন্তা নকৰিবি। এদিন এই কষ্ট আঁতৰিবই। তোৰ বাবে মই সকলো কৰিম। এই মূল্যহীন দেহৰ প্ৰতিটো অংগ উছৰ্গা কৰি হ'লেও তোৰ ভৰি দুখন মই ওভতাই আনিমেই। মই টকা সাচিবলৈ লৈছোঁ। এবছৰৰ ভিতৰতে তোৰ বাবে ভৰি আনিমেই আনিম। মই ডাক্তৰক সুধিছোঁ সেই ভৰি লগোৱাৰ পাছত তই আগৰ দৰে ফুৰা-চকা কৰিব পাৰিবি। সৰু-সুৰা কামো কৰিব পাৰিবি।"

মই অবাক হৈ শুনি গলোঁ।

তাই বাঁও হাতেৰে আলফুলকৈ মোৰ চকুপানী মচি দি নিজেই চকুলো নিগৰাই ক'লে, "দাদা, তই মোৰ বাবে অকণো ভাবিব নালাগে। অকলশৰে থাকিব লগীয়া হোৱাত তোৰ চিন্তা বেছি হৈছে। মই এটা সৰু ৰেডিঅ আনি দিম। দুই চাৰিখন কিতাপ-পত্ৰও আনি দিম। আৰামেৰে, দিন পাৰ হৈ যাব। তই এতিয়া শুই থাক। মই আকৌ ভাত ৰান্ধিম।"

তাই মোক এৰি দিলে। হাঁহিবলৈ চেষ্টা কৰিলে। মই তাইলৈ একেৰাহে চাই ৰলো। এক নিষ্কলুষ মুখ। ক'তো কলংকৰ ছা নাই। মই ভাবিব পৰা নাই। কাৰ লগত ৰিজাম তাইক!

নিজৰ বিষয়েও আকৌ এবাৰ আৰম্ভণিৰে পৰা ভাবি চালোঁ—কিয় ইমান সোনকালে উত্ৰাৱল হৈ পৰিলোঁ মই? কিয় পলায়ন কৰিব খুজিলোঁ জীৱনৰ পৰা? মোৰ ভিতৰৰ জীৱন-বোধ ইমান ক্ষীণ নে?

ভনীজনীৰ চকুপানীৰে তিতি থকা নিষ্কলুষ মুখলৈ চাই এক নতুন সিদ্ধান্তত উপনীত হলোঁ— আত্মহত্যা কৰা বা জীয়াই থকা কোনো ডাঙৰ কথা নহয় —জীৱনবোধ হে আচল কথা।

মই থিয় হ'ম। সেই নতুন জীৱনৰ ভেটিত যুঁজাৰুৰ দৰে থিয় হ'ম। মোৰ ভনীক হেঁচি ৰখা কলংকৰ পাহাৰ চুৰমাৰ কৰিবলৈ মই থিয় দিমেই।

মই লাহেকৈ বিছনাত বাগৰ দিলোঁ। দেখিলোঁ— তাই পুনৰ ভাত ৰান্ধিবলৈ লৈছে। এমুঠি বগা চাউলৰ ভাত।





# হাতীত উঠি পানীৰাম

বিকাশ বৰুৱা

আৰে, ৰজা ৰামসিংহ, আপুনি! এনেকৈ দৌৰি ফোঁপাই-জোঁপাই আহিছে যে!! কাপোৰ-কানি, মুকুট-বৰ্ম, ঢাল-তৰোৱাল—সেইবোৰ ক'ত?

—হে দিল্লীশ্বৰ! মোৰ নত মস্তকত আপুনি পদাঘাত কৰক। যুদ্ধক্ষেত্ৰত সকলো এৰি কথমপি প্ৰাণ লৈ পলাই আহিছোঁ। শৰাইঘাটৰ তৃতীয় যুদ্ধতো আমাৰ পৰাজয় হৈছে। অসমীয়া সেনাই দিছপুৰ দখল কৰিছে।

—কোনোবা বাচি আছেনে? নে সকলোৱেই মৰিল?

—মূল যুদ্ধক্ষেত্ৰত কোনোৱেই নাবাচিল। আঁতৰে-আঁতৰে থকাবিলাকৰ ভিতৰত মাত্ৰ পঁচিছজন বাচি আহিছে।

—ধিক ৰজা ৰামসিংহ! আমি ইমানদিনে শুনি আহিছিলো বোলে অসমীয়া সেনা ধোদ, অকৰ্মণ্য, দুৰ্বল আৰু পৰমুখাপেক্ষী। তেনেহেন অসমীয়াৰ হাতত চেদেলিভেদেলি হৈ নেগুৰ পেলাই—।

—একেবাৰেই মিছা কথা মহাৰাজ। প্ৰতিজন অসমীয়াই প্ৰয়োজন হলে যুদ্ধ কৰিব জানে, শত্ৰুৰ বত্ৰিছটা দাঁত ভাঙি গুড়ি কৰি দিব পাৰে, নিৰ্বাচন খেলিব জানে, প'ষ্টাৰ লিখিব জানে, প'ষ্টাৰ মাৰিব জানে, সভা পাতিব জানে, শোভাযাত্ৰা কৰিব জানে, পুলিছ-মিলিটেৰি নোহোৱাকৈ শান্তি-শৃংখলা বজাই ৰাখিব পাৰে, পুৰা ছয় বজাতে ভোট দিবলৈ ওলাই আহি ছয়-সাত ঘণ্টা নোখোৱা-নোবোৱাকৈ লাইনত থিয় হৈ থাকিব পাৰে, শ্বহীদ হ'ব জানে, দেখিলে চকুপানী ওলাই যোৱাকৈ শ্বহীদ-তৰ্পণ কৰিব জানে, পুলিছৰ মাৰৰ কোব নিৰৱে সহি থাকিব পাৰে, গেলা ৰাজনৈতিক নেতাৰ অসভ্য প্ৰৰোচনাত ভোল নোযোৱাকৈ থাকিব পাৰে, এখনো ৰিকুইজিশ্যন কৰা ৰাছ নোহোৱাকৈ তিনি-চাৰি লাখ মানুহ গোটাব পাৰে, গীত গাব পাৰে, নাটক কৰিব পাৰে—। তেওঁলোকৰ বিষয়ে বেয়াকৈ একো নোকোৱাই ভাল মহাৰাজ!

—কিন্তু এইখিনি অসমীয়াকে আমি যোৱা ৩৮ বছৰে ভৰিৰ তলত ৰাখি থৈছিলো। আমাৰ এই পতন কিয়?

সেই কথা নতুনকৈ অনা জাপানিজ কম্পিউটাৰটোৱেহে চাগে' কব পাৰিব।

হে মহাৰাজ! তেনেহলে আৰু এটা তদন্ত হোৱা উচিত। যোৱা ষোল্ল ডিছেম্বৰৰ দিনা ৰাতিপুৱাতে আৰম্ভ হোৱা শৰাইঘাটৰ তৃতীয় যুদ্ধত অসমীয়াৰ সপক্ষে যুঁজ দিবলৈ ঘৰ-দুৱাৰ, ধাননি পথাৰ, পানীকেঁচুৰা য'তে যেনেকৈ আছিল ত'তে তেনেকৈয়ে এৰি লাখ লাখ মুনিহ তিৰোতা, ল'ৰা-ছোৱালী; পংগু-বেমাৰী শুদা হাতে যুদ্ধক্ষেত্ৰলৈ ওলাই আহিছিল। তাৰ আগতেও এই মানুহবোৰে খাৱন-শোৱন এৰি, নিজৰ জেপৰ পইচা খৰচ কৰি, গাঁৱে-নগৰে অলিয়ে-গলিয়ে, দিনে নিশাই খালী ভৰি আৰু ফটা গোৰোহা এৰাই যোৱা হাৰাই ছেঙেলেৰে আই অসমীৰ হকে দেশপ্ৰেমৰ গীত গাই ঘুৰি ফুৰিছিল। এওঁলোকক আমাৰ ফলীয়া কৰিবলৈ যত্নৰ আৰু ষড়যন্ত্ৰৰ একো বাকী ৰখা নাছিলো। নগদ টকা দিছিলো, চাকৰি-বাকৰি-ঋণ পেঞ্চন সকলো দিছিলো, মদ-ভাং যাচিছিলো, কম্বল বিলাইছিলো, হাঁহ-কুকুৰা-পাৰ-গাহৰি খুৱাইছিলো, মানুহবোৰক বামুণ-শূদিৰ, কেওঁট-কলিতা, হিন্দু-মুছলিম, আহোম-চুতীয়া আদি অজস্ৰ ভাগত ভাগ কৰি কাজিয়া লগাব খুজিছিলো, উত্তপ্ত শ্লোগান দি সিহঁতৰ তেজ গৰম কৰি দিবলৈ চেষ্টা চলাইছিলো। কিন্তু কোনোপধ্যেই বলে নোৱাৰিলো। এক্কে মাৰতেই সিহঁতে আমাৰ ককাল ভাঙি দিলে। এই সম্পৰ্কেও এটা উচ্চ পৰ্যায়ৰ তদন্ত আমি দাবী কৰিছোঁ, মহাৰাজ!

বাৰু হ'ব। আচ্ছা, আমাৰ 'হাত কী চাফাই' নামৰ ছিনেমাখন দেখুৱাই-ছিলেনে? যুদ্ধৰ আগনিশা এইখন ছিনেমা দেখুৱায়েইতো আমি যোৱা ৩৮ বছৰে যুদ্ধ জয় কৰি আহিছিলো!

'হাত কী চাফাই' প্ৰদৰ্শন কৰিবলৈ আমি অপাৰ চেষ্টা চলাইছিলো। কেৱল পৰ্দাত দেখুওৱাই নহয়, শ্ৰীযুত লম্বোদৰ পচ্চনৰ দৰে মহান অভিনেতাক সশৰীৰেৰেও নি উপস্থিত কৰাইছিলো। কিন্তু চব মিছা হ'ল। তেওঁ অধোবদনে উভতি আহিল। আচলতে; মহাৰাজ, 'হাত কী চাফাই' খন বৰ বেছি পুৰণা হ'ল। সকলোৰে একপ্ৰকাৰ মুখস্থ! কিন্তু সিহঁতে 'হাতী মেৰে চাথী' নামৰ যিখন বনালে, একেবাৰে ছুপাৰ হিট। চব ঠাইতে কেৱল সেইখনেই চলি আছিল। আনকি আমাৰ খনৰ প'ষ্টাৰ মাৰিবলৈও আমি জেগা অকণ নাপালো।

আগৰ ৰাজেশ খান্না থকাখন নহয় তাৰমানে?

উঁহো, নহয়। তেনেই নতুন। তাকো একেবাৰে গৰম-গৰম মছলাৰে ভৰপূৰ। মাৰ্ডাৰ, ভায়োলেঞ্চ, গুলীয়াগুলী, ধৰ্ষণ—। খৰ্গেশ্বৰ, মুকুলিবালা, সুভাষ শৰ্মাৰ হত্যাকাণ্ড, দুলীয়াজানৰ ফায়াৰিং, শ্বোলে'ৰ সেই বিখ্যাত দৃশ্য-টোৰ নিচিনাকৈ পংক্য-ৰজাবাৰীত ৰছীৰে বান্ধি লৈ মাজনিশা পিছফালৰ পৰা মানুহ গুলীয়াই মৰা লোমহৰ্ষক দৃশ্য, 'ৱাৰ পিকচাৰ'ৰ লেখীয়াকৈ ভাৰতীয় সৈন্য বাহিনীৰ দ্বাৰা অসমীয়া জীয়াৰী-বোৱাৰীক গেং ৰেপ, কলেজৰ সন্মানিত অধ্যক্ষক নেষ্টি-পলিটিছিয়ানৰ নিৰ্দেশত পঘাৰে বান্ধি অৰ্ধ-উলংগ কৰি মাজ-আলিবাটেদি থানালৈ চোঁচোৰাই অনা, বন্দুকৰ গাদী আৰু বুট-জোতাৰে মহাত্মা গান্ধীৰ ছবি আৰু শ্বহীদ বেদীবোৰ ভাঙি গুড়ি কৰি পেলোৱা ঘটনা...বাপৰে! তেজ গৰম কৰি দিয়ে মহাৰাজ! মই এদিন সোমাই চাইছিলো।

ফিনিছিং কি দেখুৱাইছিল?

এইযে এতিয়া সঁচাসঁচিকৈ যি ঘটিল, —সেয়েই। কাজিৰঙা, নামবৰ,

দৈয়াং মেলেঙৰ প্ৰকাণ্ড জাক-জাক দঁতাল হাতী ; হাতীৰ পিঠিত ৰক্তবীজৰ দৰে লাচিতৰ বংশধৰ লাখ-লাখ পানীৰাম ; পানীৰামৰ প্ৰচণ্ড বিক্ৰম আৰু তয়াময়া যুদ্ধ ; নেগুৰ পেলাই শত্ৰুপক্ষৰ পলায়ন আৰু অন্তিম দৃশ্যত অসমৰ জনতা ভৱনত গণতন্ত্ৰৰ ধ্বজা উত্তোলন !

তাৰমানে অসমে এতিয়া সঁচাকৈয়ে হাঁহিছে নেকি ?

আগৰ হাঁহিটো আচলতে হাঁহি নাছিল, মহাৰাজ । আমি শক্তিশালী মেগনিফায়িং লেনছেৰে পৰীক্ষা কৰি চাইছিলো । খুব বেছিকৈ কোৰাৰি মেলি হাওহাওকৈ কান্দিলেহে মুখখন দেখিবলৈ তেনেকুৱা হয় । ভালকৈ এংগোল মিলাই ফটো লব জানিলে কান্দোনকে হাঁহি যেন দেখি মহাৰাজ।

স্বৰ্গদেউ গাদাধৰ সিংহই তেতিয়া-হলে আমাক ইমানদিনে ভুৱা দি আছিল !

হে দিল্লীশ্বৰ, ক্ষমা কৰিব,—কথাটো তেনেকুৱাই । আপুনি মহাভুল কৰি আছিল । গাদাধৰ আৰু তেওঁৰ পালি-প্ৰহৰী সকলেই আমাৰ সকলো সৰ্ব-নাশৰ মূল। অসমীয়া সেনাক তেওঁলোকে নিজৰ ফলীয়া কৰি ধৰি ৰাখিব নোৱাৰিলে । গাদাধৰে কেৱল নিজৰ গাদীখনহে ধৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলালে । নিজৰ তপিনাত ফেবিকল সানি গাদীখন তাতে নিকপকপীয়াকৈ লগাই থলে । টনা আজোৰাত এতিয়া গাদীও গ'ল, লগতে সি মণ্ডহো ছিঙি লৈ গ'ল ! তেওঁলোকে নিজ ভাই-ককাই, বাই-ভনীৰ ওপৰত বুটিছ আৰু মানৰ লেখীয়াকৈ আক্ৰমণ চলালে ।

নিয়মমতে সেইবিলাক কথা ইমান-দিনে প্ৰজাই পাহৰি যাব লাগিছিল !

আচৰিত কথা সেইটোৱেই মহাৰাজ! অসমীয়া সেনাবোৰে একোকেই নাপা-হৰিলে । সেইটো কাৰণতেই আমাৰ পক্ষে যুদ্ধ কৰোতাও কোনো নোলাল। পশ্চিমবংগ, বিহাৰ, ৰাজস্থান আৰু বাংলাদেশৰ কেইটা বেটেলিয়ন মান সৈন্যইহে যিৰা অলপ সহায় কৰিলে!

আমাৰ ইমানবোৰ ধনৰ মোনা, অস্ত্ৰ-শস্ত্ৰ, আকৰ্ষণ-প্ৰলোভনেৰে এটাওনো অসমীয়া মানুহ কিনিব পৰা নগলনে ?

গৈছিল মহাৰাজ ! কিন্তু তাকৰ।

দেশপ্ৰেম ভাৰালৈ নাপায় যেন পাইছো, ৰামসিংহ ?

যি বুজিলো, কোনো প্ৰেমেই ভাৰালৈ নাপায় হবপায়, মহাৰাজ । অন্য কৰবাত পালেও অসমত নাপায় ।

গাদাধৰৰ দৰে মানুহ অসমত কেনেকৈ উপজিল ?

কব নোৱাৰো । তেওঁলোকে অসমখনক ধ্বংস কৰি দিবলৈকে ওলাইছিল । শেষৰ ফালে তেওঁলোকে নিজৰে মতিভ্ৰম ঘটি ১০৮ ডিগ্ৰিমান জ্বৰ উঠা মানুহৰ দৰে প্ৰলাপ বকিবলৈ লৈছিল । শূন্যতে ঢাল-তৰোৱাল ঘূৰাই তাণ্ডৱ নৃত্য নাচিছিল । ধন-সম্পত্তিৰে খুন্দ খাই থকা সত্বেও নিজকে ডাল-দৰিদ্ৰ বুলি ঘোষণা কৰিছিল আৰু নিজৰ নামবোৰ সলাই স্বৰ্গদেউ দৰিদ্ৰ নাৰায়ণ সিংহ ইত্যাদি তেনেকুৱা নাম ৰাখিছিল । নিজ দেশ আৰু মানুহৰ প্ৰতি প্ৰেমভাব নথকাৰ বাবেই চাগে এনে হৈছিল ।

তেওঁলোকৰ পতনৰ পাছত এতিয়া কোনজন যুৱৰাজ অসমৰ ৰাজপাটত উঠিল ৰজা ৰামসিংহ ? ধন সোণ, অৰ্ধৰাজ্য আৰু সুন্দৰী ৰাজকন্যাৰ লোভ দেখুৱাই মিত্ৰতা স্থাপন কৰিব পাৰোঁৱেই কিজানিবা !

সৰ্বনশীয়া—কথা ভাবিছে মহাৰাজ! অসম দেশত এতিয়া সমগ্ৰ ৰাইজেই ৰজা । এজন ৰজাৰ দিন তাত উকলিল ।

তেনেহলে পৰবৰ্তী যুদ্ধৰ বাবে সাজু হোৱাহে কথা । নহয় জানো ?

কেইবছৰমানলৈ সময় দিয়ক, হে মহান সম্ৰাট ! হাড়-মূৰ ভাগি আছিছে, ককালৰ জোৰা স্নুলকি গৈছে । সেই-বোৰ ঠিক ঠাক কৰি লওঁ । চকুৰ আগত দঁতাল হাতীকেইটা ভাঁহি আছে । হাতীত উঠি পানীৰামে পোন্দোৱাকৈ এইফালেই চাই আছে । মনত আছেনে ৰাজন ? সৌ সিদিনালৈকে, আমি সিহঁতক ফুকলীয়া ল'ৰা বুলি ভাবিছিলো। ওঁঠ চেপিলে আমুলস্প্ৰে, ফেৰেক্স আৰু গ্ৰাইপৱাটাৰ ওলাব বুলি হাঁহি-ছিলো । কিন্তু সিহঁতেই দুৰ্দান্ত শক্তি আৰু সাহসেৰে আমাৰ দৰ্প চূৰ্ণ কৰিলে । জয়মতীৰ বংশধৰ অসমীয়া নাৰীক ছবছৰ আগতে পিকনিক খাই ফুৰা বুলি জোকাইছিলো । তেওঁলোকেই মূলাগাভৰুৰ ৰূপ ধৰি আমাক কুকুৰ খেদাদি খেদিলে আৰু মানাহ নদী পাৰ কৰি থৈ গলহি ! অসমৰ প্ৰজাৰ মূৰবোৰ আমি লাওখোলাৰ ভিতৰত ঘিঁউ মৌ একো নথকা ফোপোলা হেলমেট বুলি ভাবিছিলো । কিন্তু নহয় । আমাতকৈ তেওঁলোকৰ ঘিঁউ বেছি । হে মহান ভাৰতবৰ্ষৰ একচ্ছত্ৰী অধিপতি ! লাচিতৰ নাতি এই পানী-ৰামৰ বংশক এতিয়া পৰাস্ত কৰিব পাৰে, —এনেকুৱা আমাৰ কোনো মাইকালাল পয়দা হোৱাই নাই । আকৌ যুঁজিবলৈ গলে পানীৰামে জোলোকা-জুলুকিকৈ পানী খুৱাব । কিছু বছৰলৈ আমি শক্তি সঞ্চয় কৰা উচিত । এতিয়া মই এঘুমটি শোওঁহে মহাৰাজ !

তথাস্তু ! সেয়ে হওক তেন্তে । ছাউণ্ড শ্লিপ এণ্ড হেপিড্ৰিম মাই ডিয়াৰ বয় !!

### সম্পাদকৰ কোঠালিত

বন্ধু ঃ চৰকাৰৰ লগত কাৰোবাৰ-কাৰোবাৰ বিৰোধ থকাটো যে বহু সময়ত, বহু ক্ষেত্ৰত উপকাৰী, তাৰ এটা প্ৰমাণ দিওঁ শুনা। চৰকাৰৰ এক পইচা সাহায্য নোহোৱাকৈ অসম সাহিত্য সভাই বছৰেকীয়া অধিবেশন পাতিছিলনে নাই ? পাতিছিল । পইচাৰ নাটনি হৈছিল নে কি ? নাই হোৱা । চোৱা,—এয়া এবছৰৰ পাছৰ হিচাপ, —হাতত জমা ইমান টকা, বেংকত জমা ইমান টকা। কিন্তু এইবাৰ চৰকাৰে ঢেৰ টকা দিব বুলি সকলোৱে ধৰি ললেতো ! সেইকাৰণে দুমাহৰ আগতে দিয়া চান্দা বহীৰ দুটা পাত খৰচ, অধিবেশনলৈ দুদিন থাকোঁতে বাকী সকলো পাতেৰে সৈতে বহী ফিৰং !





## ৰাষ্ট্ৰীয় টেবল টেনিছত অসমৰ মহিলাদলৰ গৌৰৱজনক সাফল্য



মনালিছা বৰুৱা

অসমৰ মহিলা টেবল টেনিছ দলে মহাৰাষ্ট্ৰ 'এ' দলক ফাইনেলত পৰাজিত কৰি পোন প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিজয়ীৰ সন্মান লাভ কৰিছে ।

ছেমিফাইনেলত অসমে বংগক ৩ পৰাজিত কৰিছিল । শীৰ্ষৰেংকিং মনালিছা বৰুৱাই (২১-১০, ২১-১৪) কাকলি কোলেক আৰু মদালসা হাজৰিকাই (১১-২১, ২১-১৮ আৰু ২১-১১) দেবযানী বাগচিক পৰাজিত কৰে । ডাবলছত মনালিছা আৰু মদা-লসাই ২১-১৭ আৰু ২১-১৫ পইণ্টত দেবযানী আৰু চৈতালীদাসক পৰাজিত কৰে ।

ফাইনেলত অসমে মহাৰাষ্ট্ৰ 'এ' দলক ৩-১ মেচত পৰাজিত কৰে । ভাৰতৰ বিভিন্ন বাতৰি কাকতে উল্লেখ কৰিছে যে, অসমৰ সাফল্যত প্ৰধান ভূমিকা লৈছিল মনালিছাই । বাঁও-হতীয়া খেলুৱৈ মনালিছাই তেওঁৰ দুখন ছিংগলছতেই জয়লাভ কৰে আৰু মদালসাৰ লগত লৈ খ্যাতনামা ব্যোমা পাৰেখ আৰু কাশ্মীৰা পেটে-লক পোনপটিয়া গেমত পৰাজিত কৰি বিজয় গৌৰৱ অৰ্জন কৰে । মনালিছাই বৰ্ষ চুলানীক ২১-১০, ২১-১১ আৰু ব্যোমা পাৰেখক ২১-১০, ২১-১৮ পইণ্টত পৰাজিত কৰে । মদালসা ব্যোমা পাৰেখৰ হাতত ১৩-২১, ২০-২২ পইণ্টত পৰাজিত হয় । ডবল-ছত মনালিছা আৰু মদালসাই ২১-১৫ ২১-৮ পইণ্টত পৰাজিত কৰে ব্যোমা পাৰেখ আৰু কাশ্মীৰা পেটেলক । উল্লেখযোগ এই মহাৰাষ্ট্ৰ 'এ' দলৰ হাততে ১৯৮১ চনত পালঘাটত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমৰ মহিলা দল পৰাজিত হৈছিল । এইবাৰ পূৰ্বৰ পৰাজয়ৰ মধুৰ প্ৰতিশোধ ললে অসমৰ মহিলা দলে ।

## কমলেশ আৰু মনালিছা চেম্পিয়নঃ ভাৰতীয় টেবল টেনিছত অৰুণোদয়

৪৭ তম ৰাষ্ট্ৰীয় টেবল টেনিছৰ ব্যক্তিগত চেম্পিয়নশ্বিপত পুৰুষ আৰু মহিলাৰ উভয় বিভাগতে ফাইনেলত প্ৰৱেশ কৰিছিল মনালিছা বৰুৱা আৰু অৰুণজ্যোতি বৰুৱাই । মনালিছাই ফাইনেলত মহাৰাষ্ট্ৰৰ ব্যোমা পাৰেখক ২১-১৯, ২১-২৩, ২১-১৭ আৰু ২১-১৯ পইণ্টত পৰাজিত কৰি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় চেম্পিয়ন হয় । বিশেষ-ভাৱে উল্লেখযোগ্য যে, এই বছৰ মনালিছাই আছিল ৰেংকিঙৰ শীৰ্ষ স্থানত ।

অৰুণজ্যোতিয়ে মনজিৎ দুৱৰা আৰু শ্ৰীৰামক পৰাজিত কৰি আলোড়ন সৃষ্টি কৰিছিল ; কিন্তু ফাইনেলত ক্লান্ত অৰুণজ্যোতি কমলেশ মেহতাৰ হাতত ২১-৯, ২১-১৩, ২১-২৩ আৰু ২১-১৬ পইণ্টত পৰাজিত হৈ ৰাণাৰ্ছ আপ হয় । চতুৰ্থ ৰেংকিং কমলেশ মেহতাই ফাইনেলত গভীৰভাৱে নিজকে নিয়ো-জিত কৰে মনজিৎ আৰু শ্ৰীৰামক পৰাজিত কৰা ভাৰতৰ উদীয়মান উজ্জ্বল প্ৰতিভা অৰুণজ্যোতিৰ বিৰুদ্ধে ।

অহা মাহত লাহোৰত অনুষ্ঠিত হবলগীয়া পেণ্টাংগুলাৰ টেবল টেনিছ প্ৰতিযোগিতাত মনালিছা আৰু অৰুণ জ্যোতিয়ে ভাৰতীয় দলত স্থান লাভ কৰিছে । অৰুণজ্যোতিৰ ফ'ৰহেণ্ড জেব আৰু প্লেছিঙৰ কোনো উত্তৰ দিব পৰা নাছিল শ্ৰীৰামে । মনজিৎ দুৱৰাই কোৱাৰ্টাৰ ফাইনেলত তীব্ৰ সংগ্ৰাম কৰি পৰাজিত হয় অৰুণজ্যোতিৰ হাতত । এইখনেই আছিল প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ মেচ ।

ইমানদিনে মহিলাৰ ছিংগলছত একচ্ছত্ৰী সম্ৰাজ্ঞী আছিল ইন্দু পুৰী । তেওঁ এইবাৰ খেলা নাছিল । সুদীৰ্ঘ ৮ বছৰ পাছত এগৰাকী নতুন চেম্পিয়ন হ'ল—মনালিছা । একেৰাহে তিনিবাৰ ফাইনেলত প্ৰৱেশ কৰিও ব্যোমা পাৰেখ চেম্পিয়ন হব পৰা নাই । শীৰ্ষৰেংকিং মনালিছাই তেওঁৰ 'বিদ্যুৎ-গতিৰ' বেকহেণ্ড শ্বটেৰে ব্যোমাক ব্যতি-ব্যস্ত কৰি ভাৰতৰ শ্ৰেষ্ঠ মহিলা টেবল টেনিছ খেলুৱৈ হিচাপে নিজকে প্ৰতিষ্ঠিত কৰে ।

মিক্সড ডবলছ প্ৰতিযোগিতাত অৰুণজ্যোতি আৰু মনালিছাই মহাৰাষ্ট্ৰৰ শ্ৰীধৰ আৰু কাশ্মীৰা পেটেলক পৰা জিত কৰি (২২-২০, ২১-১৮) শ্ৰেষ্ঠত্বৰ সন্মান অৰ্জন কৰে । অসমৰ এই খেলুৱৈসকলৰ বাবে আমি গৰ্ব অনু-ভৱ কৰিছোঁ আৰু আনন্দিত হৈছোঁ ।

ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত দিল্লীত আৰম্ভ হোৱা জুনিয়ৰ ৰাষ্ট্ৰীয় প্ৰতি-যোগিতাত ত্ৰিদিব দুৱৰা, সোণেশ্বৰ ডেকা, গগনেন্দ্ৰ চৌধুৰী, পাপৰি



OK DISCD





হাজৰিকা, প্ৰণামী দত্ত মজুমদাৰ, নিপজ্যোতি বৰুৱা আদি ইতিমধ্যে সৰ্বভাৰতীয় ক্ষেত্ৰত দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হোৱা কিশোৰ-কিশোৰীয়ে অসমৰ হৈ অংশ গ্ৰহণ কৰে। ল'ৰাৰ বিভাগৰ ৰেংকিঙত ত্ৰিদিব হুৰৰাক শীৰ্ষস্থানত ৰখা হৈছিল, কিন্তু শেষ পৰ্যন্ত সৰ্বভাৰতীয় তালিকাত তেওঁ তৃতীয় স্থান লাভ কৰে। ছোৱালীৰ শাখাত পাপৰি হাজৰিকাই দ্বিতীয় স্থান লাভ কৰে। ছোৱালীৰ ছাব-জুনিয়ৰ শাখাত প্ৰণামী দত্ত মজুমদাৰ দ্বিতীয় হয়। ছাব জুনিয়ৰ ল'ৰাৰ শাখাত নিপজ্যোতি বৰুৱা ষষ্ঠ হয়। মুঠতে মনালিছা বৰুৱা আৰু অৰুণজ্যোতি বৰুৱাকে ধৰি অসমৰ খেলুৱৈসকলে সৰ্বভাৰতীয় স্তৰৰ সকলো বিভাগতে চকুত পৰাকৈ ঠাই দখল কৰিব পাৰিছে। এই কথালৈ চকু ৰাখি অসমত টেবল টেনিছৰ চৰ্চাৰ ব্যৱস্থা আৰু সা-সুবিধা ব্যাপক কৰি তোলাটো বাঞ্চনীয়।

## আন্তঃকালেজ ক্ৰীড়া মহোৎসৱত ৰশ্মি বৰুৱাৰ অসামান্য কৃতিত্ব

সম্প্ৰতি গুৱাহাটীত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত সন্দিকৈ কলেজৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰী ৰশ্মি বৰুৱাই ১০০, ১০০ আৰু ৪০০ মিটাৰ দৌৰ, আৰু হাই জাম্প আৰু লং জাম্পত স্বৰ্ণ পদক লাভ কৰিছে। ইয়াৰ উপৰিও ১০০ মিটাৰ হাৰ্ডলছ আৰু ৰিলে ৰে'ছতো তেওঁ ৰূপৰ পদক লাভ কৰি শ্ৰেষ্ঠ 'ৰানাৰ', শ্ৰেষ্ঠ 'জাম্পাৰ' হৈ প্ৰতিযোগিতাৰ মহিলা বিভাগত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে। যোৱা দহ বছৰত কোনো খেলুৱৈয়ে এককভাৱে পাঁচোটা বিভাগত প্ৰথম হোৱা নাছিল।

## দলৰ ব্যৰ্থতা সম্পৰ্কে কপিল

"কপিলদেৱে কৈছে,—"মই বৰকৈ নিৰ্ভৰ কৰিছিলো বিৰাট নামৰ চুটি চাপৰ মানুহ জন, শিৱৰামকৃষ্ণন আৰু এই দশকৰ আটাইতকৈ উজ্জ্বল ৰেটিং সম্ভাৱনা আজাহাৰউদ্দিনৰ ওপৰত; — এই দুই গৰাকী ক্ৰিকেটাৰ ফৰ্মত নথকাৰ বাবে চূড়ান্ত ফলৰ ওপৰত প্ৰভাৱ পৰিছিল। এইটো উপলব্ধি কৰা প্ৰয়োজন যে, টেষ্ট নাইবা এদিনীয়া ক্ৰিকেটত মাত্ৰ কেইগৰাকীমান ক্ৰিকেটাৰৰ ওপৰত নিৰ্ভৰশীল হোৱাটো ভাৰতৰ উচিত নহয়। টেষ্টত অফ-ফৰ্মত থকা দুই এজন ক্ৰিকেটাৰে দলৰ ওপৰত ইমান প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে; —কিন্তু এদিনীয়া ক্ৰিকেটত এঘাৰজন খেলুৱৈৰ প্ৰতিজনেই অলপ নহয় অলপ ভাল খেলিবই লাগিব।" মনৰ দুখ পাতল কৰিবলৈ কপিলে কয়,— "কোনো সময়ত ক্ৰিকেট বাৰুকৈয়ে টান হৈ পৰে;— ঠিক জীৱনৰ দৰে। তুমি কিছু লাভ কৰিবা, হেৰুৱাবাও কিছু!"

## বেদীৰ মন্তব্যৰ প্ৰতিবাদ

ভাৰতৰ প্ৰাক্তন ক্ৰিকেট অধিনায়ক বিষেণ সিং বেদীয়ে মন্তব্য কৰিছে যে সুনীল আৰু মহীন্দৰৰ বয়স ইতিমধ্যে ত্ৰিছ বছৰ পাৰ হৈ গৈছে। গতিকে তেওঁলোকক দলৰ পৰা বাদ দিয়া উচিত। মেনেজাৰ ভেংকটৰাঘাৱনে বেদীৰ কথাৰ তীব্ৰ প্ৰতিবাদ কৰি কৈছে, "শাৰীৰিকভাৱে সুস্থ থাকিলে এই দুইগৰাকী খেলুৱৈ ভাৰতৰ বাবে অপৰিহাৰ্য।" ভাৰতৰ অধিনায়ক কপিলদেৱে স্বীকাৰ কৰিছে যে ছিডনিত প্ৰথম ফাইনেলত অষ্ট্ৰেলিয়াৰ হাতত পৰাজয়ৰ বাবে কম বেছি পৰিমাণে তেৱেঁই দোষী। বৰ বেয়া শ্বট এটা মাৰিবলৈ গৈ গ্ৰেগ মেথুজৰ অফস্পিনত কপিল প্ৰথম বলতেই আউট হয়। কপিলে কৈছে, "স্বীকাৰ কৰিছোঁ, মই তেনেকৈ বেট চলাব নালাগিছিল। অৱশ্যে এইটোও সঁচা যে আন বেটছমেনসকলেও ভাল খেলিব পৰা নাই। তথাপি পৰাজয়ৰ ক্ষেত্ৰত আনৰ বেয়া খেলাতকৈ মোৰ সেই শ্বটটোৱেই আছিল বেছি দায়ী। প্ৰতি অভাৰত ৪ ৰান কৈ ১৭১ ৰান কৰাটো বৰ কষ্ট সাধ্য কাম নাছিল। জয়লাভৰ বাবে মই নিশ্চিত আছিলোঁ। কিন্তু প্ৰাৰম্ভিক দুই বেটছমেনৰ ব্যৰ্থতাৰ ফলত আমি খেলত ছন্দ আৰু গতি নাপালোঁ। আঙুলিত দুখ পোৱা বাবে ছাস্ত্ৰিয়ে ইনিংছ মুকলি কৰিব নোৱাৰিলে; —ই আমাৰ বাবে আছিল মাৰাত্মক ঘটনা।"

## খেলুৱৈৰ আৰ্থিক লাভ

বেনছন এণ্ড হেজেছে ৱৰ্ল্ড ছিৰিজৰ চেম্পিয়ন অষ্ট্ৰেলিয়া দলে লাভ কৰিছে ৭ লাখ ২৬ হাজাৰ টকা। ভাৰতে লাভ কৰিছে ১ লাখ ৩৬ হাজাৰ টকা। প্ৰাথমিক ৰাউণ্ডত জয়লাভৰ বাবে ভাৰতে আৰু পাইছে ২ লাখ ৮ হাজাৰ টকা; মুঠতে ৩ লাখ ৪৪ হাজাৰ টকা।


**ভূমি পুত্ৰৰ মৰ্ম-বেদনা**

বৃটিছ ৰাজত্বৰ আৰম্ভণিৰে পৰা অসম গণ পৰিষদ চৰকাৰৰ পাতনিলৈকে জনগণৰ অস্তিত্বৰ সংগ্ৰামৰ ইতিহাস।
লেখক— **গৌৰী শংকৰ ভট্টাচাৰ্য্য**
দাম— ৩০ (ত্ৰিছ টকা)
প্ৰকাশক **'নৱ-দিগন্ত'**
জি এছ ৰোড উলুবাৰী
পৰিবেশক- **'ৱাণী প্ৰকাশ'**
পাণবজাৰ, গুৱাহাটী-১



প্ৰকাশ পালে
আব্দুছ ছাত্তাৰৰ
প্ৰসঙ্গ-কোষ

অসমীয়া সাহিত্যত বিশ্বকোষ শ্ৰেণীৰ প্ৰথম গ্ৰন্থ। পণ্ডিত কৃষ্ণকান্ত **সন্দিকৈ দেৱৰ পাতনি** সম্বলিত। উচ্চ প্ৰশংসিত আৰু বহুজন সমাদৃত গ্ৰন্থখনি আমাৰ পৰা সংগ্ৰহ কৰক।

পৰিবেশক
**গ্ৰন্থপীঠ**
এটি ৰ'ড যোৰহাট-১

## কিউবাই অলিম্পিক বয়কট কৰিব

কিউবাৰ প্ৰেছিডেণ্ট ফিডেল্ কাষ্ট্ৰই জনাইছে যে, ১৯৮৮ চনত ছিউলত হবলগীয়া অলিম্পিক যদি উত্তৰ আৰু দক্ষিণ কোৰিয়াই যুটীয়াভাৱে অনুষ্ঠিত কৰাৰ দায়িত্ব নলয় তেনেহলে কিউবাৰ ছিউল অলিম্পিকত যোগদানৰ প্ৰশ্নই উঠিব নোৱাৰে।

উত্তৰ কোৰিয়াৰ ভাইছ প্ৰেছিডেণ্ট পাক ছুং চোলেই অলপতে এক সাংবাদিক মেলত কয় যে দক্ষিণ কোৰিয়া মানবাধিকাৰ অৱহেলিত হৈছে আৰু দেশখন বৰ্তি আছে মাকিন সেনাবাহিনীৰ অনুগ্ৰহত। তেওঁৰ দৃঢ় ধাৰণা যে, মাথোঁ দক্ষিণ কোৰিয়াই অলিম্পিক ক্ৰীড়া অনুষ্ঠানৰ ব্যৱস্থা কৰিলে অতি কম সংখ্যক দেশেহে ১৯৮৮ চনৰ অলিম্পিকত যোগদান কৰিব।

## ছি. এল মেহতাৰ অলিম্পিক অৰ্ডাৰ

ভাৰতীয় অলিম্পিক এছোছিয়েশ্যনৰ ছেক্ৰেটেৰি জেনেৰেল অৱসৰ প্ৰাপ্ত এয়াৰ ভাইছ মাৰ্শ্বাল চমনলাল মেহতাই 'অলিম্পিক অৰ্ডাৰ' লাভ কৰিছে। সম্প্ৰতি লুছানত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটিৰ কাৰ্যকৰী ব'ৰ্ডৰ সভাত এই সিদ্ধান্ত লোৱা হয়। ক্ৰীড়া প্ৰশাসনত নিষ্ঠাৰে সৈতে দায়িত্ব পালন কৰা আৰু ক্ৰীড়াৰ উন্নতি আৰু প্ৰসাৰৰ ক্ষেত্ৰত অসাধাৰণ অৱদানৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হব।

* মেক্সিকোৰ বিশ্বকাপ ফুটবলৰ বাবে ব্ৰাজিলৰ মেনেজাৰ ছান্তানাই প্ৰাথমিক ভাৱে ১৯ গৰাকী খেলুৱৈ নিৰ্বাচিত কৰিছে। ১৯৮২ চনত স্পেইনৰ বিশ্বকাপত ব্ৰাজিলৰ যিসকল খেলুৱৈ নিৰ্বাচিত হৈছিল তাৰে ১১ জন খেলুৱৈ এইবাৰৰ দলত আছে। উল্লেখ যোগ্য ব্যতিক্ৰম হৈছে ছাৰজিনহো। তেওঁক বাদদিয়াৰ প্ৰধান কাৰণ হৈছে—যোৱা বিশ্বকাপত তেওঁ অসংখ্য গ'লৰ সুযোগ নষ্ট কৰিছিল।

পুলক লাহিড়ী


খুচুৰা বিক্ৰেতা বন্ধু সকলৰ বাবে
এটি শুভ খবৰ।
কোহিনুৰ চামাৰ স্পেচিয়েল '৮৬



বিক্ৰিৰ বাবে বিনামূল্যে পোৱা উপহাৰ
* চাবলি ইণ্টাৰলক ড্ৰয়াৰ আৰু ব্ৰিফচ্।
* গ্ৰীষ্ম কালিন শীতল ৰঙৰ গেঞ্জি।
* মহিলাৰ পেণ্টিজ।

আপুনি কি কৰিব লাগিব ঃ
ওপৰত উল্লেখ কৰা বস্তুবোৰ কিনাৰ সময়ত আপোনাৰ ডিলাৰৰ পৰা আধাখনিয়া আৰু সম্পূৰ্ণ কুপন লওক আৰু তলত দিয়ামতে কল্পনাতিত উপহাৰ লাভ কৰক।

৬০ টা সম্পূৰ্ণ বা ১২০ টা আধাখনিয়া কুপনৰ বাবে বিনা-মূল্যে উপহাৰ পাব।
এক ডজন ড্ৰয়াৰ কলাৰ বিব (যি কোনো চাইজৰ)
এক ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪)

১২০ টা সম্পূৰ্ণ বা ২৪০ টা আধাখনিয়া কুপনৰ বাবে বিনা-মূল্যে উপহাৰ পাব।
১½ ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪)
১½ ডজন মেট্ৰো বি এল এফ আৰ এন (চাইজ ৩০×৩৪)
১½ ডজন নতুন মেট্ৰো এফ আৰ এন (চাইজ ৩০×৩৪)
১½ ডজন ৬৬৬ বি এল আৰ এন (চাইজ ৩০×৩৪)

১৮০ টা সম্পূৰ্ণ বা ৩৬০ আধাখনিয়া কুপনৰ বাবে বিনা-মূল্যে উপহাৰ পাব।
৩ ডজন মেট্ৰো কলাৰ এফ আৰ এন (চাইজ ৩০×৩৪)
৩ ডজন মেট্ৰো বি এল এফ আৰ এন (চাইজ ৩০×৩৪)
১½ ডজন নিউ মেট্ৰো এফ আৰ এন (চাইজ ৩০×৩৪)
১½ ডজন "Y" ফ্ৰণ্ট বি এল (যি কোনো চাইজ)
১½ ডজন শ্ৰীমান MERCD বি এল আৰ এন (চাইজ ৩০×৩৪)

মনত ৰাখে যেন ৩০ এপ্ৰিল ১৯৮৬য়েই হৈছে শেষ দিন।

আমাৰ খুচুৰা বিক্ৰেতা সকললৈ এটি অনুৰোধ। যদি আপোনালোকে পলমকৈ বস্তু পোৱাৰ বাবত বা অন্য কোনো কাৰণে অসুবিধা ভোগ কৰে তেতিয়া অনুগ্ৰহ কৰি আমালৈ পোনপতিয়াকৈ যোগাযোগ কৰিব ঃ

কোহিনুৰ নিটিংগ মিল্ছ
১১৩ মনোহৰ দাস কাত্ৰা, কলিকতা ৭০০০০৭
ফোন ঃ ৩৩-৩৩১২ • ৩৩-০৪৩৪


১৮ পৃষ্ঠাৰ পিছৰ পৰা

লাগিব। লগে লগে আমাৰ ওপৰত কৰৰ মাত্ৰা বাঢ়ি যাব। আটাইখিনি থলুৱা লোকেৰে গঠিত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ হাতত এই কামটো দিলে অসম কেইবাটাও দিশত উপকৃত হ'ব।

দেশৰ উদ্যোগ জগতখনত অসমৰ ভূমিকা কেনে তাক আমি সকলোৱে জানো। ইয়াত শক্তিৰ নাটনিৰ এটা মুখ্য ভূমিকা আছে। আমি জনসাধাৰণেও তিতা-কেহাঁ অভিজ্ঞতাৰ সন্মুখীন হৈছোঁ। পৰিষদৰ যি কেইটা বিদ্যুৎ উৎপাদন কেন্দ্ৰ আছে তাৰে অসমৰ চাহিদা পূৰণ নহয়। সেয়েহে মেঘালয়, লোগটাক (মণিপুৰ) খাংগং (নিপকো), অইল ইণ্ডিয়া আদিৰপৰা বিদ্যুৎ ক্ৰয় কৰা হয়। ইয়াৰে কোনোবাটোৱে কিবা কাৰণত উৎপাদনৰ হাৰ কমাই দিলেই অসুবিধাৰ সৃষ্টি হয়। তদুপৰি গোটসমূহত দেখা যান্ত্ৰিক বিজুতি, বছেৰেকীয়া মেৰামতি আদি আছেই। এইবোৰ কাৰণতে আমি ৰাইজ অন্ধকাৰত ডুবি থাকিব লগা হয়। ইফালে অসমত বিদ্যুতৰ চাহিদাও দিনে দিনে উৰ্ধমুখী হৈ গৈছে। প্ৰস্তাৱিত গোটকেইটাই গোটেই অসমৰ চাহিদা পূৰণ কৰাৰ উপৰিও ৰাজ্যৰ বাহিৰতো বিদ্যুৎ বিক্ৰি কৰিব পাৰিব।

পৰিষদৰ প্ৰায় সকলো কৰ্মী/বিষয়াৰ মুখতে শুনা যায়—নিম্ন মানৰ যন্ত্ৰ-পাতিৰ দুই-এটা গোট থকা হেতুকে প্ৰায়ে ৰাজ্যখনত বিদ্যুৎ কৰ্তন কৰিব লগীয়া হয়। বিশেষকৈ বঙাইগাঁও তাপ প্ৰকল্প তথা নামৰূপৰ এটা গোটৰ নিৰ্মাণকাৰী প্ৰতিষ্ঠান ভাৰত হেভি ইলেকট্ৰিকেলছ লিমিটেডৰ ওপৰত তেওঁলোকৰ প্ৰচণ্ড ক্ষোভ। ভাল বস্তু চলাই ৰাখিবলৈ ভাল; কিন্তু গুৰিতে নিম্নমানৰ বস্তু এটা চলাই ৰাখিবলৈ অভাৱনীয় কষ্টৰ প্ৰয়োজন হয়, আৰু তাৰ ফল ৰাইজে ভোগ কৰিবলগীয়া হয়। প্ৰশাসনিক দিশত পৰিষদৰ কিছু দোষ নথকা নহয়; কিন্তু সেইবুলি আমি অন্ধকাৰত ডুবি থাকিলে কেৱল পৰিষদৰ কৰ্মী/বিষয়াৰ ওপৰতে সকলো দোষ জাপি দিবও নোৱাৰি। থলুৱা সংস্থাটোক আমি সকলোৱে আদৰ্শৰ পাত্ৰ কৰিবলৈ যত্ন কৰিব লাগিব। লগে লগে পৰিষদেও ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰাৰ প্ৰমাণ দেখুৱাব লাগিব।

প্ৰস্তাৱিত গেছ টাৰবাইন সম্পৰ্কে নামৰূপ তাপ-বিদ্যুৎ কেন্দ্ৰৰ চিনাকি অভিযন্তা এগৰাকীক সোধোঁতে তেওঁ কৈছিল যে নামৰূপ তাপ-বিদ্যুৎ কেন্দ্ৰত এতিয়াও বহু অধিগৃহীত মাটি পৰি আছে। তাত সুন্দৰকৈ গোট-কেইটা পাতিব পৰা যাব। তদুপৰি কৰ্মীসকলৰ থকা বাসগৃহৰ বাবে যি মাটিৰ প্ৰয়োজন হব, তাৰ বাবেও কোনো অসুবিধা নহয়। আবাসিক এলেকাত যথেষ্ট পৰিমাণৰ মাটি আছে। থলুৱা লোকেৰে গঠিত ৰাজ্যিক চৰকাৰৰ এটা প্ৰতিষ্ঠান অসম গেছ কোম্পানিৰ পৰা গেছ কিনি তেওঁলোকে কোনো অসুবিধা নোহোৱাকৈ কাম চলাই আছে। দুলিয়াজান, নাহৰকটীয়া, মৰাণ আদি তৈলক্ষেত্ৰসমূহত দিনে-নিশাই পুৰি থকা গেছখিনিৰে গোট-কেইটা চলাবলৈ একো অসুবিধা নহব বুলি অভিযন্তাগৰাকীয়ে কৈছিল।

নিপকোৱে মেঘালয়ৰ নাঙলবিব্ৰাত এবাৰ উৎপাদন গোট পাতিব খোজাত তাৰ চৰকাৰে স্পষ্ট কণ্ঠেৰে কৈছিল-যিহেতু মেঘালয়ত এখন বিদ্যুৎ পৰিষদ আছে, গতিকে আন কোনো প্ৰতিষ্ঠানকে তাত হস্তক্ষেপ কৰিবলৈ দিয়া নহব। অসমৰ নতুন চৰকাৰে অসমৰ দ্ৰুত অৰ্থনৈতিক বিকাশ তথা নিবনুৱা সমস্যাৰ কথা চিন্তা কৰি এই বিষয়ে স্পষ্ট নীতি গ্ৰহণ কৰি, সেইমতে কাম কৰিবলৈ লবনে?

৪৬ পৃষ্ঠাৰ পিছৰ পৰা

হ'লে, তুমি বহী কেইখনৰ কথা সুলিওৱা হ'লে— আজি ইমানবিলাক কথা মই নকলোহেঁতেন।" কান্দোনত তেওঁৰ আৰু যদি কিবা কথা আছিলো সেই কথা উটি গ'ল।

পলাশ্ দত্তই দূৰৰ বশিষ্ট ৰোডলৈকে একেথৰে চাই আছিল। চাকিবিলাক উজ্জ্বল হৈ জ্বলি উঠিছে। গাড়ীবিলাক দ্ৰুত গতিৰে অহা-যোৱা কৰিছে। এখন গাড়ী ঘাই পথৰ পৰা নামি সোমাই আহিল। তেওঁ এনেয়ে কলে, "ছুলুইত বোধহয় উলটি আহিল্।"

শোভনা বৰুৱাই ঘপহকৰে উঠি দুৱাৰখন খুলি ভিতৰলৈ সোমাই গ'ল। দত্তই থিয় হৈ—বহীজাপ বাঁও কাষলতিত লৈ—ছিগাৰেট এটা জ্বলাবলৈ সাজু হ'ল। গাড়ীখন চৌহদৰ ভিতৰলৈকে লাহে লাহে সোমাই আহিল।

(আগলৈ)

২৫ পৃষ্ঠাৰ পিছৰ পৰা

নিয়ন্ত্ৰক, কাম্পিউটাৰ-কেন্দ্ৰৰ মুৰব্বী, অপাৰেটৰসকল, প্ৰগ্ৰেমকাৰী নে কোন? আমি হ'লে গিগোক এই জঞ্জালৰ বাবে দায়ী কৰিব খুজিছোঁ।

গণনামূলক সমস্যা হিচাপে কম্পিউটাৰেৰে দহ-বিছজন পৰীক্ষাৰ্থীৰ নম্বৰ যোগ কৰি ৰিজাল্ট উলিওৱাটো অতি নগণ্য কাম। কিন্তু পঞ্চাছহাজাৰ পৰীক্ষাৰ্থীৰ নাম, কলেজ, বিষয়সমূহ, নম্বৰ ইত্যাদি শুদ্ধভাৱে যন্ত্ৰৰ দ্বাৰা ৰেকৰ্ড কৰা, **সেইবোৰ স্বাধীনভাৱে দুবাৰ সংকলন কৰি তুলনা** কৰা আৰু পাছত মাৰ্কশ্বিটত ছপাই পুনৰ তুলনা কৰা কাম এক নিৰ্দিষ্ট সময়সীমাৰ মাজত শেষ কৰাটো অতি সহজ কাম নহয়। গণনা শক্তি কম হ'লেও তথ্য সংকলন স্থানান্তৰণ আৰু ফাইল সৃষ্টিৰ ক্ষমতা যথেষ্ট হ'ব লাগিব। গতিকে এনে কাম হাতত লোৱাৰ পূৰ্বে ছিষ্টেমৰ ক্ষমতা আৰু প্ৰগ্ৰেমৰ তথ্য সংকলনৰ দক্ষতা ভালদৰে জুখি চাব লাগিব। এই কাম কেনেদৰে কৰা হৈছিল—সেই বিষয়ে জনাৰ সুবিধা আমাৰ নাই। কিন্তু 'ফলৰ দ্বাৰাই কাৰ্যৰ পৰিচয় পোৱা যায়'—এই আপ্তবাক্য ব্যৱহাৰ কৰি অনুমান কৰিব পাৰি যে ছিষ্টেম সম্পৰ্কীয় অধ্যয়ন আগতে নকৰাকৈয়ে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এনে সিদ্ধান্ত লৈছিল। গতিকে ছিষ্টেমত গিগো সোমাই পৰি সকলোকে হাৰাশাস্তি কৰাত অন্ততঃ আমি আচৰিত হোৱা নাই।

# সৰুৰপৰা ডাঙৰলৈ

স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী কিছুমানে তেওঁলোকৰ পঢ়া-শুনাৰ ক্ষেত্ৰত হোৱা অসুবিধাৰ কথাৰে আমালৈ মাজে মাজে চিঠি লিখে। বেছিভাগ চিঠিৰে মূল কথাকেইটা হ'ল,— ক্লাছবোৰ নিয়মীয়াকৈ নহয়; ইটো-সিটো কাৰণত ক্লাছবোৰ বাতিল হৈ যায়; কোনো কোনো ঠাইত শিক্ষকৰ উপস্থিতিও অনিয়মীয়া; কোনো কোনো শিক্ষকে উপস্থিত থাকিও শ্ৰেণী বহি থকা সময়ত ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ নপঢ়ায়; তেখেতসকলে প্ৰাইভেট টিউশ্যন বা ক'চিং ক্লাছৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক উদগায়,— ফলত দুখীয়া, মেধাবী ছাত্ৰ-ছাত্ৰীয়ে মনত কষ্ট পায়, আৰু তেওঁলোক ক্ষতিগ্ৰস্ত হয়। এইবোৰ কথা এচাম শিক্ষক, অভিভাৱক আৰু ভাল শিক্ষা-ব্যৱস্থাৰ প্ৰতি আগ্ৰহী নাগৰিকেও লিখে; কিন্তু প্ৰত্যক্ষ অভিজ্ঞতাৰ ভেটিত এচাম কোমলমতীয়া ছাত্ৰ-ছাত্ৰীয়ে কথাবোৰ যেনেকৈ বৰ্ণায়, সেইবোৰ পঢ়ি ধাৰণা হয়,— যেন এটা বিক্ষোভ-বিদ্ৰোহ-আন্দোলনৰ গুটিয়ে গজালি মেলো-মেলো কৰিছে, কিন্তু ঘাইকৈ দুটা কাৰণত এই ঘটনাটো ঘটা নাই: প্ৰথম কাৰণ হ'ল— শিক্ষকসকলৰ প্ৰতি থকা পাৰম্পৰিক শ্ৰদ্ধা-ভক্তি-ভয় এই চাম ছাত্ৰ-ছাত্ৰীৰ মনত্তেই আটাইতকৈ বেছি; আৰু দ্বিতীয় কাৰণ হ'ল ঠিকমতে শ্ৰেণী নবহিলে আনন্দ পোৱা আৰু ক'চিং ক্লাছ, প্ৰাইভেট টিউশ্যন আদিক এক ধৰণৰ নতুন চোৰ লগত উটি অহা বস্তু বুলি গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বেছি।

এই বিষয়বোৰ আমি আগেয়ে আলোচনা কৰিছোঁ: এটা নতুন পৰিৱেশ সৃষ্টি হৈছে বুলি ভাবি আকৌ আলোচনা কৰিম। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰপৰা আৰম্ভ কৰি শিক্ষক-চিকিৎসকসকলৰ প্ৰাইভেট প্ৰেকটিছ আৰু সাধাৰণ স্কুল-কলেজৰ শিক্ষকসকলৰ প্ৰাইভেট টিউশ্যন-ক'চিং ক্লাছৰ মাজত পাৰ্থক্য কি— এই ধৰণৰ বহু বিষয়লৈকে আমি আলোচনা কৰিব লাগিব আৰু সুচিন্তিত পৰামৰ্শও আগবঢ়াব লাগিব। অসম চুক্তি, অসমত বাস কৰা বিভিন্ন ভাষাভাষী লোক আৰু অসমীয়া ভাষা,— এইবোৰ বিষয়ো ৰাজ্যখনৰ শিক্ষা নীতিৰ লগত সাঙোৰ খাব। কিছুমান কথা স্বাভাৱিকতে বৰ জটিল হ'ব। কিন্তু আজি আমি এটা অতি সৰু কথাৰে আলোচনা আৰম্ভ কৰোঁ।

ৰাজ্য চৰকাৰে স্কুলবোৰৰ-পঢ়া-শুনাৰ দিনৰ সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিছে। আমাৰ দেশত শিক্ষানুষ্ঠানবোৰ উন্নত দেশৰ তুলনাত বেছি দিন বন্ধ থাকে। গতিকে চৰকাৰৰ ব্যৱস্থাটো ভাল হৈছে। কিন্তু মন কৰিবলগীয়া কথা হ'ল— ঘোষিত বন্ধৰ তুলনাত আচম্বিতে হোৱা বন্ধৰ পৰিমাণো সৰহ, "হাফ"ৰ সংখ্যাটোও বেছ ডাঙৰ। কোনো কোনো প্ৰতিষ্ঠানৰ ছপা কৰা বন্ধৰ তালিকাত "হাফ হলিডে" নাই বুলি ছপোৱা থাকে, কিন্তু সেইখাৰ কথাৰ কোনো মূল্য নাই। অৱশ্যে কোনো গুণী লোকৰ মৃত্যু আদি কাৰণত হঠাতে স্কুল-কলেজ বন্ধ বা "হাফ" দিবলগীয়া হয়। এফালৰ পৰা চাবলৈ গলে,— স্পৰ্শকাতৰ হ'লেও, এনেধৰণৰ বন্ধ বা "হাফ"ৰ বিষয়টো লৈও তৰ্ক কৰিব পাৰি, কিন্তু সদ্যহতে সেই তৰ্কলৈ নগৈ সৰু কথাটোলৈ আহোঁ। স্কুললৈ নোযোৱাকৈ থকা বা মাজভাগতে স্কুলৰপৰা গুচি অহা ল'ৰা-ছোৱালীক "আজি কিয় স্কুললৈ নগ'লা" বা "কিয় সোনকালে আহিলা" বুলি সুধিলে বেছিভাগেই সঠিক উত্তৰটো দিব নোৱাৰে। এই সৰু-সৰু ল'ৰা-ছোৱালীবোৰৰ মুখত— "জানো! কোনোবা মৰিল বোলে।"— এনেকুৱা উত্তৰ শুনিলে বৰ বেয়া লাগে; সময়ৰ অপচয়ৰ বিষয়টো প্ৰকট হৈ উঠে, আৰু মৃত ব্যক্তিগৰাকীৰ প্ৰতি এটা অশ্ৰদ্ধাৰ ভাব পৰিস্ফুট হৈ উঠে। আনকি তালিকাভুক্ত, পূৰ্ব ঘোষিত বন্ধবোৰৰ কাৰণো বহু ল'ৰা-ছোৱালীয়ে নাজানে। "দামোদৰদেৱ নেকি!— মহৰম নেকি!— তেনেকুৱা কিবা এটা আছে বোলে"— এই জাতীয় উত্তৰ আমি প্ৰায়েই শুনো। যিটো কাৰণত পঢ়া-শুনা, কাম আদি বন্ধ হোৱাৰ নিচিনা গুৰুতৰ ঘটনা একোটা ঘটে, সেই কাৰণটোৰ বিষয়ে আমাৰ সকলোৰে যথাযথ জ্ঞান থকাটো আমাৰ সুসংস্কৃতিৰেই পৰিচায়ক। তাৰ বিপৰীত অৱস্থাটো অসামাজিক, অসাংস্কৃতিক আৰু লজ্জাজনক। কিয় কাইলৈ স্কুল বন্ধ, কিয় আজি স্কুল "হাফ" হ'ব, এইবোৰ কথা ছাত্ৰ-ছাত্ৰীক উপলব্ধি কৰোৱাটো দেখাত সৰু কথা হ'লেও, শৃংখলা, জ্ঞান আৰু সংস্কৃতিৰ দিশৰপৰা বৰ উপকাৰী। এই কাম কৰিবৰ বাবে ডাঙৰ আঁচনি নালাগে; ইয়াত টকা-পইচা-গ্ৰাণ্ট-ছেংছনৰ কথা নাই। কাইলৈ বন্ধ বা আজি "হাফ"— এই ঘোষণাটো যদি স্কুলৰ কৰ্তৃপক্ষয়েই কৰে, তেনেহলে সেই ঘোষণা থকা জাননীখনতে বন্ধ বা "হাফ"ৰ কাৰণটো তিনিটামান বাক্যৰে, শুদ্ধভাৱে লিখি, সেইখিনিকে শ্ৰেণীত শিক্ষকে পঢ়ি শুনালেও অৱস্থাটো বহু উন্নত হয়।

"কাইলৈ বিশ্বকৰ্মা পূজাৰ কাৰণে স্কুল বন্ধ থাকিব। পৰহিলৈ তোমালোক প্ৰত্যেকেই বিশ্বকৰ্মা পূজাৰ বিষয়ে দহটা বাক্যৰ ৰচনা একোখন লিখি আনিবা।"— এনেকুৱা এটা ব্যৱস্থাৰ বিষয়েও ভাবিব পাৰি; কিন্তু আগেয়ে শিক্ষকসকলৰ ফালৰপৰা তিনিটামান বাক্য শুদ্ধকৈ কোৱাৰ ব্যৱস্থাটোৰ ওপৰত জোৰ দিয়াই ভাল। কাৰণ "অমুক ঢুকাল" কাৰণে কাইলৈ স্কুল বন্ধ; কিন্তু অমুক নো কোন, সেই বিষয়ে শুদ্ধকৈ তিনিটা বাক্য লৰালৰিকৈ লিখি জাননী এখন তৈয়াৰ কৰাটো বহু স্কুলত এতিয়াও টান কাম হৈয়েই আছে; গতিকে কামটো স্কুল কৰ্তৃপক্ষৰ ফালৰ পৰাই আৰম্ভ কৰা ভাল।

২৬।২।৮৬




## AUDITYA FINANCE AND INVESTMENT (INDIA) LTD.

GLORIOUS 2ND YEAR OF A TYA, NORTH EASTERN REGION

BEST WISHES TO ALL OUR INVESTOR'S AND ALL WELL WISHERS FROM THE CHAIRMAN, BOARD OF DIRECTOR'S AND ALL EMPLOYEES OF NORTH EASTERN REGION.

WE PROUDLY ENTER INTO GLORIOUS 2ND YEAR IN NORTH EASTERN REGION WITH 54 BRANCHES AND OVER ONE THOUSAND EMPLOYEES.
ITS ALL BUT POSSIBLE BY THE KIND AND SYMPATHETIC CO-OPERATION AND GOOD WISHES OF OUR VALUED INVESTORS AND WELL WISHERS AND HARD WORKING OF OUR EMPLOYEES.

OUR IMMEDIATE AIM IS TO COMPLETE ONE HUNDRED BRANCHES IN NORTH EASTERN REGION BY THE END OF 1986, WITH THE HELP OF WELL WISHERS AND HARD WORKERS OF AUDITYA.

| OUR SCHEME | FACILITIES | BACK GROUND |
|---|---|---|
| 1. HELPING HAND PLAN. | 1. SECURED LOAN. | 1. Rs.50,0000000 INSURANCE FOR ALL MEMBER'S EMPLOYEES ALL OVER INDIA. |
| 2. AUDITYA FIXED DEPOSIT SCHEME. | 2. UNSECURED LOAN. | 2. BANK GUARANTY TO MEMBER. |
| 3. JANATA FIXED DEPOSIT SCHEME. | 3. NATURAL DEATH BENEFIT. | 3. SECURITY TO ALL MEMBER. |
| 4. QUICK RETURN PLAN. | 4. PERSONAL ACCIDENT BENEFIT | 4. A PUBLIC LIMITED COMPANY UNDER THE DIRECTIVES OF RESERVE BANK OF INDIA. |
| 5. AUDITYA SALARY SAVING SCHEME. | 5. INSURANCE BENEFIT. | |

FURURE

1. CHILDREN EDUCATION.
2. FAMILY PROTECTION.
3. MARRIAGE
4. INCOME ON PERSONAL DISABLEMENT.
5. EARNING WHEN UNEMPLOYED.

BRANCHES IN NORTH EASTERN REGION

| | | |
|---|---|---|
| 1. GUWAHATI. | 19. TINSUKIA | 37. NA-KACHARI |
| 2. GOLAGHAT | 20. SONARI | 38. TANGLA |
| 3. JORHAT | 21. BISWANATH | 39. CHANDRAPUR. |
| 4. SIBSAGAR | 22. NAMRUP | 40. NAHARKATIA |
| 5. DHEMAJI | 23. BORHOLA | 41. NARANGI |
| 6. DIBRUGARH | 24. DHAKUAKHANA | 42. DISPUR |
| 7. BOKAKHAT | 25. DOOMDOOMA | 43. BAIHATA |
| 8. BARPETA | 26. BORGANG | 44. GOALPARA |
| 9. TITABAR | 27. BIHUPURIA | 45. DULIAJAN |
| 10. DERGAON | 28. JONAI | 46. MALIGAON |
| 11. MARIANI | 29. DEMOW | 47. LALUK |
| 12. BOKAJAN | 30. NARAYANPUR | 48. MAKUM |
| 13. DIPHU | 31. JAMUGURIAHAT | 49. DIGBOI |
| 14. MAJULI | 32. RANGIA | 50. TEOK |
| 15. LAKHIMPUR | 33. NALBARI | 51. TALAP |
| 16. MORAN | 34. BARPATHAR | 52. BANDAMARI |
| 17. NAZIRA | 35. MANGALDOI | 53. JANGRAIMUKH |
| 18. AMGURI | 36. NAGAON | 54. DUMUNI |

MAKE "AUDITYA" THE LARGEST GROUP OF FINANCIAL ORGANISATION BY INVESTING SMALL AND HUGE AMOUNT AND MAKE YOUR CARRIER A BRIGHTER ONE.

AUDITYA FINANCE AND INVESTMENT (INDIA) LIMITED.
(A PUBLIC LIMITED COMPANY - UNDER THE DIRECTIVE OF RESERVE BANK OF INDIA)

CENTRAL OFFICE
3/11/12, NAVJIVAN.
LAMINGTON ROAD,
BOMBAY-400 008.

ADMINISTRATIVE AND CONTROL OFFICE
NORTH EASTERN REGION
WARD STREET,
UZAN BAZAR,
GUWAHATI-781 001.

REGIONAL OFFICE
NORTH EASTERN REGION
TRINCAS BUILDING
M.R.M.B.ROAD, FANCY BAZA
GUWAHATI -1.

AUDITYA - THE SYMBLE OF PROSPERITY WITH TOTAL SECURITY INVEST WITH AUDITYA.